# যীশুখ্ৰীষ্ট ভাৰতবৰ্ষত





লিখক

হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী

প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ)

# যীশুখ্ৰীষ্ট ভাৰতবৰ্ষত

লিখক

হজৰত মিৰ্জা গোলাম আহমদ

প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ)

নাম কিতাপ : যীশুখ্ৰীষ্ট ভাৰতবৰ্ষত

মূল কিতাপ : মছীহ হিন্দুস্থান মে

লিখক : হজৰত মির্জা গোলাম আহমদ কাদিয়ানী (আঃ)

অনুবাদক : ওমৰ আলী চৌধুৰী

প্ৰথম প্ৰকাশ : ২০২০,১০০০ কপি

প্ৰকাশক : নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান

মুদ্ৰণে : ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান,
জিলা গুৰদাছপুৰ,১৪৩৫১৬( পঞ্জাৱ)

Name Book : Zishukhrist Bharatbarkhat

Original Book : Mashi Hindustan Me

Author : Hazrat Mirza Ghulam Ahmad
Qadiani

Translated by : Umar Ali Choudhry

Fisrt Published : 2020, 1000 Copies

Published by : Nazarat Nashor-o-Ishaat Qadian

Printed at : Fazle Umar Printing Press
Qadian,Dist,Gurdaspur
143516 (Punjab)

# প্ৰকাশকৰ কথা

মছীহ হিন্দুস্থান মে কিতাপখন অসমীয়ালৈ অনুবাদ কৰিছে মাননীয় ওমৰ আলী চৌধুৰী চাহাব আৰু ইয়াৰ কমপোজিং কৰিছে মাননীয়া ৰেজিয়া খাতুন বি.এছ ছি য়ে আৰু **Review** কৰিছে মাননীয় আমান আলী চাহাব মুবাল্লিগ ছিলছিলা (সভাপতি **Review** কমিটি অসম) মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক),মাননীয় ৰহিম বাদশ্বাহ চাহাব মুবাল্লিগ ছিলছিলা। মাননীয় নাজিমুদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা, **Review** হোৱাৰ পিছত মাননীয় মজিবৰ ৰহমান চাহাবে চালি-জাৰি চাই অত্যাৱশ্যকীয় শুধৰণী কৰিছে। আল্লাহ তায়লা কিতাপখন প্ৰস্তুত কৰি উলিয়াওতে সহায় সহযোগীতা আগবঢ়োৱা সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমিন

নাজিৰ নশ্বৰ ও ইশ্বায়ত কাদিয়ান

পৰম কৰুণাময় পৰম দানশীল আল্লাহ্‌ৰ নামত আমি তেওঁৰে প্ৰশংসা কৰো তেওঁৰ আশীষ কামনা কৰো তেওঁৰ মহান ৰছুলৰ ওপৰত। হে আমাৰ প্ৰভু, আমাৰ মাজত আৰু আমাৰ জাতিৰ মাজত সত্যৰ বিচাৰ কৰা আৰু তুমিয়েই শ্ৰেষ্ঠতম বিচাৰক।

# পাতনি

মই এইখন গ্ৰন্থ ৰচনা কৰিলোঁ প্ৰতিষ্ঠিত তথ্যৰাজিৰ পৰা প্ৰমাণিত মূল্যৰ ঐতিহাসিক প্ৰমাণৰ অনুসিদ্ধান্তৰ পৰা আৰু অমুছলমান সকলৰ প্ৰাচীন তথ্যৰাজিৰ পৰা লোৱা প্ৰমাণসমূহ সত্যপণেৰে  যাতে মই সংবেদনশীল ভ্ৰান্ত ধাৰণাবোৰ দূৰ কৰিব পাৰো  যিবোৰ বিভ্ৰান্তি মুছলমান আৰু খ্ৰীষ্টান সকলৰ মাজত প্ৰচলিত হৈ আছে।যীশুৰ (আঃ) পূৰ্ববৰ্তী আৰু পৰবৰ্তী জীৱন সম্পৰ্কে আৰু যাৰ মাৰাত্মক প্ৰভাৱে অকল স্বৰ্গীয় একত্ববাদী ধাৰণাক আঘাত হনা আৰু ধ্বংস কৰা নাই, বৰং যাৰ হানিকৰ  আৰু বিষাক্ত প্ৰভাৱ এক দীৰ্ঘকাল ধৰি দেশখনৰ মুছলমানসকলৰ মাজত পৰিলক্ষিত হৈছে।এনে ধৰণৰ ভিত্তিহীন গল্প  আৰু ব্যাখ্যাৰ প্ৰভাৱত মুছলমান সমাজত নৈতিকতাৰ অভাৱ, অশুভ চিন্তা,পুতৌৰ অভাৱ আদিৰ  দৰে আত্মিক ৰোগ বেয়াকৈ শিপাইছে। মানৱ সহানুভূতি, সুবিচাৰৰ প্ৰতি আগ্ৰহ আৰু প্ৰেম,বিনয়তা নম্ৰতা এই সকলোবোৰ শুভ গুণ দিনক দিনে নোহোৱা হৈছে, যেনিবা এইবোৰ গুণ সম্প্ৰদায়টোৰ পৰা শেষ বিদায় লৈছে। এনে নিৰ্দয়তা আৰু অসততাই মুছলমানক বন্য জন্তুতকৈও নিকৃষ্ট কৰি পেলাইছে।এজন জৈন অথবা বৌদ্ধ ধৰ্মী লোকে আনকি এটা মহ বা ফৰিং মৰাৰ পৰাও ভীতিগ্ৰস্ত হৈ আঁতৰত থাকে,কিন্তু হায়! মুছলামনসকলৰ মাজত বহুত আছে, যেতিয়া সিহঁত কোনো নিৰীহ মানুহক হত্যা কৰে বা দায়িত্বহীন ভাৱে কোনো হত্যা সংঘটিত কৰে,তেতিয়া সিহঁতে আল্লাহ্‌ৰ প্ৰতি  ভয় নেৰাখে, অথচ যিজন আল্লাই মানৱ জাতিক আন প্ৰাণীতকৈ উচ্চ স্থানত স্থান দিছে।এনে নিৰ্দয়তা নিষ্ঠুৰতা, সহানুভূতিহীনতাৰ কাৰণ কি, ইয়াৰ কাৰণ এয়েই যে সিহঁতৰ শৈশৱ কালৰে পৰা শুনি অহা গল্প,কাহিনী,আৰু

জিহাদৰ বিভ্ৰান্তিকৰ মতবাদে সিহঁতৰ কাণ ঘোলা কৰিছে আৰু সিহঁতৰ অন্তৰক উচটনি দিছে আৰু ফলশ্ৰুতিত সিহঁত নৈতিক ভাৱে মৃত হৈ পৰিছে, যেন সিহঁতৰ হিংস্ৰ বা বন্য কৰ্মৰ ওপৰত ভাবিবলৈ অৱসৰ নোহোৱা হৈছে আৰু এইদৰেই যিজনে আন মানুহক হত্যা কৰে তেওঁ সজাগ নহয় যে তেওঁৰ কৰ্মৰ বলি হোৱা ব্যক্তিজনৰ লগতে পৰিয়ালটোক ধ্বংস কৰিলে, বৰং তেওঁ ভাৱে যে তেওঁ মেধাসম্পন্ন (পুণ্যৰ) কাম কৰিছে। দুঃখৰ বিষয় তেওঁ যেন তেওঁৰ সম্প্ৰদায়ৰ মাজত জনপ্ৰিয়তা অৰ্জনৰ সুযোগ পালে। পৰিতাপৰ বিষয় হৈছে আমাৰ দেশত এনে কৰ্মৰোধৰ বাবে কোনো বক্তব্য বা নীতি শিক্ষা নাথাকে,যদিওবা কোনো সামান্যতম বক্তব্য থাকে সেয়া যেন তেওঁলোকৰ ভণ্ডামিহে। সাধাৰণ মানুহে এই কুকৰ্মটোকে সুকৰ্ম বা সজ কাম বুলি ভাৱে। সেয়ে সেই মানুহবিলাকৰ প্ৰতি পুতৌ ৰাখি মই কেইবাখনো উৰ্দু, পাৰ্চী আৰু আৰবী ভাষাত গ্ৰন্থ ৰচনা কৰিছোঁ য'ত মই এই অভিমত প্ৰকাশ কৰিছোঁ যে মুছলমান সকলৰ মাজত জিহাদৰ জনপ্ৰিয় ধাৰণাটো যিটো অন্য সম্প্ৰদায়ৰ প্ৰতি বৈৰী আৰু হিংস্ৰ মনোভাৱৰ ৰক্তাক্তকাৰী ইমাম একৰাকীয়ে কামনা কৰে-সেয়া অল্পজ্ঞানী উলেমাসকলৰ ভ্ৰান্ত বিশ্বাসৰ কামনা মাথোন। আনহাতে আত্মৰক্ষা মূলক যুদ্ধৰ বাহিৰে,যি ক্ষেত্ৰত স্বাধীনতা ৰক্ষাৰ পথৰ হেঙাৰ স্বৰূপ অত্যাচাৰীৰ বিৰুদ্ধে যুদ্ধ কৰা হয় তাৰ বাহিৰে অকল ধৰ্মবিশ্বাস প্ৰতিষ্ঠাৰ হকে অস্ত্ৰ প্ৰয়োগৰ বাবে ইছলামে অনুমোদন নকৰে। আত্মৰক্ষামূলক যুদ্ধ তেতিয়াই আৱশ্যক হয় যেতিয়া কোনোবাৰ জীৱনৰ ওপৰত বিৰোধী শত্ৰুৰ আক্ৰামক ভাবুকি স্বৰূপ হৈ পৰে। চৰিয়তৰ দ্বাৰা অনুমোদিত তিনি প্ৰকাৰৰ জিহাদ আছে। এই তিনি প্ৰকাৰৰ বাহিৰে অন্য কোনো প্ৰকাৰ জিহাদ নাই,যিটোৰ বিশ্বাস প্ৰতিষ্ঠাৰ হকে ইছলামে অনুমোদন প্ৰদান কৰে। মই এইবোৰ গ্ৰন্থৰ বাবে অনেক অৰ্থ ব্যয় কৰি সেইবোৰ আমাৰ দেশৰ উপৰিও আৰব আৰু খোৰাচান আদি ৰাষ্ট্ৰসমূহলৈ প্ৰকাশ কৰি পঠাইছোঁ। আল্লাহৰ কৃপাত মই এক বলিষ্ঠ যুক্তি দাঙি ধৰিবলৈ সক্ষম হৈছোঁ যিবিলাক মানুহৰ অন্তৰত সোমোৱা ভিত্তিহীন বিশ্বাসবোৰ দূৰ কৰাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা লাভ

কৰিব পাৰে। অনুসিদ্ধান্তমূলক পাৰিপাৰ্শ্বিক প্ৰমাণ আৰু ঐতিহাসিক প্ৰমাণ যিটো সত্যৰ পোহৰে প্ৰতিশ্ৰুত দিব পাৰে যে এইবোৰ প্ৰকাশৰ পিছত সোনকালে মুছলমান সমাজৰ জনবিশ্বাসৰ ওপৰত এক আচৰিত পৰিৱৰ্তন আনিব। মোৰ নিশ্চিত আশা যে এইবোৰ সত্য বোধগম্য হোৱাৰ পিছত ইছলামৰ বৈধ সন্তানসকলৰ অন্তৰত সৰলতা,বিনয়তা আৰু ক্ষমাৰ বাতাবৰণ বব আৰু এক আধ্যাত্মিক পৰিৱৰ্তন আনিব যিয়ে দেশত স্বাস্থ্যকৰ শান্তিৰ পৰিৱেশৰ উদ্ভৱ ঘটাব। মই নিশ্চিত যে খ্ৰীষ্টান অনুসন্ধানকাৰী সকল আৰু আন মানুহসকল যিসকলে সত্যৰ সন্ধান বিচাৰে তেওঁলোক মোৰ এই গ্ৰন্থসমূহৰ পৰা উপকৃত হ’ব পাৰিব। ইতিপূৰ্বে উল্লেখ কৰা হৈছে যে এই গ্ৰন্থখনৰ আচল উদ্দেশ্য হৈছে ভ্ৰান্ত বিশ্বাস শুদ্ধ কৰা যিবোৰ মুছলমান আৰু খ্ৰীষ্টান সম্প্ৰদায়ৰ অংগ হৈ পৰিছে যিটো সত্যৰ ব্যাখ্যাৰ আৱশ্যক আছে যাক তলত উল্লেখ কৰা হ’ল।

এইখিনিতে উল্লেখ কৰা যাওঁক যে গৰিষ্ঠ সংখ্যক মুছলমান আৰু খ্ৰীষ্টানসকলে বিশ্বাস কৰে যে যীশু (আঃ) সশৰীৰে আকাশলৈ গৈছে।এই উভয় সম্প্ৰদায় লোকে এক দীৰ্ঘকাল ধৰি ইয়াক বিশ্বাস কৰে যে যীশু (আঃ) এতিয়াও আকাশত জীৱিত অৱস্থাত আছে আৰু পৰৱৰ্তী কোনো সময়ত তেওঁ পৃথিৱীলৈ অৱতাৰণ কৰিব। ইছলামৰ ধৰ্মালম্বী আৰু খ্ৰীষ্টান ধৰ্মালম্বী সকলৰ ধাৰণাৰ মাজত ব্যৱধান মাত্ৰ এইখিনিয়ে যে খ্ৰীষ্টান বিশ্বাস মতে যীশু খ্ৰীষ্ট ক্ৰুছবিদ্ধ হৈ মৃত্যুবৰণ কৰিছিল,পুনৰ কবৰৰ পৰা উঠি আহিছিল আৰু আকাশলৈ পাৰ্থিৱ দেহেৰে আৰোহণ কৰিছিল।তাত তেওঁ দেউতাকৰ অৰ্থাৎ আল্লাহৰ সোঁফালে বহি আছে আৰু আখেৰী যুগত বিচাৰক হৈ পৃথিৱীলৈ নামি আহিব। তেওঁলোকে আৰু বিশ্বাস কৰে যে বিশ্বৰ সৃষ্টিকৰ্তা মছীহ (যীশু আঃ )ৰ বাহিৰে আন কোনো নহয়। শেষ যুগত তেওঁৱেই পৃথিৱীলৈ অৱতাৰণ কৰিব সগৌৰৱে মানুহক শান্তি আৰু পুৰস্কাৰ প্ৰদান কৰিবলৈ। তেতিয়া যিসকলে তেওঁক আৰু তেওঁৰ মাকক (মৰিয়মক) ঈশ্বৰ হিচাপে মানি নলব। সেই সকলৰ বিচাৰন্তে নৰকলৈ নিক্ষেপ কৰিব য’ত অকল ক্ৰন্দন আৰু অনুতাপেই সিহঁতৰ প্ৰাপ্য হ’ব। আনহাতে পূৰ্বে

উল্লেখিত মুছলমান সম্প্ৰদায়ৰ ধাৰণা হৈছে যীশু (আঃ)ক ক্ৰুছত দিয়া হোৱা নাই আৰু তেওঁ ক্ৰুছবিদ্ধ হৈ মৰাও নাই। ইহুদীসকলে যেতিয়া তেওঁক ক্ৰুছত দিয়াৰ বাবে আটক কৰিছিল তেতিয়া আল্লাহৰ ফিৰিস্তাই তেওঁক আকাশলৈ সশৰীৰে তুলি লৈ গৈছিল আৰু তেওঁ এতিয়াও বেহেস্তত জীৱিত আছে যাক দ্বিতীয় বেহেস্ত বোলা হয় আৰু য'ত ইয়াহিয়া আৰু মোহন নামে নবীও আছে। মুছলমান সকলে আৰু কয় যে যীশু (আঃ) এজন আগশাৰীৰ নবী আছিল যিজন আল্লাহ হ'ব নোৱাৰে অথবা আল্লাহৰ পুত্ৰও নহয়। তেওঁলোকৰ বিশ্বাস যে শেষ যুগত সেই যীশু (আঃ) দামাস্কাৰ মীনাৰত বা আশে পাশে দুজন  ফিৰিস্তাৰ বাহুত ভৰ কৰি পৃথিৱীলৈ অৱতৰণ কৰিব আৰু তেওঁ ইতিমধ্যে আৱিৰ্ভূত ইমাম মহম্মদ বা মেহেদী যিজন ফাতেমাৰ বংশধৰ হ'ব দুয়ো মিলি অমুছলমান সকলক কাকো বাদ নিদিয়াকৈ গণহত্যা কৰিব। অকল যিসকলে  লগে লগে বা অনতি পলমে মুছলমান হ'ব তেওঁলোকক হত্যা যজ্ঞাৰ পৰা ৰেহাই দিয়া হ'ব। চমুকৈ যীশু (আঃ)ৰ অৱতৰণৰ মুখ্য উদ্দেশ্য মুছলমান সম্প্ৰদায়ৰ আহলে ছুন্নত বা আহলে হাদীছ যিসকলক সাধাৰণ লোকে ৱাহাবী বুলি কয় সেইসকলৰ ভাষ্য মতে হিন্দুসকলৰ মহাদেৱৰ লেখীয়াকৈ তেওঁ সমগ্ৰ পৃথিৱীখন ধ্বংস কৰিব। প্ৰথমতে তেওঁ মানুহসকলক মুছলমান হ'বলৈ নিৰ্দেশ দিব আৰু তেতিয়া যদি মানুহসকলে তেওঁক নেমানে তেন্তে তেওঁ তৰোৱালেৰে তেওঁ গণহত্যা সংঘটিত কৰিব। তেওঁলোকে আৰু কয় যে,তেওঁ বেহেস্তত এতিয়াও সশৰীৰে জীৱিত আছে যেতিয়া পৃথিৱীত মুছলমানসকলৰ শক্তি দুৰ্বল হৈ পৰিব তেতিয়াই তেওঁ নামি আহিব আৰু অমুছলিমসকলক তেওঁ হত্যা কৰিব অথবা মৃতুদণ্ডৰে সিহঁতক মুছলমান হ'বলৈ বাধ্য কৰাব। খ্ৰীষ্টান ধৰ্ম সম্পৰ্কত আন মুছলমানসকলৰ ধাৰণা মতে যীশু (আঃ) পৃথিৱীত অৱতাৰণ কৰি আটাইবোৰ ক্ৰুছ তেওঁৰ তৰোৱালৰ সহায় ধ্বংস কৰিব,বহু নিষ্ঠুৰ কাৰ্য সম্পাদন কৰিব, পৃথিৱীখনক ৰক্তাক্ত কৰি পেলাব। আৰু মই ইতিপূৰ্বে উল্লেখ কৰা ধৰণে মুছলমানসকলৰ মাজৰ আহলে হাদীছৰ লেখীয়া  দলবোৰে স্ববিশ্বাসৰ প্ৰতি ইমান আসক্ত

যে মছীহ আগমনৰ আগে আগে ফাতিমাৰ বংশধৰৰ মাজৰ পৰা এজন ইমাম ওলাব যাৰ নাম মহম্মদ বা মাহদী হ'ব।তেওঁৰেই হ'ব যুগৰ খলিফা আৰু ৰজা আৰু তেওঁ এগৰাকী কুৰাইশ্ব হিচাপে তেওঁৰ মূল উদ্দেশ্য হ'ব অমুছলিমসকলক হত্যা কৰা। সিহঁতক ৰেহাই দিয়া হ'ব যেতিয়া সিহঁতে তাৎক্ষণিক ভাৱে কলিমা পাঠ কৰিব।তেওঁৰ এনে কাৰ্যত সহায় কৰিবৰ বাবে যীশু (আঃ) নামি আহিব আৰু যদিও যীশু (আঃ) নিজে (প্ৰকৃততে) মাহদী হ'ব। হায় : মহৎ মাহদী তথাপিও যুগৰ খলিফা যিহেতু কুৰাইশ্ব হ'ব লাগে,যীশু (আঃ) যুগৰ খলিফা হ'ব একেই মহম্মদ যিজন হ'ব মাহদী। মুছলমান সকলে কয় যে,এই দুজনে পৃথিৱীখনক মানৱ শোনিতেৰে উপচাই দিব আৰু তেওঁলোকে পৃথিৱীখনত ইমান তেজ বোৱাব যিটো ঘটনা ইতিপূৰ্বে বিশ্বৰ ইতিহাসত ঘটা নাই। তেওঁলোক অহাৰ লগে লগেই এনে ৰক্তাক্ত কাৰ্য আৰম্ভ কৰিব,তেওঁলোকে প্ৰচাৰো নকৰিব নিৰ্দেশো নিদিব নতুবা কোনো সংকেতো প্ৰদৰ্শন নকৰিব। তেওঁলোকে আৰু কয় যে যদিও যীশু (আঃ) ইমাম মহম্মদৰ উপদেষ্টাৰ দৰে বা এজন সেনাধিনায়কৰ দৰে হ'ব, ক্ষমতাৰ অধিকাৰ ইমাম মাহদীৰ হাতত থাকিব যীশু (আঃ)য়ে ইমাম মাহদীক বিশ্বত গণহত্যা অনুষ্ঠিত কৰিবলৈ উত্তেজিত কৰিব আৰু উগ্ৰপন্থা অৱলম্বন কৰিবলৈ উপদেশ দিব।তেওঁ যীশু (আঃ) পৃথিৱীত পূৰ্বে দিয়া মানৱ শিক্ষাৰ সংশোধন কৰিব।কিয়নো তেওৰঁ যিটো শিক্ষা আছিল যে "কোনো বেয়া অৱশিষ্ট নাৰাখিবা আৰু কোনো এটা গালত চৰ মাৰিলে সিখন গালো পাতি দিবা"।

এয়াই, যিটো মুছলমান আৰু খ্ৰীষ্টান সকলে যীশু (আঃ)ৰ সম্পৰ্কে বিশ্বাস কৰে, আৰু যেতিয়া খ্ৰীষ্টানসকলে কৰাৰ দৰে তেওঁৰ দৰে এজনা সামান্য মানুহকে ঈশ্বৰ বোলা হয় যিটো এক মহাভুল। ইছলামৰ অনুসাৰী সকলৰ মাজত আহলে হাদীছ বোলা এক গোষ্ঠী আছে যিসকলক ৱাহাবী বুলিও জনা যায়, সিহঁত ৰক্তপিপাসু মেহেদী আৰু ৰক্তপিপাসু মছীহ সন্দৰ্ভত ৰখা বিশ্বাস সিহঁতৰ নৈতিকতাৰ ইমান বেয়াকৈ প্ৰভাৱান্বিত কৰি আছে যে সিহঁতৰ ব্যৱহাৰ সাধুতা আৰু সৎচিন্তাৰ ভিত্তিত থকা নাই নতুবা অমুছলমান

চৰকাৰৰ ওপৰত সিহঁত প্ৰকৃতপক্ষে আৰু সম্পূৰ্ণ ৰূপত আনুগত্য ৰখা নাই। সকলো বিবেকবান মানুহেই বুজি উঠিব যে এনে এক বিশ্বাস স্পষ্টকৈ যাক অমুছলমান সকলক মানিবলৈ বাধ্য কৰোৱা হ'ব যে তেওঁ হয় লগে লগে মুছলমান হ'ব লাগিব নহয়তো মৃত্যুৰে দণ্ডিত কৰা হ'ব। এনে বিশ্বাস খোলা খুলি ভাৱে ঘোৰ আপত্তি জনক। প্ৰতিজন বিবেকবান ব্যক্তি পোনেই স্বীকাৰ কৰিব যে কোনো এজন মানুহ সত্য বিশ্বাস বুজি উঠাৰ পূৰ্বে আৰু ব্যক্তিজনে ইয়াৰ সৌন্দৰ্য আৰু পৰ্যাপ্ত জ্ঞান প্ৰাপ্তিৰ পূৰ্বে তেওঁক বলপূৰ্বক মানিবলৈ বাধ্য কৰোৱাটো অন্যায় আৰু আশাৰ অতি বিপৰীত হ'ব। বিশ্বাস বৃদ্ধি কৰা কাৰ্যত অৰিহণা যোগোৱাতো দূৰৰ কথা এনে কাৰ্য্যই বিৰোধীসকলক দোষ ধৰিবলৈহে সুযোগ আনি দিব। এনেকুৱা মতাদৰ্শৰ অন্তিম পৰিণতি স্বৰূপে মানুহৰ অন্তৰ সমূহ মানৱ সহানুভূতি ক্ষমা আৰু বিবেচনা শূন্য কৰিব যিবোৰ মানৱ সভ্যতাৰ নৈতিক গুণাগুণ সেইবোৰ মানুহক এৰি দিব, পৰিৱৰ্তে বৃদ্ধি হ'ব হিংস্ৰতা আৰু শত্ৰুতা। সকলোবোৰ নৈতিক গুণাগুণ মছা গৈ অকল পাশবিক মনোবৃত্তিহে অৱশিষ্ট ৰ'ব। কিন্তু লক্ষণীয় যে এনে শিক্ষা ঈশ্বৰৰ নীতি বহিৰ্ভূত যিজন (ঈশ্বৰ) শেষতহে শাস্তি প্ৰদান কৰে। তেওঁ তেওঁৰ যুক্তি সম্পূৰ্ণ কৰি থৈছে। গতিকে চিন্তা কৰা যাওক চোন যে এনে এজন মানুহ যিজনে প্ৰকৃত সত্য, ইয়াৰ শিক্ষা আৰু সৌন্দৰ্যৰ প্ৰতি, ইয়াৰ সত্যতাৰ প্ৰতি অসজাগতাৰ বাবে প্ৰকৃত সত্যক গ্ৰহণ নকৰে, তাৎক্ষণিক ভাৱে মানুহজনক হত্যা কৰা যুক্তিসংগত হ'বনে। কেতিয়াও নহয় এনে মানুহক পুতৌ কৰাৰহে প্ৰয়োজন, তেওঁক বিশ্বাসটোৰ সত্যতা, সৌন্দৰ্য্য আৰু আধ্যাত্মিক লাভালাভৰ শিক্ষা শান্ত ভাৱে আৰু নম্ৰ ভাৱে দিয়া উচিত। তেওঁৰ অস্বীকাৰ কৰা কাৰ্যৰ মোকাবিলা তৰোৱাল বা বন্দুকেৰে কৰা উচিত নহয়। গতিকে ইছলামৰ এনে দলবোৰৰ ভাষ্যানুসৰি জিহাদৰ শিক্ষা দিয়া হৈছে সেয়া সম্পূৰ্ণ ভাৱে আমাৰ নৈতিকতাৰ বিপৰীত হ'ব, যদিহে বিশ্বাস কৰা হয় যে ইমাম মহম্মদৰ নামৰ ৰক্তপায়ী মেহেদীৰ আৱিৰ্ভাৱৰ সময় ওচৰ চাপিছে আৰু স্বৰ্গৰ পৰা মচীহে তেওঁক সহায় কৰিবৰ বাবে নামি আহিব আৰু দুয়ো

একেলগ হৈ ইছলামক অস্বীকাৰ কৰা সকলো অমুছলমানক হত্যা কৰিব। এনে বিশ্বাস যিটোৱে মানবীয় গুণাগুণ আৰু নীতিক মচি পেলায় সিয়ে বন্য জীৱনৰ বৈশিষ্ট্যক উৎসাহ দিয়া নাইনে। যিসকলে অন্যৰ প্ৰতি এনে বিশ্বাস ধাৰণ কৰি থাকে সেইসকলে ভণ্ড জীৱন যাপন কৰে সেয়ে সেইসকলে আন বিশ্বাস ধাৰণকাৰী সকলৰ ৰাজ্যিক কৰ্তৃপক্ষৰ ওচৰত সচাঁ আনুগত্য দেখুৱাব নোৱাৰে বৰং কপটাতাৰে আনুগত্য দেখুৱাব বিচাৰে যিটো হৈছে মহা ভুল।সেইকাৰণে ইতিপূৰ্বে উল্লেখ কৰা আহলে হাদীছ দলবোৰে ভাৰতৰ বৃটিছ চৰকাৰৰ অধীনত দ্বৈত (কপট) জীৱন যাপন কৰে। সংগোপনে সিহঁতে সাধাৰণ মানুহক ৰক্তাক্তকাৰী মেহেদী আৰু মছীহৰ ৰক্তাক্ত দিনৰ আশ্বাস দিয়ে আৰু মানুহবিলাকে সেই ধৰণে শিক্ষা দিয়ে, কিন্তু যেতিয়া সিহঁত কতৃপক্ষৰ ওচৰ চাপে তেতিয়া তেনে ধাৰণা সিহঁতৰ নাই বুলি ছলনাৰে নিশ্চয়তা দেখুৱায়। যদি সিহঁতে তেনে ধাৰণাৰ বিৰোধীতাই কৰে তেন্তে সিহঁতে লিখাৰ যোগেদি তাক প্ৰকাশ নকৰে কিয়? আৰু কিয় সিহঁতে ৰক্তাক্তকাৰী মেহদী আৰু মছীহৰ প্ৰতীক্ষাত আছে যেন যাৰ পদুলিত সিহঁত সাজু হৈ আছে তেওঁলোক দুজনে আহিলেই তেওঁলোকৰ অভিযানত যোগ দিব। চমু এনে ধৰণৰ বিশ্বাসে অধিককৈ এই মৌলবীবোৰক অনৈতিক কৰি পেলাইছে, সিহঁতে মানুহক সভ্যতা আৰু শান্তিৰ বিষয়ে শিক্ষা প্ৰদানৰ ক্ষেত্ৰত উপযুক্ত নহয়। আনহাতে কোনো ভিত্তি আৰু কাৰণ নোহোৱাকৈ অন্য সকলক হত্যা কৰা এওঁলোকৰ বাবে মহান ধৰ্মীয় দায়িত্ব। মই সুখী হলোহেঁতেন, যদিহে আহলে হাদীছৰ কোনো দলে এনে বিশ্বাসৰ বিৰোধী হ'লহেঁতেন। কিন্তু মই মৌখিক দুঃখ প্ৰকাশেৰে নীৰৱ দৰ্শকৰ ভূমিকা ল'ব নোৱাৰো। যিহেতু আহলে হাদীছৰ দলবোৰৰ মাজত এনে কিছু মানুহ আছে যিসকলে ৰক্তাক্তকাৰী মেহদীৰ ওপৰত গোপনে বিশ্বাস ৰাখে আৰু সিহঁতৰ তথাকথিত জিহাদৰ ধাৰণাৰ ওপৰত বিশ্বাস ৰাখে। সিহঁত নিজৰ ধাৰণাটোক বিশুদ্ধিকৰণৰ সদা বিৰোধী আৰু অন্য বিশ্বাসীসকলক হত্যা কৰাৰ সুবিধা পালেই হত্যা কৰাটোকে সিহঁতে প্ৰশংসনীয় কাম বুলি ভাৱে। যি ক্ষেত্ৰত ইছলামৰ নামত অন্যক হত্যা কৰাৰ বিশ্বাস নতুবা

ৰক্তাক্তকাৰী মছীহ সম্পৰ্কে ভৱিষ্যতবাণীৰ ওপৰত বিশ্বাস ৰখা আৰু ৰক্তাক্তৰে বা ভাবুকিৰে ইছলামৰ অগ্ৰগতিৰ ওপৰত আশা ৰখা আদি সম্পূৰ্ণ ভাৱে পৱিত্ৰ কোৰাণ বিৰোধী আৰু বিশ্বাসযোগ্য হাদীছ বিৰোধী কাম। আমাৰ পৱিত্ৰ ৰছুলে কৰিম (ছাঃ) মক্কাত থকা অৱস্থাত আৰু তাৰ পিছতো কাফিৰৰ হাতত অনেক যাতনা সহিবলগীয়া হৈছিল আৰু যি তেৰ বছৰ কাল তেখেত মক্কাত কটাইছিল সেয়া আছিল বিভিন্ন ধৰণৰ নিৰ্যাতন আৰু দুৰ্ভোগ ভৰা যিবোৰ চিন্তাই মোক এজনৰ চকুত লো নিগৰায়। কিন্তু তেওঁ কোনোদিনে তেখেতৰ শত্ৰুৰ বিৰুদ্ধে অস্ত্ৰ তোলা নাছিল, নতুবা সিহঁতৰ গালি-গলাজৰ উত্তৰো দিয়া নাছিল যেতিয়ালৈকে নিজৰ সতীৰ্থ আৰু আত্মীয় বন্ধু সকলক সিহঁতে নিৰ্দয় ভাৱে হত্যা কৰা নাছিল। অথচ তেওঁ নিজে নানা ধৰণৰ দুৰ্ভোগৰ বলি হ'বলগীয়া হৈছিল। যিদৰে অনেকবাৰ তেখেতক বিহ খুওৱা হৈছিল আৰু বহুবাৰ তেখেতক হত্যা কৰিবলৈ বৃথা পৰিকল্পনা কৰা হৈছিল, তেতিয়ালৈকে তেখেত নিৰ্বিকাৰ আছিল যেতিয়া আল্লাহৰ প্ৰতিশোধৰ সংকেত আহিছিল, তেতিয়া এনেকুৱা হৈছিল যে মক্কাৰ জেষ্ঠ্য সকল আৰু সম্প্ৰদায়ৰ মূখ্যসকল ঐক্যমত গ্ৰহণ কৰিছিল যে যিকোনো ক্ষেত্ৰতে এইজন মানুহক অৰ্থাৎ মহম্মদ (ছাঃ)ক মাৰি পেলোৱা উচিত। এনে সন্ধিক্ষণত আল্লাহ তায়লাই, যিজনে তেওঁৰ প্ৰেমিক, সত্যবাদী আৰু ন্যায়নিষ্ঠাৰ সমৰ্থক তেখেতক জনাইছিল যে চহৰখনত এতিয়া অশুভ শক্তিৰ বাহিৰে একো নাই, চহৰবাসী তেওঁক হত্যা কৰাৰ ষড়যন্ত্ৰ হাতত লৈছে আৰু সেয়ে তেওঁ ইয়াৰ পৰা ততালিকে গুচি যাওঁক। তেতিয়া এনে হৈছিল যে দৈৱ নিৰ্দেশানুক্ৰমে তেখেত মদিনালৈ হিজৰত কৰিলে। কিন্তু তেতিয়াও আনকি তেখেতৰ শত্ৰুবোৰে তেখেতক শুদাই এৰা নাছিল, সিহঁতে তালৈকেও তেখেত (ছাঃ)ৰ পিছ লৈছিল আৰু সকলোবোৰ পদ্ধতিৰে ইছলামক ধ্বংস কৰিবলৈ অপচেষ্টা চলাইছিল। যেতিয়া সিহঁতৰ দৌৰাত্মই সীমা অতিক্ৰম কৰিছিল সিহঁতে নিজে নিজৰ নিৰাপৰাধী প্ৰাণক হত্যাৰে উপযুক্ত শাস্তিত ভুগিছিল তেতিয়া আত্মৰক্ষাৰ স্বাৰ্থত আৰু সিহঁতৰ আক্ৰমণক প্ৰতিহত কৰিবলৈ যুদ্ধৰ অনুমতি দিয়া

হৈছিল সেইবিলাক মানুহ আৰু সেইবোৰৰ সহায়কাৰী সকলে নিজকে প্ৰতিদান কৰিছিল তেনেকুৱা উপযুক্ত ব্যৱহাৰৰ বাবে। কাৰণ সিহঁতৰ বহুতো নিৰপৰাধী ব্যক্তিক হত্যা কৰা হৈছিল যিসকলে কোনো যুদ্ধত কোনোবাক হত্যা কৰা নাছিল কিন্তু সামান্য দায়িত্বহীন ভ্ৰান্তিতহে যিসকলৰ সা-সম্পত্তিবোৰ সিহঁতে আত্মসাৎ কৰিছিল। কিন্তু এই সকলোবোৰ হোৱা সত্ত্বেও যেতিয়া মক্কাত প্ৰৱেশ কৰিছিল। তেতিয়া আমাৰ পৱিত্ৰ ৰছুলে কৰিম (ছাঃ)য়ে সিহঁতৰ আটাইকে ক্ষমা প্ৰদান কৰিছিল। পৱিত্ৰ ৰছুল (ছাঃ)ৰ আৰু তেখেতৰ সতীৰ্থবৃন্দ ইছলামিক বিশ্বাস বিস্তাৰ কৰিবলৈ গৈ সদায় যুদ্ধ কৰিছিল আৰু তেওঁলোকে কোনোবাক ইছলামৰ কব্জাভুক্ত কৰিবলৈ গৈ বল প্ৰয়োগ কৰিছিল বুলি ধৰি লোৱা ধাৰণাটো সেয়ে সম্পূৰ্ণ ভুল বা অন্যায়।  ইয়াকো উনুকিওৱা ভাল হ'ব যে যিহেতু সেইসময়ত সকলোৱে ইছলামক সন্দেহৰ চকুৰে চাইছিল আৰু বিৰোধী সকলোৱে যিহেতু ইছলামক ধ্বংস কৰিবলৈ পৰিকল্পনা কৰিছিল, ইয়াক সিহঁতে নতুন ধৰ্ম বুলি ভাৱিছিল, ইয়াৰ অনুসৰণকাৰী সকলক সংখ্যাত তাকতীয়া আছিল আৰু যিহেতু প্ৰত্যেকে পূৰ্বৰ বিশ্বাস ধ্বংস আৰু উচ্ছেদ কৰিব বুলি আশঙ্কা কৰিছিল, সেয়ে সিহঁতৰ বিকাশ আৰু উন্নতিৰ ভয় নেৰি, মুছলমান সকলক সামান্যতম ক্ষেত্ৰতে তেতিয়া বাধা দিয়া হৈছিল আৰু কোনো গোত্ৰৰ পৰা কোনোবায় ইছলাম গ্ৰহণ কৰিলে আৰু মুছলমান  হলে তাক তৎক্ষণাত সেই গোত্ৰৰ দ্বাৰাই হত্যা কৰা হৈছিল, নহয়তো অবিৰাম ভাৱে নিৰ্যাতন চলোৱা হৈছিল। এনে এক সময়ত ক্ষমতাশালী আল্লাহে মুছলমান নৱাগত সকলৰ প্ৰতি পুতৌ ৰাখি আৱিৰ্ভুত শাসক সকলক শাস্তি প্ৰদান কৰিছিল এইদৰে বিশেষকৈ সিহঁত ইছলামৰ যান্ত্ৰিক সেৱক হৈছিল আৰু তেনেকৈ ইছলামৰ স্বতন্ত্ৰতাৰ দ্বাৰা মুক্ত কৰিছিল। এয়া আছিল সেইসকলৰ খোজ পথৰ কাইট আঁতৰোৱাৰ উপায় যি সকলে বিশ্বাস গ্ৰহণ কৰিব বিচাৰিছিল। এয়া আছিল আল্লাহৰ স্নেহ আৰু যিয়ে কাকো অনিষ্ট কৰা নাছিল। যি কি নহওক, এয়া স্পষ্ট যে এতিয়াৰ অমুছলমান শাসকসকলে ইছলামক হস্তক্ষেপ নকৰে, সিহঁতে ইছলামৰ কোনো আৱশ্যকীয় বস্তুক আমি নিষিদ্ধ

কৰা নাই। সিহঁতে নবীন মুছলমান সকলক হত্যা কৰা নাই, সিহঁতে তেওঁলোকক কাৰাগাৰত দিয়া নাই বা অত্যাচাৰ কৰা নাই। তেন্তে কিহৰ ভিত্তিত সিহঁতৰ বিৰুদ্ধে অস্ত্ৰ তুলিব লাগে। এয়া স্পষ্ট যে ইছলামে জোৰ জবৰদস্তিক প্ৰশ্ৰয় নিদিয়ে। যদি পৱিত্ৰ কোৰাণ হাদীছৰ কিতাপসমূহ আৰু ঐতিহাসিক তথ্যবোৰ সযত্নে পৰীক্ষা কৰা হয়, আৰু যথা সম্ভৱ অধ্যয়ন কৰা হয় বা পূৰ্ণৰূপে শ্ৰবণ কৰা হয় ইয়াকে নিশ্চিত ৰূপে বুজা যাব যে বিশ্বাসৰ দ্বাৰা মুকলি কৰিবলৈ ইছলামে বলেৰে অস্ত্ৰ প্ৰয়োগ কৰিবলৈ অনুমোদন দিয়া বুলি যি দোষ দিয়া হৈছে সেয়া সম্পূৰ্ণৰূপে ভিত্তিহীন আৰু ইছলামৰ বিৰুদ্ধে লজ্জাজনক দোষাৰোপ। ইছলামৰ বিৰুদ্ধে তেনে দোষাৰোপ সেইসকল মানুহে কৰে যিসকলে অনীহামূলক মানসিকতাত কোৰাণ হাদীছত আৰু ইছলামৰ বিশ্বাসযোগ্য ইতিহাস অধ্যয়ন কৰা নাই, কিন্তু মিথ্যাচাৰৰ মুকলি ব্যৱহাৰ কৰিছে আৰু ইয়াৰ বিৰুদ্ধে ভ্ৰান্ত দোষ দিছে। যি কি নহওক মই জানো যে সময় সন্নিকট যি সময়ত সত্যৰ অন্বেষণকাৰী আৰু পিপাসুসকল এনে দোষাৰোপৰ সত্যতা কিমান তাক পোহৰলৈ অনা উচিত। আমি কেতিয়াবা বৰ্ণনা কৰিব পাৰোনে যে ধৰ্মবিশ্বাস এটা জোৰজবৰদস্তিৰ বিশ্বাস। অথচ পৱিত্ৰ কোৰাণে স্পষ্ট ভাৱে নিদেৰ্শ দিছে যে ধৰ্মত বল প্ৰয়োগ কৰিব নোৱাৰে। সেয়ে ইছলামত যোগদান কৰোৱাত কোনোৱাক জোৰ জবৰদস্তি বা জুলুম কৰিবলৈ অনুমতি নাই। আমি দোষাৰোপ কৰিব পাৰিমনে যে মহানবী (ছাঃ)য়ে অন্যৰ বিৰুদ্ধে বল প্ৰয়োগ কৰিছিল। যিজনে ১৩ বছৰ কাল ৰাতি দিনে মক্কাত সতীৰ্থ সকলক শত্ৰুসকলৰ দুষ্কাৰ্যৰ বিপৰীত দুষ্কাৰ্য নকৰিবলৈ বাৰম্বাৰ নিদেৰ্শ দিছিল বৰং তেখেতে সহ্য আৰু ক্ষমা কৰিবলৈ কৈছিল। যি কি নহওক যেতিয়া শত্ৰুবোৰৰ দুষ্কৰ্মই সীমা চেৰাইছিল আৰু যেতিয়া প্ৰতিজনে ইছলামক মচি পেলাবলৈ আত্মনিয়োগ কৰিছিল তেতিয়া আল্লাহ তায়লাই ইয়াক উপযুক্ত বুলি চিন্তা কৰিছিল, যিসকল মানুহে তৰোৱাল প্ৰয়োগ কৰিছিল তাক তৰোৱালেৰেই পুনৰ ধ্বংস কৰা উচিত বুলি। এনেক্ষেত্ৰ ব্যতিৰেকে পৱিত্ৰ কোৰাণে জোৰ জুলুমৰ অনুজ্ঞা দিয়া নাই। যদি ইছলামে জোৰ জুলুম মানি ললেহেঁতেন

আমাৰ পৱিত্ৰ ৰছুলৰ সঙ্গীসকলে বিচাৰ চলা কালত বিনীত আৰু আচল বিশ্বাসী মানুহৰ দৰে ব্যৱহাৰ নকৰিলেহেঁতেন। তথাপিও আমাৰ পৱিত্ৰ ৰছুলৰ সতীৰ্থসকলৰ নম্ৰতা আৰু বিশ্বাস যোগ্যতা এটা বিষয় যাৰ উল্লেখৰ বিশেষ প্ৰয়োজন নাই। এয়া গোপন হৈ থকা নাই যে তেওঁলোকৰ মাজত নম্ৰতা আৰু স্থিৰতাৰ এনে অনেক নজীৰ আছে যাৰ সমান্তৰাল নজীৰ অইন জাতিৰ ঐতিহাসিক অভিলেখৰ মাজত পাবলৈ টান। নম্ৰতা আৰু দৃঢ়তাৰ ক্ষেত্ৰত এই বিশ্বাসৰ বান্ধোন আনকি তৰোৱালৰ ছাঁতো ছিগি নাযায়। অন্যহাতে মহান পৱিত্ৰ ৰছুলৰ সৈতে সহাৱস্থানৰত অৱস্থাত তেওঁলোকৰ দৃঢ়তাৰ প্ৰমাণ, যিটো আন মানুহে দিবলৈ সমৰ্থ নহ'ব তাৰ অন্তৰ আৰু বুকু সত্য বিশ্বাসৰ পোহৰেৰে আলোকিত নোহোৱালৈকে। মুঠতে ইছলামত জোৰ জবৰদস্তিৰ স্থান নাই। ইছলামত তিনি স্তৰৰ যুদ্ধ আছে ঃ (১) আত্মৰক্ষামূলক যুঁজ, যেনে-আত্মৰক্ষাৰ পন্থাৰে কৰা যুদ্ধ, (২) অতি কঠোৰ যুদ্ধ, যেনে- তেজৰ দাম তেজেৰে আৰু (৩) স্বতন্ত্ৰতা ৰক্ষাৰ যুদ্ধ, যেনে- ইছলাম গ্ৰহণ কৰা সকলক যি সকলে হত্যা কৰে। সিহঁতৰ ক্ষমতা ওফৰাবৰ উদ্দেশ্য কৰা যুদ্ধ। গতিকে ইছলামত এনে কোনো নিৰ্দেশনা নাই যে জোৰজুলুমেৰে বা হত্যাৰ ভাবুকিৰে কোনো মানুহক ইছলামত দীক্ষিত কৰাব লাগিব। ৰক্তাক্তকাৰী মেহদী আৰু ৰক্তলোলুপ মছীহৰ বাবে অপেক্ষা কৰা সেয়ে সম্পূৰ্ণ অদ্ভুত কথা। এইটো কেতিয়াও হ'ব নোৱাৰে যে কোৰাণ শিক্ষাৰ বিপৰীতে এই পৃথিৱীৰ আৱিৰ্ভাৱ হ'ব লাগে এজন মানুহৰ যিজনে অন্য মানুহক মুছলমান কৰাৰ বাবে তৰোৱাল ব্যৱহাৰ কৰিব। সেয়া কাৰো বোধগম্যৰ উচিত নহয়। অকল বুৰ্বক মানুহক এনে বিশ্বাসৰ পিনে স্বাৰ্থৰে চলাই ল'ব পাৰি। কাৰণ আমাৰ অনেক সংখ্যক মৌলবীয়ে ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী হৈ শ্ৰম কৰে যে মেহদীয়ে চলোৱা যুদ্ধই সিহঁতলৈ ইমান অৰ্থ আনিব যে সিহঁতে তাক ধৰি ৰাখিব নোৱাৰিব আৰু আজিকালি অধিক সংখ্যক মৌলবী গৰীৱ হোৱা হেতুকে সিহঁতে ৰাতি দিনে মেহদীৰ আগমণৰ অপেক্ষাত থাকে যিজনে সিহঁতে ভৰামতে সিহঁতৰ স্বাৰ্থত ইন্ধন যোগাব। গতিকে এইসকললোকে তেওঁৰ

বিৰুদ্ধে লাগি যাব যিজনে এনে মেহদীৰ আগমণৰ ওপৰত বিশ্বাস নাৰাখে আৰু তেনে ব্যক্তিক তৎক্ষণাত কাফিৰ আৰু ইছলামৰ ঘাই সুতিৰ বহির্ভুত ঘোষণা কৰিব। সেয়ে মই এইবোৰ লোকৰ চকুত কাফিৰ একমাত্ৰ এই ভিত্তিতেই। কাৰণ মই ৰক্তাক্তকাৰী মেহদী আৰু ৰক্তপায়ী মছীহৰ আৱিৰ্ভাৱক বিশ্বাস নকৰো। হয়, মই এনে অদ্ভুত ধাৰণাক ঘৃণা কৰো আৰু তাক হিংসাৰ চকুৰে চাও। আৰু মোক কাফিৰ ঘোষণা কৰা হৈছে অকল এই বাবেই নহয় যে মই সিহঁতৰ বিশ্বাস মতে ভাৱি লোৱা মেহদী আৰু মছীহক অস্বীকাৰ কৰিছোঁ বৰং এই কাৰণেও যে মই আল্লাহ তায়লাৰ পৰা জাননী পাই মুকলিকৈ ঘোষণা কৰিছোঁ যে আচল আৰু প্ৰকৃত প্ৰতিশ্ৰুতি মছীহ যিজন আচল মেহদী, যাৰ আৱিৰ্ভাৱৰ খবৰ বাইবেল আৰু কোৰাণত পোৱা যায় আৰু যাৰ আগমণৰ বিষয়ে হাদীছত প্ৰতিশ্ৰুতি দিয়া হৈছে সেইজনে ময়েই আৰু যাক কোনো তৰোৱাল বা বন্দুক দিয়া হোৱা নাই। মানুহবোৰক মমতা আৰু সভ্যতাৰে আল্লাহৰ পথত আহ্বান কৰিবলৈ আল্লাহৰ দ্বাৰা মোক নিৰ্দেশ দিয়া হৈছে যিজন আল্লাহ সত্য, যুগজয়ী আৰু অপৰিৱৰ্তনশীল, যাৰ পূৰ্ণ পৱিত্ৰতা, পূৰ্ণজ্ঞান, পূৰ্ণ দয়া আৰু সুবিচাৰ আছে।

এই অন্ধকাৰ যুগৰ ময়েই পোহৰ স্বৰূপ, যিজনে মোক অনুসৰণ কৰি অন্ধকাৰত ঘূৰি ফুৰা সকলৰ উদ্দেশ্য চয়তানে সজোৱা গৰ্তৰ পৰা তেওঁ ৰক্ষা পাব। মোক ঈশ্বৰৰ দ্বাৰা প্ৰেৰণ কৰা হৈছে পৃথিৱীৰ মানুহবিলাকক শান্তি আৰু সম্প্ৰীতিৰে আল্লাহৰ প্ৰকৃত পথলৈ চলাই নিবলৈ আৰু ইছলামত থকা ন্যায় জগতখনত পুৰ্নস্থাপন কৰিবলৈ। আল্লাহে মোক স্বৰ্গীয় ইংগিতসমূহ দান কৰিছে। সত্যক বিচাৰি ফুৰা সকলক সন্তুষ্ট কৰিবলৈ। তেওঁ মোৰ সমৰ্থনত অনেক আচৰিত কাম কৰিছে, তেওঁ মোলৈ অদৃশ্য বস্তু প্ৰকাশ কৰিছে আৰু ভৱিষ্যত যিটো পৱিত্ৰ পুথিমতে স্বৰ্গীয় কতৃপক্ষৰহে দাবীদাৰৰ ইংগিত আৰু তেওঁ মোক পৱিত্ৰ আৰু প্ৰকৃত জ্ঞানৰ শিক্ষাদান কৰিছে। গতিকে সত্যক ঘিন কৰা আত্মাবোৰ যিবোৰ অন্ধকাৰত থাকি সন্তুষ্ট, সিহঁত

মোৰ বিৰুদ্ধে থিয় দিছে। কিন্তু মই মানৱ জাতিৰ প্ৰতি পৰাপক্ষত সহানুভূতিশীল হ'বলৈ সিদ্ধান্ত লৈছোঁ।গতিকে এই যুগত খ্ৰীষ্টানসকলৰ বাবে আটাইতকৈ ডাঙৰ সহানুভূতি এই যে তেওঁলোকৰ মনোযোগ প্ৰকৃত আল্লাহৰ পিনে আকৰ্ষণ কৰা উচিত যিজন আল্লাহ্ জন্ম মৃত্যুৰ যন্ত্ৰণাৰ পৰা মুক্ত। আল্লাহ তায়লা আকাশ মণ্ডলী নিমাৰ্ণ কৰিছে, চক্ৰভুজ কৰিছে আৰু তেওঁ প্ৰাকৃতিক নিয়মানুসাৰে আধ্যাত্মিক চলন প্ৰণালী প্ৰস্তুত কৰিছে যে চক্ৰৰ লেখীয়া তেওঁৰ ওচৰতে আছে ঐক্যতাৰ পৰিচালনাৰ অনুপস্থিতি। সেই কাৰণে মহাকাশে আগুৰি ৰখা বস্তুবোৰ ত্ৰিভুজাকাৰে বনোৱা হোৱা নাই, যেনে- যিবোৰ বস্তু আল্লাহে প্ৰথমে সৃষ্টি কৰিছিল যিদৰে পৃথিৱী আকাশ, সূৰ্য্য, চন্দ্ৰ, আৰু সকলোবোৰ তাৰাকা আৰু উপগ্ৰহবোৰ সকলোবোৰ চক্ৰভূজ প্ৰকৃতি, যিয়ে একত্বকে আঙুলিয়াই। গতিকে খ্ৰীষ্টান সকলৰ সৈতে কোনো সহানুভূতি থাকিব নোৱাৰে। সিহঁতক আল্লাহৰ পিনে চলাই নিয়া উচিত যি আল্লাহৰ সৃষ্টি তিনিটা হোৱাৰ ধাৰণাৰ পৰা মুক্ত বুলি নিজকে ঘোষণা কৰে।

মুছলমানসকলৰ প্ৰতি সহানুভূতি এয়ে যে তেওঁলোক নৈতিকভাৱে সংস্কাৰ হোৱা উচিত। আৰু তেওঁলোকৰ মিছা আশা নোহোৱা কৰিবলৈ চেষ্টা কৰিব লাগিব যিটো আশা ৰক্তাক্তকাৰী মেহদী আৰু মছীহৰ আগমণৰ সৈতে জড়িত বুলি তেওঁলোক ধৰি আছে, যিটো সম্পূৰ্ণ ভাৱে ইছলামৰ শিক্ষাৰ বিপৰীত। আৰু মই ইতিপূৰ্বে অভিমত কৰিছোঁ যে ৰক্তাক্তকাৰী মেহদী ওলাব আৰু তৰোৱালৰ দ্বাৰা ইছলাম বিস্তাৰ কৰিব একাংশ উলেমাৰ যিটো বদ্ধমূল ধাৰণা, এই সকলোবোৰ কোৰাণৰ বিৰুদ্ধে আৰু এয়া কোনো বস্তুৰে ফলাফল নহয়, কিন্তু লোভ আৰু স্বাৰ্থপৰতাৰ হে ফল। আৰু শুদ্ধ মনৰ আৰু সত্যপ্ৰেমী মুছলমানৰ বাবে তেনে বিশ্বাস বা ধাৰণা পৰিহাৰ কৰিবলৈ যত্নসহকাৰে কোৰাণ অধ্যয়ন কৰা, থামাটো বিবেচনা কৰা আৰু চোৱাটোৱে যথেষ্ট হ'ব। যিহেতু আল্লাহৰ পৱিত্ৰ বাণীবোৰ হত্যাৰ ভাবুকিৰে বলপূৰ্বক কোনোবাক মুছলমান কৰাৰ সম্পূৰ্ণ বিৰোধী।

এইবোৰ মিছা ধাৰণাক মিথ্যা প্ৰমাণ কৰিবলৈ এটা যুক্তিয়েই থোৰতে যথেষ্ট। তথাপিও একমাত্ৰ সহানুভূতিৰ বাবেই পূৰ্বে উল্লেখিত ধাৰণাক মিথ্যা প্ৰমাণ কৰিবলৈ মই সিদ্ধান্ত লৈ কিছু ইতিবাচক আৰু স্পষ্ট ঐতিহাসিক ইত্যাদি প্ৰমাণৰ জৰিয়তেই, সেয়ে মই এই পুথিখনত প্ৰমাণ দিবলৈ চেষ্টা চলাম যে যীশু (আঃ) ক্ৰুছত মৃত্যুবৰণ কৰা নাছিল, তেওঁ স-শৰীৰে স্বৰ্গলৈ যোৱাও নাছিল, নতুবা ইয়াক ধৰি লোৱাটো উচিত নহ'ব যে তেওঁ কেতিয়াবা স্বৰ্গৰ পৰা পৃথিৱীলৈ অৱতৰণ কৰিব। তাৰ পৰিৱৰ্তে ১২০ বছৰ বয়সত কাশ্মীৰৰ শ্ৰীনগৰত মৃত্যুবৰণ কৰিছিল, আৰু তেওঁৰ কবৰ এতিয়াও উক্ত চহৰ খানয়াৰত পোৱা যায়। যুক্তিটোক স্পষ্টভাৱে সম্পূৰ্ণ কৰিবলৈ মই যুক্তিটো দহটা অধ্যায়ত বিভক্ত কৰিছোঁ। (১)সেইসমূহ সাক্ষী যি আমি ইনজিলৰ পৰা পাও। (২)সেইসমূহ সাক্ষী যি আমি কোৰাণ আৰু হাদীছৰ পৰা পাওঁ।(৩)সেইবিলাক সাক্ষী যি আমি চিকিৎসাধীন কিতাপসমূহৰ পৰা পাওঁ।(৪)সেইবিলাক সাক্ষী যি আমি ইতিহাসৰ পৰা পাওঁ। (৫) সেইবিলাক সাক্ষী যি আমি মুখীয়াল হিচাপে পাওঁ।(৬)সেইবিলাক সাক্ষী যি আমি বিভিন্ন কাৰাইনৰ পৰা পাওঁ। (৭)সেইবিলাক সাক্ষী যি লিখিত প্ৰমাণৰ দ্বাৰা পাওঁ। (৮) সেইবিলাক স্বাক্ষ যি আমি ঐশীবাণীৰ দ্বাৰা পাওঁ। (৯) বিস্তাৰিত ভাৱে খ্ৰীষ্টান ধৰ্মৰ শিক্ষা আৰু ইছলামৰ শিক্ষাৰ তুলনা কৰি দেখুওৱা হ'ব আৰু ইছলামৰ সঠিক প্ৰমাণ যুক্তিৰ সৈতে বৰ্ণনা কাৰ হ'ব।(১০) সেইসমূহ বিস্তাৰিত ব্যাখ্যা কৰা হ'ব যাৰ বাবে খোদা তায়লা মোক প্ৰেৰণ কৰিছে,আৰু এয়াও বৰ্ণনা হ'ব যে মোৰ মছীহ মাওউদ হোৱা আল্লাহ তায়লাৰ ফালৰ পৰা হোৱা প্ৰমাণ,আৰু শেষত কিতাপখনৰ সমাপ্তি হ'ব য'ত কিছুমান বিশেষ হিদায়ত উল্লেখ থাকিব।

মোৰ আশা, পাঠক বৃন্দই এই গ্ৰন্থখন মনোযোগেৰে পঢ়িব। মই কামনা কৰোঁ তেওঁলোকে যেন প্ৰতিহিংসা পৰায়ণ হৈ ইয়াৰ ভিতৰত থকা সত্যবোৰক দলিয়াই নেপেলায়। মই তেওঁলোক মনত কৰি দিওঁ যে এয়া তৰিৎ অনুসন্ধানৰ ফল নহয় বৰং এই গ্ৰন্থত সন্নিবিষ্ট কৰা প্ৰমাণবোৰ

গভীৰ আৰু কষ্টসাধ্য অনুসন্ধানেৰে সংগ্ৰহ কৰা হৈছে। মই আল্লাহ তায়লাৰ পৰা দোৱা কৰো যে এই শ্ৰমত তেওঁ মোক সহায় কৰক আৰু তেওঁৰ পৰা অহা বিশেষ, ইলহাম আৰু প্ৰভাৱেৰে, সত্যতাৰ পোহৰেৰে তেওঁ মোক পৰিচালিত কৰক। হে আল্লাহ, কবুল কৰা, তুমি কবুল কৰা।

খাকছাৰ
**মির্জা গোলাম আহমদ** চাহাব কাদিয়ানী
২৫ এপ্ৰিল ১৮৯৯

**পৰম কৰুণাময় আৰু পৰম দানশীল আল্লাহৰ নামত**

# প্ৰথম অধ্যায়

উল্লেখ কৰা যাওক যে যদিও খ্ৰীষ্টানসকলৰ বিশ্বাস এয়া যে যীশু (আঃ) তেওঁৰ গ্ৰেপ্তাৰৰ পিছত ইহুদা ইচকাৰিউতৰ প্ৰবঞ্চনাৰ জৰিয়তে আৰু ক্ৰুছবিদ্ধ হৈ আৰু আকৌ জীৱিত হৈ পিছত স্বৰ্গলৈ গৈছে, কিন্তু পৱিত্ৰ বাইবেলৰ পৰা ইয়াকে পোৱা যায় যে সিহঁতৰ বিশ্বাস একেবাৰে ভুল। মতি অধ্যায় ১২ আয়াত ৪০) ত লিখা আছে যে যোনাহ (ইউনুছ নবী) তিনি দিন তিনি নিশা মাছৰ পেটত আছিল, সেয়ে মানৱ সন্তান তিনি দিন তিনি নিশা মাটিৰ তলত থাকিব। গতিকে এয়া স্পষ্ট যে যোনাহ মাছৰ পেটত মৃত্যুবৰণ কৰা নাছিল অধিকতম এনে হৈছিল যে তেওঁ অজ্ঞান হৈ পৰিছিল। ঈশ্বৰৰ পৱিত্ৰ গ্ৰন্থখনেই সাক্ষী যে ঈশ্বৰৰ কৃপাত যোনাহ মাছৰ পেটত জীৱিত আছিল আৰু জীৱন্ত ওলাই আহিছিল আৰু তেওঁৰ মানুহবিলাকে অৱশেষত তেওঁক গ্ৰহণ কৰিছিল। যদি তেতিয়া ইউনুছ (আঃ) মাছৰ পেটত মৃত্যুবৰণ কৰিলেহেঁতেন, তেন্তে মৃত্যু ব্যক্তি আৰু যিজন জীৱিত আছিল তাৰ কি মিল পোৱা গ'লহেঁতেন কেনেকৈ এজন জীৱিত ব্যক্তি মৃত এজনৰ সৈতে তুলনা কৰিব পৰা গ'লহেঁতেন। অধিক সত্য এয়া যে যীশু (আঃ)প্ৰকৃত নবী হিচাবে জানিছিল যে ঈশ্বৰৰ প্ৰেমিক হিচাবে তেওঁক ঈশ্বৰেই দুৰ্ভগীয় মৃত্যুৰ পৰা উদ্ধাৰ কৰিব, তেওঁ ঈশ্বৰৰ পৰা অহা ইলহাম এটা আখ্যানাকাৰে ভৱিষ্যতবাণী কৰিছিল য'ত তেওঁ ইংগিত দিছিল যে তেওঁ ক্ৰুছত নমৰিব,নতুবা তেওঁ সেই দুৰ্ভগীয়া কাঠত আত্মত্যাগ নকৰিব, তাৰ বিপৰীতে নবী যোহানৰ দৰে তেওঁ অজ্ঞান অৱস্থাত থাকিব। আখ্যানটোত তেওঁ আৰু ইংগিত দিছে যে তেওঁ মাটিৰ তলৰ পৰা ওলাই আহিব, তেওঁ মানুহবিলাকৰ ওচৰলৈ যাব আৰু যোহানৰ দৰে তেওঁক সিহঁতে সন্মান কৰিব। গতিকে এই ভৱিষ্যত বাণীও পূৰ্ণ

হৈছিল, কাৰণ মাটিৰ উদৰৰ পৰা আহি যীশু (আঃ)য়ে নিজ সম্প্ৰদায়ৰ ওচৰলৈ আহিছিল যিসকল পূৰ্বাঞ্চলৰ দেশবোৰ, কাশ্মীৰ, তিববত ইত্যাদিত বাস কৰিছিল, যীশু (আঃ)ৰ ৭২১ বছৰ পূৰ্বে ইস্রাইলী সকলৰ দহটা গোত্ৰক ছালম মনজৰ শ্বাহ উছুৰা ছামৰিয়াৰ পৰা বন্দী কৰি আনিছিল। অৱশেষত এইবোৰ গোত্ৰই ভাৰতলৈ আহিছিল আৰু দেশখনৰ বিভিন্ন অংশত বসতি কৰিছিল। যীশু (আঃ)য়ে যিকোনো প্ৰকাৰে এই হিজৰত কৰিছিল স্বৰ্গীয় উদ্দেশ্যৰ বাবেই তেওঁৰ দুসাহসৰ অন্তৰালত এয়েই আছিল যে তেওঁ ভাৰতৰ বিভিন্ন অংশত বসতি কৰিবলৈ লোৱা হেৰাই যোৱা ইহুদীসকলক লগ পাবই লাগিব। কাৰণ এয়া যে আচলতে এইসকল ইজৰাইলৰ হেৰাই যোৱা মেষ (the lost sheep) আছিল যিসকলে এইবোৰ দেশত থাকি সিহঁতৰ পূৰ্বপুৰুষৰ বিশ্বাসকো ত্যাগ কৰিছিল আৰু যিসকলৰ অধিক সংখ্যকে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল। কালক্ৰমত সিহঁত পৌত্তলিক হৈ পৰিছিল। অনেক প্ৰজ্ঞাশালী ব্যক্তিৰ দ্বাৰা সংকলিত ডঃ বাৰ্ণিয়াৰে তেওঁৰ কিতাপত মন্তব্য কৰিছে যে কাশ্মীৰীসকল প্ৰকৃত ইহুদী যিসকলে উছুৰাৰ ৰজাৰ দিনত খেদাখেদিৰ সময়ত এই দেশত অনুপ্ৰবেশ কৰিছিল। (ওৱাকিয়াত ছিৰত ও ছিয়াছত ডাক্তৰ বাৰ্নিয়াৰ ফাৰানিছি জিলদ দ্বিতীয়)

যিকোনো প্ৰকাৰে এইবোৰ হেৰাই যোৱা মেষৰ ঠিকনা ওলোৱাটো যীশু (আঃ)ৰ বাবে আৱশ্যক আছিল যিসকলে ভাৰত নামে দেশত আহি অন্যান্য মানুহৰ সৈতে মিলি গৈছিল মই এতিয়াই প্ৰমাণ দিম যে যীশু (আঃ) প্ৰকৃততে ভাৰতলৈ আহিছিল আৰু কালক্ৰমত কাশ্মীৰলৈ ভ্ৰমণ কৰিছিল আৰু সেই মানুহবিলাকৰ মাজতেই ইজৰাইলৰ হেৰাই যোৱা মেষবোৰ আৱিষ্কাৰ কৰিছিল। আৰু যিসকলে তেতিয়া বৌদ্ধ ধৰ্মাৱলম্বী আছিল আৰু অৱশেষত সেইসকলে তেওঁক গ্ৰহণ কৰিছিল। আৰু এয়া অনস্বীকাৰ্য কাৰণ যীশু (আঃ)য়ে বহুতো কথাতে কৈ গৈছে যে তেওঁক ইজৰাইলৰ হেৰাই যোৱা মেষবোৰ তালৈ পঠোৱা হৈছিল।

আনহাতে এয়াও অত্যাৱশ্যক আছিল যে তেওঁ ক্ৰুছত মৃত্যুৰ পৰা পলাই সাৰিবলগীয়া হৈছিল কাৰণ পৱিত্ৰ গ্ৰন্থত উল্লেখ আছে যে যাক কাঠত ওলোমোৱা হৈছে সি অভিশপ্ত হৈছে। এয়া অন্যায় আৰু নিৰ্দয় বদনাম যীশু বা মছীহৰ দৰে প্ৰসিদ্ধ ব্যক্তিত্বক অভিশপ্ত বোলাটো, কাৰণ সকলোৱে ঐক্যমতত এই ভাষাটো অন্তৰত লগা কথা, অভিশপ্ত তেতিয়াই কোৱা হয় যে যেতিয়া তেওঁৰ অন্তৰ আল্লাহৰ পৰা দূৰীভূত হৈ প্ৰকৃততে অন্ধকাৰ হৈ পৰে যেতিয়া স্বৰ্গীয় দয়া আৰু মৰমৰ পৰা বঞ্চিত হয়, আল্লাহৰ জ্ঞানৰ পৰা সম্পূৰ্ণ বৈমুখ হয়, চয়তানৰ দৰে অন্ধ, তেওঁ অবিশ্বাৰ বিহেৰে পৰিপূৰ্ণ হয়, যেতিয়া তেওঁৰ সৈতে স্বৰ্গীয় প্ৰেম আৰু জ্ঞানৰ ৰশ্মি অৱশিষ্ট নাথাকে, যেতিয়া বিনয়তাৰ প্ৰতিশ্ৰুতি ভংগ যেতিয়া তেওঁ আৰু আল্লাহৰ মাজত ঘৃণা, হিংসা তৃক্ততা আৰু শত্ৰুতাৰ উদ্ভৱ হয় এনে হয় যে আল্লাহ আৰু তেওঁ পৰস্পৰ শত্ৰু হৈ পৰে, যেতিয়া আল্লাহে তেওঁৰ ওপৰত খং হৈ পৰে আৰু তেওঁ আল্লাহৰ সৈতে বিৰক্তিৰ কাৰণ হৈ পৰে-মুঠ কথাত তেওঁ সকলোবোৰ চয়তানী কাৰুকাৰ্যৰ উত্তৰাধিকাৰী হৈ পৰে - আৰু সেইবাবেই ডেভিল নিজেই নিজক অভিশপ্ত বুলি কয়।

এয়া স্পষ্ট যে Mal'un (মালউন) অৰ্থাৎ অভিশপ্ত শব্দটোৰ তাৎপৰ্য এনে অপ্ৰিয় যে ইয়াক কেতিয়াও কোনো এজন যুক্তিপূৰ্ণ ব্যক্তিকে আৰোপ কৰা নাযায় যিজনে অন্তৰত আল্লাহৰ প্ৰতি প্ৰেম ৰাখে। হায় খ্ৰীষ্টানসকলে অভিশাপৰ তাৎপৰ্যৰ ওপৰত চিন্তা কৰাৰ অৱকাশ পোৱা নাছিল যেতিয়া সিহঁতে এই বিশ্বাস পাইছিল, অন্যথায় সিহঁতৰ পক্ষে অসম্ভৱ হ'লহেঁতেন যীশুৰ লেখীয়া যুক্তিপূৰ্ণ মানুহৰ ওপৰত এনে অমঙ্গলীয় শব্দ প্ৰয়োগ কৰিবলৈ। আমি ক'ব পাৰিমনে যে যীশুৰ অন্তৰ আল্লাহৰ পৰা দূৰীভূত হৈছিল যে তেওঁ আল্লাহক অস্বীকাৰ কৰিছিল, তেওঁ আল্লাহক ঘৃণা কৰিছিল আৰু আল্লাহৰ শত্ৰু হৈ পৰিছিল। আমি কেতিয়াবা ভাৱিব পাৰোনে যে যীশুৱে তেওঁৰ অন্তৰেদি কেতিয়াবা ভবিছিল যে তেওঁ আল্লাহৰ পৰা দূৰ হৈছিল, তেওঁ আল্লাহৰ শত্ৰু হৈছিল আৰু তেওঁ অবিশ্বাস আৰু অন্ধকাৰত

ডুব গৈ আছিল। তেনেহ'লে যীশুৰ কেতিয়াও মন নাছিল যে তেওঁৰ মন আৰু স্বৰ্গীয় জ্ঞানেৰে পৰিপূৰ্ণ, হে জ্ঞানীসকল, আপোনালোকৰ এই চিন্তা নে আমি কেতিয়াবা ক'ব পাৰোনে যে এটা নহয় আল্লাহৰ হাজাৰ হাজাৰ অভিশাপ সেইবোৰ অশুভ তাৎপৰ্য সহ যীশুৰ অন্তৰলৈ নামি আহিছিল। কেতিয়াও নহয়। তেনেহলে আমি কেনেকৈ কম যে তেওঁ আল্লাহৰ অভিশপ্ত ? এয়া পুতৌৰ বিষয় যে যেতিয়া কোনো এজন মানুহে কোনো এটা বিশ্বাসত উপনীত হৈ যায় তেতিয়া তেওঁ কোনো ক্ষেত্ৰত যি কথা কৈছিল তেওঁ সেই বিশ্বাস ত্যাগ কৰিবলৈ মান্তি নহ'ব যিমানে তাৰ অসত্যতাৰ প্ৰমাণ স্পষ্ট হৈ নাযাওঁক কিয়। যদি সত্যৰ ভিত্তিত থাকি মুক্তিৰ (নাজাতৰ) আশা কৰাটো প্ৰশংসনীয় কাম হ'ব কিন্তু য'ত মুক্তিৰ বাবে কামনা ৰাখিবলৈ যিটো জ্ঞানে সত্যক নাশ কৰে আৰু যিটো এগৰাকী পৱিত্ৰ নবী আৰু সম্পূৰ্ণ মানুহ সম্পৰ্কত বিশ্বাসটোক উৎসাহিত কৰে যে কোনো এখন ৰাজ্যৰ মাজেৰে ইয়াক পাৰ কৰা হৈছিল য'ত তেওঁ আল্লাহৰ পৰা দূৰীভূত হৈছিল আৰু অন্তৰৰ ঐক্য আৰু মনোবৃত্তিৰ ঐক্যৰ পৰিৱৰ্তে ভীতি আৰু দূৰত, শত্ৰুতা আৰু ঘৃণা উপজিছিল, পোহৰৰ পৰিৱৰ্তে তেওঁক অন্ধকাৰে আগুৰি ধৰিছিল।

লক্ষ্য কৰা যাওঁক যে এয়া যীশু (আঃ)ৰ অকল নবুৱত বা দূত পদকে কৰ্তন নকৰে কিন্তু এয়া তেওঁৰ আধ্যাত্মিক প্ৰসিদ্ধতা পৱিত্ৰতা আল্লাহৰ প্ৰেম আৰু জ্ঞানৰ দাবী অযোগ্য কৰি তোলে যাৰ কথা গোছপেলত তেওঁ বাৰে বাৰে প্ৰকাশ কৰি গৈছে। মাত্ৰ বাইবেলখন মেলি চাওঁক য'ত যীশুৱে স্পষ্টকৈ দাবী কৰিছে যে তেওঁ পৃথিৱীখনৰ পোহৰ, তেওঁ পথপ্ৰদৰ্শক, তেওঁ আল্লাহৰ প্ৰতি মহান প্ৰেমৰ হকে থিয় দিছে যে, তেওঁ পৰিচ্ছন্ন জন্মৰ বাবে সন্মানীয় আৰু তেওঁ আল্লাহৰ প্ৰিয়পুত্ৰ। এনেকুৱা আচল আৰু পৱিত্ৰ সম্পৰ্ক থকা সত্বেও ইয়াৰ সকলোবোৰ তাৎপৰ্য্য থকা সত্বেও যীশুক অভিশপ্ত আখ্যা দিবনে। নহয় কেতিয়াও নহয়। সেয়ে কোনো সন্দেহ নাই যে যীশুক ক্ৰুছবিদ্ধ কৰি মাৰা হোৱা নাছিল, অৰ্থাৎ তেওঁ ক্ৰুছত মৰা

নাছিল, কাৰণ তেওঁৰ ব্যক্তিত্ব ক্রুছত মৃত্যু হোৱাৰ লেখীয়া নীচ পৰিণামৰ যোগ্য নাছিল। ক্রুছত মৃত্যুবৰণ নকৰাকৈ তেওঁ অভিশপ্ত হোৱাৰ পৰা ৰেহাই পাইছিল আৰু নিসন্দেহে ই প্ৰমাণিত যে তেওঁ স্বৰ্গলৈ উঠি যোৱা নাছিল, কাৰণ স্বৰ্গলৈ গমণ কৰাটো সম্পূৰ্ণ কল্পনাৰ অংশভুক্ত কৰে আৰু তেওঁক ক্রুছত মাৰি পেলোৱাৰ ধাৰণাটোৰ ফল নিৰ্ধাৰিণ কৰে। গতিকে যেতিয়া ই প্ৰমাণিত যে তেওঁ অভিশপ্ত নহয়, নতুবা তেওঁ তিনি দিনৰ বাবে নৰকলৈ যোৱা নাই, নতুবা পৰিকল্পনাটোৰ অন্য অংশ য'ত তেওঁ মৃত্যু হোৱা বুলি স্বৰ্গলৈ সশৰীৰে যোৱা বুলি কোৱা হৈছে এই সকলোবোৰ ভুল প্ৰমাণিত হৈছে। এই যুক্তিতেই বাইবেলত অনেক প্ৰমাণ আছে নিম্ন স্থানত যিবোৰ জনাবলৈ মই আগবাঢ়িছোঁ। যীশুৰ এটা মতামত আছে, কিন্তু মই পুনৰ উঠি অহাৰ পিছত গেলিলিত মই আপোনালোকক দেখা কৰিম (মতি অধ্যায় ২৬ আয়াত ৩২) এই আয়াতটোৱে স্পষ্টভাৱে বুজায় যে কবৰৰ পৰা উঠি আহি যীশুৱে গৈছিল গেলিলিলৈ, স্বৰ্গলৈ নহয় যীশুৰ কথা 'After I am rises' এ এনে নুবুজায় যে মৃত্যুৰ পিছত তেওঁ জীৱিত হৈ উঠি আহিছিল, বৰঞ্চ ইহুদীসকল আৰু সাধাৰণ মানুহৰ চকুত যিহেতু তেওঁ ক্রুছত মৃত্যুবৰণ কৰিছিল, তেওঁৰ বিষয়ে ভৱিষ্যত সিহঁতে কি ভাৱিব সেই মততে অটল থাকি তেওঁ পূৰ্বেই কৈ গৈছিল আৰু দৰাচলতে যিজন মানুহক ক্রুছত দিয়া হৈছিল তেওঁ বেদনাত মূৰ্ছা যোৱালৈকে যাৰ হাত আৰু ভৰিৰ নখবোৰ উঘালি পেলোৱা হৈছিল, সেয়ে তেওঁ মৃতপ্ৰায় হৈ পৰিছিল। যদি তেনে বিপদৰ পৰা কোনো মানুহ বাচি গৈছিল আৰু তেওঁ পুনৰ জ্ঞান ঘূৰাই পাইছিল তেনে মানুহৰ ক্ষেত্ৰত ইয়াকে ক'বলৈ অতিৰঞ্জিত নহয় যে তেওঁ পুনৰ জীৱন ঘূৰাই পাইছিল। কোনো সন্দেহ নাই যে সিমান যন্ত্ৰণাভোগৰ অন্তত যীশু মৃত্যুৰ পৰা পলাই সৰাটো এক ৰহস্য আছিল, এয়া কোনো সামান্য ঘটনা নাছিল। কিন্তু তেওঁ মৃত্য বৰণ কৰিছিল বুলি কোৱাটো ভুল। এয়া সত্য যে এনেধৰণৰ কথা নিউ টেষ্টামেণ্টৰ গ্ৰন্থবোৰত পোৱা যায়, কিন্তু এয়া এই গ্ৰন্থবোৰৰ লিখকসকলৰ ভুল যিদৰে তেওঁলোকে ভুল কৰিছিল অন্যান্য ঐতিহাসিক ঘটনাবোৰ লিখি ৰাখোতে। এইবোৰ গ্ৰন্থৰ গৱেষণা কৰা অভিমতকাৰী সকলেও

স্বীকাৰ কৰিছে যে নিউ টেষ্টামেণ্টৰ গ্ৰন্থবোৰৰ দুটা অংশ আছে- (১) যীশু (আঃ) শিষ্যসকলৰ দ্বাৰা গৃহীত আধ্যাত্মিক নিৰ্দেশনা যিটো গোছপেলৰ শিক্ষাৰ মূল অংশ, (২) ঐতিহাসিক ঘটনা যীশুৰ পুৰ্বপুৰুষৰ বংশানুক্ৰম, তেওঁৰ  গ্ৰেফটাৰ বৰণ আৰু নিগ্ৰহণ, তেওঁৰ সময় থকা ৰহস্যজনক কথাবোৰ ইত্যাদি ইত্যাদি। এইবোৰ লিখকসকলে নিজে নিজে লিপিবদ্ধ কৰিছিল যিবোৰ ইলহামযোগে পোৱা নাছিল, বৰঞ্চ সেইবোৰক লিখকসকলে নিজ ধাৰণামতে সজাই লৈছিল। কোনো কোনো স্থানত অসংগত অতিৰঞ্জিত ব্যাখ্যা আছে য'ত এনেদৰে কোৱা আছে যে যদি যীশুৰ সকলোবোৰ ৰহস্য গ্ৰন্থসমূহত লিপিবদ্ধ কৰা হ'লহেঁতেন পৃথিৱী এইবোৰ গ্ৰন্থৰ সৈতে মিলিবলৈ অপাৰগ হ'লহেঁতেন। এনে মন্তব্য কিমান অতিৰঞ্জিত।

আনহাতে যিটো মৃত্যু সদৃশ মহা বিপদত যীশুৱে পৰিছিল তাৰ কথাত বৰ্ণাবলৈ সচৰাচৰ যিটো কথা কোৱা হয় এয়া তাৰ বিৰুদ্ধে নহয়। যেতিয়া জীৱন মৰণ অভিজ্ঞতাত ভোগ কোনো এজন মানুহে অৱশেষত তাৰ পৰা ৰক্ষা পায়, সাধাৰণ কথাত সকলো মানুহৰে সহজ প্ৰকাশ হ'ল- তেওঁক নৱ জীৱন দিয়া হ'ল। যিকোনো মানুহেই যিকোনো দেশৰ নহওক কিয় এই ধৰণে প্ৰকাশ কৰাত তেওঁ আপত্তি নোতোলে।

সেয়া যিয়ে কোৱা নহওক, ইয়াকে মন কৰা উচিত যে বাৰ্ণাবাচৰ গোচপেল থাক বৃটিছ সংগ্ৰহালায়ত পোৱা যায় তাত ইয়াকে কোৱা হৈছে যে যীশুক ক্ৰুছবিদ্ধ কৰা হোৱা নাছিল আৰু ক্ৰুছত তেওঁ মৃত্যু বৰণ কৰা নাছিল। এতিয়া আমি ভালদৰে ক'ব পাৰো যে যদিও এতিয়া গ্ৰন্থখনক গোছপেলত অন্তভুৰ্ক্ত কৰা হোৱা নাই আৰু সাৰাংশ কৰি যাক বাদ পেলোৱা হৈছে, তথাপিও এখন পুৰণি গ্ৰন্থ আৰু এইখন অন্যান্য গোছপেলসমূহ ৰচনা কালৰ সমসাময়িক। এই কথাটোৱে পৌৰাণিক গ্ৰন্থখন পুৰণি কালৰ ইতিহাস হিচাবে আমাক মুকলি নকৰেনে। এইখন গ্ৰন্থৰ পৰা এয়া জানো প্ৰমাণিত নহয় যে যিসময়ত ক্ৰুছৰ ঘটনাটো ঘটিছিল অন্ততঃ সেই সময়ত

যীশু ক্ৰুছত মৃত্যুবৰণ কৰা কথাত সেইখন একমত নাছিল। আনহাতে আকৌ যেতিয়া চাৰিখন গোছপেলত এনেকুৱা অদ্ভুত উপমা আছে যেনেকুৱা এজন মৃত ব্যক্তিৰ বিষয়ে যে তেওঁ মৃত নহয় কিন্তু নিদ্ৰাগত হে, এয়া ভাৱিবলৈ যুক্তিৰ বহিৰ্ভুত নহয় যে মুৰ্ছা যোৱা অৱস্থাক মৃত অৱস্থা বুলি বৰ্ণনা দিয়া হ'ব পাৰে। মই ইতিপূৰ্বে মন্তব্য কৰিছোঁ যে এজন নবী মিছা হ'ব নোৱাৰে। যীশুৱে তেওঁৰ কবৰত থকা তিনি দিনক যোনাহ (ইউনুচ) মাছৰ পেটত থকা তিনি দিনৰ সৈতে তুলনা কৰিছিল। এইটো অকল ইয়াকে দেখুৱায় যে যিদৰে যোনাহে তিনি দিন মাছৰ পেটত জীৱিত আছিল, তেনেদৰে যীশুৱো তিনি দিন কবৰত জীৱিত আছিল। তেতিয়াৰ দিনৰ ইহুদী কবৰবোৰ আজিৰ যুগৰ কবৰৰ দৰে নাছিল, সেইবোৰ এচুকত খোলা থকা কোঠালী সদৃশ আছিল যিটো চুক ডাঙৰ শিলেৰে ঢাকি ৰখা হৈছিল। আৰু এতিয়া যথাসময়ত মই প্ৰমাণ দিম যে কাশ্মীৰৰ শ্ৰীনগৰত অৱস্থিত যীশুৰ কবৰখন যীশুক মুৰ্ছাৰত অৱস্থাত দিয়া কবৰৰ সৈতে একে।

চমুকৈ মই ইতিপূৰ্বে উদ্ধৃত কৰা শ্লোকে বুজায় যে যীশুৱে কবৰৰ পৰা গেলিলিলৈ গৈছিল। ছেণ্ট মাৰ্কৰ গোছপেলে কয় যে কবৰৰ পৰা ওলাই অহাৰ পিছত তেওঁক গেলিলিলৈ যোৱা পথত গৈ থকা দেখা গৈছিল আৰু অৱশেষত তেওঁ এঘাৰজন শিষ্যক লগ পাইছিল। যেতিয়া সিহঁত আহাৰ কৰি আছিল সিহঁতক তেওঁ নিজৰ আঘাতপ্ৰাপ্ত হাত ভৰি দেখুৱাইছিল আৰু সিহঁতে ভাৱিছিল যে যথাসম্ভৱ সেয়া আত্মাহে। তেতিয়া তেওঁ সিহঁতক কৈছিল- মোৰ হাত আৰু ভৰিযোৰ স্পৰ্শ কৰি চোৱা কাৰণ আত্মাৰ কোনো মাংস হাড় নাথাকে, যিদৰে মোক তোমালোকে দেখিছা। তেওঁ সিহঁতৰ পৰা ভজা মাছ আৰু এটুকুৰা মৌ মম লৈছিল আৰু সিহঁতৰ আগতে খাইছিল। (মৰকছ অধ্যায় ১৬ আয়াত ১৪,লুকা বাব ২৪,আয়াত ৩৯-৪২) এইবোৰে শ্লোকে দেখুৱায় যে এয়া নিশ্চিত যে যীশু আকাশত যোৱা নাছিল, বৰঞ্চ কবৰৰ পৰা ওলাই আহি তেওঁ এজন সাধাৰণ মানুহৰ

দৰেই সাধাৰণ পোছাকেৰে সৈতে, মানৱ শৰীৰৰে সৈতে গেলিলিলৈ গৈছিল। যদি মৃত্যুৰ পিছত তেওঁ পুনৰ জীৱন পালেহেঁতেন কেনেকৈ এয়া সম্ভৱ হলহেঁতেন যে এই আত্মাৰ দেহটো তেতিয়াও তেওঁৰ ওপৰত ক্ৰুছত চলা আঘাতবোৰ লৈ ফুৰিছিল। তেওঁ খাদ্য খোৱাৰ প্ৰয়োজন আছিল। যদি তেতিয়া তেওঁৰ খাদ্যৰ প্ৰয়োজন আছিল, তেন্তে তেওঁৰ খাদ্যৰ প্ৰয়োজন নিশ্চয় এতিয়াও আছে।

পাঠকসকলে ভ্ৰান্ত ধাৰণা ল'ব নালাগে, ইহুদীসকলৰ ক্ৰুছ আজিৰ যুগৰ ফাঁচি কাঠৰ দৰে নাছিল য'ৰ পৰা নখোৱা ব্যক্তি জীৱিত থকাটো অসম্ভৱ। সেই সময়ৰ ক্ৰুছৰ চিকাৰজনৰ টেটুত বান্ধিব পৰাকৈ ৰচিৰ ব্যৱহাৰ হোৱা নাছিল নতুবা তেওঁক কাঠৰ তক্তাৰ পৰা পেলোৱা আৰু ফাঁচ লগোৱাৰ ব্যৱস্থাও নাছিল, বৰ তেওঁক অকল ক্ৰুছত দিয়া হৈছিল আৰু তেওঁৰ হাত ভৰিত শুল বিন্ধোৱা হৈছিল আৰু কোনো ব্যক্তিক ক্ৰুছত দি শুল বিন্ধোৱাৰ পিছত এদিন বা দুদিন পিছত ইচ্ছা কৰিলে এয়া সম্ভৱ আছিল যে যদি তেওঁক ক্ষমা কৰা হয় আৰু তেওঁৰ জীৱন ৰক্ষা কৰা হয় তেওঁৰ হাড় ভাঙি যোৱাৰ পূৰ্বেই জীৱিত অৱস্থাত নমাব পৰা গৈছিল, যি শাস্তি তেওঁক দিয়া হৈছিল সেইখিনি যথোপযুক্ত বুলি ধৰা হ'ল। যদি তেওঁক মৃত্যু কৰাৰ সিদ্ধান্ত আছিল তেন্তে ক্ৰুছত তেওঁক কমেও তিনিদিন ৰাখিলেহে; তেওঁৰ কাষলৈ পানী আৰু ৰুটি আনিবলৈ দিয়া হোৱা নহলহেঁতেন আৰু তেওঁক এই অৱস্থাত তিনিদিন বা তাতোধিক দিনৰ বাবে সূৰ্যৰ তাপত এৰি দিয়া হলহেঁতেন তাৰ পিছত তেওঁৰ হাড়বোৰ ভাঙি পেলালেহেঁতেন আৰু শেষত এই অত্যাচাৰৰ ফলস্বৰূপে তেওঁৰ মৃত্যু হৈ গলেহেঁতেন কিন্তু মহাপ্ৰতাপী আল্লাহৰ কৃপাত এই অত্যাচাৰৰ পৰা যীশু (আঃ)ক বচোৱা হৈছিল যি শাস্তিয়ে তেওঁৰ মত্যু ঘটালেহেঁতেন। গোছপেলৰ একান্ত মনে অধ্যয়নে দেখুৱায় যে যীশু (আঃ) তিনিদিনৰ বাবে ক্ৰুছত নাছিল তেওঁ ভোক আৰু পিয়াহত ভুগিবলগীয়া নহৈছিল নতুবা তেওঁৰ হাড় ভাঙিও দিয়া নহৈছিল। অন্যহাতে ক্ৰুছত তেওঁ মাথোন

দুঘণ্টা সময়হে আছিল আৰু আল্লাহৰ কৃপা আৰু চেনেহ ক্ৰুছবিদ্ধকৰণৰ দিনৰ পিছৰ অংশ যিটো শুক্ৰবাৰ আছিল বাবে (সিদিনাই) শেষ কৰিবলগীয়া হৈছিল, সূৰ্য্যাস্তৰ আগত মাত্ৰ অলপ সময় আছিল, পিছৰ দিনটো আছিল ছাব্বাথ, ইহুদীসকলৰ ফাছাহ ভোজ আছিল। ইহুদী সকলৰ প্ৰচলিত বিশ্বাস অনুসৰি কোনোবাক ছাব্বাথ দিৱসত ক্ৰুছত ৰখাটো বে-আইনী আৰু অত্যাধিক শাস্তিযোগ্য দোষণীয় কাম আছিল। আগৰ ৰাতিটোতো সম্ভৱ এই কাৰণেই নাছিল যে মুছলমান সকলৰ দৰে ইহুদীসকলেও চন্দ্ৰমাহৰ দিনপঞ্জী মানিছিল য'ত সূৰ্যাস্তৰ পৰা দিনটোৰ আৰম্ভণী বুলি কোৱা হয়। গতিকে এহাতে প্ৰকৃতিগত পৰিস্থিতি আছিল আৰু আনহাতে মহাপ্ৰতাপী আল্লাহ তায়লাই স্বৰ্গীয় পৰিস্থিতিৰ উদ্ভৱ কৰিছিল অৰ্থাৎ সেই ষষ্ঠ প্ৰহৰ (ছয় বজাৰ সময়) আছিল, অতিপাত ধুলীময় ধুমুহাই পৃথিৱীখনক তিনি ঘণ্টাৰ বাবে এন্ধাৰ কৰিছিল।(মাৰাকছ বাব ১৬,আয়াত ৩৩) এই ষষ্ঠ প্ৰহৰ বাৰ বজাৰ পিছত আছিল অৰ্থাৎ প্ৰায় সন্ধিয়া। তেতিয়া ইহুদীসকলে এনে ধৰণৰ সম্পূৰ্ণ আন্ধাৰ ছাব্বাথৰ নিশাই সিহঁতক অতিক্ৰম কৰিব, ছাব্বাথৰ পৱিত্ৰতা ভংগ হ'লে সিহঁত মহাশাস্তিৰ যোগ্য হ'ব লাগিব, তাৰ বাবে ভয় খাইছিল। সেয়ে ততাতৈয়াকৈ যীশু (আঃ) আৰু দুটা চুৰক ক্ৰুছৰ পৰা নমাই আনিছিল। সৰ্বোপৰি আৰু এক স্বৰ্গীয় কাৰণ আছিল যে যেতিয়া পিলাতুছে কোৰ্ট পৰিচালনা কৰি আছিল, তেওঁৰ ঘৈণীয়েকে সেই ন্যায় পৰায়ণৰ ব্যক্তিজনাৰ (যীশুৰ) সৈতে বিশেষ একো ক্ষতি নকৰিবলৈ কৈছিল, (অৰ্থাৎ তেওঁৰ মৃত্যুদণ্ড নিদিবলৈ) তাই কৈছিল কাৰণ সিদিনা ৰাতি তাই এক সপোন দেখিছিল যিটো তাইক বৰকৈ পীড়া দিছিল। সেয়ে পীলাতৰ ঘৈনীয়েকৰ সপোনত দেখা ফিৰিস্তাটো আমাক আৰু আটাইবোৰ শুভ মনৰ মানুহক নিশ্চয়তাৰ সৈতে আশ্বাস দিয়ে যে ঈশ্বৰে যীশু (আঃ)ক ক্ৰুছত মৃত্যু হোৱাটো কেতিয়াও নিবিচাৰিছিল। এই পৃথিৱীখনৰ সৃজনৰ দিনৰ পৰা এয়া কেতিয়াও ঘটা নাই যে আল্লাহ কোনো ব্যক্তিক স্বপ্নযোগে পৰামৰ্শ দিয়ে এক নিৰ্দিষ্ট পথত কোনো এক ঘটনা ঘটিব আৰু এতিয়া সেইটো ঘটিবলৈ পৰাজয় হৈছিল। উদাহৰণস্বৰূপে

মতিৰ গোছপেলে কয় যে প্ৰভুৰ এজন ফিৰিস্তা সপোনত যোচেফৰ কাষলৈ আহিছিল আৰু কৈছিল, সজাগ হোৱা আৰু কেচুৱা লৰাটোক আৰু তাৰ মাকক লোৱা আৰু ইজিপ্তলৈ গুচি যোৱা আৰু যেতিয়ালৈকে মই তোমালৈ সংবাদ প্ৰেৰণ নকৰো তেতিয়ালৈকে ৰৈ থাকিবা। কাৰণ হিৰোদোছ এই শিশুটোক বিচাৰিব আৰু হত্যা কৰি পেলাব। (ইঞ্জিল মতি বাব ২ আয়াত ১৩) এতিয়া কোনোবাই ক'ব পাৰিবনে যে যীশু (আঃ) ইজিপ্তত গৈ মৃত্যু বৰণ কৰা সম্ভৱ আছিল। সেই একে ধৰণে পিলাতুছৰ ঘৈণীয়েকে যিটো সপোন দেখিছিল সেযা আল্লাহৰ এক পৰিকল্পনা ইয়াৰ উদ্দেশ্যক কাৰ্যক্ষেত্ৰত পাহৰি যাব আৰু ইজিপ্ত ভ্ৰমণ কালত যীশু (আঃ)ৰ মৃত্যুৰ সম্ভাৱনীয়তা আল্লাহৰ বিশেষ অংগীকাৰৰ বিৰুদ্ধে। গতিকে ইয়াত এয়া অচিন্তনীয় যে মহাক্ষমতাবাণ আল্লাহৰ ফিৰিস্তাই পিলাতুছৰ ঘৈণীয়েকক নিশ্চয় দেখা কৰিছিল, তাইক ক'বলগীয়া হৈছিল যে যীশু (আঃ) ক্ৰুছত মৃত্যু হয় তেন্তে সেয়া তাইৰ বাবে সুখৰ খবৰ নহ'ব আৰু যদি ফিৰিস্তাজনৰ উপস্থিতি বৃথা হ'লহেঁতেন যীশু (আঃ)ও ক্ৰুছত মৃত্যুৰ যন্ত্ৰণা ভূগিবলগীয়া হ'লহেঁতেন। পৃথিৱীত এনে কোনো উদাহৰণ আছেনে। নাই। পীলাতুছৰ ঘৈণীয়েকৰ সপোনৰ বিষয়ে অৱগত কৰা হ'লে সকলো সুস্থ মানুহৰ নিখুত বিবেক নিঃসন্দেহে প্ৰমাণ কৰিব যে ই এনে এক ঘটনা আছিল যে সপোনটোৰ উদ্দেশ্য যীশু (আঃ)ক বচোৱাৰ ভিত্তি স্থাপন কৰাটোহে আছিল। অৱশ্যে এই উগ্ৰ সত্যক অস্বীকাৰ কৰিবলৈ প্ৰতিজনৰে পথ মুক্ত, সাম্প্ৰদায়িক প্ৰতিহিংসাৰ বাবে কোনোবায় ইয়াক মানি লবলৈ অস্বীকাৰ কৰিব পাৰে, কিন্তু শুভ শক্তিয়ে আমাক বিশ্বাস কৰিবলৈ বাধ্য কৰাইছে যে পিলাতুছৰ ঘৈণীয়েকৰ সপোনটো ক্ৰুছৰ পৰা যীশু (আঃ)ৰ মুক্তি পোৱাৰ সপক্ষে এক বলিষ্ঠ প্ৰমাণ। গোছপেলবোৰৰ শীৰ্ষস্থানীয় মতিয়ে এই সাক্ষী বহন কৰিছে। সেয়ে যিটো বলিষ্ঠ প্ৰমাণ এই গ্ৰন্থখনত মই উপস্থাপন কৰিম যিটো যীশু (আঃ)ৰ স্বৰ্গীয়তাৰ আৰু পুনৰ্বিন্যাস ধৰ্মীয় শিক্ষাক অযোগ্য কৰে তথাপিও সাধুতা, মঙ্গলৰ প্ৰতি প্ৰেমে বাস্তৱতাৰ প্ৰশ্নত একপক্ষীয় সাম্প্ৰদায়িক আৰু গোষ্ঠীগত জনবিশ্বাসত

একমত হ'বলৈ আৱশ্যকতাৰ প্ৰয়োজন। মানুহৰ সৃষ্টি দিনৰ পৰা আজিলৈকে মানুহৰ সীমিত বুদ্ধিমত্তাই স্বৰ্গীয়তা আৰু দৈৱতাৰ সৈতে হাজাৰ হাজাৰ বস্তুক প্ৰভু বনাই লৈছে, আনকি মেকুৰী আৰু সাপকো পূজা কৰিবলৈ লৈছে। তথাপিও বিজ্ঞসকলে স্বৰ্গীয় সাহায্যত এই কু-প্ৰভাৱৰ পৰা সাত সাৰিবলৈ সক্ষম হৈ আছে।

ক্ৰুছৰ ওপৰত মৃত্যুৰ পৰা যীশু (আঃ)ৰ হাত সৰাৰ সপেক্ষে বাইবেলৰ প্ৰমাণবোৰৰ ভিতৰত এটা হ'ল তেওঁৰ দূৰ দূৰণিলৈ ভ্ৰমণ যিটো কাৰ্য্য তেওঁ কবৰৰ পৰা উঠি আৰম্ভ কৰিছিল। দেওবাৰৰ ৰাতিপুৱা তেওঁ প্ৰথমে লগ পাইছিল মেৰিয়ম ম্যাগ ড্যালেনক, যিজনে ততালিকে শিষ্যসকলক খবৰ দিছিল যে যীশু (আঃ) এতিয়াও জীৱিত আছিল, কিন্তু সিহঁতে তাক বিশ্বাস কৰা নাছিল। তেতিয়া তেওঁৰ শিষ্যসকলৰ দুজনে তেওঁক দেখা পাইছিল, যেতিয়া সিহঁত গাৱলৈ গৈ আছিল আৰু শেষত তেওঁ এঘাৰজন শিষ্যৰ আগত যেতিয়া সিহঁত আহাৰ কৰি আছিল আৰু সিহঁতৰ আগত নিজকে (সত্যতাৰ) পুনৰ প্ৰমাণ দিবলগীয়া হৈছিল সিহঁতৰ কঠোৰ মনোভাৱ আৰু বিশ্বাসহীনতাৰ বাবে।(ইঞ্জিল মাৰাকছ্ বাব ১৬,আয়াত ৯-১৪) যেতিয়া যীশু (আঃ)ৰ দুজন শিষ্যই ইমাউচ নামে গাঁৱলৈ গৈ আছিল যিটো জেৰুজালেমৰ পৰা চাৰি কোছ আঁতৰত আছিল, যীশু (আঃ)য়ে সিহঁতক লগ লাগিবলৈ আগবাঢ়ি আহিল কিন্তু সিহঁতে তেওঁক যাবলৈ দিয়া নাছিল এইদৰে কৈ যে সিদিনা ৰাতিতে সিহঁত একেলগ হ'ব তেওঁ তেতিয়া সিহঁতৰ সৈতে খোৱা লোৱা কৰিছিল আৰু যীশু (আঃ)ৰে সৈতে সিহঁত আটায়ে ইমাউচ নামে গাওঁখনত ৰাতি কটাইছিল।(লুকা বাব ২৪,আয়াত ১৩-৩১) এতিয়া যদি কোৱা হয় যে যীশু (আঃ)য়ে এই সকলোবোৰ কাৰুকাৰ্য্য প্ৰেমাত্মাৰ দ্বাৰা (মৃত্যুৰ পিছত দেহৰ প্ৰকৃতি কেনে বুলি ধৰা হ'ব) কৰিছিল কিন্তু যিবোৰ কৰিবলৈ অকল শাৰীৰিক দেহটোহে যোগ্য আছিল, উদাহৰণস্বৰূপে- খোৱা আৰু পীয় আৰু টোপনী মৰা আৰু গেলিলিলৈ দীৰ্ঘপথ ভ্ৰমণ কৰা যি স্থান জেৰুজালেমৰ পৰা ৭০ (সোত্তৰ) মাইল দুৰত্বত অৱস্থিত, যিটো আত্মিক দেহাৰে অসম্ভৱ আৰু

সম্পূৰ্ণ যুক্তিৰ বিৰুদ্ধে। এনেকুৱা ঘটনা যিটো ব্যক্তিগত কু-প্ৰভাৱৰ বাবে গোছপেলৰ বৰ্ণনাবোৰ প্ৰভেদ হোৱা সত্বেও অধ্যয়নে তথাপিতো দেখুৱায় যে যীশু (আঃ)য়ে তেওঁৰ শিষ্যসকলক সাধাৰণ মৰণশীল দেহৰেই লগ পাইছিল আৰু খোজকাঢ়ি গেলিলিলৈ দীৰ্ঘপথ ভ্ৰমণ কৰিছিল, তেওঁৰ ক্ষতবোৰ শীষ্যসকলক দেখুৱাইছিল, ৰাতি একেলগে আহাৰ কৰিছিল আৰু সিহঁতৰ সৈতে টোপনি গৈছিল। আগত গৈ আমি প্ৰমাণ কৰিম যে তেখেত নিজৰ ক্ষতৰ চিকিৎসা মৰহমৰ দ্বাৰা কৰিছে।

ইয়াত এতিয়া এজনৰ বিবেচনা কৰিবলগীয়া আছে যে যিটো তেওঁক দিয়া হৈছে সেই চিৰস্থায়ী আত্মিক দেহ লাভ কৰাৰ অন্তত অৰ্থাৎ সেই মৰণশীল দেহ লাভ কৰাৰ পিছত খোৱা পিয়াৰ আৱশ্যকতাৰ পৰা মুক্ত হৈ আল্লাহৰ আগহাতে আসন লৈ আৰু আটাইবোৰ ক্ষত বেদনা আৰু দুৰ্বলতাৰ পৰা মুক্ত হৈ ই এক দোষত ভূগিয়ে আছিল, যদিও ইয়াৰ আছিল আল্লাহৰ চিৰস্থায়ী আৰু সৰ্বযুগীতাৰ গৌৰৱ। দোষটো এয়াই আছিল যে তেওঁৰ দেহটো ক্ৰুছ আৰু গজালৰ ক্ষত বহন কৰিয়ো আছিল য'ত তেজ বৈ আছিল আৰু বৰ বেদনাপূৰ্ণ আছিল যাৰ বাবে এটা মলম প্ৰস্তুত কৰা হৈছিল আৰু আনকি এক গৌৰৱময় আৰু এক অমৰণশীল চিৰতৰে শ্ৰেষ্ঠ, ক্ৰুটিহীন, পৈনত আৰু অপৰিৱৰ্তনশীল দেহ লাভ কৰাৰ পিছত, সেই একে দেহটোৱে অনেক প্ৰকাৰৰ দোষত ভূগি আছিল, যীশু (আঃ) নিজেই তেওঁৰ শিষ্যসকলক তেওঁৰ দেহৰ মাংস আৰু অস্তিবোৰ দেখুৱাইছিল। আকৌ অকল এইখিনিয়ে নহয়, কিন্তু ভোক আৰু পিয়াহৰ লেখীয়া মৰণশীল দেহৰ আৱশ্যক সমূহ নহ'লে গেলিলিলৈ ভ্ৰমণ কালত খোৱা পিয়া,আৰু টোপনি মৰাৰ লেখীয়া সস্তীয়া কামবোৰৰ কি প্ৰয়োজন আছিল ? নিঃসন্দেহে এই পৃথিৱীত ভোক আৰু পিয়াহৰ অনুমতি এই মৰণশীল দেহৰ বাবে বেদনাদায়ক, যিটো অনুভূতি অতিমাত্ৰা হ'লে আনকি মাৰাত্মক হ'বও পাৰে। গতিকে কোনো সন্দেহ নাই যে যীশু (আঃ) ক্ৰুছত মৃত্যুবৰণ কৰা নাছিল, নতুবা তেওঁ কোনো আত্মিক দেহ পোৱা নাছিল, তেওঁ মৃত্যু সদৃশ মুৰ্চ্ছাহে গৈছিল। বৰঞ্চ

আল্লাহৰ কৃপাত এনে হৈছিল যে যিখন কবৰত তেওঁক স্থাপিত কৰা হৈছিল সেইখন আমাৰ দেশৰ কবৰৰ আৰ্হিত নাছিল, এয়া বায়ু চলাচলৰ যোগ্য আছিল। সেই সময়ত ইহুদী সকলৰ কবৰ গঢ়াৰ প্ৰচলিত পদ্ধতি বায়ুময় ব্যৱহাৰ যোগ্য কোঠাৰ দৰে তাৰ ভিতৰত এৰি অহা হৈছিল। এনেধৰণৰ কবৰবোৰ পূৰ্বেই সজ্জিত কৰি ৰখা হৈছিল আৰু যেতিয়া আৱশ্যক হৈছিল তেতিয়া মৃতদেহ সেইবোৰৰ ভিতৰত সোমাই দিয়া হৈছিল। গোছপেলবোৰ ইয়াৰ স্পষ্ট প্ৰমাণ বহন কৰে- লুকা কয়, সপ্তাহটোৰ প্ৰথম দিনা পুৱতি নিশাত (যেতিয়ালৈকে এন্ধাৰ আছিল) সিহঁত (তিৰোতাসকল) কবৰটোলৈ গৈছিল মছলাবোৰ লৈ যিবোৰ সিহঁতে তৈয়াৰ কৰিছিল সিহঁতৰ সৈতে থকা অন্যান্য সামগ্ৰীৰ সৈতে। আৰু সিহঁত চাইছিল যে কবৰটোৰ মুখত থকা শিলডোখৰ বাগৰি গৈছে (বিবেচনা কৰক মাথোঁ) সিহঁতে তাত প্ৰৱেশ কৰি দেখে যে যীশু (আঃ)ৰ মৃতদেহ তাত নাই। (লুকা বাব ২৪,আয়াত ২,৩), এতিয়া এই মুহূৰ্তৰ বাবে কথাটো বিবেচনা কৰক সিহঁতে তাত প্ৰৱেশ কৰিছিল এয়া স্পষ্ট যে এজন মানুহে কেৱল প্ৰৱেশ কৰিব পাৰে এনে এখন কবৰত যিখন এক কোঠা সদৃশ আৰু দুৱাৰ সম্পন্ন। মই এই গ্ৰন্থখনতে যথাস্থানত ইয়াক জনাম যে যীশু (আঃ)ৰ কবৰ যিটো অলপতে কাশ্মীৰৰ শ্ৰীনগৰত পোৱা গৈছে, সেয়া উল্লেখিত কবৰৰ দৰেই দুৱাৰ আছে। যেতিয়া ইয়াৰ ওপৰত চিন্তা কৰা হয় এইক্ষেত্ৰত অনুসিদ্ধান্ত কাৰীসকলৰ বাবে এইটোৱে এক সুন্দৰ লক্ষ্য বস্তু, ডাঙৰ আৰু আৱশ্যকীয় অনুসিদ্ধান্ত। গোছপেলত থকা প্ৰমাণবোৰৰ ভিতৰত পিলাতুছৰ যিবোৰ কথা ইঞ্জিলৰ মাৰাকছত লিপিবদ্ধ ঃ যেতিয়া সন্ধিয়া নামি আহিছিল, কাৰণ এয়া ছবৃথ দিৱসৰ আগদিনাখন আৰম্ভ হৈছিল, এগৰাকী মাননীয় কাউন্সিলৰ ইউছুফ আৰমিতিয়া জুনা যিজনে আল্লাহৰ সাম্ৰাজ্যৰ বাবে অপেক্ষা কৰি আহিছিল, আৰু পীলাতুছৰ সন্মুখলৈ সাহসেৰে গৈছিল আৰু যীশু (আঃ)ৰ দেহটো দাবী কৰিছিল। তেতিয়া পীলাতুছে আশ্চৰ্য্যান্বিত হৈছিল যে তেওঁ ইমান সোনকালে মৃত্যুবৰণ কৰিছেনে?(মাৰকাছ বাব ১৬,আয়াত ৪২-৪৪), এইটোৱে দেখুৱায় যে ক্ৰুছবিদ্ধ কৰণৰ সময়তে নিজে নিজে এনে সন্দেহৰ উদ্ভৱ হৈছিল যে যীশু (আঃ)ৰ প্ৰকৃতপক্ষে মৃত্যু

হৈছেনে। আৰু এনে যেই সেই মানুহৰ দ্বাৰা সন্দেহ প্ৰকাশ কৰা নহৈছিল যিজনে অভিজ্ঞতাৰ পৰা জানিছিল যে ক্ৰুছত দিয়া ব্যক্তি এজন মৃত্যুৰ পথত কিমান আগবাঢ়ে। গোছ্‌পেলৰ প্ৰমাণবোৰত থকা এক পদ হ'ল আয়োজনটো এনে হোৱা বাবে যে মৃতদেহবোৰ ছব্বথ দিৱসত ক্ৰুছত ৰখা নাযাব, সেয়ে ইহুদী সকলে পীলাতুছক অনুৰোধ কৰিছিল যে সিহঁতৰ ভৰিবোৰ ভাঙিবলগীয়া হ'ব পাৰে আৰু সিহঁতক নমাই আনিবলগীয়া হ'ব পাৰে। তেতিয়া আশ্বাৰোহী কেইজনে আহিছিল আৰু প্ৰথমজনৰ আৰু আনজনৰ ভৰিবোৰ ভাঙি দিছিল। কিন্তু অশ্বাৰোহী কেইজনৰ এখন দীঘল চোকা অস্ত্ৰৰে তেওঁ যীশু (আঃ)ৰ একাষত বিন্ধাই দিছিল আৰু লগে লগে তাৰ পৰা তেজ আৰু পানী উলাইছিল।(ইউহনা বাব ১৯,আয়াত ৩১-৩৪) এইবোৰ পদৰ দ্বাৰা স্পষ্ট প্ৰমাণ হয় যে ক্ৰুছবিদ্ধ কৰা ব্যক্তি এজনক মৃত্যু ঘটাবলৈ কেইবা দিনৰ বাবে ক্ৰুছত ৰখাটো হাত ভৰি ভাঙি দিয়াটো তেতিয়াৰ দিনত প্ৰচলন আছিল, কিন্তু যীশু (আঃ)ৰ ভৰিযোৰ পৰিকল্পিত ভাৱে ভঙা হোৱা নাছিল আৰু তেওঁক ক্ৰুছৰ পৰা জীৱন্তাৱস্থাত নমাই অনা হৈছিল আন দুটা চোৰৰ সৈতে। যেতিয়া তেওঁক একাষত বিন্ধোৱা হৈছিল তাৰ পৰা তেজ ওলোৱাৰ কাৰণ সেয়াই আছিল। মৃত্যুৰ পিছত তেজ যিকোনো প্ৰকাৰে খমলা বান্ধে (গোট মাৰে)। আৰু ইয়াত এনে দেখা যায় যে এই সকলোবোৰ যেন ষড়যন্ত্ৰৰ ফল। পীলাতুছ এজন ঈশ্বৰক ভয় কৰা সুঅন্তৰ সম্পন্ন মানুহ আছিল, তেওঁ খোলাখুলিকৈ যীশু (আঃ)ক অনুকম্পা দেখুৱাব পৰা নাছিল কয়ছৰৰ ভয়ত, কাৰণ ইহুদীসকলে যীশু (আঃ)ক বিদ্ৰোহী ঘোষণা কৰিছিল। সকলোবোৰ একে পীলাতুছ যীশু (আঃ)ক দৰ্শন কৰা বাবে সৌভাগ্যবান আছিল কিন্তু কয়ছৰ তেনে সৌভাগ্যৱান নাছিল, পূৰ্বৰজন অকল যীশু (আঃ)ক দৰ্শন কৰাই নহয় কিন্তু তেওঁক বৰ ভাল পাইছিল, তেওঁ এনে আশা কৰা নাছিল যে যীশু (আঃ) ক্ৰুছবিদ্ধ হৈ ভোগক। গোছপেলটোৱে স্পষ্টভাৱে দেখুৱাইছিল যে পীলাতুছে যীশু (আঃ)ক কেইবাবাৰো এৰি দিব বিচাৰিছিল, ইহুদীসকলে কৈছিল যে যদি তেওঁক এৰি দিয়া যায় তেন্তে তেওঁ কয়ছৰৰ প্ৰতি অবাধিত হ'ব, সিহঁতে

কৈছিল যে যীশু (আঃ) এজন বিদ্ৰোহী আছিল আৰু যিজনে ৰজা হ'ব বিচাৰিছিল। আৰু পীলাতুছৰ ঘৈনীয়েকে দেখা সপোনটোৱে যীশু (আঃ)ৰ মুক্তিৰ পথ মুকলি কৰিছিল। অন্যথায় পীলাতুছ আৰু তাৰ ঘৈনীয়েকে নিজে নিজে বিপৰ্যস্ত হ'লহেঁতেন। কিন্তু ইহুদীসকল প্ৰবঞ্চক জাতি হিচাপে পীলাতুছৰ কাৰুকাৰ্যৰ বিষয়ে যে পীলাতুছ যীশু (আঃ)ক বচাবলৈ ফন্দি কৰিছিল, কয়ছৰ গোপনে জনাবলৈ আনকি সাজু হৈ আছিল। পীলাতুছৰ ফন্দিৰ প্ৰথম পদক্ষেপ হিচাবে তেওঁ ক্ৰুছবিদ্ধকৰণৰ দিন শুক্ৰবাৰ সূৰ্যাস্তৰ কেইঘণ্টামান আগত নিৰ্ধাৰণ কৰিছিল, অলপ পিছতে যেতিয়া ছব্বথ দিৱসৰ নিশা নামি আহিছিল। পীলাতুছে এয়া ভালদৰে জানিছিল যে আইনৰ নিৰ্দেশানুযায়ী ইহুদীসকলে যীশুক ক্ৰুছত গধুলিলৈকেহে ৰাখিব পাৰিব, আৰু তাৰ পাছত কোনোবাক ক্ৰুছত ৰখাটো বেআইনী হ'ব। সেইমতে সকলোবোৰ উদ্দেশ্য প্ৰণোদিত ভাৱে ঘটিছিল, আৰু যীশু (আঃ)ক গধুলীৰ আগতে ক্ৰুছৰ পৰা নমাই আনা হৈছিল। এয়া অপ্ৰমাণিত যে যীশু (আঃ)ক লগতে একে সময়তে যিকেইটা চোৰক ক্ৰুছত দিয়া হৈছিল সেইকেইটা জীৱিত আছিল আৰু এয়া যে যীশু (আঃ) দুঘণ্টাৰ ভিতৰতে মৰিলেহেঁতেন। এয়া যিশু (আঃ)ৰ পক্ষে তেওঁৰ ভৰিযোৰ ভঙা কাৰ্যৰ পৰা মুক্তি আছিল, সত্য ঘটনা হ'ল যে উভয়ে চোৰকে ক্ৰুছৰ পৰা জীৱিতাৱস্থাত নমাই অনা হৈছিল সেইটোৱে বিজ্ঞসকলৰ বাবে যথেষ্ট সাক্ষী, শাস্তি ভোগী সকলক জীৱিতাৱস্থাত ক্ৰুছৰ পৰা নমাই অনাটো পৰম্পৰা আছিল। সিহঁত তেতিয়াই মৰিছিল যেতিয়া সিহঁতৰ হাতবোৰ ভাঙি দিয়া হৈছিল বা কেইবাদিনৰ বাবে ক্ৰুছত ৰখা হৈছিল, খাবলৈ আৰু পিবলৈ নিদিয়াকৈ। কিন্তু যীশু (আঃ) এনে কোনো অভিজ্ঞতাই পোৱা নাছিল তেওঁ ক্ৰুছত কেইবাদিনৰ বাবে থাকিবলগীয়া হোৱা নাছিল নতুবা তেওঁৰ হাড়বোৰ ভঙা হোৱাও নাছিল আৰু সকলোবোৰ অনুভৱ হৈছিল যেন যীশু (আঃ) মৰি গৈছিল, ইহুদীসকলে এই সকলোবোৰ পাহৰি গৈছিল। যি কি নহওঁক চোৰ দুটাক তৎক্ষণাত মাৰি পেলোৱা হৈছিল আৰু হাড়বোৰ ভাঙি পেলোৱা হৈছিল। যদি কোনো চোৰৰ বিষয়ে ভৰা হ'লহেঁতেন

যে তেওঁ মৃত আছিল আৰু তেওঁৰ হাড়বোৰ ভঙাৰ আৰশ্যক নাই তেতিয়াহে কথাটো বেলেগ হ'লহেঁতেন। আৰু যোচেফ নামে পীলাতুছৰ এজন বিশিষ্ট বন্ধু আৰু সেই অঞ্চলৰ উল্লেখযোগ্য ব্যক্তি আৰু এজন যীশু (আঃ)ৰ গোপন শিষ্য তাত সময়মতেই উপস্থিত হৈছিল। মই ভাৱো যে তেওঁ পীলাতুছৰ পৰামৰ্শ সাপেক্ষেই মতাই অনা হৈছিল আৰু যীশু (আঃ)ক মৃত বুলি অনা হৈছিল তেওঁৰ দেহটো তেওঁৰ ওপৰত অৰ্পণ কৰা হৈছিল, কাৰণ তেওঁ এজন বিকট মানুহ আছিল যাৰ সৈতে ইহুদীসকলে কোনো বিবাদ কৰিব পৰা নাছিল। যথাস্থানত উপস্থিত হৈ যীশু (আঃ)ক কঢ়িয়াই লৈছিল যেনিবা সেয়া মৃতদেহ আছিল। প্ৰকৃতাৰ্থত তেওঁ অজ্ঞান অৱস্থাত আছিল। ওচৰতে এখন কোঠা সদৃশ ঘৰ আছিল সেই সময়ৰ পৰম্পৰা অনুযায়ী কবৰৰ দৰে বনোৱা হৈছিল দুৱাৰ ৰখাকৈ আৰু এনে স্থানত স্থাপন কৰা হৈছিল। যিটো ইহুদীসকলে কাফন খটোৱা নাছিল। পীলাতুছৰ পৰামৰ্শত যীশু (আঃ)ক সেই ঘৰতে থোৱা হৈছিল। এইবোৰ ঘটনা মুছা (আঃ)ৰ মৃত্যুৰ পিছত চৈধ্যতম শতিকাত ঘটিছিল আৰু যীশু (আঃ) আছিল ইহুদীসকলৰ নিয়মবোৰৰ চৈধ্যতম শতিকাৰ পুনৰ সংযোজক। যদি চৈধ্যতম শতিকাতেই ইহুদীসকলে প্ৰতিশ্ৰুত মছীহৰ বাবে বৈ আছিল আৰু পূৰ্বৰ নবীজনৰ ভৱিষ্যতবাণীত তেওঁৰ আৱিৰ্ভাৱৰ এই সময়কে নিৰ্দেশ কৰিছিল, তথাপিও হায়, ইহুদীসকলৰ তদানীন্তন অযোগ্য পুৰোহিতসকলে সময়টোক চিনিব নোৱাৰিছিল আৰু মছীহক মিছা দাবীদাৰ হিচাবে অস্বীকাৰ কৰিছিল। অকল এইখিনিতে ক্ষান্ত হোৱা নাছিল, সিহঁতে তেওঁক কাফিৰ বুলিও ঘোষণা কৰিছিল। তেওঁক অবিশ্বাসী বুলিছিল, তেওঁৰ মৃত্যুদণ্ডৰ ৰায় দিছিল আৰু তেওঁক আদালতলৈ চোচৰাই নিছিল। ইয়ে প্ৰমাণ কৰে যে চৈধ্যতম শতিকাৰ আল্লাহে এনে কু প্ৰভাৱ পেলাইছিল যিয়ে মানুহৰ অন্তৰসমূহ কঠোৰ কৰি পেলাইছিল, পুৰোহিবোৰক বস্তুবাদী, অন্ধ আৰু সত্যৰ শত্ৰু কৰি পেলাইছিল। তথাপি মুছা (আঃ)ৰ পিছৰ চৈধ্যতম যেনে আমাৰ পৱিত্ৰ ৰছুল (ছাঃ)ৰ মাজত তুলনাই দেখুৱাব নোৱাৰে যে প্ৰথম কথা যে প্ৰতিটো শতিকাতে এজকৈ মানুহ আছিল

যিজনে মছীহ্ বুলি দাবী কৰিছিল, যিটো প্ৰকৃত দাবী আল্লাহৰ ক্ষমতাৰ ওপৰতহে নিৰ্ভৰশীল। আৰু এয়াও দেখা গ'ল যে মানুহবিলাকৰ পুৰোহিত সকলে উভয়ে কাফিৰ ঘোষণা কৰিছিল আৰু তেওঁলোকক অবিশ্বাসী আৰু দাঙ্কাল বুলিছিল, তেওঁলোকক আদালতলৈ লৈ যোৱা হৈছিল এটা হ'ল ৰোমান আদালত আনটো হ'ল বৃটিছ্ আদালত। অৱশেষত উভয়কে বচোৱা হৈছিল আৰু পুৰোহিতবোৰে ইহুদী আৰু মুছলমানসকলক পৰিকল্পনাত ব্যৰ্থ হৈছিল। আল্লাহে দুয়ো মছীহৰ বাবে বৃহদাকাৰ সম্প্ৰদায় গঢ়িবলৈ আৰু তেওঁলোকৰ শত্ৰুক পৰাজয় কৰিবলৈ পৰিকল্পনা কৰিছিল। থোৰতে মুছা (আঃ) আৰু আমাৰ পৱিত্ৰ ৰচুল (ছাঃ) পিছৰ চৈধ্যতম শতিকা যাৰ বাবে অনুক্ৰমিক মছীহৰ পৰীক্ষা আৰু বিজয়ৰ আশীষ পুষ্ট কাল।

পৰীক্ষাবোৰৰ ভিতৰত যিবোৰে দেখুৱায় যে যীশু (আঃ) ক্ৰুছৰ পৰা বাচি গৈছিল তাৰে মতিত বৰ্ণিত এটা অধ্যায় ২৬ পদ ৩৬ ৰ পৰা ৪৬ লৈ, যিবোৰে বৰ্ণনা দিয়ে যে ইলহাম যোগে তেওঁৰ আসন্ন গ্ৰেপ্তাৰৰ বিষয়ে তথ্য পাই তেওঁ গোটেই নিশাটো লোসিত্ত শৰীৰে আল্লাহক প্ৰাৰ্থনা কৰিছিল আৰু এই প্ৰাৰ্থনা ইমান বিনীত আছিল যে যাৰ বাবে যীশু (আঃ) ৰে যথেষ্ট সময় ব্যয় কৰিছিল- সেইবোৰ বিফলে যাব নোৱাৰিছিল, কাৰণ বিপৰ্যস্ত আল্লাহক সম্মুধি কৰা আল্লাহৰ  নিৰ্বাচিত বিফলে নাযায়। তেন্তে এইটো কেনে হৈছিল। যীশু(আঃ)ৰ প্ৰাৰ্থনা যিটো তেওঁ গোটেই নিশা বেদনাসিক্ত অন্তৰেৰে বিপদাগ্ৰস্তা সময়ত নিবেদন কৰিছিল সেয়া অগ্ৰাহ্য হৈছিলনে। যীশু (আঃ)ৰে কৈছিল ঃ স্বৰ্গত বাস কৰা পিতৃয়ে মোৰ কথা শুনিছিল। সেয়েহে তেনেধৰণৰ বিপদ সংকল পৰিৱেশত নিবেদিত তেওঁৰ প্ৰাৰ্থনা শুনা নগৈছিল, কেনেকৈ ক'ব পাৰি যে আল্লাহে তেওঁৰ প্ৰাৰ্থনা নুশুনিছিল। গোছপেলবোৰে আৰু দেখুৱায় যে যীশু (আঃ)ৰ অন্তৰত নিশ্চয়তা ৰাখিছিল যে তেওঁৰ প্ৰাৰ্থনা গৃহীত হৈছিল, তেওঁ সেই প্ৰাৰ্থনাৰ ওপৰত গভীৰ আস্থা কৰিছিল। সেই কাৰণে যেতিয়া তেওঁক ধৰা হৈছিল আৰু ক্ৰুছত দিয়া হৈছিল আৰু যেতিয়া তেওঁ অনুভৱ কৰিছিল যে পৰিস্থিতি তেওঁৰ আশাৰ

বিপৰীত তেওঁ অনিচ্ছাকৃতভাৱে চিঞৰিছিল, Eli, Eli, lama sabahthani ? (মতি বাব ২৭ আয়াত ৪৬) মোৰ আল্লাহ, মোৰ আল্লাহ, তুমি মোক ঠগিলা কেলেই। অৰ্থাৎ তেওঁ আশা কৰা নাছিল যে এনে হ'ব যে তেওঁ ক্ৰুছত মৰিব লাগিব। তেওঁ বিশ্বাস কৰিছিল যে তেওঁৰ প্ৰাৰ্থনা গৃহীত হ'ব। গতিকে গোছপেলৰ দুয়োটা উদাহৰণ দেখুৱায় যে যীশু (আঃ)ৱে নিশ্চিত ভাৱে বিশ্বাস কৰিছিল যে তেওঁৰ প্ৰাৰ্থনা শুনা হ'ব আৰু গৃহীত হ'ব। তেওঁৰ গোটেই নিশা কৰা অশ্ৰুসিক্ত আবেদন বৃথা হ'ব নোৱাৰে যি ক্ষেত্ৰত তেওঁ স্বৰ্গীয় ক্ষমতা সম্পৰ্কে তেওঁৰ শিষ্য সকলক শিকাইছিল, যেতিয়া তুমি প্ৰাৰ্থনা কৰা, তোমাৰ প্ৰাৰ্থনা গ্ৰহণ কৰা হয়। তদুপৰি বিচাৰকৰ আখ্যানটোকো বৰ্ণনা কৰিছিল যিজনে কোনো মানুহ নতুবা ঈশ্বৰক ভয় কৰা নাছিল। এই আখ্যানটোৰ উদ্দেশ্য আছিল, শিষ্যসকলে বুজি লওঁক যে আল্লাহে নিঃসন্দেহে প্ৰাৰ্থনাৰ সহাৰি দিছিল। যদিও যীশু (আঃ)ৱে আল্লাহৰ পৰা জানিছিল যে তেওঁৰ বাবে এক মহা বিপদ ৰৈ আছিল তথাপিও সকলোবোৰ সাধাৰণ মানুহৰ দৰে তেওঁ আল্লাহলৈ প্ৰাৰ্থনা কৰিছিল এই বিশ্বাসত যে আল্লাহৰ বাবে অসম্ভৱ একো নাছিল আৰু আল্লাহে যিটো পৰিকল্পনা কৰিছিল সেয়া ঘটিবনে নঘটিব। সেয়ে যীশু (আঃ)ৰ প্ৰাৰ্থনা অকাৰণে যোৱা বাবে শিষ্যসকলৰ মনত সন্দেহৰ ভাৱ জাগিছিল। শিষ্যসকলৰ আগত সিহঁতৰ বিশ্বাসৰ ধ্বংসাত্মক উদাহৰণ দিয়াটো সম্ভৱনে ? যদি সিহঁতে স্বচক্ষে দেখিছিল যে যীশু (আঃ)ৰ লেখীয়া বিশিষ্ট নবীক বেদনাসিক্ত মনেৰে গোটেই ৰাতি কৰা প্ৰাৰ্থনা গৃহীত নহ'ল এনে দুৰ্ভগীয়া উদাহৰণ সিহঁতৰ বিশ্বাসৰ বাবে প্ৰত্যাহ্বান হ'লহেঁতেন। গতিকে ক্ষমাশীল আল্লাহে আন নোৱাৰিলেও এই প্ৰাৰ্থনা গৃহীত কৰিছিল। এয়া নিশ্চিত যে গুছতামনি নামক স্থানত প্ৰাৰ্থনা গৃহীত হৈছিল।

এই সন্দৰ্ভত অন্য এক যুক্তিও আছে। যীশু (আঃ)ক হত্যা কৰিবৰ বাবেই এক ষড়যন্ত্ৰ চলিছিল, এই উদ্দেশ্যে কিয়াফা নামে উচ্চ পদস্থ পুৰোহিতজনৰ প্ৰাসাদত যীশু (আঃ)ক হত্যাৰ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ

মুখ্য পুৰোহিতসকল আৰু লিখকসকল একেলগ হৈছিল।মুছা (আঃ)ক হত্যা কৰিবলৈও তেনেধৰণৰ ষড়যন্ত্ৰ আছিল আৰু ঠিক একে ধৰণেই মক্কাৰ দাৰুল নাডৱাত এক গোপন বৈঠক হৈছিল আমাৰ পৱিত্ৰ ৰছুল (ছাঃ)ক হত্যাৰ পৰিকল্পনাৰে। কিন্তু ক্ষমাশালী আল্লাহে দুৰভিসন্ধিৰ পৰা উভয় মহা নবীকে বচাইছিল। যীশু (আঃ)ৰ বিষয়ে কৰা ষড়যন্ত্ৰটো এই দুয়োটা ঘটনাৰ মধ্যৱৰ্তী কালত হৈছিল। তেন্তে যীশু (আঃ)ক ৰক্ষা কৰা নহ'ব কিয়। যিসময়ত তেওঁ বাকীসকলতকৈ জোৰদাৰ প্ৰাৰ্থনা কৰিছিল। আল্লাহে যিহেতু দুষ্টৰ পৰিকল্পনা ব্যৰ্থ কৰিবলৈ তেওঁৰ প্ৰিয় বন্দীসকলৰ প্ৰাৰ্থনা শুনিছিল সেয়ে যীশু (আঃ)ৰ প্ৰাৰ্থনা শুনা নহ'ব কেলেই। সকলো ন্যায়পৰায়ণ ব্যক্তিয়ে অভিজ্ঞতাৰ দ্বাৰা জ্ঞাত যে বিপদগ্ৰস্ত আৰু ভুক্তভোগী সকলৰ প্ৰাৰ্থনা গৃহীত হয়। ন্যায়নিষ্ঠসকলৰ বিপদৰ সময়টোৰ সংকেত বহনৰ সময়। এই সম্বন্ধে মোৰ ব্যক্তিগত অভিজ্ঞতাও আছে। মোৰ বিৰুদ্ধে হত্যাৰ পদক্ষেপ লোৱাৰ মিছা অভিযোগ দুবছৰমান পূৰ্বে পঞ্জাৱৰ অমৃতছৰ নিবাসী ড০ মাৰ্টিন ক্লাৰ্ক নামে খ্ৰীষ্টান এজনে গুৰদাছপুৰ জিলা আদালতত উত্থাপিত কৰিছিল, এইদৰে অপবাদ দি কয় যে উক্ত ডক্টৰজনক হত্যা কৰিবৰ বাবে মই হেনো আব্দুল হামিদ নামে কোনোবাক এই তিনিটা সম্প্ৰদায় খ্ৰীষ্টান,হিন্দু আৰু মুছলিমৰ সাক্ষীবোৰে মোৰ বিৰুদ্ধে শপত লৈছিল। তেতিয়া এনে হৈছিল যে গোচৰটোৰ প্ৰকৃত কাহিনী আল্লাহৰ দ্বাৰাত বিভিন্ন প্ৰকাৰে বিচাৰকৰ আগত প্ৰকাশিত হৈছিল যাৰ ওচৰত গোচৰটো পৰিছিল, যিজন আছিল গুৰদাছপুৰৰ উপায়ুক্ত কেপ্তেইন ডব্লিউ ডেগ্লাছ। তেওঁ সন্তুষ্ট হব পাৰিছিল যে গোচৰটো মিথ্যা আছিল। তেতিয়া চিকিৎসকজনক কেৰেপ নকৰি যি এজন মিচনাৰীও আছিল তেওঁৰ (বিচাৰক) ন্যায়পৰায়ণ বিবেক গোচৰটো উঠাই লোৱাত বাধ্য কৰাইছিল আৰু এইদৰে মোৰ এই বিপদ সংক্ৰান্তীয় স্বৰ্গীয় ইলহামৰ ক্ষমতাৰ বিষয়ে যিবোৰ কথা মই শ শ মানুহক জনাইছিলোঁ, সেয়া সত্য প্ৰমাণ হৈছিল যিটো মানুহৰ বিশ্বাস শক্তিশালী কৰাত বিশেষ অৰিহনা যোগাইছিল। অকল এইটোৱে নহয়। এনেধৰণৰ আৰু বহুতো অভিযোগ আৰু দাগী চৰিত্ৰৰ দোষ উক্ত

ভিত্তিতেই মোৰ বিৰুদ্ধে উত্থাপন কৰিবলৈ বাচি লৈছিল আৰু গোচৰসমূহ আদালতলৈ লোৱা হৈছিল, কিন্তু মোক আদালতলৈ মাতি লোৱাৰ পূৰ্বেই আল্লাহে মোক গোটেই ঘটনাৰ আতিগুৰি আৰু পৰিণতি সম্পৰ্কে জনাই দিছিল আৰু প্ৰতিটো গুৰুত্বৰ গোচৰতে মোক আনন্দদায়ক ৰায়ৰ খবৰ দিয়া হৈছিল। কথা এইখিনিয়ে হৈছে যে মহাপ্ৰতাপী আল্লাহে নিঃসন্দেহে প্ৰাৰ্থনা গৃহীত কৰে বিশেষকৈ যেতিয়া তেওঁৰ বান্দাই বিপদসংকুল অৱস্থাত তেওঁৰ দ্বাৰস্থ হয়। তেওঁ সিহঁতৰ আইনগত অভিযোগৰ ক্ষেত্ৰত উপস্থিত হয় আৰু সিহঁতক আচৰিত পদ্ধতিৰে সহায় কৰে। ইয়াৰ বাবে মই নিজেই সাক্ষী। তেন্তে যীশুৰ প্ৰাৰ্থনা কিয় গৃহীত নহ'ব যেতিয়া তেওঁ ইমান যাতনাত পৰি প্ৰাৰ্থনা কৰিছিল। নহয় ইয়াক গৃহীত কৰা হৈছিল। আল্লাহে তেওঁক ৰক্ষা কৰিছিল। আল্লাহে তেওঁক ৰক্ষা কৰিবলৈ আকাশ আৰু পৃথিৱীত পৰিস্থিতিৰ সৃষ্টি কৰিছিল। ইউহনা অৰ্থাৎ ইয়াহিয়া নবী প্ৰাৰ্থনা কৰিবলৈ সময় পোৱা নাছিল কাৰণ তেওঁৰ অন্তিমক্ষণ আহি গৈছিল। কিন্তু যীশু (আঃ)ৰে গোটেইটো আল্লাহৰ আগত থিয় হৈ বা শুই প্ৰাৰ্থনাৰ বাবে অৱকাশ পাইছিল, কাৰণ আল্লাহে আশা কৰিছিল যে তেওঁ বিপদত মনৰ আবেগ প্ৰকাশ কৰক আৰু তেওঁৰ পৰা বিপদযুক্ত বিচাৰক যিজন আল্লাহৰ পক্ষে কোনোটোৱেই অসম্ভৱ নহয়। গতিকে বিশ্বপ্ৰভুৱে তেওঁৰ চিৰ চৰিত স্বভাৱমতে তেওঁৰ (যীশুৰ) প্ৰাৰ্থনা শুনিছিল। ইহুদীসকলে মিথ্যাৰ আশ্ৰয় লৈছিল যীশু (আঃ)ক ক্ৰুছবিদ্ধকৰণৰ সময়ত যেতিয়া সিহঁতে গালি পাৰিছিল যে তেওঁ আল্লাহৰ ওপৰত পূৰ্ণ আস্থা ৰাখিছিলঃ আল্লাহে তেওঁক কিয় ৰক্ষা নকৰিব? কাৰণ আল্লাহে ইহুদীসকলৰ সকলো কৌশল ব্যৰ্থ কৰিছিল আৰু তেওঁৰ প্ৰিয় মছীহক ক্ৰুছ আৰু ইয়াৰ সৈতে জড়িত গ্লানিৰ পৰা ৰক্ষা কৰিছিল। ইহুদীসকল পৰাজিত হৈছিল।

মই পোৱা গোছপেলৰ প্ৰমাণবোৰৰ ভিতৰত মতিৰ এক পদ হৈছে, যিটো তোমালোকৰ ওপৰত আহিব পাৰে পৃথিৱীৰ ওপৰত ন্যায়বাদীৰ ৰক্তাধাৰা যিদৰে বৈ গৈছে ন্যায়বাদী হাবিলৰ ৰক্তৰ পৰা বাৰখিয়াৰ পুত্ৰ

জাকাৰিয়াৰ ৰক্তলৈকে যাক তোমালোকে কাটিছিলা মন্দিৰ আৰু থানৰ মাজত। নিশ্চয় মই তোমাক কওঁ এই সকলোবোৰ বস্তু এই জনগোষ্ঠীৰ ওপৰত আহিব।(মতি বাব ২৪,আয়াত ৩৫-৩৬) এতিয়া যদি তুমি এইবোৰ পদৰ ওপৰত চিন্তা কৰা তেন্তে তুমি পাবা যে যীশু (আঃ) স্পষ্ট মন্তব্য কৰিছে যে ইহুদীৰ দ্বাৰা নবীক হত্যা কৰা জাকাৰিয়া নবীলৈকে স্থগিত হৈছে আৰু এয়া যে তাৰ পৰৱৰ্তীত ইহুদী সকলে কোনো নবীক হত্যাৰ বাবে কোনো ক্ষমতা পোৱা নাই। এয়া এক মহান ভৱিষ্যত বাণী যিটো স্পষ্টকৈ দেখুৱায় যে যীশু (আঃ) ক্ৰুছবিদ্ধকৰণৰ ফলত মৃত্যু হোৱা নাছিল, বৰঞ্চ তেওঁ ক্ৰুছৰ পৰা বাচিহে গৈছিল, অৱশেষত প্ৰকৃতিগতভাৱে মৃত্যু বৰণ কৰিছিল। কাৰণ যদিহে যীশু (আঃ) ও জাকাৰিয়াৰ দৰে হত্যাজনিত মৃত্যুত ভূগিছিল তেন্তে তেওঁ এইবোৰ পদৰ দ্বাৰা ইহুদীৰ দ্বাৰা নিজৰো হত্যাৰ কথা ইংগিত কৰিলেহেঁতেন। যদি জোৰ কৰা হয় যে যীশু (আঃ)ও ইহুদীসকলৰ দ্বাৰা হত্যা হৈছিল কিন্তু তেওঁৰ মৃত্যু হোৱা ইহুদীসকলৰ বাবে পাপ নাছিল, যীশু (আঃ)ৰ বাবে মৃত্যু আছিল প্ৰায়চিত্ত স্বৰূপ, তেতিয়া বিবাদৰ সত্যপণৰ যোগ্য নহয়। কাৰণ ইউহনা ১৯ অধ্যায় ১১ নং পদত যীশু (আঃ)ৰ স্পষ্ট ভাষ্য যে যীশু (আঃ)ক হত্যা কৰিবলৈ সিদ্ধান্ত লোৱাটো ইহুদীসকলৰ মহাপাপ আছিল, আৰু সেইদৰে আন বহুতো স্থানত স্পষ্ট ইংগিত আছে যে যীশু (আঃ)ৰ বিৰুদ্ধে সিহঁতে যে দোষণীয় কাম কৰিছে সেই দোষৰ পৰিণাম স্বৰূপে আল্লাহৰ দৃষ্টিত সিহঁত শাস্তিৰ যোগ্য।

আৰু মই পোৱা গোছপেলৰ প্ৰমাণবোৰৰ ভিতৰত মছিৰ একপদ হৈছে, প্ৰকৃততে মই তোমাক কওঁ যিসকলে ইয়াৰ মাজত থিয় দি আছে যিসকলে মৃত্যুৰ পিয়লা নাচাকিব যেতিয়ালৈকে সিহঁতে মানুহ এজনৰ সন্তানক তেওঁৰ ৰাজ্যত আহি থকা দেখে। তেনেধৰণৰ যোহনৰ একপদ হ'ল, যীশু (আঃ) তেওঁক কৈছিল, যদি মই বিচাৰো তেওঁ (শিষ্য যোহন) ইয়াতে অপেক্ষা কৰক (জেৰুজালেমত) মই অহালৈকে ইয়াৰ অৰ্থ

হৈছে মই থাকিলে মই পুনৰ অহালৈকে যোহান নমৰিব। স্পষ্টভাৱে এইবোৰ পদে দেখুৱায় যে যীশু (আঃ) এক প্ৰতিজ্ঞা কৰিছিল যে কিছুমানুহ তেওঁ উভতি অহালৈকে জীৱিত থাকিব যিসকলৰ মাজত তেওঁ যোহানৰ নাম উল্লেখ কৰিছিল। গতিকে এই অংগীকাৰ পূৰ্ণ হোৱাটো অৱশ্যম্ভাৱী আছিল। সেইদৰে খ্ৰীষ্টানসকলেও আনকি স্বীকাৰ কৰে যে ভৱিষ্যত বাণীটো পূৰণ কৰিবৰ উদ্দেশ্যে যীশু (আঃ)ৰ পুনৰাগমন হোৱাটো উচিত আছিল যাতে অংগীকাৰ মতেই ভৱিষ্যত বাণীটো পূৰণ হয়। এয়া ধৰ্ম যাজকৰ ঘোষণাৰ ভিত্তি আছিল যে যীশু (আঃ) তেওঁৰ প্ৰতিশ্ৰুতি মতে জেৰুজালেমলৈ ইয়াৰ ধ্বংসৰ সময়ত আহিছিল আৰু সেইসময়তো যোহন জীৱিত থকা বাবে তেওঁক (যীশুক) দেখা পাইছিল। কিন্তু উল্লেখ যোগ্য যে খ্ৰীষ্টানসকলে কথাটো মানি লোৱা নাই যে যীশুৱে প্ৰকৃতপক্ষে স্বৰ্গৰ পৰা নামি আহিছিল নিযুক্ত ইংগিতেৰে সৈতে, সিহঁতে বৰং কয় যে তেওঁ আধ্যাত্মিক ভাৱে যোহনৰ আগত দৃশ্যমান হৈছিল যাতে তেওঁ মতিৰ ১৬ অধ্যায়ৰ ৩৮ পদত থকা ভৱিষ্যত বাণীটো পূৰণ কৰিব পাৰে। কিন্তু মই কওঁ যে এনে ধৰণৰ আগমনে ভৱিষ্যত বাণীটো পূৰণ কৰা নাই। সেয়া এক অতি দুৰ্বল ব্যাখ্যা যিটো এই স্থিতিৰ বিৰুদ্ধে অতি কঠিন সমালোচনা ভিত্তিক। এই ব্যাখ্যাটো খোলাখুলিকৈ ইমান শিক্ষণীয় আৰু ভুল যে ইয়াৰ বাবে মিছাতে যুক্তি দৰ্শোৱাৰ প্ৰয়োজন নাই, কৰণ যদি যীশু (আঃ)ৰ কোনোবাক সপোনত বা কল্পনাত দেখা দিবলগীয়া আছিল তাৰ বাবে ভৱিষ্যতবাণী কৰাটো প্ৰহসন আছিল। সেই ধৰণে তাৰো বহুদিন পূৰ্বেই পোলুছ ওপৰত যীশু (আঃ)ৰ প্ৰকাশ হৈছিল। এনে লাগে যেন মতিৰ ১৬ অধ্যায়ৰ ২৮ পদত থকা ভৱিষ্যত বাণী সম্পৰ্কে পাদৰীসকলৰ মাজত অযৌক্তিক ভীতি আছে আৰু সিহঁতৰ বিশ্বাসৰ সৈতে মিল থকাকৈ ইয়াৰ যুক্তিপূৰ্ণ অৰ্থ কৰিব পৰা নাই কাৰণ সিহঁতৰ বাবে ক'বলৈ এয়া কঠিন যে জেৰুজালেম লুট হোৱা সময়ত যীশু (আঃ) স্বৰ্গৰ পৰা সগৌৰৱে অৱতৰণ কৰিছিল আৰু পোহৰ বিকিৰণৰ দ্বাৰা গোটেই স্বৰ্গ আলোকিত কৰিছিল যিটো প্ৰতিজনৰ

দৃষ্টিগোচৰ হৈছিল আৰু সকোলোৰে তেওঁক দেখা পাইছিল। আনহাতে অভিমতটো অগ্ৰাহ্য কৰাটোও সিহঁতৰ বাবে উজু কাম নহয়, স্পষ্টত সেইসকলৰ যিসকলে ইয়াত থিয় দি আছিল সিহঁত মৃত্যুবৰণ নকৰিব মানুহৰ পুত্ৰ তেওঁৰ ৰাজ্যত আহি থকা সিহঁতে দেখা পোৱালৈকে। সেইবাবে শ্ৰমসাধ্য ব্যাখ্যাৰ ফলস্বৰূপে কাল্পনিক দৃশ্যৰে ভৱিষ্যতবাণীটো পূৰণ হোৱা বুলি সিহঁতে বিশ্বাস কৰিছিল। কিন্তু এয়া সত্য নহয়, আল্লাহৰ প্ৰকৃত বান্দা সদায় নিৰ্বাচিত জনৰ দৃষ্টিতহে ওলায় আৰু এক দৃষ্টিৰ বাবে এয়া আনকি আৱশ্যক নহয় যে তেওঁলোকৰ আগত অকল সপোনতে ওলোৱা উচিত নহয়। সিহঁতক জাগ্ৰত অৱস্থাতো চাব পাৰি, মই নিজেই তেনে ইন্দ্ৰিয়ানুভূতিৰ দ্বাৰা অভিজ্ঞ।

মই বহুবাৰ যীশু (আঃ)ক কাশ্বফল (জাগ্ৰতাৱস্থাত আধ্যাত্মিক দৃষ্টিৰে) দেখা পাইছোঁ আৰু মই সম্পূৰ্ণ জাগ্ৰত অৱস্থাত অনেক নবীক লগ পাইছোঁ। মই আমাৰ মুখ্য প্ৰভু আৰু নায়ক নবী মহম্মদ (ছাঃ)ক বহুবাৰ দিব্য দৰ্শনত দেখা পাইছোঁ, মই তেখেতৰ সৈতে কথা পাতিছোঁ এনে দিব্য দৰ্শনত যে ইয়াৰ লগত টোপনী আৰু তন্দ্ৰাৰ কোনো প্ৰভাৱ নাছিল। মই কোনো কোনো মৃতব্যক্তি সকলকো সিহঁতৰ কবৰত আৰু অন্যান্য স্থানত লগ পাইছোঁ আৰু জাগ্ৰতঅৱস্থাত সিহঁতৰ সৈতে মই কাথাও পাতিছোঁ। মই ভালদৰে অৱগত যে মৃতসকলক এনেদৰে জাগ্ৰতঅৱস্থাত লগ পোৱাটো সম্ভৱ, অকল লগ পাব পৰাটোৱে নহয়, আমি কথাও পাতিব পাৰো আৰু আনকি কৰমৰ্দনো কৰিব পাৰো। ইয়াৰ আৰু সাধাৰণ জাগ্ৰতঅৱস্থাৰ মাজত তেনে অভিজ্ঞতাৰ ক্ষেত্ৰত কোনো বিভেদ নাথাকে। এজনে ভাৱিব পাৰে যেন তেওঁ এইখন পৃথিৱীতেই আছে, যাৰ একে কাণ, একেই চকু আৰু একেই জিভা থাকে। কিন্তু অতি গভীৰ চিন্তাই এক বেলেগ জগতক দেখুৱায়। দুনিয়াদাৰী সকলৰ এনে প্ৰকাৰ অভিজ্ঞতাৰ ৰোধ নাই আৰু তেওঁলোকে অমনোযোগী জীৱন-যাপন কৰে। এই অভিজ্ঞতাই হ'ল স্বৰ্গীয় পুৰস্কাৰ, ই সেই সকলৰ বাবে যিসকলক নৱজ্ঞান দিয়া হৈছে।

এয়া এক বাস্তৱ প্ৰকৃত আৰু সত্য ঘটনা। গতিকে জেৰুজালেমৰ ধ্বংসৰ পিছত যেতিয়া যীশু (আঃ) যোহনত দেখা দিছিল যদিও যোহন তেওঁক জাগ্ৰতাৱস্থাত দেখা পাইছিল আৰু যদিও কিছু কথোপকথন আৰু কৰমৰ্দন চলা সম্ভৱ হৈছিল, তথাপিও ঘটনাটো ভৱিষ্যতবাণীটোৰ সৈতে কোনো সম্পৰ্ক নাই। এনে ইন্দ্ৰিয়নুভূতি হৈয়েই থাকে আনকি এতিয়াও যদি মই কিছু মনোযোগ নিয়োগ কৰো আল্লাহৰ কৃপাত মই জাগ্ৰত অৱস্থাতে যীশু (আঃ) তথা অন্য পৱিত্ৰ নবীসকলক চাব পাৰো। এনেকুৱা সাক্ষাৎকাৰ ভৱিষ্যত বাণী পূৰণ নকৰে। (মতি ১৬ অধ্যায়, ২৮ পদত দ্ৰষ্টব্য)

সেয়েহে যিটো ঘটিছিল সেয়া এনেকুৱা যে যীশু (আঃ)য়ে জানিছিল যে তেওঁক বচোৱা হ'ব আৰু তেওঁ অন্য দেশলৈ হিজৰত কৰিব আৰু এয়া যে আল্লাহে তেওঁক নামাৰেও আৰু এই পৃথিৱীৰ পৰা লৈয়ো নেযায় তেতিয়ালৈকে যেতিয়ালৈকে তেওঁ ইহুদীসকলক স্বচক্ষে ধ্বংস হোৱাটো দেখা নাপায় আৰু তেতিয়ালৈকে তেওঁ নমৰে যিটো ৰাজত্বৰ ফলত আধ্যাত্মিক প্ৰভাৱ স্বৰ্গীয় ভাৱে দিয়া হৈছে তাক বুজি উঠা নহয় যেতিয়ালৈকে। যীশু (আঃ)য়ে এই ভৱিষ্যৎবাণী এইবাবেই কৰিছিল তেওঁৰ শিষ্যসকলক তেওঁ এনে নিশ্চয়তা দিব পাৰে যে এতিয়াই সিহঁতে এনে নিদৰ্শন পাব পাৰে যে যিসকলে তেওঁৰ বিৰুদ্ধে অস্ত্ৰ তুলিছিল সেই অস্ত্ৰৰেই সিহঁত তেওঁৰ জীৱন কালতে আৰু তেওঁৰ উপস্থিতিত নিহত হয়। গতিকে যদি কোনো মূল্যৰ প্ৰমাণ নাই যে যীশু (আঃ) নিজ মুখেৰে ভৱিষ্যৎবাণী কৰে যে সিহঁতৰ কোনো কোনোৱে এতিয়াও জীৱিত আছে যেতিয়া তেওঁ পুনৰ আহিছিল।

লক্ষণীয় যে যীশু (আঃ)ৰ আগমণৰ বিষয়ে গোছপেলত দুই ধৰণৰ ভৱিষ্যৎবাণী আছে (১) আখেৰী যুগত তেওঁৰ আগমণ, তেওঁৰ আধ্যাত্মিক চৰিত্ৰ আগমণ, যীশু (আঃ)ৰ দিনতে এলিয়াহ নবীৰ আগমণৰ দৰে। সেয়ে এলিয়াহ দৰেই এই কালতে তেওঁ আৱিৰ্ভূত হয় আৰু সেয়া

ময়েই অৰ্থাৎ এই লিখকেই মানৱতাৰ এগৰাকী সেৱক যিজন যীশু (আঃ)ৰ নামত প্ৰতিশ্ৰুত মছীহ হিচাপে আহিছোঁ। যীশু (আঃ)য়ে মোৰ আগমণৰ বিষয়ে গোছ্পেলত সংবাদ দিছিল। তেওঁ আশীষ প্ৰাপ্ত যিজনে যীশু (আঃ)ৰ আশা এৰি মোৰ আগমণৰ ওপৰত সাধুতা আৰু সত্যতাৰে চিন্তা কৰে আৰু এইদৰে নিজকে ভ্ৰমৰ পৰা বচায়। (২) যীশু (আঃ)ৰ দ্বিতীয় আগমণৰ বিষয়ে গোছ্পেলত থকা অন্য ধৰণৰ ভৱিষ্যতবাণী প্ৰকৃততে জীৱনৰ সাক্ষী ৰূপে উল্লেখিত আছে যিটো আল্লাহৰ কৃপাত ক্ৰুছৰ অভিজ্ঞতাৰ কালত সম্পৰ্কহীন হৈ থাকে, আল্লাহে তেওঁৰ প্ৰখ্যাত সেৱকক ক্ৰুছত মৃত্যুৰ পৰা ৰক্ষা কৰিছিল। ইতিমধ্যে উল্লেখিত ভৱিষ্যত বাণীৰ ইংগিত দিয়া হিচাপে খ্ৰীষ্টানসকলে ভুলতে এই প্ৰসঙ্গক মিশ্ৰিত কৰে।এই কৰণে সিহঁত বিভিন্ন ধৰণৰ অসুবিধাত পৰে। থোৰতে মতিৰ যোল্ল অধ্যায়ৰ পদটো যীশু (আঃ)ক ক্ৰুছৰ পৰা পলাই সৰাৰ পক্ষত বৰ দৰকাৰী প্ৰমাণ বিশেষ।

মোৰ সৈতে থকা গোছপেলৰ প্ৰমাণবোৰৰ ভিতৰত মতিৰ নিম্নোক্ত পদো এটা ঃ আৰু তেতিয়া স্বৰ্গত মানৱ সন্তানটোৰ লক্ষণ ওলাব আৰু তেতিয়া পৃথিৱীৰ সকলোগোষ্ঠীয়ে আফচোচ কৰিব আৰু সিহঁতে মানৱ সন্তানটোৰ ক্ষমতা আৰু আৰম্ভৰেৰে সৈতে আকাশৰ মেঘৰ মাজেদি আগমণ কৰি থকা। (মতি, অধ্যায় ২৪ পদ ৩০) এইটো পদৰ অৰ্থ হৈছে, যীশু (আঃ)এ কয় যে এটা সময় আহিব যেতিয়া আকাশৰ পৰা অৰ্থাৎ স্বৰ্গীয় হস্তক্ষেপৰ ক্ষমতাৰ ফলস্বৰূপে জ্ঞান যুক্তি আৰু প্ৰমাণ আহিব যিটো যীশু (আঃ) স্বৰ্গীয়তা, তেওঁৰ ক্ৰুছত মৃত্যু আৰু তেওঁৰ স্বৰ্গগমণ আৰু পুনৰাগমণ অস্তিত্ব নথকাটো প্ৰমাণ কৰিব। আৰু সেইবোৰ মিথ্যাৰ বিৰুদ্ধে স্বৰ্গীয় সাক্ষী বহন কৰিব যি সকলে তেওঁক প্ৰকৃত নবী বুলি মানি লোৱা নাছিল উদাহৰণস্বৰূপে ইহুদীসকল আৰু যিসকলে অন্যহাতে ক্ৰুছবিদ্ধকৰণৰ বাবে তেওঁৰ অভিশপ্ত বুলি ভাৱিছিল, বাস্তৱতে তেওঁ ক্ৰুছত মৃত্যুবৰণ কৰা নাছিল আৰু সেয়ে তেওঁ যে অভিশপ্ত নহয়, সেয়া সুপ্ৰতিষ্ঠিত হোৱা

বাবে, তেতিয়া পৃথিৱীৰ সকলোবোৰ জাতি যিসকলে সত্য মৰ্যদাৰ পৰা অতিৰঞ্জিত হৈছে আৰু বিচলিত হৈছে সেই সকল নিজৰ ভুলৰ বাবে লজ্জিত হ'ব, আৰু সেই একে সময়তে যেতিয়া এই ঘটনাটো প্ৰতিষ্ঠিত হ'ব মানুহে পৃথিৱীলৈ যীশুৰ ৰূপকাৰ্যৰ অৱতৰণ দেখা পাব অৰ্থাৎ সেইবোৰ দিনতে প্ৰতিশ্ৰুতি মছীহ যিজনে যীশু (আঃ)ৰ ক্ষমতা আৰু মতাদৰ্শৰে আহিব, আবিৰ্ভূত হ'ব সকলোবোৰ খ্যাতিমান লক্ষণ আৰু স্বৰ্গীয় সাহায্য আৰু ক্ষমতা আৰু গৌৰৱেৰে যাক সকলোৱে বুজি পাব। পদটোৱে তদুপৰি ব্যাখ্যা কৰে যে আল্লাহৰ পৰিকল্পনাই যীশু (আঃ)ৰ ব্যক্তিত্বক গঢ় দিছিল আৰু তেওঁৰ জীৱনৰ ঘটনাৰাজি এনেদৰে পৰিচালনা কৰিছিল যাতে কিছু মানুহে তাক অতিৰঞ্জিত কৰিব পাৰে আৰু অন্যবোৰে তেওঁৰ মৰ্য্যদা কম কৰিব পাৰে, অৰ্থাৎ এনে কিছুমান মানুহ আছে যিসকলে মানৱ সমাজৰ বাহিৰত বুলি এনেদৰে ভাৱিছিল যে সিহঁত কয় যে তেওঁৰ এতিয়ালৈকে মৃত্যু হোৱা নাই আৰু তেওঁ আকাশত জীৱিত আছে। যিসকলে এই ধাৰণাকো চেৰাই গৈছে তেওঁলোকে কয় যে ক্ৰুছত মৃত্যুবৰণ কৰি আৰু পুনৰ্জীৱিত হৈ তেওঁ আকাশলৈ আৰোহণ কৰিছে আৰু সকলো দৈৱ শক্তি লাভ কৰিছে, সেয়ে তেওঁ নিজেই ঈশ্বৰ। আনসকল হৈছে ইহুদী যিসকলে কয় যে, তেওঁ ক্ৰুছত মৃত্যুবৰণ কৰিছিল আৰু সেয়ে (তেনেকৈ ক'বলৈ আল্লাহৰ সহায় বিচাৰিছে) তেওঁ সকলো সময়ৰ বাবে অভিশপ্ত, তেওঁ চিৰস্থায়ী ক্ৰোধৰ বলি হৈছে, আল্লাহ তেওঁৰ ওপৰত অসন্তুষ্ট হৈছে আৰু তেওঁক শত্ৰুতাৰ দৃষ্টিৰে চাইছে যেন তেওঁ এজন মিছলীয়া আৰু মিছা দাবী কৰোঁতা আৰু (আল্লাহৰ আশ্ৰয় বিচাৰো) তেওঁ এজন কাফিৰ, এক প্ৰকাৰৰ অবিশ্বাসী, যেন তেওঁ আল্লাহৰ তৰফৰ পৰা নহয়। এই অতিৰঞ্জন আৰু পথচ্যুতি এনে অন্যায় যে এয়া অসম্ভৱ ও এই সকলোবোৰ দোষৰ পৰা আল্লাই তেওঁক মোচন কৰা উচিত। পূৰ্বে উল্লেখ কৰা গোছপেলৰ পদটো ইয়াকে নিৰ্দ্দেশ কৰে। পৃথিৱীৰ সকলোবোৰ জনগোষ্ঠী শোক কৰিব এই বক্তব্যই মত প্ৰকাশ কৰে যে সকলোবোৰ জনগোষ্ঠীক তলত যিসকলৰ ক্ষেত্ৰত জাতি প্ৰয়োগ কৰা হৈছ, সিদিনা সিহঁত শোক কৰিব,

সিহঁত নিজৰ বক্ষত থপৰিয়াব আৰু চিঞৰিব আৰু সিহঁতৰ অনুতাপ অধিক হ'ব। ইয়াত খ্ৰীষ্টান সকলে কিছু প্ৰশ্নত মনোযোগেৰে পদটো অনুসৰণ কৰা উচিত আছিল। তেওঁলোকে বিবেচনা কৰা উচিত যে যেতিয়া পদটো ভৱিষ্যতবাণী সম্পন্ন যে সকলোবোৰ জাতিয়ে সিহঁতৰ বুকুত থপৰিয়াব, কেনেকৈ সিহঁত এনে শোকৰ অন্তৰ্ভুক্ত নহ'ব। সিহঁত জাতি নহয় নে। এই পদ অনুসাৰে সিহঁত যেতিয়া বিলাপ কাৰীসকলৰ অন্তৰ্ভুক্ত কিয় সিহঁত মুক্তিৰ বাবে আত্মনিয়োগ কৰা নাই। পদটো স্পষ্টভাৱে কয় যে যেতিয়া যীশু (আঃ)ৰ সংকেতৰ আগমণ আকাশত দেখা যাব পৃথিৱীত বাস কৰা সকলোবোৰ জাতি অনুতাপ কৰিব। গতিকে যিজনে কয় যে, তেওঁৰ জনগোষ্ঠীটো শোক নকৰে তেওঁ যীশু (আঃ)ক অস্বীকাৰ কৰে। যি কি নহওক যিসকলে এতিয়াও সংখ্যাত কম ভৱিষ্যৎবাণীটোত উল্লেখ কৰা মানুহবিলাকৰ অন্তৰ্ভুক্ত হ'ব নোৱাৰে, সিহঁতে জাতি হিচাবে বৰ্ণনাৰ যোগ্য নহয়, আৰু সেইবিলাক মানুহ বা সম্প্ৰদায় হলো আমি, হয় আমাৰ এক সম্প্ৰদায় আছে যিটো ভৱিষ্যৎবাণীটোৰ অৰ্থ আৰু পৰিসৰৰ বাহিৰত অৱস্থিত, এইটো সম্প্ৰদায়ৰ বাবে অকল কেইটামানহে লোক সমষ্টি আছে যিসকললৈ জাতি বা জনগোষ্ঠী শব্দ প্ৰয়োগ কৰিব নোৱাৰি। যীশু (আঃ)ৰ স্বৰ্গীয় ক্ষমতাৰ প্ৰভাৱে কয় যে যেতিয়া কোনো সংকেত ওলায় পৃথিৱীৰ সকলোবোৰ মানুহ যিসকলক সিহঁতৰ সংখ্যা অনুসৰি জনগোষ্ঠী বা জাতি হিচাবে বৰ্ণনা কৰিবৰ যোগ্য সিহঁতে বুকুত থপৰিয়াব, ইয়াৰ কোনো ব্যাতিক্ৰম নহ'ব অকল যিসকল সংখ্যাত কম, যিসকল জাতি বুলিব নোৱাৰিব সেইসকলৰ বাহিৰে খ্ৰীষ্টান, মুছলমান, ইহুদী নতুবা কোনো অস্বীকাৰ কাৰীয়ে এই ভৱিষ্যতবাণীৰ পৰা আঁতৰত থাকিব নোৱাৰে। অকল আমাৰ জমাত এই পৰিসৰৰ বাহিৰত আছে। কাৰণ সিহঁতক গুটি হিচাবে আল্লাহৰ দ্বাৰা কেৱল মাত্ৰ অংকুৰিত কৰা হৈছে। এজন নবীৰ কথা কেতিয়াও বিফলে নাযায়। যেতিয়া পৰিষ্কাৰ ইংগিত বহন কৰা কথাটো এয়া যে পৃথিৱীখনত বাস কৰা প্ৰতিটো জাতিয়ে অনুতাপ কৰিব, কেনেকৈ এইবোৰ মানুহে সিহঁতৰ সেই পৰিসৰৰ বাহিৰত বুলি কয়। এই

পদটোত যীশু (আঃ)য়ে অন্য কোনো মত স্বীকাৰ কৰা নাই। যি কি নহওক জনগোষ্ঠী বা জাতিৰ শাৰীত উপৱিষ্ট হ'ব নোৱোৰা দল যিকোনো প্ৰকাৰে ব্যতিক্ৰম যথা আমাৰ জমাত। এই ভৱিষ্যৎবাণীটো পৰিষ্কাৰ ভাৱে এই কালতে পূৰণ হ'ল, কাৰণ যীশু (আঃ) যিটো সত্য অলপতে উদ্ঘাটন হ'ল সেয়া নিঃসন্দেহে সকলো জনগোষ্ঠীৰ বাবে পৰিতাপৰ বিষয়, এয়া সকলোৰে ভ্ৰম আৱিষ্কাৰ কৰিলে। যীশু (আঃ)ৰ স্বৰ্গীয়তাৰ ওপৰত খ্ৰীষ্টানসকলৰ পূৰ্বৰ ভুলৰ বাবে অনুতাপৰ চিঞৰ দুখৰ সুমুহিয়াত পৰিণত হ'ব, মুছলমানৰ উদাহৰণ দিন আৰু ৰাতি যীশু (আঃ) জীৱিতাৱস্থাত  আকাশলৈ গৈছে, এই বিভৎসা বিশ্বাস ক্ৰন্দন আৰু আফছোচত পৰিণত হ'ব, আৰু ইহুদীসকলৰ বাবে সিহঁত সকলো হেৰুৱাব।

এইখিনিতেই উল্লেখৰ প্ৰয়োজন আছে যে উল্লেখিত পদটোত থকা মতামত মতে স্পষ্টকৈ পৃথিৱীৰ সকলোবোৰ জাতিয়েই সিহঁতৰ বুকুত থপৰিয়াব। ইয়াত পৃথিৱী, বালাদ-ই-শ্বাম (পেলেষ্টাইন আৰু ছিৰিয়া) বুজাইছে, যাৰ সৈতে তিনি ধৰণৰ মানুহ জড়িত হৈ আছে, ইহুদীসকল- সেয়া সিহঁতৰ প্ৰকৃত ভূমি আৰু উপাসনা ভূমি, খ্ৰীষ্টান সকল- কাৰণ যীশু (আঃ) এই স্থানতে আৱিৰ্ভূত হৈছিল আৰু খ্ৰীষ্টান ধৰ্মৰ প্ৰথম জনগোষ্ঠী তাৰ পৰা উদ্ভৱ হৈছিল মুছলমান সকল- কাৰণ অন্তিম দিনলৈকে সেই ভূমিৰ উত্তৰাধিকাৰ সিহঁতৰ থাকিব। যদি পৃথিৱী বোলা শব্দটোৰে সকলোবোৰে ৰাষ্ট্ৰকে বুজোৱা হয় আনকি তেতিয়াও কোনো অসুবিধা নাই, কাৰণ যেতিয়া সত্যক মুকলি অৱস্থাত দেখুৱা হ'ব তেতিয়া সকলো অস্বীকাৰকাৰী লজ্জিত হ'ব।

গোছপেলৰ জৰিয়তে যিবোৰ প্ৰমাণ আমালৈ আহিছে তাৰ ভিতৰত নিম্নোক্ত অভিমতটো মতিৰ গোছপেলৰ পৰা লোৱা হৈছে আৰু কবৰবোৰ খোলা আছিল আৰু তাত শাসিত অৱস্থাত থকা সন্তসকলৰ মৃতদেহবোৰ উঠিছিল আৰু তেওঁৰ (যীশু) পুনৰুত্থানৰ পিছত কবৰৰ পৰা ওলাইছিল

আৰু পৱিত্ৰ নগৰলৈ গৈছিল আৰু বহুতৰ আগত ওলাইছিল। সামান্যতম সন্দেহ নাই যে গোছপেলটোত উল্লেখিত গল্পটো স্পষ্ট যীশু (আঃ)ৰ পুনৰুত্থানৰ পিছত সাধুসকলে কবৰবোৰৰ পৰা ওলাই আহিছিল আৰু বহুতকে দেখা দিছিল, ইয়াৰ ঐতিহাসিক ভিত্তি নাই। কাৰণ যদি তেনেকুৱাই হৈছিল তেন্তে মহা বিচাৰৰ দিন এই পৃথিৱীতেই কাৰ্য্যকৰী হ'লহেঁতেন আৰু বিশ্বাস আৰু আস্থাভাজনতাৰ বাবে যাক গোপনে ৰখা হৈছে সকলোৰে আগত তাক প্ৰকাশিত কৰা হ'লহেঁতেন। বিশ্বাসেই বিশ্বাস নহয় আৰু প্ৰতিজন বিশ্বাসী আৰু অস্বীকাৰকাৰীৰ দৃষ্টি পৰৱৰ্তী জগতৰে প্ৰকৃতি (পৰকাল) স্পষ্ট আৰু মুকলি বস্তুত পৰিণত হ'লহেঁতেন যিদৰে চন্দ্ৰ সূৰ্য্যৰ অস্তিত্ব আৰু দিন ৰাতিৰ পৰিৱৰ্তন এক স্পষ্ট ঘটনা। তেনে ক্ষেত্ৰত বিশ্বাসৰ কোনো মূল্য নাথাকিলেহেঁতেন আৰু কোনো মূল্যবান বস্তুৰ যিকোনো ধৰণৰ পুৰস্কাৰৰ মৰ্য্যদা পালেহেঁতেন।

যদি ইজৰাইলৰ মানুহবোৰ আৰু পূৰ্বৰ নবীসকল, যিসকলৰ সংখ্যা কেইবালাখ হ'ব, ক্ৰুছবিদ্ধকৰণৰ সময়ত দৰাচলতে তেওঁলোকক জীৱনদান কৰা হৈছিল আৰু চহৰলৈ জীৱিত ভাৱে আহিছিল আৰু যদি এই ৰহস্য যে শ শ নবী আৰু লাখ লাখ সাধু পুৰুষৰ জীৱন যদি একে সময়তে দান কৰা হৈছিল, দৰাচলতে যীশু (আঃ)ৰ সত্যতা আৰু স্বৰ্গীয়তাৰ প্ৰমাণত দেখুৱা হৈছিল তেন্তে ইহুদীসকলে জীৱন ঘূৰাই পোৱা নবীসকলক, সিহঁতৰ সাধুসকলক সিহঁতৰ ধ্বংসপ্ৰাপ্ত পুৰুষ সমন্বিত সকলকে জিজ্ঞাসৰ সুবৰ্ণ সুযোগ পাইছিল যে যীশু (আঃ) দাবী কৰামতে প্ৰকৃতপক্ষে আল্লাহ হয়নে, তেওঁ মাত্ৰ মিছা দাবী কৰিছিল। যথা সম্ভৱ সিহঁতে সেই সুযোগ নেহেৰালেহেঁতেন, সিহঁত নিশ্চয় যীশু (আঃ)ক সুধিলেহেঁতেন কাৰণ মৃতকক প্ৰশ্ন সুধিবলৈ আগ্ৰহী আছিল যে সিহঁতে (মৃতসকল) পুনৰজীৱিত হ'ব পাৰেনে।সেয়ে যি অৱস্থাত শত সহস্ৰ মৃতকে পুনৰজীৱিত হৈ চহৰলৈ আহিছিল আৰু সিহঁতৰ হাজাৰ হাজাৰ তাৰে প্ৰতিটো চুবুৰী পৰিভ্ৰমণ কৰিছিল।কেনেকৈ ইহুদীসকলে এনে এক সুযোগ অথলে যাব দিছিল।সিহঁত

নিশ্চয় সুধি ললেহেঁতেন এজন বা দুজনৰ পৰা নহয়, বৰং হাজাৰ বিজাৰৰ পৰা আৰু যেতিয়া মৃতকবোৰে যাৰ যাৰ ঘৰত সোমালেহেঁতেন তেতিয়া প্ৰত্যেকখন ঘৰেই উত্তেজিত হ'লহেঁতেন।কাৰণ সিহঁতৰ কেইবা লাখ মানুহ এই জগতত পুনৰ জীৱিত হ'লহেঁতেন। প্ৰতিখন ঘৰকে এক ব্যাপক আলোচনা হ'লহেঁতেন আৰু প্ৰত্যেকেই মৃতক সকলক সুধি থাকিলেহেঁতেন যে সিহঁতে জানেনে যিগৰাকী ব্যক্তি নিজকে যীশু মছীহ বুলিছে তেওঁক সঁচাকৈয়ে আল্লাহ জানেনে? মৃতক সকলৰ সাক্ষীৰ পিছত ইহুদী সকল যীশুক বিশ্বাস নকৰা বাবে কিন্তু আশা কৰিব পৰা মতে কাৰো অন্তৰ নগলিলেহেঁতেন বৰং সিহঁতৰ অন্তৰ অধিক কঠুৰা হৈ গ'লহেঁতেন যথা সম্ভৱ এনে লাগে যে,মৃতকবোৰ তেওঁলোকৰ কাৰণে ভাল সাক্ষী নিদিলেহেঁতেন। সিহঁতে দ্বিধাহীন উত্তৰ পালেহেঁতেন যে এই মানুহজন আল্লাহ বুলি মিছা দাবী কৰি আছিল আৰু আল্লাহৰ বিৰুদ্ধে মিথ্যা ৰচিছিল। সেই কাৰণে ইহুদী সকলে ভ্ৰমৰ পৰা ৰেহাই লোৱা নাছিল শত সহস্ৰ নবী আৰু ৰছুল পুনৰ জীৱন পোৱা সত্ত্বেও যীশুক হত্যা কৰি সিহঁতে অন্য সকলকো উদ্যত হ'লহেঁতেন। কেনেকৈ এজনে বিশ্বাস কৰিব পাৰে যে আদমৰ পৰা যোহন দি ব্যপষ্টিকলৈকে লাখ লাখ যি সকল সন্তপুৰুষ সেই আশীষপ্ৰাপ্ত মাটিৰ তলৰ কবৰত শয্যাশায়ী হৈ আছিল, সিহঁত আটাইকৈ পুনৰজীৱিত কৰিব লাগিছিল।সিহঁত আটাইয়ে চহৰলৈ প্ৰচাৰ চলাবলৈ আহিব লগীয়া হৈছিল আৰু সিহঁতৰ প্ৰতিজনে থিয় দি সাক্ষী দিবলগীয়া হৈছিল হাজাৰ হাজাৰ মানুহৰ আগত যে মছীহ যীশু প্ৰকৃতপক্ষে আল্লাহৰ পুত্ৰও নহয় স্বয়ং আল্লাহ আছিল। অকল তেওঁকে আৰাধনা কৰা উচিত, মানুহবোৰে সিহঁতৰ পূৰ্বৰ বিশ্বাস ত্যাগ কৰা উচিত অন্যথায় সিহঁত নৰকলৈ যাব লাগিব,এই সন্তানসকলেই যিটো সাক্ষী বহন কৰিছে আৰু তথাপিও এনে উৎকৃষ্ট আৰু চাক্ষ্যুস প্ৰমাণ যিটো লাখ লাখ সন্তসকলৰ মুখেদি পৰিচালিত হৈছে তাক বিশ্বাস নকৰি ইহুদী সকলে সিহঁতৰ প্ৰত্যাখ্যানৰ পৰা দূৰত থাকিব নালাগিছিল। মই ব্যক্তিগত ইয়াক বিশ্বাস কৰিবলৈ প্ৰস্তুত নহওঁ।সেয়েহে যদি লাখ

লাখ সন্তসকল নবী আৰু ৰছুল ইত্যাদি সকলে যিসকলৰ মত আছিল যদি সঁচাকৈয়ে জীৱিত আছিল আৰু চহৰলৈ সাক্ষী দিবলৈ আহিছিল সিহঁতে নিঃসন্দেহ নীতিবাচক সাক্ষী দিলেহেঁতেন।এনে লাগে যেন এইবাবেই ইহুদী সকলে মৃত সকলৰ সাক্ষী শুনি অবিশ্বাসৰ বাবে নিশ্চিত হ'লহেঁতেন।যীশুৱে তেওঁৰ দৈৱিকতাক সিহঁতে বিশ্বাস কৰাটো বিচাৰিছিল, কিন্তু সিহঁত এই সাক্ষীৰ ফলশ্ৰুতিত তেওঁক নবী মানিবলৈ অস্বীকাৰ কৰিছিল। থোৰতে এনে বিশ্বাসৰ কাৰণে আছে অতি ক্ষতিকৰ আৰু কুফল। সেই বিশ্বাস বিশেষকৈ এজনে ক'ব লাগে যে এই সকল লাখ লাখ মৃতব্যক্তি অথবা সেই সময় চোৱাৰ পূৰ্বৰ যিকোনো মৃত ব্যক্তি যীশুৰ দ্বাৰা পুনৰ ঘূৰাই অনা হৈছিল। কাৰণ সেই সকল মৃতকৰ পুনৰ জীৱন দানে কোনো আৱশ্যকীয় সেৱা আগবঢ়োৱা নাছিল। দূৰ-দূৰণি দেশ পৰিদৰ্শন কৰি অহা কোনো এজন ব্যক্তি আৰু যিজনে কেইবা বছৰ অনুপস্থিতিৰ অন্তত নিজ স্থানলৈ প্ৰত্যাৱৰ্তন কৰে। তেওঁ স্বাভাৱিকতে তেওঁৰ আচৰিত অভিজ্ঞতাবোৰ আনৰ আগত ব্যক্ত কৰিবলৈ ব্যগ্ৰ হৈ থাকে আৰু সিহঁতৰ আগত এক পৰিদৰ্শন কৰি অহা দেশৰ আচহুৱা গল্প বৰ্ণনা কৰে।দীৰ্ঘকাল বিচ্ছিন্নতাৰ অন্তত যেতিয়া তেওঁ আত্মীয় সকলক লগ পায় তেতিয়া তেওঁ নিশ্চয় বোবা হৈ অথবা জিভাক বান্ধোনত নাৰাখিব, নহয় তেনে এক সময়ত আন সকলে লৰালৰিকৈ তেওঁৰ ওচৰ চাপিবলৈ আৰু সেই দেশৰ বিষয়ে প্ৰশ্ন সুধিবলৈ ব্যগ্ৰ হৈ পৰে।আৰু যদি ভাগ্যক্ৰমে এইবোৰ মানুহৰ ওচৰত কোনো দুখীয়া বা নিম্নখাপৰ চেহেৰাত তুচ্ছ মানুহ আহে আৰু যিয়ে দাবী কৰে যে,মই এই দেশৰ ৰজা যাৰ অধীনত ভ্ৰমণ কৰি আহে আৰু যিজনে কয় যে তেওঁ তেওঁৰ ৰাজকীয় মৰ্য্যদাত আনকি অন্যান্য ৰজাতকৈ উচ্চ,সেই দেশৰ অইন কোনো মানুহ আহিলে মানুহবিলাকে তেনে ভ্ৰমণকাৰীক সদায় সুধে যে,সিহঁতৰ দেশত অহা তেনেকুৱা এজন মানুহ সঁচাকৈয়ে দেশখনৰ ৰজা হয়নে আৰু তেতিয়া সিহঁতে লক্ষ্য কৰিব পৰামতে সেইসকল ভ্ৰমণকাৰীয়ে তেওঁলোকৰ প্ৰশ্ন সমূহৰ উত্তৰ দিয়ে।এয়া তেনে হোৱা হলে মই পূৰ্বে উনুকিওৱা ধৰণে মৃতক সকলক জীৱিতাৱস্থালৈ

যীশুৰ দ্বাৰা অনাটো বিশ্বাসযোগ্য আছিল.মৃতক সকলক নিশ্চয়কৈ প্ৰমাণ কৰা হৈছিল সেই প্ৰমাণৰ ক্ষেত্ৰত যিবোৰ প্ৰশ্ন সোধা কাৰ্য্য স্বাভাৱিক আছিল সেয়া দৰকাৰী ফল দিছিল।কিন্তু তেনে হোৱা নাছিল সেয়েহে মৃতক সকলক জীৱন ঘূৰাই দিয়াৰ ধাৰণাৰ সৈতে এজনে ইয়াকো ধৰি ল'বলৈ বাধ্য যে মৃতক সকলে যীশুৰ সপক্ষে সাক্ষী দিয়া নাছিল।যিদৰে এজনক সত্যত বিশ্বাস কৰিবলৈ পৰিচালিত কৰিছিল,সিহঁতে এনে সাক্ষী দিছিল যিটো মানুহক অন্তৰ্দ্বন্দতহে পেলাইছিল।প্ৰকৃততে মানৱ জাতিক জীৱন দানৰ পৰিৱৰ্তে সেয়া কিছুমান জন্তুকহে পুনৰ জীৱিত কৰিবলৈ ঘোষণা কৰিছিল।তেনেহলে এয়া বহুতো সমস্যা সমাধান কৰিলেহেঁতেন। উদাহৰণস্বৰূপে যদি কোৱা হ'লহেঁতেন যে যীশুয়ে কেইবা হাজাৰ বলধ (মৃত) গৰুক পুনৰজীৱিত কৰিছিল,এয়া যথেষ্ট যুক্তিসংগত হ'লহেঁতেন আৰু এই ক্ষেত্ৰত যদি আপত্তি উঠিলেহেঁতেন যে মৃত জন্তুবোৰক জীৱিত কৰাৰ কি প্ৰমাণ আছিল, এজনে তপৰাই উত্তৰ দিব পাৰিলেহেঁতেন যে সেইবোৰ বলধ গৰুহে আছিল সিহঁতৰ সপক্ষে আৰু বিপক্ষে যুক্তি দিবলৈ বাকশক্তি নাছিল।যিকেনহওঁক মৃতক যিবোৰক যীশুৱে পুনৰ্জীৱিত কৰিছিল সেইবোৰ মানৱ জাতিহে আছিল। ধৰা হ'ল আজিৰ কিছু হিন্দু ধৰ্মালম্বীক সোধা হ'ল যে যদি তেওঁলোকৰ দহ বাৰজন পুনৰ জীৱিত কৰা হয় আৰু এই পৃথিৱীলৈ ঘূৰাই অনা হয় আৰু যদি সিহঁতক এনে অভিমত কৰিব দিয়া হয় যে এনে এক ধৰ্মহে আচল ধৰ্ম, তথাপিও তেওঁলোকৰ মনত সত্য ধৰ্মৰ বিষয়ে সন্দেহ থাকিয়ে যাব। তেওঁলোকে কেতিয়াও তেনেকৈ নকয়।গতিকে ইয়াক নিশ্চিত ধৰি লওঁক যে গোটেই পৃথিৱীখনত এনে কোনো মানুহ নাই যিজনে এনে ধৰণৰ প্ৰকাশৰ পিছত তেওঁ অবিশ্বাস আৰু অস্বীকাৰত দৃঢ় হৈ থাকিব।মই দুখিত যে এনে ধৰণৰ কাহিনী ৰচনাত খ্ৰীষ্টান সকলতকৈ আমাৰ দেশৰ শিখ সকলেই অধিক আগবাঢ়িছে। শিখ সকলে কাহিনী ৰচা কালত কৌশলেৰে প্ৰমাণ দিছে,কাৰণ সিহঁতে কৈছে যে,সিহঁতৰ গুৰু বাবা নানক চাহাব এবাৰ এটা মৃত হাতী জীৱিত কৰিছিল।এতিয়া এইটো এক অদ্ভুত মাৰাত্মক ৰহস্য যিটো উপৰোক্ত আপত্তিৰ বাবে মুকলি নহয়।কাৰণ

শিখ সকলে ক'ব পাৰে হাতীটোৰ উত্তৰ দিবলৈ শক্তি নাছিল যে সি বাবা নানকৰ সপক্ষে বা বিপক্ষে সাক্ষী দিব লাগিব।মুঠতে অল্প জ্ঞানসম্পন্ন সাধাৰণ জনগণে এনে ধৰণৰ অদ্ভুত কাহিনীত পতিয়ন যায়, কিন্তু জ্ঞানী সকলে অন্য মানুহৰ সমালোচনাৰ লক্ষ্য হৈ পৰে আৰু এইদৰেই ইয়াৰ ওপৰত সন্দিহান হৈ পৰে।তেওঁলোকক লজ্জাত পেলোৱা হয় সিহঁতৰ আগত যিসকলে তেনে জনপ্ৰিয় কাহিনীৰ সৈতে জৰিত আছে।এতিয়া খ্ৰীষ্টান সকলৰ সমানে মই যীশুৰ প্ৰতি প্ৰেম আৰু বিশ্বস্ততা বহন কৰিছোঁ, অৱশ্যে তেওঁলৈ মোৰ অধিক প্ৰীতিহে আছে কাৰণ খ্ৰীষ্টান সকলে মানুহজনক নেজানে যাক তেওঁলোকে প্ৰশংসা কৰে, কিন্তু মই যাক প্ৰশংসা কৰো তাক মই জানো, কাৰণ মই তেওঁক দেখিছোঁ,সেয়ে গোছপেলত থকা প্ৰকৃত ৰূপৰ তথ্য দিবলৈ মই এতিয়া অগ্ৰসৰ হম, সেয়া এনে এক তথ্য যে ক্ৰুশবিদ্ধ কৰণৰ সময়ছোৱাত সকলো সন্তসকলক পুনৰ্জীৱিত কৰা হৈছিল আৰু সকলোৰে চহৰলৈ আহিছিল।

সেয়েহে ইয়াক স্পষ্ট ৰূপে বুজা যাওঁক যে,এনে ধৰণৰ ঘটনা কাশ্বফ আধ্যাত্মিক দৃষ্টিগত প্ৰকৃতিৰে যিটো ক্ৰুশবিদ্ধ কৰণৰ পিছত পৱিত্ৰ ব্যক্তি সকলে চাব পাৰিছিল যেনে মৃত সকলক পুনৰ্জীৱিত কৰা হৈছিল আৰু তেওঁলোকে মানুহসকলক পৰিদৰ্শন কৰিছিল। এনে সপোন সদৃশ সিহঁতৰ ব্যাখ্যা যেনে সিহঁতৰ পৱিত্ৰ পুথিতো উল্লেখ আছে। উদাহৰণ স্বৰূপে যোচেফৰ সপোনৰ এক ব্যাখ্যা আছিল।এনে আধ্যাত্মিক দৃষ্টিতো নিজা এক ব্যাখ্যা আছিল আৰু এইটো ব্যাখ্যা আছিল যে,যীশু ক্ৰুছত মৃত্যুবৰণ কৰা নাছিল,আল্লাহ তেওঁক ৰক্ষা কৰিছিল ক্ৰুছৰ মৃত্যু মুখৰ পৰা।যদি প্ৰশ্ন কৰা হয় যে মই কৰ পৰা এই ব্যাখ্যা আগবাঢ়াইছোঁ তাৰ উত্তৰ হ'ব যে,ব্যাখ্যা কলাৰ শীৰ্ষস্ত কৰ্মকৰ্তা সকলে তেনেকৈ অভিমত কৰিছে, আৰু সকলো ব্যাখ্যাকাৰীৰ সাক্ষী বহন কৰিছে তেওঁলোকৰ অভিজ্ঞতাৰ দ্বাৰা। মই ইয়াত ব্যাখ্যা কলাৰ ওপৰত শীৰ্ষস্থানীয় পৌৰাণিক কৰ্মকৰ্তা সকলৰ ব্যাখ্যাৰ পৰা উদ্ধৃতি দিলো,অৰ্থাৎ তাতিৰুল আনামাৰ পৰা।

কুতুবুজ্জামান শ্বেইখ আব্দুল গনি আল নবলিচি প্ৰণীত তাতিৰুল আনাম ফিতাবিৰুল মানাম নামক গ্ৰন্থ পৃষ্ঠা ২৮৯ চাওঁক, যিটো ভাষান্তাৰ কৰা হৈছে যিটো এনেকুৱা যে যদি কোনোবাই কাশ্বফ ৰূপত কোনো সপোন বা আধ্যাত্মিক দৃষ্টিৰে কিবা দেখে যে, কোনো মৃতক কবৰৰ পৰা উঠি আহিছে আৰু সিহঁতৰ ঘৰলৈ গৈছে,ইয়াৰ ব্যাখ্যা এয়া যে, কোনো কায়েদী তেওঁৰ বন্দীত্বৰ পৰা মুক্তি পাব আৰু তেওঁ ঘাতকৰ হাতৰ পৰা ৰক্ষা পাব।প্ৰসঙ্গটোৱে দেখুৱায় যে,এই কায়েদীজন এগৰাকী মহান আৰু উচ্চ ব্যক্তত্ব হ'ব। এতিয়া লক্ষ্য কৰিব পৰা যায় যে,যীশুৰ যুক্তিৰ সৈতে কেনেকৈ এই ব্যাখ্যা ঘটাব পৰা যায় কোনোবাই প্ৰস্তুত ভাৱেই বুজিব পাৰে যে, মৃত সন্তসকল জীৱনদান কৰি চহৰলৈ অনাটো ইয়াকে বুজোৱা হৈছে যাতে জ্ঞানী সকলে বুজিব পাৰে যীশুক ক্ৰুছৰ মৃত্যুৰ পৰা ৰক্ষা কৰা হৈছিল।

সেইদৰে গোছপেলত অনেক উদাহৰণ আছে যিবোৰৰ অৰ্থ হ'ল যে,যীশু ক্ৰুছত মৃত্যু বৰণ কৰা নাছিল,তেখেতক ইয়াৰ পৰা ৰক্ষা কৰা হৈছিল আৰু তেখেত অন্য দেশলৈ প্ৰব্ৰজন কৰিছিল। কিন্তু মই ভাৱো যিখিনি মই উপস্থাপন কৰিলোঁ সেইখিনি অহিংসা পৰায়ণ সকলৰ বাবে যথেষ্ট।

এয়া সম্ভৱ যে,কোনোবাই তেওঁৰ অন্তৰত আপত্তি লুকাই ৰাখিব পাৰে যে, গোছপেলবোৰে বাৰম্বাৰ কয় যে,যীশু ক্ৰুছত মৃত্যু বৰণ কৰিছিল আৰু পিছত জীৱন ঘূৰাই পাইছিল আৰু আকাশলৈ উঠি গৈছিল। এনে আপত্তিৰ উত্তৰ মই ইতিপূৰ্বে থোৰতে দি আহিছোঁ কিন্তু মই পুনৰ কওঁ যে,যীশু (আঃ) ক্ৰুছবিদ্ধ কৰণৰ পিছত তেওঁৰ শিষ্য সকলক লগ পাই গেলিলিলৈ গমন কৰে, ৰুটি আৰু কবাব খাই তেওঁৰ দেহত হোৱা ক্ষতবোৰ দেখুৱায়, শিষ্যসকলৰ সৈতে ইমাউচত ৰাত্ৰি যাপন কৰা পীলাতুছৰ অধীনস্থ স্থানৰ পৰা পলায়ন কৰে, সেই স্থানৰ পৰা প্ৰব্ৰজন যিদৰে নবীৰ কাৰুকাৰ্য আছিল, ভীতিৰ ছাঁৰ তলত ভ্ৰমণ এই সকলোবোৰ ঘটনাই এই সিদ্ধান্তত আনে যে তেওঁ ক্ৰুছত মৃত্যুবৰণ কৰা নাছিল, তেওঁৰ দেহৰ মৰণশীল গুণ

সম্পন্ন আছিল ইয়াৰ কোনো ব্যতিক্ৰম  হোৱা নাছিল।

গোছপেলত এনে কোনো প্ৰমাণ নাই যে কোনো এজনে যীশু (আঃ)ক স্বৰ্গলৈ আৰোহণ কৰা দেখা পইছিল, আৰু যদি তেনে প্ৰমাণ আনকি থাকিলেহেঁতেন ই বিশ্বাসৰ অযোগ্য হ'লহেঁতেন, কাৰণ সৰু শিলৰ ঢিপেৰে পৰ্বত বনোৱা আৰু সৰু বস্তুক ডাঙৰ বনোৱা কাৰ্য গোছপেলৰ লিখকসকলৰ অভ্যাসত পৰিণত হ'লহেঁতেন। উদাহৰণস্বৰূপে যদি কোনোবায় কৈছে যে যীশু (আঃ) আল্লাহৰ পুত্ৰ, অন্য জনে তেওঁক সম্পূৰ্ণৰূপে আল্লাহলৈ গঢ় দিছে, তৃতীয়জনে তেওঁক বিশ্বৰ ক্ষমতাৰ সৈতে আৱিষ্কাৰ কৰিছে আৰু চতুৰ্থজনে অন্ধভাৱে কৈছে তেওঁৱেই সকলো আৰু আৰু তেওঁৰ বাহিৰে আন কোনো আল্লাহ নাই। থোৰতে ক'বলৈ হ'লে অতিৰঞ্জনে সিহঁতক অনেক দূৰলৈ কঢ়িয়াই লয়। কোনোবাই যদি অন্তদৃষ্টিত বিবেচনা কৰিছে য'ত মৃতকসকলে কবৰৰ পৰা উঠিছে আৰু চহৰলৈ গৈ আছে। এজনে লক্ষ্য কৰিছে যে এই অৰ্ন্তদৃষ্টিক বহিৰ্দৃষ্টিলৈ আৰু স্পষ্ট ব্যাখ্যা কৰিছে, ইমানখিনি কৈছে যে মৃতসকলে বাস্তৱতে সিহঁতৰ, কবৰৰ পৰা উঠিছে আৰু জেৰুজালেম চহৰলৈ আহিছে, য'ত সিহঁতৰ মানুহবোৰৰ সৈতে সিহঁতে দেখা কৰিছে। এতিয়া মাত্ৰ চাওঁক কেনেকৈ পাখিক কাউৰীত পৰিণত কৰা হৈছে, আৰু কাউৰী মাত্ৰ এটা কাউৰী হৈ নাথাকে বৰ বহু মিলিয়ন। যেতিযা বস্তুবোৰক অতিকৈ অতিৰঞ্জিত কৰা হয় তেতিয়া সত্যক উদ্ঘাটন কৰিবলৈ আমাৰ বাবে কোনো পথ নাথাকে। তদুপৰি বিবেচনা কৰাৰ প্ৰয়োজন যে এইবোৰ গোছপেলক আল্লাহৰ গ্ৰন্থ বোলা অস্বাভাৱিক দাবীৰে পুষ্ট, সেয়া এনেকুৱা যেন যদি যীশুৰ সকলো কাম লিপিত পৰিণত হ'লহেঁতেন, এইবোৰ গোটেই পৃথিৱীত খাপ খোৱাব পৰা নগ'লহেঁতেন। এনে অতিৰঞ্জন সত্যতা নে  সত্যতাৰ পথ ? যদি যীশু (আঃ)ৰ কামবিলাক অপৰিসীমে আছিল আৰু যদি সেইবোৰৰ সীমাবদ্ধকৰণ কৰা নগৈছিল কেনেকৈ এইবোৰ কাম তিনি বছৰত কৰা সম্ভৱ হ'ল ? এইবোৰ গোছপেলৰ আন এক দোষ হৈছে যে সেইবোৰ পুৰণি পুথিৰ পৰা ভুল প্ৰসঙ্গ সিহঁতে

দিয়ে, সিহঁতে আনকি অবিকল ৰূপত যীশু (আঃ)ৰ বংশানুক্ৰমিক পৰিচয় নিদিয়ে। গোছ্‌পেলৰ পৰা এইটো স্পষ্ট হয় যেন এই ব্যক্তিসকল বুজি পোৱাত এনে পিচপৰা আছিল যে কোনো কোনোৱে যীশুক প্ৰেমাত্মা বুলি কৈছিল। পূৰ্বতম কালৰ পৰাই গোছ্‌পেল সমূহ অভিযুক্ত হৈ আছিল যে সিহঁতৰ পাঠ্যক্ৰমৰ পৱিত্ৰতা ৰক্ষা কৰিব পৰা নাছিল আৰু গোছ্‌পেল বোলা অন্যান্য গ্ৰন্থ  আছে। এইবোৰ অন্যান্য গ্ৰন্থৰ সকলো অভিমতসমূহ প্ৰত্যাখ্যান হ'ব লাগে আৰু কিয় তথাকথিত গোছপেল সমূহৰ লিখনিসমূহ সত্য বুলি ধৰিব লাগে। ইয়াৰ কোনো বলিষ্ঠ কাৰণ নাই কিয় ? কোনেও ক'ব নোৱাৰে যে অন্যান্য গোছ্‌পেল সমূহত ভিত্তিহীন অতিৰঞ্জন আছে, যিদৰে চাৰিখন গোছ্‌পেলত তাক পোৱা যায়। এয়া আশ্বৰ্যকৰ যে এহাতে যেতিয়া সিহঁতে কয় যে যীশু (আঃ) এজন ন্যায়বাদী ব্যক্তি আৰু তেওঁৰ চৰিত্ৰত কোনো খুত নাছিল, অন্যহাতে তেওঁৰ বিৰুদ্ধে যিমানবোৰ অভিযোগ অনা হৈছিল যিবোৰ এজন ন্যায়বাদীৰ বাবে অসংগত আছিল। উদাহৰণস্বৰূপে তুৰাইৰ শিক্ষা অনুসৰি ইজৰাইলী নবীজনৰ এটা সময়তে শ শ ঘৈণীয়েক এই উদ্দেশ্যে আছিল যে সিহঁতে যেন ন্যায়বাদী প্ৰজন্ম বৃদ্ধি কৰিব পাৰে, কিন্তু তুমি কেতিয়াও নুশুনিবা যে কোনো নবীয়ে এনে মুক্ত নজীৰ দি গৈছে যে তেওঁ চহৰৰ উল্লেখনীয় পাপী, অশুচি আৰু চৰিত্ৰহীন নাৰীক হাতেৰে তেওঁৰ দেহ চুবলৈ, তেওঁৰ মূৰত তেল সানিবলৈ দিব লাগে তাইৰ কু অভিপ্ৰায়মূলক লাভালাভৰ বাবে আৰু তেওঁৰ ভৰিৰ ওপৰত তাইৰ চুলি বুলাবলৈ দিব লাগে যে তেওঁ এই সকলোবোৰ কাম এজনী অসতী গাভৰুক কৰিবলৈ দিব লাগে আৰু তেওঁ তাইক নকৰিবা বুলি ক'ব নালাগে। এজনক সন্দেহাতীত হ'বলৈ পথ দিয়াৰ পৰা বচোৱা হৈছে যিটো সন্দেহ স্বাভাৱিকতে তেনে বস্তু চালেই উপজে - মাত্ৰ যীশুৰ উত্তম গুণক বিশ্বাস কৰি। তথাপিও উদাহৰণটো অন্যৰ বাবে শুভ নহয়, থোৰতে এই গোছ্‌পেলত বহুতো বস্তু আছে যিবোৰ দেখুৱায় যে সিহঁতে সিহঁতৰ আচল ৰূপ ৰাখিব পৰা নাই সেইবোৰৰ লিখকসকলে অন্য কোনোবাই আছিল শিষ্য নাছিল।

উদাহৰণস্বৰূপে মতিৰ মতে গোছ্পেলটোৰ অভিমত আৰু এয়া আজিলৈকে ইহুদীসকলে ভালদৰে অৱগত আছে,ইয়াৰ দ্বাৰা সঠিকমতে মতিক আৰোপ কৰা হৈছেনে ? এয়া নেদেখুৱায় যে মতিৰ গোছপেলৰ লিখক অন্য ব্যক্তি আছিল। যিজনে এনে সময়তে বাস কৰিছিল মতি ইতিমধ্যে মৃত্যু কৰিছিল।মতিৰ একে গোছ্পেল কয়, আৰু সিহঁতক জেষ্ঠসকলৰ সৈতে একত্ৰিত কৰা হৈছিল আৰু উপদেশ গ্ৰহণ কৰা হৈছিল, সিহঁত আশ্বাৰোহী সকলক বহু টকা দিছিল এইদৰে কৈ যে তোমালোকে কবা তেওঁৰ শিষ্যসকলে ৰাতিত আহিছিল আৰু তেওঁক চুৰ কৰি লৈ গৈছিল যি সময়ত আমি টোপনীত আছিলো। লক্ষ্য কৰা উচিত যে তেনে অভিমত কিমান অসন্তুষ্টিদায়ক আৰু অযুক্তিকৰ। যদি অভিমতটোৰ অৰ্থ এনে হয় যে ইহুদীসকলে যীশুক জাগ্ৰত অৱস্থাত ঢাকি ৰাখিব বিচাৰিছিল আৰু সিহঁতে আশ্বাৰোহীসকলক ঘোঁচ দিছিল এই উদ্দেশ্যে যে এই মিথ্যা ৰহস্য সাধাৰণ ভাৱে জ্ঞাত নহয়। এয়া কিয় আছিল যে যীশু যাৰ কৰ্তব্য আছিল ইহুদীসকলৰ মাজত ৰহস্য অলৌকিকতা প্ৰচাৰ কৰা কিন্তু যীশুৱে তাক গোপনে ৰাখিছিল ? যদি ইয়াক জোৰ দি কোৱা হয় যে তেওঁ ধৰা পৰাৰ ভয় কৰিছিল তেতিয়া মই কম যে যেতিয়া আল্লাহৰ বিশেষ আজ্ঞা তেওঁৰ ওপৰত নামি আহিছিল আৰু মৃত্যুৰ যন্ত্ৰণা ভোগাত অন্তত তেওঁ জীৱিত হৈ পৰিছিল এক আধ্যাত্মিক আৰু গৌৰৱময় দেহ লাভ কৰিছিল। তেন্তে তেওঁৰ এতিয়া ইহুদীসকলৰ প্ৰতি ভয় কিহৰ, নিশ্চয় তেওঁৰ ওপৰত ইহুদীসকলৰ কোনো ক্ষমতা নাছিল,তেওঁ এতিয়া মৰণশীল ক্ষমতাৰ বাহিৰত,আৰু ওপৰত নাছিলনে ? কোনো এজনে পৰিতাপেৰে লক্ষ্য কৰে যে যেতিয়া এহাতে কোৱা হৈছে যে তেওঁক পুনৰজীৱিত কৰা হৈছিল আৰু তেওঁ আত্মিক দেহ ধাৰণ কৰিছিল যে তেওঁ তেওঁৰ শিষ্যসকলক লগ পাইছিল আৰু গেলিলিলৈ গৈছিল তাৰ পাছত স্বৰ্গলৈ গৈছিল,তথাপি তেওঁ নগন্য বস্তুৰ বাবে ইহুদীসকলক ভয় কৰে,তেওঁৰ গৌৰৱমণ্ডিত দেহ থকা সত্ত্বেও তেওঁ গোপনে দেশখন ত্যাগ কৰিছিল,ইহুদীসকলে তেওঁক পোৱা নাছিল,তেওঁৰ বচোৱাৰ বাবে তেওঁ গেলিলিলৈ ৭০ মাইল ভ্ৰমণ কৰিছিল আৰু মানুহবিলাকক এই কথাটো

আনক সদৰি কৰিবলৈ মন কৰিছিল। এইবিলাকেই গৌৰৱমণ্ডিত দেহ আৰু পথ নে ? নহয় বাস্তৱ এয়া যে সেয়া নতুন আৰু গৌৰৱমণ্ডিত দেহ নাছিল। এয়া একেই দেহ যি ক্ষত বিক্ষত আছিল যাক মৃত্যুৰ পৰা ৰক্ষা কৰা হৈছিল আৰু এতিয়া ইহুদীলৈ ভয় থকা হিচাপে যীশুৱে পূৰ্ব সাৱধানতা অৱলম্বন কৰি দেশ ত্যাগ কৰিছিল। ইয়াৰ বিপৰীতে সকলো কথা অস্বাভাৱিক যেনেকুৱা আশ্বাৰোহী সকলক ঘোঁচ দিয়া যাতে সিহঁতে কয় যে মৃতদেহটো শিষ্যসকলে চুৰি কৰি লৈ গৈছে যেতিয়া সিহঁতে টোপনীত আছিল তেন্তে ভালদৰে সিহঁতৰ প্ৰশ্ন সোধা গলহেঁতেন যে কবৰত নাছিল অকল এই ঘটনাৰ বাবেই কোনোবাই বিশ্বাস কৰাটো যুক্তি সঙ্গতনে যে তেওঁ স্বৰ্গলৈ উঠি গৈছিল ? অন্য কোনো কাৰণ থাকিব নোৱাৰেনে যাৰ বাবে কবৰটো খালী পোৱা গৈছিল ? স্বৰ্গলৈ উঠি যোৱাৰ সময় ছোৱাত যীশুৰ বাবে কেইবা শ ইহুদী পীলাতুছক লগ ধৰিবলগীয়া আছিল। কাক তেওঁ গৌৰৱমণ্ডিত দেহাৰে ভয় কৰিছিল ? তেওঁ বিৰোধীসকলৰ সামান্যতম পৰীক্ষাৰ মুখামুখি হ'বলৈ কেৰেপ কৰা নাছিল। তাৰ বিপৰীতে ভয়হে খাইছিল আৰু গেলিলিলৈ পলাইছিল। সেই কাৰণে আমি নিশ্চিত ভাৱে বিশ্বাস কৰো যে তেওঁৰ কবৰ ত্যাগ কৰাটো যদিও সত্য যিটো খোলা কোঠালি সদৃশ আছিল আৰু এয়াও সত্য যে তেওঁ শিষ্যসকলক গোপনে লগ ধৰিছিল, তথাপি এয়াও সত্য নাছিল যে তেওঁক কোনো নতুন আৰু গৌৰৱমণ্ডিত দেহ দিয়া হৈছিল। সেয়া একে দেহ একেই ক্ষত আছিল আৰু অভিশপ্ত ইহুদীসকলে তেওঁক পুনৰ গ্ৰেপ্তাৰ কৰাৰ একে ভয় আটাইতকৈ কম আছিল। (মতি অধ্যায় ২৮ পদ ৭ ৰ পৰা ১০লৈ মনোযোগেৰে পঢ়ি চাওক। এইবোৰ পদে পৰিচ্ছন্নকৈ তিৰোতাসকলক কোনোবায় কৈছিল যে যীশু জীৱিত আছিল আৰু গেলিলিলৈ গৈ আছিল আৰু যিসকলক শান্ত ভাৱে কোৱা হৈছিল সিহঁতে শিষ্য সকলক জনোৱা উচিত আৰু শিষ্যসকলে ইয়াক শুনি উৎফুল্লিত হৈছিল, কিন্তু সিহঁতে আতংকিত হৃদয়ে লগে লগে গৈছিল,সিহঁতে তেতিয়াও ভয় খাইছিল যে যদিহে কিছুমান দুষ্ট ইহুদীয়ে তেওঁক ধৰি দিয়ে। নৰম পদটোৱে কয় যে যেতিয়া এইসকল তিৰোতাই শিষ্যসকলক খবৰ দিয়াৰ পথত আগবাঢ়িছিল,

যীশুৱে সিহঁতক সাক্ষাত কৰিছিল আৰু সম্বোধন জনাইছিল। দশম পদে কয় যে যেতিয়া যীশুৱে সিহঁতক ভয় নকৰিবলৈ কৈছিল অৰ্থাৎ তেওঁক ধৰা পৰাৰ বিষয়ে।তেওঁ সিহঁতক তেওঁৰ ভাতৃসকলক (শিষ্যসকলক) খবৰ দিবলৈ অনুৰোধ কৰিছিল যে তেওঁলোকে গেলিলিলৈ যাব লাগে। আৰু কৈছিল সিহঁতে তাত তেওঁক চাব পাৰিব অৰ্থাৎ সেই স্থানত তেওঁ শত্ৰুৰ ভয়ত বৈ থাকিব নোৱাৰে। চমু অৰ্থত যদি যীশু তেওঁৰ মৃত্যুৰ পিছত পুনৰজীৱন লাভ কৰি এক গৌৰৱমণ্ডিত দেহ ধাৰণ কৰিছিল তেওঁ সেই প্ৰমাণ ইহুদীসকলক জনাই থোৱাৰ প্ৰয়োজন আছিল। কিন্তু আমি জনাত তেওঁ তেনে কৰা নাছিল। গতিকে ইহুদীসকলক দোষ দিয়াটো অদ্ভুত ঘটনা যীশুৰ প্ৰমাণক অস্বীকাৰ কৰাৰ বাবে যে তেওঁ পুনৰ্জীৱিত হৈছিল।নহয় যীশুৱে অলপো প্ৰমাণ দিয়া নাই তেওঁৰ পুনৰজীৱন লাভৰ বিষয়ে, বৰং তেওঁ গোপন ভ্ৰমণৰ দ্বাৰা,আহাৰ কৰা আৰু টোপনী মৰা ঘটনাৰ দ্বাৰা আৰু ক্ষত প্ৰদৰ্শনৰ দ্বাৰা তেওঁ নিজকে প্ৰমাণ কৰিছিল যে তেওঁ ক্ৰুছত মৃত্যুবৰণ কৰা নাছিল।

# দ্বিতীয় অধ্যায়

## যীশু (আঃ)ৰ জীৱন ৰক্ষা সম্পৰ্কে পৱিত্ৰ কোৰাণৰ প্ৰমাণ আৰু বিশ্বাসযোগ্য পৰম্পৰাৰ প্ৰমাণ

মই এতিয়া দিব বিচৰা যুক্তিসমূহ এইবাবেই অসাৰ্থক যেন লাগে যে যিহেতু সেইবোৰ খ্ৰীষ্টান সকলৰ উদ্দেশ্য নিয়োজিত, পৱিত্ৰ কোৰাণ আৰু হাদীছসমূহে সেইবোৰৰ অৱতাৰণা এইবাবেই কৰিম যে মই ভাৱো খ্ৰীষ্টানসকলে পৱিত্ৰ কোৰাণ আৰু পৱিত্ৰ নবীৰ অলৌকিক ৰহস্য সম্পৰ্কে জ্ঞাত হওক। শ শ বছৰৰ পিছত প্ৰকৃত সত্যৰ উদ্ঘাটন যিটো আমাৰ পৱিত্ৰ নবী আৰু পৱিত্ৰ কোৰাণৰ দ্বাৰা উচ্চাৰিত হৈছে সেই সম্পৰ্কে সিহঁতে জানক। সেই উদ্দেশ্য আগত ৰাখিয়ে তাৰে কিছু মই তলত সন্নিবিষ্ট কৰিলোঁ।

মহা ক্ষমতাশালী আল্লাহ পৱিত্ৰ কোৰাণত কৈছে ঃ ইহুদীসকলে যীশুক

কাতল কৰা নাছিল অথবা ক্ৰুছত হত্যাও কৰা নাছিল, নহয় যীশু ক্ৰুছত মৃত্যু হোৱা বুলি সিহঁতে কেৱল সন্দেহহে কৰিছিল।(চুৰা আন নিছা আয়াত ১৫৮) সিহঁত প্ৰমাণ পোৱা নাছিল যিটোৱে সিহঁতক প্ৰবোধ দিব বা সন্তুষ্ট কৰিব যে যীশু (আঃ) ক্ৰুছত মৃত্যু বৰণ কৰিছে।

এইবোৰ পদত মহাপৰাক্ৰমী আল্লাহ্ মত প্ৰকাশ কৰিছে যে যদিও এয়া সত্য যে যীশুক স্পষ্টত ক্ৰুছত দিয়া হৈছিল আৰু সিহঁতে (ইহুদী) তেওঁক হত্যা কৰিবলৈ পাং পাতিছিল তথাপি এয়া ইহুদী আৰু খ্ৰীষ্টানসকলৰ বাবে ভুল ধাৰণা যে যীশু প্ৰকৃত পক্ষে ক্ৰুছত মৃত্যু বৰণ কৰিছিল। নহয় আল্লাহে পৰিৱেশৰ উদ্ভৱ কৰিছিল যিটোৱে যীশু (আঃ)ক ক্ৰুছত মৃত্যুৰ পৰা ৰক্ষা কৰিছিল। যদিহে কোনো এজনে সুস্থিৰ থাকে তেওঁ নিশ্চয় ক'ব যে পৱিত্ৰ কোৰাণে ইহুদী আৰু খ্ৰীষ্টান মতবাদৰ বিৰুদ্ধে যি কৈছে সেয়া অৱশেষত সত্যত পৰিণত হৈছে। আজিৰ উন্নত মানৱ অনুসন্ধানে প্ৰমাণ কৰিছে যীশু (আঃ)ক সচাঁকৈয়ে ক্ৰুছৰ পৰা ৰক্ষা কৰা হৈছিল। তথ্যৰ অধ্যয়নে দেখুৱায় যে ইহুদীসকলে এই প্ৰশ্নৰ উত্তৰ কেতিয়াও দিবলৈ সক্ষম নহ'ব। এয়া কেনেকৈ সম্ভৱ যে যীশু (আঃ) দুঘণ্টা বা তিনি ঘণ্টাৰ ভিতৰত মৰিছিল যি সময়ত তেওঁৰ অস্তিৰবোৰ ভাঙি দিয়া হোৱা নাছিল।

এইটোৱে ইহুদীসকলক অন্য এক বিতৰ্কত পেলাইছিল যে সিহঁতে যীশু (আঃ)ক তৰোৱালেৰে হত্যা কৰিছিল, য'ত ইহুদীসকলৰ প্ৰাচীন ইতিহাসে নেদেখুৱাই যে যীশু (আঃ)ক তৰোৱালেৰে হত্যা কৰা হৈছিল। দৈৱিক শক্তিৰে সাৰ্বভৌমত্ব আৰু ক্ষমতাই পৰিৱেশটো এন্ধাৰ কৰিছিল যাতে যীশু (আঃ)ক বচাব পৰা যায়। এক ভূমিকম্প হৈছিল পীলাতুছৰ ঘৈণীয়েকে আত্মিক দৃশ্য দেখিছিল। ছবথৰ নিশা প্ৰায় নামি আহিছিল, যেতিয়া ক্ৰুছবিদ্ধ দেহ এটা ক্ৰুছত ৰখাটো অন্যায় আছিল বিচাৰপতিজনে তেওঁৰ ঘৈণীয়েকে দেখা ভয়ানক সপোনৰ বাবে যীশুক এৰি দিয়াৰ বাবে সিদ্ধান্ত লৈছিল। এই সকলোবোৰ ঘটনা একেটা সময়তে যীশু (আঃ)ক বচাবৰ বাবে আল্লাহৰ

দ্বাৰা ঘটোৱা হৈছিল। যীশু (আঃ) নিজে এনেদৰে মূৰ্ছা গৈছিল যে তেওঁক মৃত বুলি ধৰিব পৰা গৈছিল। ভূমিকম্প আদিৰ লেখীয়া ভয়ানক ইংগিতৰ জৰিয়তে ইহুদীসকলৰ মাজত কাপুৰুষালি, ভয়ভাৱ আৰু স্বৰ্গীয় শাস্তিৰ আতংকৰ উদ্ভৱ হৈছিল। আৰু এক ভয় আছিল যে মৃতদেহটো ছবথৰ নিশাটো ক্ৰুছত থাকে নেকি ? আকৌ ইহুদীসকলে যীশু (আঃ)ক মুৰ্ছিত অৱস্থাত দেখি তেওঁক মৃত বুলি ভাৱিছিল, এন্ধাৰ আছিল, আৰু এক ভূমিকম্প আৰু উত্তেজনা বিৰাজ কৰিছিল। সিহঁতে যাৰ যাৰ ঘৰৰ চিন্তাত কৌতুহলী হৈ পৰিছিল। তেনেকুৱা এন্ধাৰ আৰু ভূমিকম্পৰ পৰিৱেশত সিহঁতৰ সতি সন্ততিবোৰে কিবা কৰিছে ? সিহঁতৰ অন্তৰত এক আতংকৰ উদ্ৰেক হৈছিল যে যদি এই মানুহজন (যীশু) এজন মিছলীয়া আৰু এজন কাফিৰেই আছিল যিদৰে সিহঁতে ভাৱি লৈছিল, তেন্তে তেওঁৰ শাস্তি ভোগা সময়ছোৱাত কিয় এনে শক্তিশালী সংকেত দেখা দিছিল যিবিলাক সংকেট পূৰ্বে দেখা দিয়া নাছিল।সিহঁত ইমান হতাশগ্ৰস্ত হৈছিল যে সিহঁতে কেতিয়াও সন্তুষ্ট হ'ব পৰা নাছিল -যি যীশু (আঃ) সচাঁকৈয়ে মৰিছেনে তেওঁৰ প্ৰকৃত অৱস্থা কি আছিল ? যিবোৰ ঘটিছিল, যি কি নহওক সেইবোৰ যীশু (আঃ)ক ৰক্ষা কৰিবলৈ স্বৰ্গীয় পৰিকল্পনা আছিল। ইয়াকে পদটোত ইংগিত দিয়া হৈছে- অৰ্থাৎ ইহুদীসকলে যীশু (আঃ)ক হত্যা কৰা নাছিল। আল্লাহে সিহঁতক বিশ্বাসত আনিছিল যে সিহঁতে তেওঁক হত্যা কৰিলে। এই পৰিস্থিতিয়ে ন্যায়বাদীসকলক আল্লাহত বিশ্বাস স্থাপন কৰিবলৈ উৎসাহ যোগায় যে আল্লাহে তেওঁৰ সেৱকক ইচ্ছামতে ৰক্ষা কৰিব।

পৱিত্ৰ কোৰাণত আৰু এক পদ আছেঃ তেওঁৰ নাম হ'ব- মছীহ, এই পৃথিৱীত সন্মানিত হ'ব আৰু পৰকালতো আৰু তেওঁলোকৰ মাজৰ হ'ব। যিসকলে আল্লাহৰ নৈকট্য লাভ কৰিছে।

অৰ্থ কৰে যে অকল ইয়াতেই যিশু (আঃ) সন্মানিত আৰু প্ৰসিদ্ধ নহ'ব আৰু সাধাৰণ মানুহৰ দৃষ্টিত মহত্বতা উপভোগ নকৰিব, কিন্তু ইয়াৰ পৰৱৰ্তী কালতো। এতিয়া স্পষ্ট যে যীশু (আঃ) হিৰোদছ আৰু পীলাতুছৰ দেশত

সন্মানিত নাছিল। তাৰ বিপৰীতে তেওঁ অপদস্থ হৈছিল। এই পৃথিৱীত তেওঁৰ দ্বিতীয় আগমণত যে তেওঁ সন্মানিত হ'ব এই পৰামৰ্শটো ভিত্তিহীন। ই স্বৰ্গীয় গ্ৰন্থসমূহ আৰু প্ৰকৃতিৰ চিৰ স্বৰ্গীয় আইনৰ বিৰোধী। তদুপৰি ইয়াৰ কোনো প্ৰমাণ নাই। যি কি নহওক সত্যটো হ'ল যে যীশু (আঃ)ৱে সেইসকল অভিশপ্ত মানুহৰ পৰা মুক্তি লাভ কৰি তেওঁ পঞ্জাৱ প্ৰদেশলৈ আহিল আৰু পৰিদৰ্শনৰ লগে লগে সন্মানিত হৈছিল, আল্লাহ তায়লাই তেওঁক সুখ্যাতি দিছিল- ইয়াত তেওঁ ইজৰাইলৰ হেৰোৱা দহটা জনগোষ্ঠীক লগ পাইছিল। এনে হৈছিল যে অধিকাংশ ইজৰাইলী বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল আৰু কিছু সংখ্যকে পৌত্তলিকৰ দৰে নিম্নস্তৰৰ জাতিত পৰিণত হৈছিল। কিন্তু যীশু (আঃ)ৰ আগমণৰ লগে লগে সিহঁতৰ অধিকাংশ বিশুদ্ধ (সঠিক) পথলৈ ঘূৰি আহিছিল। আসন্ন নবীৰ বিষয়ে যীশুৰ শিক্ষাত যি তাৰণা আছিল তাৰ বাবেই আফগান আৰু কাশ্মিৰী নামে খ্যাত সেই দহটা জনগোষ্ঠী অৱশেষত সকলোৱে মুছলমান হৈছিল। গতিকে যীশু (আঃ)ৱে এই দেশলৈ সন্মানে আহিছিল। পঞ্জাৱৰ এইখন দেশতে অলপতে এক মুদ্ৰা আৱিষ্কৃত হৈছে যাৰ ওপৰত যীশু (আঃ)ৰ নাম পালী চৰিত্ৰত অঙ্কিত আছে। এই মুদ্ৰাটো যীশু (আঃ)ৰ কালৰে। এইটোৱে প্ৰমাণ কৰে যে যীশু (আঃ) এই দেশলৈ আহিছিল আৰু ৰাজকীয় সন্মান লাভ কৰিছিল। মুদ্ৰাটো নিশ্চয় কোনো এজন ৰজাৰ দ্বাৰা প্ৰচলিত কৰা হৈছিল যিজন যীশু (আঃ)ৰ অনুসৰণকাৰী হৈছিল। আন এক মুদ্ৰা পোৱা গৈছে এক ইজৰাইলী আকৃতিৰ সৈতে। এনে অনুমান হয় যে এইটোও যীশু (আঃ)ৰ আকৃতি। পৱিত্ৰ কোৰাণতো এক পদ আছে যিটো কয় যে যীশু (আঃ)ক আল্লাহৰ দ্বাৰা আশীষ প্ৰাপ্ত কৰা হৈছিল য'ত তেওঁ গৈছিল– সেয়ে এই মুদ্ৰাবোৰে দেখুৱায় যে তেওঁ আল্লাহৰ পৰা মহাসন্মান লাভ কৰিছিল আৰু ৰাজকীয় সন্মান থকালৈকে তেওঁ মৃত্যু বৰণ কৰা নাছিল।

সেইদৰে পৱিত্ৰ কোৰাণত এই পদটোও আছে ঃ হে যীশু এইবোৰ দোষৰ পৰা মই তোমাক শুদ্ধ কৰিম, মই তোমাক নিৰ্দোষ প্ৰমাণ কৰিম আৰু তোমাৰ বিৰুদ্ধে ইহুদী আৰু খ্ৰীষ্টানসকলে অনা অভিযোগসমূহ আঁতৰ কৰিম।

এয়াও এক মহান ভৱিষ্যত বাণী যিটো অৰ্থ কৰে যে ইহুদীসকলে দোষে যে ক্ৰুছবিদ্ধ হৈ যীশু (আঃ) অভিশপ্ত (আল্লাহে নকৰক) হৈছে আৰু এইদৰে আল্লাহৰ প্ৰেমৰ পৰা দূৰ হৈছে। অভিশপ্ত শব্দৰ দ্বাৰা যীশু (আঃ)ৰ হৃদয়ক আল্লাহৰ পৰা বহু দূৰলৈ যোৱা বুলি কোৱা হৈছে, তাৰ মানে তেওঁ (আল্লাহক) ঘৃণা  কৰিবলৈ আহিছিল। তেওঁৰ অন্তৰখন অন্ধকাৰৰ ডাঠ পৰ্দাৰ দ্বাৰা আবৃত হৈছে। ই বেয়াক ভাল পাবলৈ আৰু ভালক দূৰ কৰিবলৈ আহিছিল। ইয়ে আল্লাহৰ সৈতে সম্পৰ্ক ছিন্ন কৰিছিল আৰু চয়তানৰ নিয়ন্ত্ৰনাধীন হৈছিল। তেওঁৰ আৰু আল্লাহৰ মাজত শত্ৰুতা আছিল। তেওঁ যে অভিশপ্ত হৈছিল এই একে ধৰণৰ দোষ খ্ৰীষ্টানসকলৰ দ্বাৰাও দিয়া হৈছিল, কিন্তু খ্ৰীষ্টানসকলে ইয়াৰ সৈতে ভ্ৰমবশত দুটা বিৰোধী আৰু বিপৰীত স্থিতি একেলগ কৰিছিল, সিহঁতে কয় যীশু (আঃ) আল্লাহৰ পুত্ৰ, কিন্তু সিহঁতে তেওঁক অভিশপ্ত বুলিও কয় আৰু যিটো বেছি কথা সেইটো হ'ল সিহঁতে স্বীকাৰ কৰে যে যিজন অভিশপ্ত তেওঁ এন্ধাৰ আৰু চয়তানৰ পুত্ৰ বা তেওঁ নিজেই চয়তান (ডেভিল)। গতিকে এইবোৰ যীশু (আঃ)ৰ বিৰুদ্ধে লেতেৰা অভিযোগ, কোৰাণত উল্লেখিত ভৱিষ্যত বাণীটো যিয়ে এই ইংগিত দিয়ে যে এনে এক সময় আহিব যেতিয়া আল্লাহ তায়লাই যীশু (আঃ)ৰ সকলো দোষ পৰিষ্কাৰ কৰিব। এইটোৱে সেই সময়।

যীশু (আঃ)ৰ নিৰ্দোষ নিঃসন্দেহে প্ৰতিষ্ঠিত হৈছে চিন্তাবিদ ব্যক্তি সকলৰ দৃষ্টিত, আমাৰ পৱিত্ৰ নবী প্ৰমাণৰ দ্বাৰা, কাৰণ তেওঁ আৰু পৱিত্ৰ কোৰাণে প্ৰমাণ কৰিছে যে যীশু (আঃ)ৰ বিৰুদ্ধে অনা অভিযোগসমূহ ভিত্তিহীন। কিন্তু এই প্ৰমাণ সাধাৰণ মানুহৰ বন্দীত্ব মুকলোৱাৰ ক্ষেত্ৰত আছিল কিছুমান তেনেই ৰহস্যজনক আৰু তেনেই বিতৰ্কমূলক। সেয়ে স্বৰ্গীয় ৰায়ে বিচাৰে যে যিদৰে যীশু (আঃ)ৰ ক্ৰুছবিদ্ধকৰণ দৃশ্যমান আৰু জনজাত ঘটনা আছিল সেইদৰে তেওঁৰ বিশুদ্ধতা সকলোৱে দৃশ্যমান ধৰণত সত্যতাৰ প্ৰমাণ দিয়া উচিত আছিল আৰু একেটাই পাৰ হ'বলৈ আহিছে। অকল তৰ্কতে যীশু

(আঃ)ক পোৱা নাই, কিন্তু সত্যতাৰ হৈছে খুব অনুভৱ যোগ্য পন্থাৰেও। কাৰণ হাজাৰ হাজাৰ মানুহে তেওঁলোকৰ শাৰিৰীক চকুৰে দেখিছে যে যীশু (আঃ)ৰ কবৰ কাশ্মীৰৰ শ্ৰীনগৰত অৱস্থিত। যিদৰে তেওঁক গোলগোথাত ক্ৰুছবিদ্ধ কৰিছিল শ্ৰী নামৰ স্থানত সেইদৰে তেওঁৰ কবৰ পোৱা গৈছে। শ্ৰী নামে স্থানত অৰ্থাৎ শ্ৰীনগৰত। দুয়োটা স্থানৰ শ্ৰী শব্দটো থকাটো প্ৰকৃততে আচৰিত ধৰণৰ। যীশু (আঃ)ক ক্ৰুছবিদ্ধ কৰা স্থানটোক গিলগিট বা শ্ৰী কোৱা হয় আৰু উনৈশ শতিকাৰ পিছৰ অংশ য'ত যীশু (আঃ)ৰ কবৰ পোৱা গৈছে সেই ঠাইখনকো গিলগিট বা শ্ৰীনগৰ কোৱা হয়। এয়া স্পষ্ট যে কাশ্মীৰত গিলগিট বোলা স্থানটো শ্ৰী নামৰ শব্দকে অৰ্থ বহন কৰে। এই চহৰ সম্ভৱত যীশু (আঃ)ৰ সময়তে পোৱা গৈছিল আৰু ঘটনাটোৰ স্থানীয় ক্ৰুছৰ স্মৃতিত ইয়াক নামাকৰণ কৰা হৈছিল গিলগিট। অৰ্থাৎ শ্ৰী লাহচাৰ (Lhasa) দৰে যিটোৰ অৰ্থ কোনো এজনৰ উপাসনাৰ যোগ্য স্থান, এই শব্দৰ পূৰ্বৰ মূল ৰূপ হিব্ৰু ভাষা আৰু যিটো যীশু (আঃ)ৰ সময়ত পোৱা বুলি কৈছে।

হাদীছৰ বিশ্বাসযোগ্য তথ্যই দেখুৱায় যে পৱিত্ৰ নবীয়ে কৈছিল যে যীশু (আঃ)ৰ ১২৫ বছৰলৈকে বয়স হৈছিল। তাৰোপৰি ইছলামৰ সকলো ফিৰকায় বিশ্বাস কৰে যীশু (আঃ)ৰ বিষয়ে দুটা বিশেষত্ব আছিল – যিবোৰ অন্যান্য নবীৰ ক্ষেত্ৰত দেখা নাযায়, সেইবোৰ ঃ (১) তেওঁ পূৰ্ণ বাৰ্ধক্য পাইছিল, যেনে- ১২৫বছৰ আৰু (২) তেওঁ পৃথিৱীৰ বিভিন্ন অংশলৈ ভ্ৰমণ কৰিছিল আৰু সেইবাবেই তেওঁক ভ্ৰমণকাৰী নবী বোলা হয়। এয়া স্পষ্ট যে যদি তেওঁক আকাশলৈ তোলা হৈছিল তেতিয়া তেওঁ মাথোন ৩৩ বছৰ বয়সৰ আছিল, তেন্তে ১২৫ বছৰ বয়সলৈকে জীয়াই থকাটো সত্য নহয় নতুবা ৩৩ বছৰৰ ভিতৰতে তেনেই বহুদেশ ভ্ৰমণ কৰিছিল এইবোৰ তথ্য অকল বিশ্বাসযোগ্য হাদীছতে পোৱা নাযায়, সেইবোৰ সকলো মুছলমান ফিৰকাতে ভালদৰে জনাজাত যে ইয়াক ভাৱিবলৈ কঠিন যে অইন বস্তু তেওঁলোকৰ মাজত বেছি বহুল ভাৱে জনাজাত আছে।

কনজুল উম্মাল (খণ্ড ২) যিটো হাদীছৰ অধিক সংখ্যকৰ সংযোজিত গ্ৰন্থ তাৰ ৩৪ পৃষ্ঠাত আবু হুৰাইৰাৰ পৰা বৰ্ণিত এক হাদীছত আছে ঃ আল্লাহ যীশু (আঃ)ক নিৰ্দ্দেশ কৰিছিল- হে যীশু এক স্থানৰ পৰা আন এক স্থানলৈ গতি কৰা, এখন দেশৰ পৰা আন দেশলৈ যোৱা য'ত তুমি কম চিনাক্ত হবা আৰু শত্ৰুৰ মোকাবিলা কম হ'ব।

আকৌ একেখন গ্ৰন্থতে জাবিৰৰ পৰা বৰ্ণিত এই হাদীছ আছে যীশু (আঃ) সদায় ভ্ৰমি ফুৰিছিল তেওঁ এখন দেশৰ পৰা আন দেশলৈ গৈছিল আৰু যেতিয়া ৰাতি হৈছিল য'ত তেওঁ থাকিছিল তাৰে বনৰ শাক পাচলি খাইছিল আৰু বিশুদ্ধ পানী পান কৰিছিল।

পুনৰ একেখন গ্ৰন্থতে আব্দুল্লা বিন ওমৰৰ পৰা বৰ্ণিত হাদীছ আছে, পৱিত্ৰ নবীয়ে ঘোষণা কৰিছে যে আল্লাহৰ দৃষ্টিত আটাইতকৈ প্ৰিয় হ'ল দুখীয়া। সোধা হৈছিল দুখীয়াৰ অৰ্থ কি ? সিহঁত সেইবোৰ মানুহ নহয়নে যিবোৰে সিহঁতৰ বিশ্বাসৰ সৈতে যীশু মছীহৰ দৰে ত্যাগ কৰে।

## অধ্যায় -৩

### চিকিৎসা শাস্ত্ৰৰ পৰা লোৱা প্ৰমাণ সন্দৰ্ভত

যীশু (আঃ)ৰ ক্ৰুছৰ পৰা পলাই সৰা সম্পৰ্কে এটুকুৰা বহুমূলীয়া প্ৰমাণ, যাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে, সেয়া হৈছে চিকিৎসা সম্পৰ্কীয় এক পদক্ষেপ মাৰ-হাম-ই যীশুৰ মলম নামে জনাজাত শ শ চিকিৎসা বিজ্ঞানৰ গ্ৰন্থসমূহত লিপিবদ্ধ কৰা আছে। এইবোৰ গ্ৰন্থৰ কিছুসংখ্যক মেজিয়ান অথবা ইহুদীসকলৰ দ্বাৰা আৰু কিছুসংখ্যক মুছলমান সকলৰ দ্বাৰা তালিকাভূক্ত কৰা হৈছে। সেইবোৰৰ অধিক সংখ্যকেই পুৰণি। অনুসন্ধানবোৰে দেখুৱাইছে প্ৰথমতে এক প্ৰস্তুতি আহিছিল শত সহস্ৰ মানুহৰ মাজত এক মৌখিক

পৰম্পৰা হিচাবে জনাজাত হৈ। তাৰ পিছত মানুহবোৰে তাক লিপিবদ্ধ কৰিছিল। পোনপ্ৰথমতে যীশু (আঃ)ৰ সময়তে ক্ৰুছৰ ঘটনাৰ কিছু পিছত লেটিন ভাষাত ঔষধালয় সম্পৰ্কীয় কম তালিকাভুক্ত কৰা হৈছিল য'ত প্ৰস্তুতিৰ উল্লেখ আছে এই অভিমতৰ সৈতে যে এই প্ৰস্তুতি যীশু (আঃ)ৰ আঘাতৰ বাবে সাজু কৰা হৈছিল। পৰৱৰ্তীত এই কৰ্মটো কেইবাটাও ভাষাত অনুদিত হৈছিল মামুন অল ৰছিদৰ সময়ত আৰবীলৈ অনুদিত হোৱালৈকে। তদুপৰি এয়া স্বৰ্গীয় দানৰ আচহুৱা ফল যাক খ্ৰীষ্টান, ইহুদী, মেজিয়ন তথা মুছলমান আদি সকলো ধৰ্মৰ প্ৰসিদ্ধ চিকিৎসক সকলে অভিমত প্ৰকাশ কৰিছে যে ইয়াক যীশু (আঃ)ৰ বাবে শিষ্য সকলৰ দ্বাৰা প্ৰস্তুত কৰা হৈছিল। ফাৰ্মাক'লজী (দেহ ঔষধৰ ক্ৰিয়া সম্পৰ্কীয় বিজ্ঞান) সম্পৰ্কীয় গ্ৰন্থৰ অধ্যয়নে দেখুৱায় যে এই প্ৰস্তুতি আঘাত বা পৰি যোৱাৰ বাবে হোৱা ক্ষতত বৰ ফলদায়ক ৰক্তক্ষৰণ বন্ধ কৰাত আৰু ইয়াৰ মাইৰ ( Myrrh ঔষধত ব্যৱহৃত এবিধ গছৰ এঠা ) থকা বাবে ক্ষতটো অসংক্ৰমক হৈ থাকে। মলমটো প্লেগৰ বাবেও উপযোগী, ই পোৰা ঘাঁ আৰু সকলো ধৰণৰ আলছাৰৰ বাবে ভাল। যি কি নহওক এয়া পৰিষ্কাৰ নহয় যে ক্ৰুছত ভুক্তভোগী হোৱাৰ পিছত যীশু (আঃ) নিজেই স্বৰ্গীয় ইলহামৰ ফলশ্ৰুতিত এই মলমটো প্ৰস্তুত কৰিছিল নে কোনো চিকিৎসকৰ পৰামৰ্শৰ ফলত ইয়াক প্ৰস্তুত কৰা হৈছিল।ইয়াৰ কিছুমানে মৌলিক উপসৰ্গ যেনে- বিশেষ ধৰণৰ বন (spices) বিশেষকৈ মুৰাৰ যাৰ উল্লেখ তোৰাহতো পোৱা যায়। যি কি নহওক যীশু (আঃ)ৰ ক্ষতবোৰ কেইদিনতে উপশম হৈছিল এই মলমৰ ব্যৱহাৰৰ দ্বাৰা তিনি দিনতে তেওঁ যথেষ্ট সচল হৈ পৰিছিল, জেৰুজালেমৰ পৰা গেলিলিলৈ ৭০ কোছ বাট খোজ কাঢ়িবলৈ সক্ষম হৈছিল। সেয়ে এই প্ৰস্তুতিৰ উৎপাদন সম্পৰ্কে ক'বলৈ এই খিনিয়ে যথেষ্ট যে যেতিয়া যীশু (আঃ)ৰে অন্যক উপশম কৰাইছিল, এই প্ৰস্তুতিয়ে যীশু (আঃ)কো উপশামিত কৰিছিল। এই ঘটনা লিপিবদ্ধ কৰা গ্ৰন্থৰ সংখ্যা এহেজাৰতকৈ অধিক হ'ব। সেই গোটেইবোৰৰ নাম উল্লেখ কৰাটো তেনেই দীঘলীয়া হ'ব। তাৰোপৰি এই প্ৰস্তুতিটো ইউনানী চিকিৎসক সকলৰ মাজত বিখ্যাত, এই সকলোবোৰৰ গ্ৰন্থৰ নামৰ উল্লেখৰ

প্ৰয়োজন মই বেছি দেখা নাই। মই তলত মাত্ৰ কেইটামানৰ শিৰোনামা উল্লেখ কৰিলোঁ যিবিলাক ইয়াত আছে।

১। কানুন, লেখক - শ্বেইখুল ৰাইচ বু আলী ছিনা, খণ্ড-৩ পৃঃ ১৩৩

২। ছাৰাহ কানুন, লেখক - আল্লামা কুতুবুদ্দিন ছিৰাজী, খণ্ড -৩

৩। কামিল-উচ-ছানাত, লেখক - আলী বিন আববাছ আল মাজুছী, খণ্ড -৩ পৃঃ ৬০২

৪। কিতাব মাজমুৱা ই বাক্কাই মহম্মদ ইছনাইল, মুখাতিক আজ খাক্কান, লেখক - খিতাব পিদাৰ মহম্মদ বাকা খান, খণ্ড- ২ পৃঃ ৪৯৭

৫। কিতাব তাজকাৰা-ই-উল-আলবাব, লেখক - শ্বেইখ দাউদ উল জাৰীৰ উল আনতাকি, পৃঃ ৩০৩

৬। কাৰাবাদিন-ই-ৰুমি, যীশু (আঃ)ৰ সময়তে ৰচিত আৰু মামুন আল ৰাছিদৰ শাসনকালত আৰবীলৈ অনুদিত, ছালৰ ৰোগ সমূহ চাওক।

৭। উমদাত উল মুহতাজ, লেখক - আহমদ বিন হাছান আল ৰাছদি আল হাকিম এই গ্ৰন্থত মাৰহাম ই ঈছা আৰু অন্যান্য প্ৰস্তুতি এশ, সম্ভৱত এশতকৈ অধিক গ্ৰন্থৰ পৰা নোট কৰা হৈছে, এই সকলোবোৰ গ্ৰন্থ ফ্ৰান্সত আছে।

৮। কাৰাবাদীন, পাৰ্চীভাষাত, লেখক - হাকীম মহম্মদ আকবৰ আৰজানি -ছালৰ ৰোগ সমূহ

৯। ছাফী-উল আকছাম, খণ্ড - ১১ পৃঃ ২৩০

১০। মীৰাত উছ ছাফা, লেখক - হাকীম নাথো ছাহ (পাণ্ডু লিপি) ছালৰ ৰোগসমূহ

১১। জাখীৰা - ই খোৱাৰাজম ছহী ছালৰ ৰোগসমূহ

১২। ছাৰাহ কানুন গিলানী, খণ্ড -৩

১৩। ছাৰাহ কানুন কাৰাছী, খণ্ড - ৩

১৪।ক্বাৰাবাদীন, লেখক - উলৱী খান, ছালৰ ৰোগসমূহ

১৫। ইলাজ উল আমৰাজ, লেখক - হাকীম মহম্মদ শ্বৰীফ খান

ছাহাবী, পৃঃ ৮৯৩

১৬। ক্বাৰাবাদীন - উনানী, ছালৰ ৰোগসমূহ

১৭। তুহফাতুল মোমিনীন, মাখজান উল আদ্বীয়া, পৃঃ ৭১৩

১৮। মুহীত ফি তিব্বত, পৃঃ ৩৬৭

১৯। আকছীৰ ই আজম, খণ্ড - ৪, লেখক - মহম্মদ আজম ছাহীব, আখাতাব ইবা নাজীম ইজানান পৃঃ ৩৩১

২০। ক্বাৰাবাদীন লেখক - মাছুমি উল মাছুম বিন কাৰামুদ্দিন আলছুস্ত্ৰী ছিৰাজী

২১। ইজালা ই নাফিয়াহ, মহম্মদ শ্বৰীফ দেহলবী, পৃঃ ৪১০

২২। তীব্ব-ই-ছিৱী, অন্যথা লাৱামী ছিৱিয়া বুলি খ্যাত, ছৈয়দ হুছাইন ছিৱৰ খাজিমি, পৃঃ ৪৭১

২৩। মাখজান-ই ছুলাইমানী, আকছীৰ আৰাবীৰ ভাষান্তৰ, পৃঃ ৫৯৯, লেখক - মহম্মদ ছামছুদ্দিন ছাহীব, বহৱালপুৰ

২৪। ছীফা-উল-আমৰাজ-অনুবাদ মৌলনা আলহাকীম মোহানুৰ কৰিম, পৃঃ ২৮২

২৫।কিতাব আল তিব্ব- দাৰা ছাকোহী, লেখক- নুৰউদ্দিন মহম্মদ আবুল হাকিম, আইন উল মূলুক, আলছিৰাজী পৃঃ ৩৬০

২৬। মিনহাজ উদ দুকান বা দস্তুৰ উল আয়ান ফি আমালৰা তাৰকীব আল নাফিয়াহ লিল আবদান, লেখক - আফলাতুন ই জামানা, ৰা ৰাইচ ই আৱান, আব্দুল মিনা এবনে আৱি নাছৰুল আত্তা আল ইস্ৰাইলী আল হাৰুনী (ইহুদী) পৃঃ ৮৬

২৭। জুবদাত উল তাব্ব, লেখক ছৈয়দ উল ইমাম আবু ইব্ৰাহিম ইছমাইল বিন হাছানুল হুছাইনী আল জাৰাজনী, পৃঃ ১৮২

২৮। তীব্ব-ই-আকবাৰ, লেখক  মহম্মদ আকবৰ আৰজানী, পৃঃ ১৫২

২৯। ছাদিদি, লেখক - ৰাইচ উল মুতাকালিমিন ইমামুল মুহাক্কা-ই-ক্কীন-আল ছাদীদ উল কাজৰুণী, খণ্ড - ১১, পৃঃ ২৮৩

৩০। হাদী কাবিৰ, লেখক - ইবান ই জাকাৰীয়া, ছালৰ ৰোগসমূহ

৩১। ক্বাৰাবাদীন, লেখক - ইবনে ই আলমীজ, ছালৰ ৰোগসমূহ

৩২। ক্বাৰাবাদীন, লেখক - ইবনে ই আবি ছাদীক ছালৰ ৰোগসমূহ

এই গ্ৰন্থসমূহৰ উল্লেখ ইয়াত বৰ্ণনাৰ বাবে কৰা হৈছে। বিজ্ঞ মানুহ বিশেষকৈ চিকিৎসক সকল অৱগত যে অতীতৰ মুছলমান শাসনাধীন প্ৰধান স্থানবিলাকত এনেবোৰ বেছিভাগ গ্ৰন্থৰ শিক্ষা দিয়া হৈছিল। এয়া বাস্তৱ সত্য আৰু এই বিষয়ে অকনো অতিৰঞ্জিত হোৱা নাই যে প্ৰতিটো শতকতে লাখ লাখ মানুহে এইবোৰ গ্ৰন্থৰ সৈতে পৰিচিত হৈছে, প্ৰান্তে প্ৰান্তে হাজাৰ হাজাৰ মানুহে এইবোৰ অধ্যয়ন কৰিছে।এই নিশ্চয়তা দিব পাৰো যে ইউৰো আৰু এছিয়াৰ বিজ্ঞ ব্যক্তিসকলৰ কোনো এজনেও ওপৰত উল্লেখিত গ্ৰন্থসমূহৰ অন্ততঃ কিছু সংখ্যকৰ সৈতে অপৰিচিত নহয়। যেতিয়া স্পেইন কাষ্টমনিয়া আৰু স্বানত্ৰিনত বিশ্ববিদ্যালয় আছিল বু-আলী ছিনাৰ চিকিৎসা বিজ্ঞানৰ এক মহাগ্ৰন্থ কান্বাল আছিল। য'ত মৰহমে ঈছা নিৰ্বাচিত ঔষধৰ তালিকাভুক্ত আছিল আৰু অন্যান্য গ্ৰন্থ যথা ছিফা ইছাৰত আৰু বাছাৰত বিজ্ঞান,জ্যেতিৰ্বিজ্ঞান ,দৰ্শন বিষয়ক আছিল এই সকলোবোৰ গ্ৰন্থ ইউৰোপীয়ান সকলৰ দ্বাৰা অতি আগ্ৰহৰে অধ্যয়ন কৰা আৰু শিক্ষা দিয়া হৈছিল। এইদৰে আবু নছৰ ফাৰাবী আবু ৰাইহান ইস্ৰাইল,ছাবিত বিন কাৰাহ, হুনাইন বিন ইশ্বাক আৰু ইশ্বাক প্ৰমুখ্যসকলৰ কৰ্ম শিক্ষাৰ মৌলিক উৎস আছিল আৰু তেওঁলোকৰ দ্বাৰা গ্ৰীকৰ পৰা অনুদিত গ্ৰন্থ সমূহো শিকোৱা হৈছিল। তেওঁৰ কৰ্মৰাজিৰ অনুবাদসমূহ আনকি এতিয়াও নিশ্চয় ইউৰোপত পোৱা যাব। মুছলমান শাসকসকলে ঔষধৰ গোড়া পৃষ্ঠপোষক থকা হিচাপে সিহঁতে গ্ৰীক ভাষাত ভাল কৰ্মৰাজিৰ অনুবাদ প্ৰস্তুত কৰিছিল। খিলাফতৰ চৰম ক্ষমতাসমূহ ৰজাকালত অধিক সময় ব্যয় কৰিছিল যিসকলে সিহঁতৰ শাসনতকৈ জ্ঞান বৰ্দ্ধনহে বিচাৰিছিল। সেই বাবেই সিহঁতে অকল গ্ৰীক গ্ৰন্থসমূহক আৰবীলৈ অনুদিত কৰা নাছিল কিন্তু ভাৰতৰ পৰা জ্ঞানী পণ্ডিতসকলক নিমন্ত্ৰণ কৰিছিল।আৰু তেওঁলোকক চিকিৎসা বিজ্ঞান আৰু অন্যান্য গ্ৰন্থসমূহ অনুদিত কৰোৱাইছিল।তেওঁলোকক উচ্চ মানৰ মাননি প্ৰদান কৰি সেয়ে জ্ঞান

পিপাসুসকলে তেওঁলোকৰ ওপৰত থকা এক মহান ঋণ হ’ল যে সিহঁতে লেটিন আৰু গ্ৰীক চিকিৎসা বিজ্ঞান গ্ৰন্থ অনুদিত কৰিছিল য’ত যীশুৰ মলমৰ উল্লেখ আছে আৰু যিটো অন্তৰ এক স্তম্ভলেখ সেই ঘটনাৰ দলিল যে সেই মলমটো যীশুৰ ক্ষতৰ বাবে প্ৰস্তুত কৰা হৈছিল। তেতিয়াৰ ইছ্‌লামিক সময়ৰ বিজ্ঞসকলে ছাবিত বিন ক্বাৰাহ আৰু হুনাইন বিন ইছাকৰ লেখীয়া যিসকলে ঔষধৰ পৰা একাষৰীয়া হৈ বিজ্ঞান আৰু দৰ্শনত সুনাম কৰিছিল, ক্বাৰাবাদীন অনুবাদ কৰিছিল য’ত সিহঁতে মৰহাম ই-ইচ্ছাৰ উল্লেখ সজ্ঞানে ৰাখিছিল, আৰবী চৰিত্ৰত শ্বাইলিখা শব্দটো যিটো গ্ৰীক শব্দ এই পৰামৰ্শ অব্যাহত ৰাখিবলৈ যে গ্ৰন্থটো গ্ৰীক ঔষধালয় সম্পৰ্কীয় তথ্যৰ পৰা অনুদিত হৈছিল। সেই কাৰণে অন্তত প্ৰতিটো গ্ৰন্থতেই ছাইলিখা শব্দটোক অৱতাৰণা কৰা হৈছিল।

তদুপৰি ইয়াকো নোট কৰা আৱশ্যক যে যদি প্ৰাচীন মুদ্ৰাবোৰ মহামূলীযা অতিহাসিক মহা ৰহস্যবোৰ উদ্ঘাটন কৰাৰ বাবে তথাপিও প্ৰাচীন গ্ৰন্থসমূহ যিবোৰ সকলো সময়তে লাখ লাখ মানুহৰ মাজত জনাজাত যিবোৰ জ্ঞান প্ৰদানৰ কেন্দ্ৰসমূহত পাঠ্যপুথি হিচাবে শিক্ষা দিয়া হৈছে আৰু এতিয়ালৈকে উদ্দেশ্যে মতে তাক দিয়ে আছে। সেইবোৰ মুদ্ৰা বা স্তম্ভলেখসমূহতকৈ হাজাৰবাৰ অধিক মূল্যবান। কাৰণ মুদ্ৰা বা স্তম্ভলেখৰ ক্ষেত্ৰত মিথ্যাৰ উল্লেখ থকাৰ সম্ভৱনা থাকি যায়। আনহাতে শিক্ষাৰ গ্ৰন্থসমূহ ৰচনা কালৰ পৰা লাখ লাখ মানুহৰ সৈতে পৰিচিত থাকে আৰু সুৰক্ষিত থাকে আৰু সকলো জাতিৰ দ্বাৰা ৰক্ষণাবেক্ষণ দিয়া হয় আৰু আনকি আজিলৈকে যাক ৰক্ষণাবেক্ষণ দি অহা হৈছে সেয়া তেনেই মূল্যবান সাক্ষী যে সেইবোৰৰ সৈতে মুদ্ৰা আৰু স্তম্ভলেখাৰ তুলনা নহয়। এনে কোনোবা আছেনে যিজনে কোনো মুদ্ৰা বা স্তম্ভলেখৰ নাম ক’ব পাৰি যিটো বু আলী ছিনাৰ কানুনৰ লেখীয়া ব্যাপক জনাজাত হৈছে ? থোৰতে যীশু (আঃ)ৰ মলম সত্যান্বেষীসকলৰ বাবে অতি আৱশ্যকীয় সাক্ষী হৈ পৰিছে। যদি এনে সাক্ষীক অবিশ্বাস কৰিবলগীয়া হয় তেন্তে সকলোবোৰ ঐতিহাসিক প্ৰমাণক দলিয়াই পেলাব লাগিব, কাৰণ সেইবোৰ গ্ৰন্থৰ পৰা একাষৰীয়া হৈ যিবোৰত মৰহাম ই-ঈছাৰ উল্লেখ আছে

সেইবোৰ হেজাৰ বা ততোধিক হ'ব, সেইবোৰ আৰু সেইবোৰৰ লেখকসকলক মিলিয়নে মিলিয়নে মানুহ জানে। কোনো এনে এক সুস্পষ্টতাকে স্বীকাৰ নকৰিব আৰু বলিষ্ঠ ঐতিহাসিক প্ৰমাণবোৰ অস্বীকৃত হ'ব। তেওঁ কেতিয়াবা এনে বলিষ্ঠ প্ৰমাণ উলাই কৰিবনে ? আমি এনে এক গাম্ভীৰ্যপূৰ্ণ প্ৰমাণক সন্দেহ কৰিব পাৰোনে যিটো এছিয়া আৰু ইউৰোপত বিস্তৃতি লাভ কৰিছে আৰু যিটো ইহুদী,খ্ৰীষ্টান,মেজিয়ান আৰু মুছলমানৰ খ্যাতনামা দাৰ্শনিকৰ দ্বাৰা অভিমত লিপিবদ্ধ হৈছে ?

এতিয়া শুভ মানসিকতা সম্পন্ন সন্ধানকাৰী সকলক মনোনিৱেশ কৰোৱা হওঁক তেওঁলোকে এনে এক অভিনয় প্ৰমাণৰ প্ৰতি তৎপৰ হোৱা আৰু মনোনিৱেশ কৰা উচিত। এনে এক জলন্ত প্ৰমাণক উপেক্ষা কৰা উচিত হ'বনে ? এই সত্যৰ সূৰ্য্যৰ পৰা আমি জীৱন লাভ নকৰিমনে ? এই ভ্ৰম সম্পূৰ্ণ বক্ৰ বা ভিত্তিহীন। সম্ভৱত যে যীশু (আঃ)য়ে তেখেতৰ নবুয়তৰ পূৰ্বেই বা সেই সময়তে হয়তো কোনো আঘাত পাইছিল, নতুবা তেখেত (আঃ)ধৰ্ম পৰিচালনাৰ কাৰণে কোনো সময়ত আঘাত পাইছিল। কিন্তু ক্ৰুছবিদ্ধকৰণৰ ফলত হয়তো নহয়, তেখেতৰ হাত ভৰিত আঘাত হয়তো অন্য কাৰণতো পাব পাৰে, তেখেত হয়তো ঘৰৰ ছাদৰ পৰা বাগৰি পৰি যাব পাৰে আৰু মলমটো হয়তো সেই আঘাতৰ বাবে প্ৰস্তুত কৰা হ'ব পাৰে এই সকলো ধাৰণা অস্বাভাৱিক। এইবোৰ স্বাভাৱিক এইবাবেই যে তেখেতৰ নবুয়তৰ পূৰ্বে তেখেতৰ শিষ্য নাছিল যি ক্ষেত্ৰত মলমটোৰ সৈতে তেখেতৰ শিষ্য সকলৰ কথাও উল্লেখ আছে। ছাইলিখা শব্দটো যিটো আচলতে গ্ৰীক শব্দ যাক বাৰ (১২) কোৱা হয় আৰু এতিয়ালৈকে এইবোৰ গ্ৰন্থত পোৱা যায়। তদুপৰি নবুয়তৰ পূৰ্বে যীশু এনে কোনো খ্যাতনামা ব্যক্তি নাছিল যে তেখেতৰ জীৱনৰ ঘটনাৱাজি লিপিবদ্ধ কৰি ৰাখিছিল। তেখেতৰ ধৰ্ম পৰিচালনা মাত্ৰ 3½ বছৰ অব্যাহত আছিল আৰু এই সময়ছোৱাত একমাত্ৰ ক্ৰুছৰ ঘটনাৰ বাহিৰে অইন কোনো ঘটনাৰ তেখেত জীৱন তথ্যত পোৱা নাযায়। যিয়ে নহওঁক যদি কোনোবাই হেচাপ্ৰাপ্ত হৈছিল যে যীশু অন্য কোনো কাৰণত আঘাতপ্ৰাপ্ত হৈছিল তেন্তে তেখেতৰ বাবে তাক প্ৰমাণ কৰাৰ প্ৰয়োজন আছিল। যিটো আমি উল্লেখ কৰিছোঁ সেয়া প্ৰমাণিত আৰু স্বীকৃত এইবাবেই

যে ইহুদী নতুবা খ্ৰীষ্টান কোনেও অস্বীকাৰ কৰা নাই সেয়া ক্ৰুছজনিত ঘটনাটো। যি কি নহওঁক যীশু অন্য কাৰণত আঘাত পোৱাটো কোনো ঐতিহাসিক দলিলৰ দ্বাৰা প্ৰমাণিত নহয়।এনে এক ধাৰণা সেয়ে গ্ৰাহ্য কৰিবলৈ সজাগ ভাৱে আৰু জনা জনিকৈ সত্যৰ পথৰ পৰা ভ্ৰষ্ট হৈছে। প্ৰমাণটো যাক উপেক্ষা কৰা হৈছে সি তেনেকুৱা নহয় যাক অস্বাভাৱিক পৰমাৰ্শৰ ভিত্ততেই অগ্ৰাহ্য কৰিব পাৰি।

আজিলৈকে আনকি অনেক পাণ্ডুলিপি আছে, মোৰ হাত বু আলী ছিনাৰ তদানীন্তন হস্তাক্ষৰৰ কানুনৰ নকল আছে। সেয়ে এয়া অন্যায় হ'ব। সত্যক মুকলি ভাৱে হত্যা কৰা হ'ব ইয়াৰ দ্বাৰা সুস্পষ্ট প্ৰমাণক দলিয়াই পেলোৱাটো। ইয়াক বাৰম্বাৰ চিন্তা কৰক, ইয়াক গভীৰ ভাৱে ভাৱক এইবোৰ গ্ৰন্থ এতিয়াও ইহুদী, মেজিয়ান, খ্ৰীষ্টান, আৰৱীয় পাৰ্চীয়ান, গ্ৰীক, ৰোমান আৰু জাৰ্মান, ফৰাছীসকলৰ সৈতে ইউৰোপ আৰু এছিয়াৰ প্ৰাচীন গ্ৰন্থালয়সমূহত আছে। ইয়াৰ দৰে এক প্ৰমাণৰ পৰা বৈমুখ হোৱা জানো সমীচিন হ'ব যাৰ প্ৰজ্বলিত সৌন্দৰ্যই অস্বীকাৰৰ চকুক কপাই তোলে। যদি এইবোৰ গ্ৰন্থ অকল মুছলমানৰ দ্বাৰা ৰচিত হ'লহেঁতেন আৰু যদি এই গ্ৰন্থসমূহ অকল ইছলামৰ অনুসাৰীসকলৰ হাতত থাকিলেহেঁতেন তেতিয়া এনে হ'ব পাৰিলেহেঁতেন যে মানুহবোৰে এই সিদ্ধান্তত আহিলেহেঁতেন যে মুছলমান সকলে অভিমতটো উদ্দেশ্য প্ৰণোদিত ভাৱে সজাই লৈছে সিহঁতৰ গ্ৰন্থসমূহ লিপিবদ্ধ কৰিছিল এই উদ্দেশ্যই যে ই যাতে খ্ৰীষ্টান জাতিৰ অনুভূতিক আক্ৰমণ কৰিব পাৰে। কিন্তু মই থোৰতে উল্লেখ কৰা কাৰণবোৰৰ পৰা একাষৰীয়াকৈ এয়া এক ভিত্তিহীন পৰামৰ্শ। এই ঘটনাৰ বাবেও যে এনে ধৰণৰ প্ৰবঞ্চনাৰ দোষত মুছলমান সকল কেতিয়াও দোষী হ'ব নোৱাৰে কাৰণ খ্ৰীষ্টান সকলৰ দৰেই মুছলমান সকলেও বিশ্বাস কৰে যে ক্ৰুছৰ ঘটনাৰ পিছত যীশু সোনকালেই স্বৰ্গলৈ উঠি গৈছিল। তদুপৰি মুছলমান সকলে বিশ্বাস নকৰে যে যীশু (আঃ)ক একেবাৰে ক্ৰুছত দিয়া হৈছিল। নতুবা তেওঁ ক্ৰুছবিদ্ধ কৰণৰ বাবে আঘাত প্ৰাপ্ত হৈছিল। তেন্তে কেনেকৈ সিহঁতে জানি শুনি বিৰোধী অভিমত সজাব ? আনহাতে ইছলামৰ তেতিয়া অস্তিত্বই নাছিল যেতিয়া ঔষধৰ ওপৰত

এই গ্ৰন্থসমূহ লেটিন আৰু গ্ৰীক ভাষাত ৰচিত হৈছিল।আৰু হাজাৰ বিজাৰ মানুহৰ মাজত প্ৰচলিত কৰিছিল, যিবোৰ গ্ৰন্থত যীশু (আঃ)ৰ মলমৰ বাচনি আছে এই বিৰৰণৰ সৈতে যে এই মলম যীশু (আঃ)ৰ শিষ্যসকলৰ দ্বাৰা প্ৰস্তুত কৰা হৈছিল। আৰু মানুহসকল যথা- ইহুদী, খ্ৰীষ্টান, মুছলিম আৰু মেজিয়ান সকলে তেওঁৰ ধৰ্মৰ সৈতে পৰস্পৰ বিৰোধী। সেয়ে বাস্তৱ এয়া যে সিহঁতে এই মলমটোৰ উল্লেখ সিহঁতৰ গ্ৰন্থসমূহত কৰিছিল অথবা বাস্তৱ ঘটনা যে সিহঁতৰ আনকি এই বিশ্বাস সম্পৰ্কে কোনো ভাৱনা নাই। এয়াই স্পষ্ট প্ৰমাণ যে মলমটোৰ প্ৰস্তুতিটো এক ভালদৰে জনাজাত ঘটনা যে ইয়াক কোনো সম্প্ৰদায় জাতিৰ দ্বাৰা অস্বীকৃত হ'ব নোৱাৰে। যি কি নহওঁক এয়া সত্য যে প্ৰতিশ্ৰুত মছীহৰ আৱিৰ্ভাৱৰ সময়লৈকে এই বাচনিৰ পৰা লাভান্বিত হ'বলৈ এইবাৰ মানুহৰ মনত নপৰিছিল যাক শ শ গ্ৰন্থত ব্যক্ত কৰা হৈছিল আৰু বিভিন্ন জাতিৰ লাখ লাখ মানুহক অৱগত কৰা হৈছিল। আমাৰ সেয়ে এই সম্পৰ্কত অস্বীকাৰ কৰাৰ বিকল্প নাই যে আল্লাহে ইচ্ছা কৰিছিল- তেওঁৰ দ্বাৰা পৰিকল্পিত হৈছিল যে এই উজ্জ্বল অস্ত্ৰ আৰু এই সত্য প্ৰকাশী প্ৰমাণ যিটো ক্ৰুছৰ বিষয়ে বিশ্বাস ধ্বংস কৰে তাক প্ৰতিশ্ৰুত মছীহৰ দ্বাৰা ব্যাখ্যা হোৱা উচিত। কাৰণ পৱিত্ৰ নবী জনাই ভৱিষ্যত বাণী কৰিছিল ক্ৰুছৰ বিশ্বাস ধ্বংস নতুবা ইয়াৰ উন্নতি বন্ধনমুক্ত হৈ থাকিব প্ৰতিশ্ৰুত মছীহ এই পৃথিৱীলৈ আৱিৰ্ভুত হোৱালৈকে। এয়া প্ৰতিশ্ৰুত মছীহ আছিল যাৰ হাততে ক্ৰুছৰ ভাঙন সম্পাদিত হ'ল। ভৱিষ্যত বাণীটোৰ ইঙ্গিত আছিল যে প্ৰতিশ্ৰুত মছীহৰ সময়ত আল্লাহে এনে পৰিৱেশৰ গঢ় দিব যিয়ে ক্ৰুছবিদ্ধ কৰণ সম্পৰ্কীয় প্ৰকৃত সত্যৰ পৰ্দা মুকলি কৰিব। তেতিয়াই সমাপ্তি আহিব আৰু ক্ৰুছৰ জনবিশ্বাস জীৱনৰ অন্তিম সীমা অতিক্ৰম কৰিব। যি কি নহওঁক, সেয়া যুদ্ধ আতংকৰ পৰিণতিত নহয়, কিন্তু স্বৰ্গীয় বাহকৰ জৰিয়তে যিটো এই পৃথিৱীত যুক্তি আৰু আৱিষ্কাৰৰ ৰূপত আত্মপ্ৰকাশ কৰিব। এয়াই বুখাৰী আৰু অন্যান্য সকলৰ দ্বাৰা উল্লেখিত হাদীছৰ অৰ্থ এয়া সেয়ে অৱশ্যম্ভাৱী যে স্বৰ্গৰ এই প্ৰমাণবোৰ আৰু এই অনুসিদ্ধান্তমূলক

সাক্ষীবোৰ প্ৰকাশ কৰিবলগীয়া নাছিল প্ৰতিশ্ৰুত মছীহৰ আৱিৰ্ভাৱৰ সময় নহালৈকে। গতিকে এয়া অতিক্ৰম কৰিবলৈ আহিল। প্ৰতিশ্ৰুত মছীহৰ সময়ৰ পৰা পিছলৈ চকুবোৰ খোল খাব আৰু প্ৰশ্নটোৰ ওপৰত মানুহৰ চিন্তা নিয়োজিত হ'ব। কাৰণ আল্লাহৰ মছীহ আৱিৰ্ভূত হ'ল। এতিয়া নিশ্চয় বুদ্ধিবোৰ প্ৰখৰ হ'ল অন্তৰবোৰ মনোযোগী হ'ল, সকলোৱে কামৰ বাবে প্ৰস্তুত হ'ল ন্যায়বাদী আত্মাবোৰক জ্ঞান দিয়া হ'ল আৰু প্ৰতিজন ইচ্ছা সম্পন্ন ব্যক্তিয়ে কাৰণ পালে। কাৰণ যিটোৱে স্বৰ্গক আলোকিত সেয়া পৃথিৱীখনকো প্ৰজ্বলিত কৰিলে। তেওঁৱেই আৰ্শীবাদ প্ৰাপ্ত আৰু সৌভাগ্যশালী যিয়ে এই পোহৰৰ অংশীদাৰ হয়। যিদৰে ফলসমূহ বতৰবোৰতে প্ৰস্ফুটিত সেইদৰে পোহৰ নিৰ্ধাৰিত সময়তে ভাহি আহে কোনোৱে ইয়াক ইয়াৰ অৱতৰণৰ পূৰ্বে নমাই আনিব নোৱাৰে নতুবা অৱতৰণৰ সময়ত ইয়াক ৰোধ কৰিবও নোৱাৰে। বৈসাদৃশ্য আৰু বিসম্বাদ নিশ্চয়কৈ থাকিব পাৰে যি কি নহওঁক শেষত সত্যটোহে বৰ্তি থাকিব। কাৰণ মানুহৰ কৰ্ম নহয়। মানৱ সন্তানৰ ইয়াত কোনো হাত নাই। এয়া ঈশ্বৰৰ পৰাহে যিয়ে বতৰবোৰ পৰিৱৰ্তন কৰায়। সময়ক গতি কৰায়, ৰাতিক দিনলৈ আৰু দিনক ৰাতিলৈ পৰিৱৰ্তন কৰে। তেওঁ এন্ধাৰ সৃজন কৰিছে যদিও পোহৰকে ভাল পায়। তেওঁ শ্বিৰক (অংশীবাদী)ক পৃথিৱীত থাকিবলৈ দিয়ে কিন্তু তৌহিদ বা একত্ববাদক ভাল পায়। তেওঁ নিজৰ গৌৰৱ আনলৈ প্ৰত্যাৱৰ্তন কৰিবলৈ নিবিচাৰে। মানুহৰ সৃষ্টিৰ পৰা মানৱ জীৱন পৃথিৱীৰ পৰা নোহোৱা হোৱালৈকে স্বৰ্গীয় নীতি হ'ল যে ঈশ্বৰ তেওঁৰ তৌহিদ বা একত্বক সমৰ্থন কৰে। তেওঁৰ দ্বাৰা প্ৰেৰিত সকলোবোৰ নবীৰ উদ্দেশ্য হ'ল মানৱ আৰু অন্যান্য জীৱ পূজাৰ স্থানত তেওঁৰ পূজাক সংস্থাপিত কৰাটো। এই পৃথিৱীলৈ তেওঁলোকে আগবঢ়োৱা সেয়া এই পদ্ধতিত অইন কোনো পূজা নাই কিন্তু আল্লাহ এই পৃথিৱীখনক আলোকিত কৰিবলৈ যিদৰে ই স্বৰ্গক আলোকিত কৰে। সেইবোৰৰ ভিতৰত সেয়ে আটাইতকৈ ডাঙৰ তেওঁ যিজনে এই পদ্ধতিটোক মেধাৰে আলোকিত কৰিছিল। যি সকলে ভ্ৰান্ত দেৱতাৰ পূজা কৰিছিল আৰু সিহঁতৰ শূন্যতা প্ৰমাণ কৰিছিল যুক্তি আৰু ক্ষমতাৰ ভিত্তিত

এই পদ্ধতিৰ ৰূপত, আল্লাহৰ বাহিৰে আন কোনো উপাস্য নাই মহম্মদ আল্লাহৰ ৰছুল। তেওঁ এই পদ্ধতি আল্লাহৰ বাহিৰে কোনো উপাস্য নাই মিছা অহঙ্কাৰত ঘোষণা কৰা নাছিল বৰং তেওঁ প্ৰথমতে প্ৰমাণ দিছিল আৰু ভ্ৰান্ত বিশ্বাসৰ ভুলবোৰ উদঙাই দিছিল আৰু তেতিয়া মানুহবিলাকক দেখিবলৈ আহ্বান জনাইছিল যে তেওঁৰ বাহিৰে আন কোনো উপাস্য নাই। কোনে সিহঁতৰ ক্ষমতা চুৰ্ণ কৰিলে আৰু কোনে সিহঁতৰ অহঙ্কাৰ হৰণ কৰিলে সেয়ে এই প্ৰমাণিত বাস্তৱক অৱশিষ্ট অস্তিত্ব হিচাপে তেওঁ এই আশীষপ্ৰাপ্ত পদ্ধতি শিকালে, আল্লাহৰ বাহিৰে আন কোনো উপাস্য নাই মহম্মদ তেওঁৰ প্ৰেৰিত ৰছুল।

# চতুৰ্থ অধ্যায়

## ঐতিহাসিক গ্ৰন্থ সমূহৰ দ্বাৰা প্ৰমাণ

নিম্নোক্ত অধ্যায় সমূহ বিভিন্ন ধৰণৰ প্ৰমাণ সম্বলিত হোৱা বাবে ইয়াৰ ক্ৰম স্পষ্টিকৰণৰ বাবে ইয়াক কেইবাটাও বিভক্ত কৰা হ'ল ঃ

### শাখা এক

ইছলামীক গ্ৰন্থ সমূহৰ দ্বাৰা প্ৰমাণ যিবোৰত যীশুৰ ভ্ৰমণৰ উল্লেখ আছে

**ৰোউজাতুছ ছাফা** নামৰ এক বিখ্যাত ঐতিহাসিক গ্ৰন্থত ১৩০-১৩৫ পৃষ্ঠাত ফাৰ্চী ভাষাত এক বিৱৰণ আছে যাক নিম্নোক্ত ধৰণে সংক্ষেপে অনুদিত কৰা হ'ল।

যীশু (আঃ)ক মছীহ (মেছীয়াহ) নামাকৰণ কৰা হৈছিল কাৰণ তেওঁ এজন মহা ভ্ৰমণকাৰী আছিল। তেওঁ মূৰত উলৰ স্কাৰ্ফ আৰু গাত উলৰ হলৌ চোলা পৰিধান কৰিছিল। তেওঁ হাতত এডাল লাখুটি ৰাখিছিল।

তেওঁ ইখন দেশৰ পৰা সিখন দেশলৈ আৰু ইখন চহৰৰ পৰা সিখন চহৰলৈ ভ্ৰমি ফুৰিছিল। ৰাতি নামিলে তেখেত (আঃ) সেই সময়ত য'ত আছিল তাতেই কটাইছিল। তেখেত বনৰ শাক-পাচলু আহাৰ কৰিছিল। বন্য প্ৰাণী খাইছিল আৰু খোজ কাঢ়ি ভ্ৰমণ কৰিছিল। তেখেতৰ সহগামী সকলে তেখেতৰ এক ভ্ৰমণত তেখেতৰ বাবে এটা ঘোঁৰা কিনি দিছিল। তেখেত এদিন তাত আৰোহণ কৰিছিল। কিন্তু ঘোঁৰাটোৰ খাদ্য যোগান ধৰিব নোৱাৰা বাবে তাক তেখেত (আঃ)য়ে ঘূৰাই দিছিল। স্বদেশৰ পৰা আহি তেখেত নাচিবাইন পাইছিল যিখন ঠাই তেখেতৰ (আঃ)ৰ ঘৰৰ পৰা কেইবা মাইল দূৰত আছিল। তেখেতৰ সৈতে কেইজন মান শিষ্য আছিল যিসকলক তেখেত (আঃ)য়ে চহৰলৈ ধৰ্ম প্ৰচাৰৰ বাবে প্ৰেৰণ কৰিছিল। চহৰখনত যীশু (আঃ) আৰু তেখেতৰ মাতৃ সম্পৰ্কে প্ৰচলিত ভ্ৰান্তি আৰু ভিত্তিহীন উৰা বাতৰি প্ৰচাৰ হৈছিল। চহৰখনৰ গৱৰ্ণৰজনে সেই শিষ্য সকলক গ্ৰেপ্তাৰ কৰিছিল আৰু যীশু (আঃ)ক মাতি পঠাইছিল। যীশুৱে অলৌকিক ভাৱে কিছু ব্যক্তিক সুস্থ কৰিছিল আৰু অন্যান্য অলৌকিক ঘটনা প্ৰদৰ্শন কৰিছিল। নাচিবিয়ান সাম্ৰাজ্যখনৰ ৰজাই সেয়ে তেওঁ সৈন্য সামন্তৰে আৰু মানুহসকলৰ সৈতে তেওঁৰ অনুগামী হৈছিল। পৱিত্ৰ কোৰাণত থকা খাদ্য নামি অহা আখ্যানটো তেখেতৰ ভ্ৰমণ কৰা সময়লৈকে হৈছিল।

এয়া থোৰতে ৰাউজাত উচ্চ ছাফাৰ অভিমত। গ্ৰন্থখনৰ লেখকে যি কি নহওঁক যীশু (আঃ) সম্পৰ্কে বহুতো অস্বাভাৱিক আৰু অযুক্তিকৰ বৰ্ণনা দাঙি ধৰিছিল ইয়াত যিবোৰৰ উল্লেখ মই কৰা নাই আৰু মোৰ বৰ্ণনাখিনি মিথ্যা আৰু অস্বাভাৱিক অতিৰঞ্জনৰ পৰা মুক্ত ৰাখি মই প্ৰকৃত দৃষ্টিকোণলৈ ঘূৰি আহি এই সিদ্ধান্তত উপনীত হওঁ যে যীশু (আঃ) তেওঁৰ ভ্ৰমণকালত নাচিবিয়ান নামে স্থানত উপস্থিত হৈছিল। এই নাচিবিয়ান হৈছে মোচুল ছিৰিয়াৰ মাজৰ এক স্থান যাক ইংৰাজ মানচিত্ৰক নাচিবাচ কোৱা হৈছে। যদি কোনোবাই ছিৰিয়াৰ পৰা পাৰ্চীয়ালৈ ভ্ৰমণ কৰে তেওঁ নাচিবাইন পাৰ হ'ব লাগিব, যিটো জেৰুজালেমৰ পৰা ৪৫০ মাইল দূৰ মোচুল নাচিবাইনৰ

পৰা ৪৮ মাইল দূৰ আৰু জেৰুজালেমৰ পৰা পাঁচ শ মাইল দূৰত অৱস্থিত। পাৰ্চীয়াৰ পূৱ সীমা মুৰীয়া অংশ আফগানিস্থান হিৰাত চহৰত থকা ঠেকা খাইছে। অৰ্থাৎ হিৰাত আফগানিস্থানৰ পশ্চিম সীমান্তত আছে পাচীৰ্য়ান সাম্ৰাজ্যৰ ফালে আৰু পাৰ্চীয়াৰ পশ্চিম সীমাৰ পৰা প্ৰায় ৯০০ মাইল আঁতৰত আছে।হিৰাৰ পৰা খাইবাৰ পাচলৈকে দূৰত্ব প্ৰায় ৫০০ মাইল। সিপিঠিত যীশু (আঃ)য়ে ভ্ৰমণ কৰা সম্ভাব্য মানচিত্ৰ দিয়া হ'ল।

মানচিত্ৰটোৱে যীশু (আঃ)য়ে কাশ্মীৰলৈ প্ৰব্ৰজন কৰাত ব্যৱহাৰ কৰা পথ দেখুৱা হৈছে। তেখেতৰ প্ৰব্ৰজনৰ উদ্দেশ্য আছিল যে তেখেত ইজৰাইলী সকলক লগ কৰিব লাগে যিসকলক ৰজা শ্বালমানেছাৰ মেডিয়ালৈ বন্দী কৰি ৰাখিছিল। লক্ষ্য কৰিবলগীয়া যে খ্ৰীষ্টান সকলৰ দ্বাৰা প্ৰকাশিত মানচিত্ৰ মেডিয়াক খিজাৰ (এজোভ) সাগৰৰ দক্ষীণলৈ দেখুওৱা হৈছে য'ত আজি পাৰ্চীয়া অৱস্থিত। এইটোৱে ইয়াকে বুজায় যে ঠাই টুকুৰা যিকোনো প্ৰকাৰে দেশখনৰ অংশ আছিল যিটোৱে আজি পাৰ্চীয়া গঠিত কৰা হৈছে। পাৰ্চীয়াৰ পূৱ সীমান্ত আফগানিস্থান লগ লাগিছে। দক্ষিণ দিশত সাগৰ আছে আৰু পশ্চিম দিশত তুৰ্কী সাম্ৰাজ্য। ৰাউজাতুছ-ছাফাৰ তথ্য যদি শুদ্ধ তেন্তে অনুমান হয় যে নাচিবাইনলৈ ভ্ৰমণ কৰি যীশু (আঃ)য়ে পাৰ্চীয়াৰ মাজেৰে আফগানিস্থানলৈ আহিব বিচাৰিছিল হেৰুৱা ইহুদী সকলক সত্যলৈ আহ্বান জনাইছিল যিসকলক আফগান বুলি জনা গৈছিল। আফগান শব্দটো হিব্ৰু মূলৰ পৰা অহা যাৰ অৰ্থ বীৰ। এনে লাগে যেন সিহঁতৰ বিজয়ৰ উচ্চতাত সিহঁত নিজেই এই নামটো গ্ৰহণ কৰিছিল।

মুঠতে যীশু (আঃ)য়ে আফগানিস্থানৰ মাজেৰে পঞ্জাৱলৈ আহিছিল পঞ্জাৱ আৰু হিন্দুস্থান চোৱাৰ পাছত কাশ্মীৰলৈ যাবৰ অৱশেষ মনোবাঞ্ছা মনতকৈ। লক্ষণীয় যে চিত্ৰাল আৰু পঞ্জাৱৰ সৰু সীমাই আফগানিস্থানৰ পৰা কাশ্মীৰখনক বিভাগ কৰি ৰাখিছে। যদি কোনোবাই অফগানিস্থানৰ পৰা

কাশ্মীৰলৈ পঞ্জাৱৰ মাজেৰে ভ্ৰমণ কৰে তেওঁ ৮০ মাইল বা ১৩৫ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিব লাগিব।

যীশু আফগানিস্থানৰ মাজেৰে ৰাস্তা লৈছিল যাতে আফগানিস্থান বোলা ইজৰাইলৰ হেৰোৱা জন গোষ্ঠীবোৰ তেওঁৰ পৰা উপকৃত হ’ব পাৰে। কাশ্মীৰৰ পূৰ্ব সীমান্ত তিববতত লাগিছে। কাশ্মীৰৰ পৰা তেওঁ উজুভাৱে তিববতলৈ যাব পাৰিছিল। পঞ্জাৱলৈ আহি তেখেতৰ বাবে ভাৰতৰ দৰকাৰী স্থানবোৰ চাই ফুৰাটো কোনো টান কাম নাছিল কাশ্মীৰ বা তিববতলৈ যোৱাৰ পূৰ্বেই। সেয়ে এই দেশৰ কিছুমান পুৰণি ঐতিহাসিক তথ্যই দেখুৱায় যে যীশু (আঃ)য়ে নেপাল,বাৰণসী,আৰু অন্যান্য স্থানবোৰ দৰ্শন কৰাটোও সম্পূৰ্ণ সম্ভৱ। তেখেত তাৰ পিছত জম্মু আৰু ৰাৱলপিণ্ডিৰ মাজেৰে কাশ্মীৰলৈ গৈছিল। তেখেত চেঁচা দেশৰ মানুহ হিচাপে নিশ্চিত যে তেখেত এইবোৰ প্ৰদেশত থাকিছিল অকল শীতকালত আৰু মাৰ্চ মাহৰ শেষান্তত বা এপ্ৰিলৰ আৰম্ভণিতে তেখেত নিশ্চয় কাশ্মীৰ অভিমুখে যাত্ৰা কৰিছিল। কাশ্মীৰ শ্বাম দেশৰ (ছিৰিয়া আৰু চৌদিশৰ দেশ সমূহ) লেখীয়া হোৱা হেতুকে তেখেত নিশ্চয় তাতেই স্থায়ী ভাৱে বসতি কৰিছিল। তদুপৰি এয়াও সম্ভৱ যে তেখেত (আঃ)য়ে কিছু সময়ৰ বাবে আফগানিস্থানত থাকিব পাৰে আৰু এয়াও অসম্ভৱ নহয় যে তেখেত সেই দেশত বিয়াও কৰাইছিল। আফগান সকলৰ এক জনগোষ্ঠী ঈছা খেল নামে জনাজাত। এয়া আচৰিত নহয় যদি সিহঁত যীশুৰ উত্তৰ পুৰুষ নহয়। এয়া পৰিতাপযোগ্য যে আফগান সকলৰ ইতিহাস এক নিশৃঙ্খল অৱস্থাত আছে সেয়ে সিহঁতৰ জনগোষ্ঠী সম্পৰ্কে অধ্যয়নৰ দ্বাৰা এক নিশ্চয়তাত উপনীত হোৱা কঠিন। যি কি নহওঁক কোনো সন্দেহ নাই যে কোনো আফগান সকল কাশ্মীৰ সকলৰ দৰে ইজৰাইলী যিসকলে তেওঁলোকৰ গ্ৰন্থত ইয়াৰ বিপৰীতে অভিমত কৰে তেওঁ অতিপাত বিপথে পৰিচালিত হয়,যদিও সেই ঘটনাটোৰ ওপৰত পৰ্য্যপ্ত অধ্যয়ন নকৰে। আফগানসকলে স্বীকাৰ কৰে সিহঁত ক্বাইতৰ বংশধৰ আৰু ক্বাইত ইজৰাইলৰ এয়া যি কি নহওঁক এই আলোচনাটো ইয়াত দীঘলীয়া কৰা আৱশ্যক।

মই ইতিপূৰ্বে মোৰ এখন গ্ৰন্থত এই প্ৰশ্নৰ বিশদ আলোচনা কৰিছোঁ। ইয়াত মই নাচিবাইন,আফগানিস্থান পঞ্জাৱৰ মাজেৰে কাশ্মীৰ আৰু তিবৰতলৈ কৰা যীশু (আঃ)ৰ ভ্ৰমণৰ বিষয়েহে বিতং জনাবলৈ লৈছো। এই দীৰ্ঘ ভ্ৰমণৰ বাবে তেখেত ভ্ৰমণকাৰী নবী বা ভ্ৰমণকাৰী সকলৰ অগ্ৰণী নাম দিয়া হৈছিল। এগৰাকী মুছলিম বিজ্ঞ ব্যক্তি ইবন আল ৱালিদ আলফাহৰী ,আলতাৰতুছী আল মালিকী যি গৰাকী তেওঁৰ জ্ঞানৰ বাবে খ্যাত যীশু (আঃ)ৰ বিষয়ে তেওঁৰ গ্ৰন্থ ছিৰাজুল মালুক পৃষ্ঠাত উল্লেক কৰিছে যিখন ১৩০৬ হিজৰীত ইজিপ্তৰ মাতবা খাইৰিয়াৰ দ্বাৰা প্ৰকাশিত হৈছিল। তাত উল্লেখ আছে ক'ত আছে ঈছা ৰুহুল্লাহ কালিমাতুল্লাহ যিজন ন্যায়বাদী সকলৰ অগ্ৰণী আৰু ভ্ৰমণকাৰী সকলৰ মূখ্য আছিল। অৰ্থাৎ তেওঁ মৃত্যু বৰণ কৰিছিল আৰু তেওঁৰ লেখীয়া এজন মহা মানৱ এই পৃথিৱীৰ পৰা বিদায় লৈছিল। লক্ষ্য কৰিবলগীয়া যে এনেগৰাকী বিক্ষ ব্যক্তিত্বৰ যীশুক অকল ভ্ৰমণকাৰী বোলা নাই কিন্তু ভ্ৰমণকাৰী সকলৰ মুখ্য বুলি কৈছে।

সেইদৰে লিছানুল আৰবৰ ৪৬১ পৃষ্ঠাত উল্লেখিত আছে যীশুক মছীহ নাম দিয়া হৈছিল কাৰণ তেও ঘূৰি ফুৰিছিল আৰু আন এটা কাৰণ আছিল যে তেখেত এক স্থানত স্থায়ী ভাৱে থকা নাছিল। হুবহু একেই কথা লিপিবদ্ধ আছে তাজুল উৰুছ শ্বাৰাহ কামুছত। তাত এয়াও উল্লেখ আছে যে তেওঁৱেই মছীহ, যাক উত্তমতা আৰু আশীষ দান কৰা হৈছে। অৰ্থাৎ তেখেতক এইবোৰ এনে পৰিমাণে দিয়া হৈছে যে আনকি তেওঁক স্পৰ্শ কৰা জনেই আশীষ প্ৰাপ্ত হয় আৰু এই নামটো যীশু (আঃ)ক দিয়া হৈছিল কাৰণ ঈশ্বৰে এই নামটো তাকে দিয়ে যাক তেওঁ ভাল পায়। ইয়াৰ বিপৰীতে অন্য যিজন মছীহ আছে যাৰ পৰশ বেয়া অভিশপ্ত অৰ্থাৎ তেওঁৰ স্বভাৱ অভিশাপ আৰু ইমান বেয়াৰে ৰচিত যে তেওঁৰ স্পৰ্শই বেয়া আৰু অভিশাপৰ জন্ম দিয়ে। এই নামটো মছীহক তেওঁৱেই দিছে যিজন হ'ল দাজ্জাল আৰু সেই সকলক যিসকল তেওঁৰ দাজ্জালৰ লেখীয়া। তাৰোপৰি দুটা নাম ভ্ৰমণকাৰী মছীহ আৰু তেখেতৰ আশীষ প্ৰাপ্ত মছীহ পৰস্পৰ বিৰোধী নহয়।

এটাই আনটোক অপ্ৰাসঙ্গিত নকৰে। কাৰণ এয়া স্বৰ্গীয় অভ্যাস যে ঈশ্বৰে এজন মানুহক নামাকৰণ কৰে। একাধিক পন্থাৰে আৰু সেই সকলোবোৰ নামে তেওঁৰ ক্ষেত্ৰত খাটে। থোৰতে যীশু (আঃ) এজন ভ্ৰমণকাৰী হিচাপে ইছলামিক ইতিহাসৰ দ্বাৰা ভালদৰে প্ৰমাণিত হ'ল যদি সেইবোৰ গ্ৰন্থৰ সকলো উদ্ধৃতি নকল কৰা হ'লহেঁতেন কথাটো অধিক স্পষ্ট হ'লহেঁতেন কিন্তু ক'বলৈ গলে দীঘলীয়া হ'লহেঁতেন। সেয়ে যিখিনি উল্লেখ মই কৰিছোঁ সেইখিনিয়েই যথেষ্ট।

## শাখা ২

### বৌদ্ধীয় মতবাদৰ গ্ৰন্থ সমূহৰ প্ৰমাণ

এয়াও স্পষ্ট হওঁক যে আমাৰ হস্তগত বৌদ্ধীয় লিপিবোৰে বিভিন্ন ধৰণৰ প্ৰমাণ বহন কৰে। মুঠতে প্ৰতীয়মান কৰিবলৈ যথেষ্ট যে যীশু (আঃ) নিশ্চয়কৈ পঞ্জাব,কাশ্মীৰ আদি স্থানলৈ আহিছিল। মই এই প্ৰমাণ ইয়াত উপস্থাপন কৰিছোঁ যাতে সকলো নিৰপেক্ষ মানুহে প্ৰথমে ইয়াক অধ্যয়ন কৰিব পাৰে আৰু তেওঁলোকৰ মনত তেতিয়া এইবোৰক সামঞ্জস্যপূৰ্ণ হিচাপে সজাই পূৰ্বে উল্লেখিত সিদ্ধান্তত তেওঁলোকে নিজেই উপনীত হ'ব পাৰে। প্ৰমাণবোৰ হৈছে প্ৰথম, বুদ্ধক দিয়া উপাধি যীশু (আঃ)ক দিয়া উপাধিৰ সৈতে একে। সেইদৰে বুদ্ধৰ জীৱনৰ ঘটনাৰাজি যীশুৰ জীৱনৰ ঘটনাৰাজিৰ সৈতে সাদৃশ্যপূৰ্ণ। যি কি নহওঁক বৌদ্ধীয় মতবাদৰ স্থানবোৰ লেহ, লাছা,গিলগিট আৰু হামচ ইত্যাদিৰ দৰে তিববতৰ চাৰি সীমাৰ ভিতৰতে আৱদ্ধ যিবোৰ স্থান সম্পৰ্কে প্ৰমাণ হৈছে যে সেইবোৰ স্থান যীশু (আঃ) য়ে পৰিদৰ্শন কৰিছিল। সাদৃশ্যপূৰ্ণ উপাধি সন্দৰ্ভত এয়া উপস্থাপন কৰিবলৈ যথেষ্ট যে যদি উদাহৰণ স্বৰূপে যীশু (আঃ) নিজকে শিক্ষা সাধনত পোহৰ বুলি কৈছিল, সেইদৰে গৌতম বুদ্ধ হিচাপে নামাকৰণ কৰা হৈছিল যিটো সংস্কৃত শব্দৰ অৰ্থ হ'ল পোহৰ। যিদৰে গোছপেলত যীশুক গৰাকী কোৱা হৈছিল, সেইদৰে বুদ্ধক সাস্ত বা গৰাকী বোলা হৈছিল। য'ত গোছপেলত যীশু (আঃ)ক আশীষ প্ৰাপ্ত বোলা হৈছিল। সেইদৰে বুদ্ধক সুপ্ত অৰ্থাৎ আশীষ প্ৰাপ্ত বোলা হৈছে। যিদৰে যীশু

(আঃ)ক ৰাজকুমাৰ বোলা হৈছে সেইদৰে বুদ্ধকো ৰাজকুমাৰ কোৱা হৈছে। গোছ্পেলৰ দ্বাৰা যীশুক এনে এজন হিচাপে বৰ্ণোৱা হৈছে যিয়ে আগমণৰ উদ্দেশ্যে পূৰণ কৰে। সেইদৰে বৌদ্ধীয় লিপিবোৰত বুদ্ধক সিদ্ধাৰ্থ বোলা হৈছে অৰ্থাৎ যিজনে তেওঁৰ আগমণৰ উদ্দেশ্য পূৰণ কৰে। গোছ্পেলবোৰৰ দ্বাৰা যীশু (আঃ)ক ভাগৰুৱা সকলৰ আশ্ৰয় বোলা হৈছে। সেইদৰে বৌদ্ধীয় লিপিবোৰত বুদ্ধক আশ্ৰম, শৰণ অৰ্থাৎ আশ্ৰয় লোৱা সকলৰ আশ্ৰয় বোলা হৈছে। যীশু (আঃ)ক গোছ্পেলত ৰজাও বুলি কোৱা হৈছে যদি তেওঁ স্বৰ্গ ৰাজ্যৰ ৰজা বুলি ব্যাখ্যা কৰিছে সেইদৰে বুদ্ধকো ৰজা বোলা হৈছে। এনে ধৰণৰ ঘটনাই সাদৃশ্য পূৰ্ণ ঘটনাৰ প্ৰমাণ কৰে। যিদৰে যীশু (আঃ)ক ডেভিলৰ দ্বাৰা প্ৰলোভিত কৰা হৈছিল ধন আৰু পৃথিৱীৰ ৰাজ ভাৰৰে তেওঁ নিজেই তেওঁৰ ওপৰত বিশ্বাস লাভ কৰিছিল। সেইদৰে বুদ্ধকো প্ৰলোভিত কৰি কৈছিল যে সি তেওঁক ৰজাৰ লয়লাস আৰু সৌন্দৰ্য্য দিব যদিহে তেওঁ তেনে কঠিন জীৱন-যাপন এৰে আৰু ঘৰলৈ ঘূৰি যায়। কিন্তু যিদৰে যীশুৱে ডেভিলক অমান্য কৰিছিল সেইদৰে লিপিপোৱামতে বুদ্ধয়ো তাক অমান্য কৰিছিল। টি, ডব্লিউ, ৰাইচ, ডেভিউচৰ বুদ্ধজম আৰু ছাৰ মোনিয়ৰ উইলিয়ামচৰ বুদ্ধিজমত দ্ৰষ্টব্য।

এইটো দেখুৱায় যে একে উপাধিবোৰ যিবোৰ গোছ্পেলসমূহত যীশু (আঃ)ৰে নিজকে আৰোপ কৰিছিল, সেইবোৰ বৌদ্ধিয় গ্ৰন্থৰাজিতো আছে, যিবোৰ বহু পিছত ৰচিত হৈছিল, সেইবোৰ বুদ্ধৰ ওপৰতো আৰোপিত কৰা হৈছিল, আৰু যিদৰে যীশু (আঃ)ক ডেভিলৰ দ্বাৰা প্ৰলোভিত কৰা হৈছিল সেইদৰে এই গ্ৰন্থৰাজিয়ে দাবী কৰে যে বুদ্ধকো ডেভিলৰ দ্বাৰা প্ৰলোভিত কৰা হৈছিল। হয় বুদ্ধক প্ৰলোভিত কৰা ঘটনা এইবোৰ গ্ৰন্থত মতপ্ৰকাশ কৰা মতে খ্ৰীষ্টান গোছ্পেলত উল্লেখিত যীশু (আঃ)ৰ প্ৰলোভনতকৈ দীৰ্ঘতৰ। এনেদৰে লিপিবদ্ধ আছে যে যেতিয়া ডেভিলে ধন আৰু ৰাজ আসনৰ সন্মানৰ প্ৰলোভন দিছিল বুদ্ধ ঘৰলৈ উভতিবলৈ উদ্ধত হৈছিল। যি কি নহওক তেওঁ কিন্তু এই আকাঙ্খাক প্ৰশ্ৰয় দিয়া নাছিল। কিন্তু সেই একেই ডেভিলে তেওঁক

এনিশা পুনৰ দেখা দিছিল, তাৰ সৈতে তাৰ বংশবোৰৰ সৈতে আৰু ভয়ানক দৃশ্যৰে ভয় দেখুৱাইছিল। বুদ্ধৰ দৃষ্টিত এইবোৰ ডেভিলক সাপৰ দৰে দেখা দিছিল যিবোৰে সিহঁতৰ মুখবোৰেদি অগ্নি নিৰ্গত কৰি আছিল। সাপবোৰে তেওঁৰ পিনে অগ্নি আৰু বিহ নিক্ষেপ কৰিছিল কিন্তু বিহবোৰ ফুলত পৰিণত হৈছিল আৰু অগ্নিয়ে বুদ্ধ দেৱৰ চৌপাশে বগা চক্ৰ সৃষ্টি কৰিছিল।

এইদৰে ডেভিল সফল হ'ব নোৱাৰি তাৰ যোল্লজনী ছোৱালীক মাতি আনিছিল আৰু বুদ্ধ দেৱৰ আগত সিহঁতৰ ৰূপ লাৱণ্য প্ৰকাশ কৰিবলৈ কৈছিল কিন্তু পিছৰজন তেতিয়াও অবিচলিত আছিল। ডেভিলে তাৰ পৰিকল্পনাত হতাশগ্ৰস্ত হৈছিল। সি অন্য পন্থা অৱলম্বন কৰিছিল, কিন্তু ধিৰ -স্থিৰ বুদ্ধ দেৱক কিবা কৰিবলৈ অসমৰ্থ হৈছিল যিজনে আধ্যাত্মিক পদক্ষেপত উচ্চৰ পৰা উচ্চতৰ পৰ্যায়লৈ আগবঢ়াত চলনশীল হৈ আছিল আৰু এক দীৰ্ঘ নিশাৰ অন্তত আৰু কঠোৰ আৰু সবিঘ্ন পৰীক্ষাৰ অন্তত তেখেত তেখেতৰ শত্ৰু ডেভিলক পৰাভূত কৰিব। প্ৰকৃত জ্ঞানৰ পোহৰ তেখেতৰ ওপৰত পৰিছিল আৰু পুৱাৰ আগমনৰ সৈতে অৰ্থাৎ তেখেতৰ পৰীক্ষা শেষ হোৱাৰ লগে লগে তেখেতৰ সকলোখিনি জ্ঞাত হৈছিল। সেই মহাসমৰৰ দিনটো আছিল বৌদ্ধীয় মতবাদৰ জন্মদিন গৌতম বুদ্ধ দেৱ তেতিয়া ৩৫ বছৰ বয়স আছিল। তেখেতক বুদ্ধ দেৱ অথবা পোহৰ বোলা হয়। সেই সময়ত যিজোপা গছৰ তলত বহি আছিল সেই জোপাৰ নাম পোহৰৰ গছ হ'ল। এতিয়া যদি তুমি বাইবেল খোলা আৰু পঢ়া তেন্তে জানিবলৈ পাবা কেনেকৈ গৌতম বুদ্ধ দেৱৰ প্ৰলোভন যীশু (আঃ)ৰ প্ৰলোভনৰ দৰে ইমান একে যে বুদ্ধ দেৱৰ বয়স যীশু (আঃ)ৰ প্ৰায় সমান। বৌদ্ধীয় সাহিত্যত দেখা পোৱা মতে ডেভিলে বুদ্ধ দেৱৰ চকুত মানৱ দেহৰ দৰে দৃশ্যমান হোৱা নাছিল। এয়া অকল বুদ্ধ দেৱৰ দ্বাৰা এক প্ৰদৰ্শন আছিল। ডেভিলৰ বাক্য অশুভ লক্ষণ পূৰ্ণ আছিল। অৰ্থাৎ ডেভিলে উপস্থিত হৈ বুদ্ধ দেৱক পৰামৰ্শ দিছিল যে তেখেত (বুদ্ধ দেৱ) তেখেতৰ অৱলম্বন ত্যাগ কৰিব লাগে আৰু

তাক (ডেভিলক) অনুসৰণ কৰিব লাগে। তেতিয়া ডেভিলে তেখেতক পৃথিৱীৰ সকলোবোৰ ধন সম্পত্তি দিব। সেইদৰে খ্ৰীষ্টান ধৰ্মবীৰ সকলৰ বিশ্বাস হৈছে যে যিজন ডেভিলে যীশুৰ আগত ওলাইছিল সি মানৱ শৰীৰৰ দৰে দৃশ্যমান অৱয়ব নাছিল। সি যীশুৰ ওচৰলৈ মানুহৰ দৰে অহা নাছিল ।ইহুদী সকলৰ চকুবোৰৰ আগত তেখেতৰ মানৱ শৰীৰেৰে পথ আৰু উপ পথবোৰ অতিক্ৰম কৰি আৰু যীশু (আঃ)ৰ সৈতে পতা কথাবোৰ যিসকল উপস্থিত আছিল তেওঁলোকৰ শ্ৰাব্য আছিল। তাৰ বিপৰীতে সাক্ষাতটো অকল যীশু (আঃ)য়ে চাব পৰা মানসিক প্ৰদৰ্শন আছিল ডেভিলে তাৰ অভ্যাস অনুসৰি তেখেতৰ অন্তৰক পৰামৰ্শবোৰ দিছিল। কিন্তু যীশু (আঃ)য়ে গ্ৰহণ কৰা নাছিল তেখেত ডেভিলৰ উৎসাহ বৰ্জন কৰিছিল।

এতিয়া চিন্তা কৰাৰ প্ৰয়োজন যে কিয় বুদ্ধ দেৱ যীশু (আঃ)ৰ মাজত ইমান সামঞ্জস্যতা আছিল। এই সন্দৰ্ভত আৰ্য্য সকলে কয় যে (যিটো গ্ৰহণযোগ্য নহয়) যীশু (আঃ)য়ে তেওঁৰ ভাৰত ভ্ৰমণৰ সময়ত বৌদ্ধিয় মতবাদৰ সৈতে পৰিচিত হৈছিল আৰু বুদ্ধ দেৱৰ জীৱন সম্পৰ্কে সম্যক জ্ঞান লাভ কৰি ইয়াৰ ওপৰতেই গোছপেলৰ সৃষ্টি কৰিছিল নিজ দেশলৈ উভতি যোৱাৰ পথত যে যীশু (আঃ)য়ে তেওঁৰ ধৰ্মীয় নীতি কথা ৰচনা কৰিছিল। বুদ্ধ দেৱৰ নীতি শিক্ষাৰ অনুকৰণৰ দ্বাৰা যে যিদৰে বুদ্ধ দেৱ নিজকে পোহৰ আৰু জ্ঞান বুলিছিল আৰু অন্যান্য উপাধিবোৰ গ্ৰহণ কৰিছিল। সেইদৰে যীশু (আঃ)য়ে নিজৰ ওপৰতে তেনে সকলোবোৰ উপাধি ইমান আৰোপিত কৰিছিল যে আনকি বুদ্ধ দেৱৰ প্ৰলোভনৰ দৰে দীৰ্ঘ গল্পকো তেখেত হুবহু নকল কৰিছিল। যি কি নহওঁক আৰ্য্য সকলৰ আৱিষ্কাৰ এইখিনিয়ে। এয়া সম্পূৰ্ণ অসত্য যে যীশু (আঃ)য়ে ক্ৰুছৰ ঘটনাৰ পূৰ্বেই ভাৰতলৈ আহিছিল। সেই সময়ত তেনে ধৰণৰ ভ্ৰমণৰ আৱশ্যক তেখেতৰ নাছিল। তেনে ধৰণৰ ভ্ৰমণ কৰিবলৈ তেখেতৰ আৱশ্যক হৈছিল যেতিয়া জুদীয়াৰ ইহুদী সকলে তেখেতক বৰ্জন কৰিছিল আৰু সিহঁতৰ বিশ্বাসমতে যেতিয়া তেওঁক ক্ৰুছবিদ্ধ কৰিছিল। অৰ্থাৎ এক অভিনৱ স্বৰ্গীয় পৰিকল্পনাই তেখেতক বচাইছিল। এইদৰে ইহুদী সকলৰ

বাবে সমবেদনা আৰু সিহঁতক শিক্ষা দিবলৈ তেখেতৰ উদ্বেগৰ পৰা বঞ্চিত হৈ আৰু ইহুদী সকলে সিহঁতৰ বেয়া স্বভাৱৰ বাবে তেনেই কঠুৱা হৃদয় সম্পন্ন হৈ পৰিছিল যেন সিহঁতে সত্যক গ্ৰহণ কৰিবলৈ সম্পূৰ্ণ অযোগ্য হৈ পৰিছিল। যীশু (আঃ) ঈশ্বৰৰ পৰা এই সম্ভেদ পায় যে ইহুদী সকলৰ দহটা জনগোষ্ঠী ভাৰতলৈ প্ৰব্ৰজন কৰিছিল তেতিয়া তেখেত এই অঞ্চললৈ ধাপলি মেলিছিল ইহুদীৰ দলবোৰে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰা বাবে বৌদ্ধ ধৰ্মী সকলৰ মনোযোগ আকৰ্ষণ কৰিবলৈ তাৰ বাহিৰে এই প্ৰকৃত নবী জনাৰ কোনো গত্যান্তৰ নাছিল। সেই দেশৰ বৌদ্ধ পুৰোহিত সকলে মছীহ বুদ্ধৰ আশা কৰিছিল। সেয়ে যীশু (আঃ)ৰ উপাধি আৰু তেখেতৰ নৈতিক শিক্ষা যেনে তোমাৰ শত্ৰুকো ভাল পাবলৈ শিকা, বেয়াৰ সৈতে সম্পৰ্ক নেৰাখিবা আদি আৰু যিদৰে গৌতম বুদ্ধ দেৱে ভৱিষ্যতবাণী কৰি গৈছিল। যীশু (আঃ)ৰ সুন্দৰ চেহেৰা আৰু এই সকলোবোৰ লক্ষণৰ বাবে পুৰোহিত সকলে তেওঁক বুদ্ধ দেৱ বুলি ধৰি লৈছিল।এয়া সম্ভৱ যে তেখেত কিছুমান উপাধি আৰু শিক্ষা যীশু (আঃ)ৰ জীৱনৰ ঘটনা ৰাজি সচেতন ভাৱে বা অসচেতন ভাৱে সেই যুগতে বুদ্ধ দেৱৰ ওপৰত আৰোপিত কৰিব পাৰে। কাৰণ হিন্দু সকলে ইতিহাস লিপিবদ্ধ কৰা ক্ষেত্ৰত তেনে মেধা পূৰ্ণ যোগ্যতাৰ প্ৰমাণ দিব নোৱাৰে। বুদ্ধ দেৱৰ জীৱনৰ কাহিনীবোৰ যীশু (আঃ)ৰ সময়লৈকে লিপিবদ্ধ হোৱা নাছিল। সেয়ে বৌদ্ধ পুৰোহিত সকলে আৰোপ কৰিব বিচৰা যিকোনো ঘটনা বুদ্ধ দেৱৰ ওপৰত আৰোপিত কৰিবলৈ মহা সুযোগ লাভ কৰিছিল। গতিকে খুব সম্ভৱ যে যেতিয়া সিহঁতে যীশু (আঃ)ৰ জীৱনৰ ঘটনা সম্পৰ্কে জানিব পাৰিছিল, সিহঁত নিজে এইবোৰৰ সৈতে আন বহুতো সংযোগ কৰি বুদ্ধ দেৱৰ ওপৰত সেইবোৰ আৰোপ কৰিছিল। মই এতিয়া প্ৰমাণ কৰিম যে বাইবেলৰ নৈতিক শিক্ষা,উপাধিসমূহ পোহৰ ইত্যাদি যিবোৰ যীশু (আঃ)ৰ ক্ষেত্ৰত আৰু বুদ্ধ দেৱৰ ক্ষেত্ৰত পোৱা যায়। ডেভিলৰ দ্বাৰা প্ৰলোভনৰ কাহিনীও এই সকলোবোৰ বৌদ্ধিয় গ্ৰন্থ সমূহত লিপিবদ্ধ কৰা হৈছিল। ক্ৰুছবিদ্ধকৰণৰ পিছত যীশু (আঃ)য়ে এই দেশলৈ অহা সময়তহে। তদুপৰি বুদ্ধ দেৱ আৰু যীশু (আঃ)ৰ মাজত অনেক সাদৃশ্য আছে।

বৌদ্ধিয় মতবাদত লিপিবদ্ধ আছে যে প্ৰলোভনৰ সময়ত বুদ্ধ দেৱ অনাহাৰে আছিল আৰু সেই অনাহাৰ চল্লিশ দিনৰ বাবে আছিল। গোছ্পেলৰ পাঠক সকলে জানে যে যীশুও চল্লিশ দিনৰ বাবে অনাহাৰে থাকিবলগীয়া হৈছিল।

বুদ্ধ দেৱ আৰু যীশু (আঃ)ৰ যি আছে তাৰ মাজত তেনেধৰণৰ উল্লেখযোগ্য সাদৃশ্য আছে বুলি মই ইতিপূৰ্বে যিদৰে অভিমত প্ৰকাশ কৰিছোঁ যে সেইবোৰৰ বাবে উভয় পক্ষই সজাগ হৈছিল এয়া কিছু পৰিমাণে আচহুৱা হৈ পৰিছিল। উদাহৰণ স্বৰূপে গোছপেলবোৰে কয়, বেয়াক প্ৰশ্ৰয় নিদিবা। তোমাৰ বৈৰিকো ভাল পাবা দু:খ দৈন্যতাত থাকিবা গৌৰৱ মিথ্যাচাৰ আৰু লোভৰ পৰা দূৰত থাকিবা। বুদ্ধ দেৱৰ শিক্ষাও একেই। হয় বৌদ্ধিক শিক্ষাই ইয়াৰ ওপৰত আৰু অধিক জোৰ ইমানকৈ দিছে যে আনকি এটা পৰুৱা আৰু এটা পোক মাৰাটোকে পাপ বুলি ঘোষণা কৰা হৈছে। বৌদ্ধিয় মতবাদৰ উল্লেখযোগ্য ব্যক্তিত্ব হ'ল গোটেই পৃথিৱী খনৰ বাবে সহানুভূতি হোৱা গোটেই মানৱ জাতি আৰু সকলোবোৰ জীৱৰ বাবে কল্যাণ কামনা, ঐক্যৰ মনোভাৱ আৰু পৰস্পৰ প্ৰেমৰ উন্নতি। গোছপেলৰ শিক্ষাও একে। আকৌ যিদৰে যীশু (আঃ)য়ে তেখেতৰ শিষ্য সকলক বিভিন্ন দেশলৈ প্ৰেৰণ কৰিছিল। তেখেত নিজেও ভ্ৰমণ কৰিছিল, বুদ্ধ দেৱৰ ক্ষেত্ৰতে তেনেকুৱাই। ছাৰ মোনিয়ৰ উইলিয়ামচৰ দ্বাৰা ৰচিত বুদ্ধিজমত লিপিবদ্ধ আছে যে বুদ্ধ দেৱ তেখেতৰ শিষ্য সকলক প্ৰচাৰৰ উদ্দেশ্যত পঠিয়াইছিল। তেওঁলোকক এইদৰে কৈ আগবাঢ়ি যোৱা আৰু প্ৰতিটো স্থানতে ঘূৰি ফুৰা পৃথিৱীখনৰ বাবে দয়াশীল বা পুতৌশীল হৈ আৰু দেৱতা বা আন মানৱৰ কল্যাণৰ বাবে বিভিন্ন দিশত আগবঢ়া। ধৰ্মমত প্ৰচাৰ কৰা, ইয়াৰ আৰম্ভনিতে মধ্যাহ্ন আৰু শেষৰ কল্যাণৰ সৃষ্টি কৰা, ইয়াৰ অৰ্থ আৰু ইয়াৰ ব্যঞ্জন (অক্ষৰ)। সম্পূৰ্ণ নিয়ন্ত্ৰিত সতীত্ব আৰু চিৰকুমাৰ (দ্ৰহমা চাৰিখন) জীৱনৰ প্ৰকাশ্য ঘোষণা কৰা।মইয়ো ধৰ্মমত (মহাভাষ্য ১-১১-১) প্ৰচাৰ কৰিবলৈ যাম। বুদ্ধ দেৱে বাৰানসীলৈ গৈছিল আৰু সেই প্ৰদেশত অনেক অলৌকিকতা প্ৰদৰ্শন কৰিছিল। তেখেত হৃদয়স্পৰ্শী ধৰ্মমত প্ৰচাৰ কৰিছিল পাহাৰুৱা স্থানত যিদৰে যীশু

(আঃ)য়ে পাৰ্বত্য ভূমিত ধৰ্ম প্ৰচাৰ কৰিছিল। পুনৰ একেখন গ্ৰন্থই অভিমত কৰে যে বুদ্ধ দেৱে অধিককৈ ৰূপকত প্ৰচাৰ চলাইছিল। তেখেত আধ্যাত্মিক ঘটনা প্ৰবাহ বাস্তবতাৰ সাদৃশ্যকৈ প্ৰচাৰ চলাইছিল।

স্মৰণযোগ্য যে এই নৈতিক শিক্ষা আৰু প্ৰচাৰ পদ্ধতি অৰ্থাৎ ৰূপক আকাৰে কোৱা যীশুৰ পদ্ধতি আছিল। এই প্ৰচাৰ পদ্ধতি আৰু নৈতিক শিক্ষা অন্য পৰিৱেশৰ সৈতে একেলগে তৎক্ষণাত পৰামৰ্শ দিয়ে যে এয়া যীশু (আঃ)ৰ অনুকৰণ আছিল। যীশু (আঃ) ইয়াত ভাৰতবৰ্ষত আছিল। তেখেত প্ৰতি স্থানতে প্ৰচাৰ কৰিবলৈ গৈছিল, বৌদ্ধিয় বিশ্বাসৰ অনুসাৰী সকলে তেখেতক লগ পাইছিল। তেখেতক এগৰাকী পৱিত্ৰ ব্যক্তি হিচাপে পাই যিজনে অলৌকিকতা প্ৰদৰ্শন কৰিছিল। সিহঁতৰ গ্ৰন্থবোৰত এইবোৰ লিপিবদ্ধ কৰিছিল। হয় সিহঁতে তেখেতক বুদ্ধ দেৱ বুলি ঘোষণা কৰিছিল। কাৰণ এয়া মানৱ স্বভাৱ নিজকে নিজৰ বাবে ভাল বস্তু লাভ কৰিবলৈ চেষ্টা কৰাটো সি যতে নাথাকক আৰু সেই স্বভাৱ ইমান প্ৰবল যে মানুহে সিহঁতৰ আগত কোনোৱে কৰা চতুৰ মন্তব্যক লিপিবদ্ধ আৰু স্মৰণ কৰিবলৈ চেষ্টা কৰে। সেয়ে এয়া সম্ভৱ যে বৌদ্ধিয় বিশ্বাসৰ অনুসৰণকাৰী সকলে গোছপেলৰ সম্পূৰ্ণ ছবিত তেওঁলোকৰ গ্ৰন্থ সমূহত নকল কৰিছিল। উদাহৰণ স্বৰূপ যীশু (আঃ) আৰু বুদ্ধ দেৱ উভয়ৰ দ্বাৰা চল্লিশ দিনৰ বাবে অনাহাৰে থকা, উভয় ধৰণৰ প্ৰলোভন,উভয়ৰে পিতৃবিহীন জন্ম, উভয়ৰ নৈতিক শিক্ষা উভয়ৰ দ্বাৰা নিজকে পোহৰ বোলা উভয়ে নিজে নিজকে উভয়ৰ শিষ্য বোলাটো,মতিৰ দৰে ১০ অধ্যায়ৰ ৮ আৰু ৯ পদত উল্লেখিতঃ সোণ,ৰূপ ব্ৰাছ আদি কোনোটোকে তোমালোকৰ অৰ্থৰ বোগত নভৰা বা বুদ্ধ ও একে ধৰণৰ নিৰ্দেশ তেখেতৰ শিষ্য সকলক দিছিল। গোছপেল যিদৰে চিৰকুমাৰত্বক উৎসাহিত কৰিছিল তেনে শিক্ষা বুদ্ধ দেৱৰো আছিল। যিদৰে যীশু (আঃ)ক ক্ৰুছত দিয়া সময়ত এক ভূমিকম্প হৈছিল,লিপিবদ্ধ থকা মতে বুদ্ধ দেৱৰ মৃত্যুৰ সময়তো ভূমিকম্প হৈছিল। এই সকলোবোৰ সাদৃশ্যপূৰ্ণ দিশৰ উদ্ভৱ হৈছিল যীশু (আঃ)ৰ ভাৰত ভ্ৰমণৰ ঘটনাৰ দ্বাৰা যিটো ঘটনা বৌদ্ধিয়

বিশ্বাসৰ অনুসাৰী সকলৰ বাবে এক সৌভাগ্যপূৰ্ণ অংশ আছিল। যীশু (আঃ) সিহঁতৰ মাজত সৰহ্ সময়ৰ বাবে অতিবাহিত কৰা কাৰণে আৰু বৌদ্ধিয় সকলে তেখেতৰ জীৱনৰ ঘটনা ৰাজি আৰু তেখেতৰ নীতি শিক্ষা সম্পৰ্কে জ্ঞান অৰ্জন কৰা বাবে ফলশ্ৰুতিত এয়া অনস্বীকাৰ্য আছিল যে সেই শিক্ষাৰ এক বৃহদাংশ আৰু নিয়ম নীতি বৌদ্ধিয় লিপিবোৰলৈ নিয়াৰ বাহিৰে পথ নাছিল।কাৰণ যীশু (আঃ)ক বৌদ্ধ সকলৰ দ্বাৰা সন্মানিত কৰা হৈছিল আৰু বুদ্ধ দেৱ বুলি ধৰা হৈছিল। এই মানুহসকলে সেয়ে তেখেতৰ এই বাণীবোৰ সিহঁতৰ গ্ৰন্থবোৰত লিপিবদ্ধ কৰিছিল আৰু সেইবোৰ বুদ্ধ দেৱলৈ আৰোপিত কৰিছিল।

এয়া প্ৰকৃতপক্ষে আশ্চৰ্য্যকৰ যে যীশু (আঃ)ৰ দৰে বুদ্ধ দেৱও তেখেতৰ শিষ্য সকলক ৰূপকত শিক্ষা দিছিল। বিশেষকৈ যিবোৰ কথা গোছ্পেলত পোৱা যায়। সেই ৰূপকবোৰৰ এটাত বুদ্ধ দেৱ কয়,যিদৰে কৃষক এজনে গুটি সিঁচে কিন্তু ক'ব নোৱাৰে শস্যবোৰ আজিয়ে গজি উঠিব বা অহাকালি । তেনেকুৱা শিষ্য সকলৰ সৈতেও তেওঁ নিশ্চয় নিৰ্দেশাৱলী,অভ্যাস মানিবই লাগিব। ধৰ্ম মতবাদ অধ্যয়ন কৰিব লাগিব। তেওঁ ক'ব নোৱাৰে আজি বা কালি মই পৈণত হম।

লক্ষণীয় যে এয়া সেই একে ৰূপক যিটো আজিও গোছ্পেলত বিদ্ধমান। বুদ্ধ দেৱ পুনৰ অইন এক ৰূপকত বৰ্ণাইছে। আকৌ যিদৰে যেতিয়া এজাক হৰিণ হাবিত বাস কৰে। এজন মানুহ আহে আৰু যিজনে সিহঁতৰ কাৰণে ভুল পথ মুকলি কৰে আৰু হৰিণটোৱে ভোগ কৰে দুৰ্ভোগ আৰু অন্য এজনে আহে আৰু যিজনে নিৰাপদ পথ মুকলি কৰে আৰু হৰিণটো উন্নত হয়। সেইদৰে যেতিয়া মানুহ সকলে আনন্দত বাস কৰে বেয়া এজন আহে শুদ্ধ বিশ্বাসৰ ভুল অষ্টমাৰ্গ মুকলি কৰে

P.Odenbeng.191-192

বুদ্ধ দেৱ আৰু কি শিকায় ঃ

সততা এক নিৰাপদ ভঁৰাল যাক কোনেও চুৰি কৰিব নোৱাৰে যিটো মৃত্যুৰ পিছত মানুহৰ সংগী হয়। এয়া এক ভঁৰাল যিটো সকলো জ্ঞান আৰু সকলো পূৰ্ণতাৰ উৎস।

এতিয়া লক্ষণীয় যে গোছ্পেলৰ শিক্ষাও ঠিক তেনেই। এই শিক্ষাৰ প্ৰাচীন বৌদ্ধিয় লিপিসমূহ এনে এক সময়ৰ যিবোৰ যীশু (আঃ)ৰ সময়ৰ পৰা দূৰ সময়ৰ নহয় এয়া সমসাময়িক। আকৌ একেখন গ্ৰন্থৰ ১৩৫ পিঠিত একে ধৰণৰ কথা আছে। য'ত বুদ্ধ দেৱে তেখেতৰ নিৰ্ভুলতাৰ কথা কৈছে য'ত কোনেও তেখেতৰ চৰিত্ৰত দোষ উলিয়াব নোৱাৰে। এয়াও যীশু (আঃ)ৰ বক্তব্যৰ সৈতে সাদৃশ্যপূৰ্ণ। বুদ্ধিজমৰ ৪৫ পিঠিত উল্লেখ আছে ঃ বুদ্ধ দেৱৰ নীতি শিক্ষা খ্ৰীষ্টান শিক্ষাৰ সৈতে সুদুৰপ্ৰসাৰী সাদৃশ্য আছে।

মই একমত, হয় মই স্বীকাৰ কৰো, উভয়ে কয় পৃথিৱীত ধনক প্ৰেম নকৰিবা, তোমাৰ শত্ৰুক ঘিণ নকৰিবা,বেয়া নকৰিবা, শুভৰে অশুভক জয় কৰিবা, তোমাৰ ইচ্ছানুসৰি অন্যৰ সৈতে যেনে কৰিব লাগে তেনে ব্যৱহাৰ কৰিবা। এই সকলোবোৰ গোছ্পেল আৰু বৌদ্ধিয় শিক্ষাৰ মাজত সুদুৰ প্ৰসাৰী সাদৃশ্য দেখুৱায়। ইয়াতকৈ অধিক অবিকল বৰ্ণনাৰ প্ৰয়োজন নহয়।

বৌদ্ধিয় লিপিসমূহে আৰু দেখুৱায় যে গৌতম বুদ্ধ দেৱ দ্বিতীয় বুদ্ধৰ সাহসিক কৰ্মৰ ভৱিষ্যতবাণী কৰিছিল যাৰ নাম মেট্ৰীয়া (মেছিয়াহ বা মছীহ) বুলিছিল। এই ভৱিষ্যতবাণী লাগগাৱতী ছুততা

LaggawatiSutata এক বৌদ্ধিয় লিপিত উল্লেখ আছে। ইয়াৰ উল্লেখ Oldenberg ৰ গ্ৰন্থৰ ১৪২ পিঠিত আছে। ভৱিষ্যতবাণীটোৱে কয় ঃ তেওঁ শত সহস্ৰ শিষ্যৰ নেতা হ'ব যিদৰে মই এতিয়াও শ শ সংখ্যক

শিষ্যৰ নেতা। লক্ষণীয় যে হিব্ৰু ভাষাৰ শব্দ মছীহ **(Masiha)** পালী ভাষাৰ মেট্টীয়া **(Metteyya)** ৰ সৈতে একেই। এয়া সাধাৰণ জ্ঞানৰ বিষয় যে যেতিয়া কোন এক শব্দ এক ভাষাৰ পৰা অইন এক ভাষালৈ ৰূপান্তৰ কৰা হয় প্ৰায়ে তাক পৰিৱৰ্তন কৰা হয়। কোনো এক ইংৰাজী শব্দকো অন্য এক ভাষালৈ আমাদানি কৰোঁতে এক পৰিৱৰ্তন সাধিত হয় উদাৰণ স্বৰূপ মেক্সমুলাৰ **Sacred Books of the East** ৰ দ্বিতীয় খণ্ডৰ ৩১৮ পিঠিত এক তালিকা দিওঁতে কৈছে ঃ ইংৰাজী বৰ্ণৰ **th** পাৰ্চীয়ান বা আৰবীলৈ ৰূপান্তৰ হয় **S** ৰ দৰে এই দিশত এনে পৰিৱৰ্তনৰ দ্বাৰা এজনে তাৎক্ষণিক ভাৱে বুজি উঠিব যে **Metteyya** লৈ ৰূপান্তৰিত হৈছে যিটোৱে অৰ্থ কৰে যে বুদ্ধ দেৱৰ দ্বাৰা ভৱিষ্যতবাণী কৰা **Metteyya** প্ৰকৃততে প্ৰকৃতপক্ষে **Masiha** অন্য কোনো নহয়। এই ঘটনাটোৰ সমৰ্থন এইটোৱে দেখা যায় যে বুদ্ধ দেৱে ভৱিষ্যতবাণী কৰিছিল যে তেখেত আৱিষ্কাৰ কৰা বিশ্বাসে এই পৃথিৱীত পাঁচশ বছৰতকৈ অধিক কাল চলি নাথাকিব যে তেখেতৰ আদৰ্শ আৰু শিক্ষাৰ ধ্বংস কালতে মেট্টীয়াই এই দেশলৈ আহিব আৰু এই পৃথিৱীত তাক পুনৰ প্ৰতিষ্ঠা কৰিব। এতিয়া আমি জানো যে যীশু (আঃ)য়ে বুদ্ধ দেৱৰ পাঁচশ বছৰ পিছত আৱিৰ্ভুত হৈছিল আৰু বুদ্ধ দেৱে নিৰ্ধাৰিত কৰি থোৱা তেখেতৰ বিশ্বাসৰ অৱসানৰ সময়তে বৌদ্ধিয় মতবা নিৰ্ধাৰিত সময়তেই অৱসান হৈছিল। তেতিয়া যীশু (আঃ)য়ে ক্ৰুছৰ পৰা পলাই সাৰি এই স্থানলৈ হিজৰত কৰিছিল আৰু বৌদ্ধিয় সকলে তেখেতক চিনাক্ত কৰিছিল আৰু তেখেতৰ সৈতে মহা বাধিক ভাৱে ব্যৱহাৰ কৰিছিল। কোনো সন্দেহ নাই যে বুদ্ধ দেৱে শিক্ষা দিয়া নৈতিক শিক্ষা আৰু আধ্যাত্মিক অনুশীলনবোৰ যীশু (আঃ)ৰ দ্বাৰা পুনৰ অৱতাৰণা কৰা হৈছিল। খ্ৰীষ্টান সকলে স্বীকাৰ কৰে যে গোছপেলৰ শিৰোনামেৰে প্ৰচাৰ আৰু অন্যান্য নৈতিক শিক্ষাবোৰ বুদ্ধ দেৱে পাঁচশ বছৰ পূৰ্বে পৃথিৱীলৈ এৰি যোৱাৰ প্ৰচাৰৰ সৈতে একে। তেওঁলোকে আৰু মত প্ৰকাশ কৰে যে বুদ্ধ দেৱ অকল নৈতিক ধাৰণাক শিক্ষা দিয়া নাছিল। তেখেতে অন্যান্য সত্যৰো শিক্ষা দিছিল। তেওঁলোকৰ অভিমত মতে বুদ্ধ দেৱৰ বাবে আৰোপিত এচিয়াৰ প্ৰদীপ বৰকৈ উপযোগী হৈছে।

এতিয়া বুদ্ধ দেৱে ভৱিষ্যতবাণী কৰামতে যীশু (আঃ)পাঁচ শ বছৰ পিছত আৱিৰ্ভুত হৈছিল আৰু বহুতো খ্ৰীষ্টান প্ৰবক্তা স্বীকাৰ কৰা মতে তেখেতৰ (যীশু আঃ)ৰ শিক্ষা বুদ্ধ দেৱৰ লেখীয়াকৈ আছিল। সেয়ে কোনো সন্দেহ নাই যে তেওঁ বুদ্ধ দেৱৰ প্ৰতিমূৰ্তি হিচাপে আৱিৰ্ভুত হৈছিল। ওল্ডেনবাৰ্গৰ গ্ৰন্থত Laggawati Sutata ৰ ৰচকৰ ওপৰত অভিমত প্ৰকাশ কৰা হৈছে যে বুদ্ধ দেৱৰ অনুসাৰী সকল ভৱিষ্যতলৈ লক্ষ্য কৰি এই ধাৰণাৰে নিজকে প্ৰবোধ দিছিল যে মেট্টীয়াৰ শিষ্য হিচাপে সিহঁত মুক্ত বা আশিষপ্ৰাপ্ত হৈছিল। অৰ্থাৎ সিহঁত নিশ্চিত যে মেট্টীয়া সিহঁতৰ মাজলৈ আহিব আৰু সিহঁত তেওঁৰ জৰিয়তে মুক্তিপ্ৰাপ্ত হ'ব।কাৰণ বুদ্ধ দেৱৰ অঙ্গীকাৰ য'ত মেট্টীয়াক আশা দিয়া হৈছিল সেয়াই অনুপ্ৰাণীত কৰিছিল যে তেখেতৰ শিষ্য সকলে তেখেতক লগ পাব। ওপৰত উল্লেখিত গ্ৰন্থসমূহৰ অভিমতে এটা বন্ধন (শৃঙ্খল) প্ৰকটতি কৰে যে সেইসকল মানুহৰ পৰিচালনাৰ বাবে ঈশ্বৰে দুই ধৰণৰ পৰিস্থিতিৰ উদ্ভৱ কৰিছিল প্ৰথমতে জেনেচিচৰ অধ্যায় ৩ পদ ১০ ত উল্লেখিত Asaf শিৰোনামাৰ কাৰণৰ দ্বাৰা যিটো বুজায় যিজনে মানুহক সমৰ্থন কৰে যীশু (আঃ)য়ে সেই দেশ ভ্ৰমণ কৰিব নোৱাৰিছিল য'ত ইহুদী সকলে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ আহিছিল। দ্বিতীয়তে যে বুদ্ধ দেৱৰ ভৱিষ্যত বাণী অনুসৰি এয়া অত্যাৱশ্যকীয় আছিল যে বুদ্ধ দেৱৰ অনুসাৰী সকল তেখেতক দেখা পোৱা উচিত আৰু আধ্যাত্মিক ভাৱে লাভান্বিত হ'বলগীয়া আছিল। এই দুয়োটা দিশক একেলগে বিবেচনা কৰিলে সম্পূৰ্ণ নিশ্চিত হ'ব পাৰি যে যীশু (আঃ)য়ে নিশ্চয় তিববত ভ্ৰমণ কৰিছিল। খ্ৰীষ্টান শিক্ষা আৰু নীতি নিয়মে তিববতী বৌদ্ধ মতবাদক গভীৰ ভাৱে প্ৰভাৱিত কৰা ঘটনাই বিশ্বাস কৰিবলৈ বাধ্য কৰায় যে যীশু (আঃ)য়ে তিববতৰ মানুহসকলক লগ কৰিছিল। তাৰোপৰি বৌদ্ধিয় লিপিবোৰৰ উল্লেখ মৰ্মে অনুসন্ধিৎসু বৌদ্ধ অনুসাৰি সকলোৱে সদায় তেখেতক লগ পাবলৈ পাঙি আছিল।সেই ঘটনাই সজোৰ সমৰ্থন কৰে যে সিহঁতৰ অতি আকাঙ্খিত বাৰ্তাবাহক জন এইখন দেশ ভ্ৰমণ কৰিছিল। এই ঘটনাৰ মুখয়াবয়বত এই অভিমতৰ বাবে এজন নিৰপেক্ষ ব্যক্তিৰ বৌদ্ধিয় লিপি সমূহ খুচৰি ফুৰাৰ দৰকাৰ নাই যে যীশু (আঃ) য়ে

তিববতলৈ আহিছিল।কাৰণ বুদ্ধ দেৱৰ ভৱিষ্যতবাণী অনুসৰি বুদ্ধ দেৱৰ দ্বিতীয় আগমনৰ আশা বলিষ্ঠ ভাৱে ভৱিষ্যতবাণীটোৱে নিজেই যীশু (আঃ)ক তিববতলৈ আকৰ্ষিত কৰিছিল। ইয়াত উল্লেখ কৰিবই লাগিব যে বৌদ্ধিয় গ্ৰন্থ সমূহত সঘনে উল্লেখ থকা মেট্ৰীয় শব্দটো নিঃসন্দেহ মেছিয়াহ শব্দটোক বুজায়। ঘ.ত.Princip য়ে ৰচিত Tibet Tartory,Mangolia গ্ৰন্থৰ ১৪ পিঠিত মেট্ৰীয়া বুদ্ধ দেৱৰ বিষয়ে য'ত প্ৰকৃততে মেছিয়াৰ কথা কোৱা হৈছে। উল্লেখ আছে যে প্ৰথম মিচনাৰী (খ্ৰীষ্টান প্ৰচাৰক) প্ৰথমতে তিববতত শুনা আৰু দেখাৰ চৰ্তটোৱে সিদ্ধান্তত উপনীত কৰে যে লামাচৰ প্ৰাচীন গ্ৰন্থ সমূহত খ্ৰীষ্টান ধৰ্মৰ চিহ্ন পোৱা গৈছিল। একে পিঠিতে পুনৰ উল্লেখ আছে যে কোনো সন্দেহ নাই যে এই প্ৰাচীন লেখক সকলে বিশ্বাস কৰিছিল যে যীশু (আঃ)ৰ শিষ্য সকল তেতিয়াও জীৱিত আছিল যেতিয়া খ্ৰীষ্টান শিক্ষা সেই স্থান পাইছিল। ১৭১ পিঠিত উল্লেখ আছে যে কোনো সন্দেহ নাই যে তেতিয়া এক সাধাৰণ বিশ্বাস আছিল যে এজন মুক্তিকাৰীৰ (নাজাতদাতা) আৱিৰ্ভাৱ সম্পৰ্কে ট্যাছিটাছে কয় যে এয়া কেৱল ইহুদীসকল নহয় যিসকল এনে বিশ্বাসৰ বাবে দায়ী। কিন্তু বৌদ্ধিয় মতবাদে নিজেও ইয়াৰ বাবে ভেটি নিৰ্মাণ কৰিছিল। অৰ্থাৎ ইয়ে মেট্ৰীয়াৰ আগমন সম্পৰ্কে ভৱিষ্যতবাণী কৰিছিল। এই ইংৰাজী গ্ৰন্থখনৰ লেখকজনে এক নোটত কৈছে Pitakhatayan আৰু Athakath নামে দুখন আন এক বুদ্ধ দেৱৰ আগমনৰ ভৱিষ্যতবাণী আছে যিজন স্থানাভিষক্ত হ'ব গৌতম বুদ্ধ দেৱৰ বা সাক্ষ্য মুনিৰ এহেজাৰ বছৰ পিছত গৌতম বুদ্ধ দেৱে মন্তব্য কৰিছে যে সেইজন হ'ব ২৫ তম বুদ্ধ আৰু Bhagwa Metteya এতিয়াও আহিবলৈ বাকী অৰ্থাৎ তেওঁৰ মৃত্যুৰ পিছত সেইজন (যীশু আঃ) আহিব। যিজনৰ নাম হ'ব মেট্ৰীয়া আৰু যাৰ বৰণ হ'ব সুন্দৰ। ইংৰাজ লিখক গৰাকীয়ে কৈ গৈছে যে মেট্ৰীয়া শব্দৰ সৈতে মেছিয়া শব্দৰ উল্লেখনীয় মিল আছে। মুঠতে গৌতম বুদ্ধ দেৱে এই ভৱিষ্যত বাণীটোত স্পষ্টকৈ কৈছে তেখেতৰ দেশত তেখেত মানুহ সকলক আৰু তেখেতৰ অনুসাৰী সকলৰ মাজত মেছিয়াহ অহা সম্পৰ্কে প্ৰবাহমান বিশ্বাসৰ ভিত্তি আছিল বুদ্ধ দেৱে তেখতৰ ভৱিষ্যতবাণীত

ভাগৱা মেট্টীয়া নামাকৰণ কৰিছিল কাৰণ ভাগৱা সংস্কৃত মূলৰ অৰ্থ হৈছে স্বেত আৰু যীশু ছিৰিয়া সাম্ৰাজ্যৰ (ভূখণ্ডৰ) বাসিন্দা হিচাপে তেখেতৰ গাৰ ছাল সুন্দৰ আছিল।

এই ভৱিষ্যবাণীৰ দেশৰ মানুহসকলে  অৰ্থাৎ মগধৰ বাসিন্দা সকল য'ত বজগৃহ স্থাপিত হৈছিল, সেয়া অন্ধকাৰ আছিল। গৌতম বুদ্ধ দেৱে নিজেই অন্ধকাৰচ্ছন্ন আছিল। তেখেতৰ অনুসাৰী সকলৰ প্ৰতি ভৱিষ্যত বুদ্ধ দেৱ সম্পৰ্কে তেখেত অনুসিদ্ধান্তমূলক ইঙ্গিত ব্যক্ত কৰিছিল। (১) তেওঁ (যীশু) ভাগৱা অৰ্থাৎ স্বেত বৰ্ণৰ হ'ব আৰু (২) তেওঁ হ'ব মেট্টীয়া অৰ্থাৎ ভ্ৰমণকাৰী আৰু বিদেশৰ পৰা আহিব। এই সকল মানুহ সেয়ে এনে সংকেতৰ বাবে লক্ষ্য কৰি আছিল। যেতিয়ালৈকে তেওঁলোক যীশু (আঃ)ক বাস্তৱতে দেখা পাইছিল।প্ৰতিজন বৌদ্ধয় অত্যাৱশ্যকীয় ভাৱে নিশ্চয় দাবী কৰিছিল পাঁচশ বছৰ পিছত মেট্টীয়া অহা বুদ্ধ দেৱৰ বিশ্বাসৰ বাবে যিগৰাকী ভাগৱা (স্বেত) মেট্টীয়া তেওঁলোকৰ দেশলৈ আগমন কৰিছিল। সেয়ে এয়া আচৰিত হ'বলগীয়া নহয় যদিও বা বৌদ্ধ বিশ্বাসৰ গ্ৰন্থ সমূহ মেট্টীয়াৰ বা সিহঁতৰ দেশলৈ মেছিয়াৰ আগমনৰ সংবাদ উল্লেখ কৰাত আৰু ভৱিষ্যত বাণীটো পূৰণ হোৱাত। আনকি তেতিয়াও তেনে উল্লেখ নাই বুলি ধৰি লৈ দৈৱ প্ৰকাশৰ ওপৰত ভিত্তি কৰাৰ কাৰণে বুদ্ধ দেৱে শিষ্য সকললৈ আশা প্ৰদান কৰিছিল যে ভাগৱা মেট্টীয়া সিহঁতৰ দেশলৈ আগমন কৰিব।কোনো বৌদ্ধৰে যাৰ এই ভৱিষ্যতবাণীৰ জ্ঞান আছিল সিহঁতৰ দেশলৈ ভাগৱা মেট্টীয়াৰ যাৰ অন্য নাম মছীহ তেওঁৰ আগমন অস্বীকাৰ কৰিব নোৱাৰিছিল। কাৰণ ভৱিষ্যত বাণীটো অপূৰণীয় হৈ থকাটো বিশ্বাসটোক মিথ্যা প্ৰমাণ কৰিলেহেঁতেন। যদি ভৱিষ্যতবাণীটো যাৰ পূৰণৰ বাবে এক সময় নিৰ্ধাৰিত কৰা আছিল। গৌতম বুদ্ধ দেৱে যি কথা তেখেতৰ শিষ্য সকলক বাৰম্বাৰ ব্যক্ত কৰিছিল পৰিপক্ক সময়ত সেয়া পূৰণ নহ'লহেঁতেন। বুদ্ধ দেৱৰ অনুসাৰী সকলক তেখেতৰ সত্যতাৰ ওপৰত সন্দেহ কৰিলেহেঁতেন তেন্তে গ্ৰন্থ সমূহত এই ভৱিষ্যতবাণীটো পূৰণ নহ'ল বুলি উল্লেখ থাকিলেহেঁতেন।

ভৱিষ্যত বাণীটো পূৰণ হোৱাৰ দিশত অন্য এক যুক্তি হৈছে যে তিববতৰ সপ্তম শতিকা এ.ঔ ৰ মেছিয়াহ্ শব্দ থকা কিছুমান গ্ৰন্থ পোৱা গৈছে অৰ্থাৎ মি.স্বি.হু.(Mi,Shi,Hu) ৰে লিপিবদ্ধ যীশু (আঃ)ৰ নাম সিহঁতে উল্লেখ কৰিছে। মি,শ্বি,হু শব্দৰ উল্লেখ থকা তালিকাখনৰ তথ্য সংগ্ৰহকাৰী এজন বৌদ্ধ। G. Takausu ৰ দ্বাৰা অনুদিত। I.Tsing ৰ দ্বাৰা অনুদিত। A Record of the Bddhist Religion চাওঁক। এই টাকাকুচু এগৰাকী জাপানী যিগৰাকীয়ে আই, চিঙৰ গ্ৰন্থ অনুবাদ কৰিছিল আৰু ছিঙ এগৰাকী চীনা ভ্ৰমণকাৰী পৰিসীমিত আৰু পৰিশিষ্টত যিখন গ্ৰন্থত টাকাছুৰ অভিমত প্ৰকাশ কৰিছে যে এখন প্ৰাচীন গ্ৰন্থত **মি, শ্বি,হু** ৰ (মছিহ)ৰ নামৰ উল্লেখ আছে। সম্ভৱত এইখন গ্ৰন্থ সপ্তম শতিকাৰ যিখন অলপতে G. Takausu নামেৰে জাপানী লেখক গৰাকীয়ে অনুবাদ কৰিছে যিখন ক্লাৰেণডন প্ৰেছ অক্সফোৰ্ড প্ৰকাশ কৰিছে। এই গ্ৰন্থ সমূহত যিকোনো প্ৰকাৰে মছিহ শব্দটো আছে যিটো নিশ্চিত ভাৱে দেখুৱায় যে এই শব্দটো বৌদ্ধ ধৰ্মৰ সমৰ্থকৰ দ্বাৰা বাহিৰৰ পৰা আমদানি কৰা হোৱা নাইম বৰং বুদ্ধ দেৱৰ ভৱিষ্যতবাণীৰ পৰা ইয়াক লোৱা হৈছে আৰু লিপিবদ্ধ কৰা হৈছে কেতিয়াবা মছিহ হিচাপে আৰু কেতিয়াবা ভাগৱা মেট্ৰীয়া হিচাপে।

মোৰ লগত থকা প্ৰমাণবোৰৰ ভিতৰত বৌদ্ধিয় লিপিত যথা-ছাৰ উইলিয়াম মোনিয়নৰ দ্বাৰা ৰচিত Buddism ৰ ৪৫ পিঠিত লিপিবদ্ধ আছে যে বুদ্ধ দেৱৰ ষষ্ঠতম শিষ্য এনে এক লোক হ'ব যাৰ নাম ইয়াছা **(Yasa)** পিছৰ শব্দটো **(Yasu)** ৰ চুটি ৰূপ যেন লাগে। যীশু (আঃ) বুদ্ধ দেৱৰ মৃত্যুৰ পাঁচশ বছৰ পিছত অৰ্থাৎ ষষ্ঠ শতিকাত আৱিৰ্ভুত হোৱা হিচাপে তেখেতক ষষ্ঠতম শিষ্য কোৱা হৈছে। ইয়াত লক্ষ্য কৰিব লাগিব যে অধ্যাপক মেক্সমুলাৰে The nineteen th century ৰ ৫১৭ পিঠিত ১৮৯৪ ৰ অক্টোবৰ সংখ্যাত উল্লেখিত অভিমত সমৰ্থন কৰিছে এইদৰে জনপ্ৰিয় লিখকে কেইবাবাৰ দেখুৱাইছে যে যীশু (আঃ)বৌদ্ধ আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল আৰু সেই পুৰুষাৰ্থ আনকি এতিয়ালৈ কৰা হৈ আছে আৰু কিছুমান ঐতিহাসি পটভূমি

এতিয়ালৈকে কৰা হৈ আছে যাৰ দ্বাৰা বৌদ্ধ বিশ্বাসৰ আদৰ্শ সমূহ যীশু (আঃ)ৰ দিনতে পেলেষ্টাইনলৈ যোৱাটো প্ৰমাণ কৰে। এইটোৱে বৌদ্ধিয় বিশ্বাসৰ গ্ৰন্থসমূহক সমৰ্থন কৰে। য'ত লিখা আছে যে ইয়াচা বুদ্ধ দেৱৰ শিষ্য আছিল কাৰণ যেতিয়া উচ্চ স্থানীয় খ্ৰীষ্টান অধ্যাপক মেক্সমুলাৰে স্বীকাৰ কৰিছে যে এয়াই তেওঁক বুদ্ধ দেৱৰ শিষ্যত পৰিণত কৰিছিল। তথাপি মই যীশু (আঃ)ৰ ক্ষেত্ৰত এনে শব্দ প্ৰয়োগ কৰিবলৈ অসন্মানজনক আৰু অসংগত বুলি বিবেচনা কৰো। বৌদ্ধিয় বিশ্বাসৰ গ্ৰন্থসমূহত পোৱা অভিমতটো যে ইয়াচু বুদ্ধ দেৱৰ শিষ্য আছিল। সেয়া মাত্ৰ এইসকল মানুহৰ পুৰোহিতসকলৰ নিশ্চিত অভ্যাসৰ উদাহৰণ পৰৱৰ্তী সময়ত এগৰাকী মহান ব্যক্তিত্বৰ আৱিৰ্ভাবিক উল্লেখ কৰিবলৈ যেনিবা আগতে আৱিৰ্ভুত এগৰাকীৰ শিষ্য আছিল। ইয়াৰ পৰা এক হিচাপে উল্লেখ কৰা ধৰণে যীশু (আঃ)যি শিকাইছিল আৰু বুদ্ধ দেৱৰ শিক্ষাৰ মাজত এক বিৰাট মিল থকা হিচাপে বুদ্ধ দেৱ আৰু যীশু (আঃ)ৰ মাজত গুৰু শিষ্য সম্পৰ্ক থকা বুলি কোৱা বেছি ভুল নহয় যদিও এয়া সন্মানৰ ভাৱনাৰ সৈতে সমভাৱাপন নহ'ব পাৰে। অৰ্থাৎ মই ইয়াৰোপৰি যীশু (আঃ)ৰ দিনতে অনুসন্ধানকাৰী সকলৰ বৌদ্ধিয় মতবাদক পেলেষ্টাইনলৈ লৈ যোৱা কথাটো প্ৰমাণ কৰাৰ আশাক অনুমোদন নিদিওঁ। এয়া আচলৰ দুৰ্ভাগ্য যে যেতিয়া যীশু (আঃ)ৰ নাম আৰু উল্লেখিত বৌদ্ধিয় প্ৰাচীন গ্ৰন্থ সমূহত আছে। এই অনুসন্ধানকাৰী সকলে পেলেষ্টাইনত বুদ্ধৰ চিনচাব আৱিষ্কাৰ কৰিবলৈ সচেতন প্ৰচেষ্টাৰ আচঁনি হাতত লোৱা উচিত। তেওঁলোকে নেপাল তিববত আৰু কাশ্মীৰৰ পাহাৰুৱা মাটিত যীশু (আঃ)ৰ আৰ্শীবাদ বুলি পুষ্ট পদচিহ্নৰ বাবে অনুসন্ধান নকৰে কিয়। যি কি নহওঁক মই জানো যে এই সন্ধানকাৰী সকলক সত্যক উদ্ঘাটন কৰিবলৈ আশা কৰিব নোৱাৰি যিটো সত্যক অন্ধকাৰৰ এহেজাৰ পৰ্দাৰে ঢাকি থোৱা আছে,এয়া বৰং ঈশ্বৰৰ কাম যিজনে স্বৰ্গৰ পৰা চাইছিল যে মানৱ পূজা সকলো সীমা লঙ্ঘন কৰে। যিজনে পৃথিৱীলৈ বিয়পাইছিল আৰু এয়া যে ক্ৰুছৰ পূজা আৰু এজন মানুহক ধৰি লোৱা বলিদান লাখ লাখ মানুহৰ অন্তৰক প্ৰকৃত ঈশ্বৰৰ পৰা পথভ্ৰষ্ট কৰিছে। যি প্ৰকৃত ঈশ্বৰ ইচ্ছাৰে নচৰতীয়া যীশু (আঃ)ৰ নাম এজন সেৱকৰ

পৃথিৱীলৈ প্ৰৰণ কৰিছে, ক্ৰুছৰ মতবাদ (ভ্ৰম) ভঙাৰ উদ্দেশ্য। পুৰণি অঙ্গীকাৰ অনুসৰি তেওঁ প্ৰতিশ্ৰুত মছীহ হিচাপে আৱিৰ্ভুত হৈছিল। তেতিয়া ক্ৰুছ ভাঙনৰ সময় আহিছিল অৰ্থাৎ সময়টো তেতিয়া ক্ৰুছীয় মতবাদৰ ভ্ৰমটো ভাঙিব লগীয়া আছিল এডাল কাঠ ভাঙি দুটুকুৰা কৰাৰ লেখীয়া। গতিকে এতিয়া সেই সময় যেতিয়া স্বৰ্গই ক্ৰুছ ভঙাৰ বাবে পথ প্ৰশস্ত কৰিলে যাতে এজন সত্য সন্ধানীয়ে চাব পাৰে আৰু তাক বিচাৰি উলিয়াব পাৰে। এয়া ভ্ৰম হোৱা সত্ত্বেও যীশু (আঃ)ৰ স্বৰ্গৰোহন কৰা ধাৰণাটোৰ কেতিয়াও তাৎপৰ্য্য নাছিল। নামত মাথোন এয়া যে Messianic reality মছিহী সত্যতা বিলুপ্ত হ'ল আৰু মছা গৈছে যিদৰে কবৰৰ মাটিয়ে মৃতদেহক গ্ৰাস কৰে। এই মছিহ সত্যতাক বিশ্বাস কৰা হৈছিল মানুহ এজনে সশৰীৰে স্বৰ্গত থকাটো। এয়া সেই আৱশ্যম্ভাৱী আছিল যে এই সত্যতাটো পৃথিৱীলৈ নামি আহিল, ই ক্ৰুছ ভাঙিল আৰু মিথ্যাৰ কু-প্ৰভাৱ অসত্যৰ পূজা যাক আমাৰ পৱিত্ৰ নবীয়ে ক্ৰুছৰ বিষয়ে হাদীছত শুকৰ (Swine) ৰ সৈতে তুলনা কৰিছে। ক্ৰুছ ভঙাৰ সৈতে যাক টুকুৰা টুকুৰ কৰা হ'ল। যিদৰে শুকৰ বা গাহৰিক তৰোৱালেৰে কটা হয়। এই হাদীছে এনে অৰ্থ কৰা নাই যে প্ৰতিশ্ৰুত মছীহে কাফিৰ সকলক হত্যা কৰিব আৰু ক্ৰুছ সমূহ ভাঙিব। বৰং ক্ৰুছ ভঙাৰ অৰ্থ এয়া যে সেই যুগত আকাশ আৰু পৃথিৱীৰ ঈশ্বৰে লুপ্ত সত্যক প্ৰকাশ কৰিব যিটো তাৎক্ষণিক ভাৱে গোটেই ক্ৰুছৰ স্বৰূপ ভাঙি পেলাব। শুকৰ বধৰ কথাটোৱে মানুহ অথবা গাহৰিবোৰক বধ কৰাৰ অৰ্থ কৰা নাই, কিন্তু শুকৰ সুলভ গুণাগুণক (বদ ও নিৰ্লজ জীৱন যাপন) হত্যাৰ কথা কোৱা হৈছে। মিথ্যাচাৰক ধৰি ৰখাৰ দৰে আৰু তাক আনৰ ওপৰত পৰিচালিত কৰাৰ দৰে গুণাগুণক হত্যাৰ কথা কোৱা হৈছে। যিবোৰ লেতেৰা খোৱাৰ নিচিনা। সেয়ে যিদৰে মৃত গাহৰিয়ে বা শুকৰে লেতেৰা খাব নোৱাৰে। ঠিক সেইদৰে এনে সময় আহিব নহয় ইতমধ্যে আহিলেই বদ অভ্যাসক বাধা দিয়া হ'ব এনে ধৰণৰ লেতেৰা ভক্ষণৰ পৰা। মুছলিম উলেমা সকলে এই ভৱিষ্যতবাণীটোৰ অপব্যাখ্যা কৰি আছে। ক্ৰুছ ভঙাৰ আৰু গাহৰি বধৰ প্ৰকৃত অৰ্থ সেয়ে যিটো তাক উল্লেখ কৰিলোঁ। তাৰোপৰি প্ৰতিশ্ৰুত

মছীহৰ সময়ত ধৰ্মীয় যুদ্ধ ৰোহিত কৰা হ'ব আৰু স্বৰ্গই উজ্জ্বল সত্যটোক তেনেকৈ প্ৰতিফলিত কৰিব যে মানুহৰ অভিমতত সত্য আৰু মিথ্যাৰ উজ্জ্বল পাৰ্থক্য ধৰা পৰিব। সেয়ে নাভাবিবা যে মই অস্ত্ৰ লৈ আহিছো। নহয় মই সকলো অস্ত্ৰ সেইবোৰ খাপত ভৰাবলৈহে আহিছো। পৃথিৱীখন অন্ধকাৰত বহু দিন ধৰি যুঁজি আছে। বহুবাৰ এজনে তাৰ শুভাকাঙ্খী সকলক আক্ৰমণ কৰিছে। পুতৌকাৰী বন্ধু সকলৰ অন্তৰত আঘাত হানিছে আৰু তেওঁৰ প্ৰিয়জনক ক্ষত বিক্ষত কৰিছে। কিন্তু এতিয়া আৰু অন্ধকাৰ নাই,নিশা শেষ হ'ল, এতিয়া দিন আহিছে। তেওঁৰেই আশীষ প্ৰাপ্ত যিজনে বেছি দিন বঞ্চিত হৈ নাথাকিব।

বৌদ্ধিয় লিপিসমূহত যিবোৰ প্ৰমাণ আছে সেইবোৰৰ ভিতৰত ওল্ডেনবাৰ্গৰ দ্বাৰা ৰচিত Buddhism ৰ ৪১৯ পৃষ্ঠাত আছে এক প্ৰমাণ। এই প্ৰমাণ Mahawaga নামৰ গ্ৰন্থখনৰ লেখকে শাখা ১ ৰ ৫৪ পিঠিত লিপিবদ্ধ কৰিছে যে বুদ্ধদেৱৰ এক পদাধিকাৰী ৰাহুলা Rahula নামে ব্যক্তি এগৰাকী হ'ব শিষ্য হিচাপেও বৰ্ণিত আছে,হয় বৰং পুত্ৰ হিচাপেও। এতিয়া মই সজোৰে অভিমত কৰো যে বৌদ্ধিয় লিপিৰ Rahula শব্দটো Rulullah ৰূপৰ অপভ্ৰংশ যিটো যীশু (আঃ)ৰ এক উপাধি। ৰাহুল যে বুদ্ধদেৱৰ পুত্ৰ যিজন কেচুৱা অৱস্থাতে এৰি অহা শিশু,অজ্ঞাত বাসলৈ গৈছিল। যিজনে ভালৰ বাবে ঘৈনিয়েকৰ পৰা পৃথক হোৱাৰ আশাৰে তাইক নজনোৱাকৈ বিদায় খুজি গুচি গৈছিল অন্য দেশলৈ। এই গল্পটো অস্বাভাৱিক জ্ঞানশূন্য আৰু বুদ্ধদেৱৰ মহত্বৰ প্ৰতি ব্যঙ্গাত্মক মন্তব্য।এনে এক নিষ্ঠুৰ কঠুৱা অন্তৰৰ মানুহ যিজনৰ নিজৰ পত্নীৰ প্ৰতি অকনো সমবেদনা নাই, যিজনে তাইক নিদ্ৰাত পেলাই থৈ গৈছিল তাইক প্ৰবোধজনক কোনো কথা নোকোৱাকৈ চোৰৰ দৰে গুচি গৈছিল। যিজনে তাইৰ প্ৰতি এগৰাকী পতী হিচাপে কৰ্তব্যবোধ একেবাৰে কৰা নাছিল। তালাকো দিয়া নাছিল অথচ তাইৰ আজ্ঞা অবিহনে অন্তহীন ভ্ৰমণৰ বাবে গুচি যোৱালৈ যিজনে হঠাতে নোহোৱা হৈ তাইৰ অন্তৰত কুঠাৰাঘাত দিছিল। যিজনে তাইক ব্যাথা দিছিল আৰু তাইলৈ

আনকি চিঠি এখনো পঠোৱা নাছিল। সন্তানটো মানুহ হোৱালৈকে যিজনে কেচুৱাৰ প্ৰতি পুতৌভাৱ নেদেখুৱাইছিল। এনে এজন মানুহ যিজনৰ নিজে ৰচনা কৰি থোৱা নৈতিক জ্ঞানৰ প্ৰতি সন্মান নাছিল। তেওঁ কেতিয়াও ন্যায়পৰায়ণত ব্যক্তি হ'ব নোৱাৰে। মোৰ বিবেক ইয়াক গ্ৰাহ্য কৰিবলৈ অস্বীকাৰ কৰে যিদৰে ই গোছপেলত থকা গল্পটো গ্ৰাহ্য কৰিবলৈ অস্বীকাৰ কৰে যে তাইৰ প্ৰতি যত্নবান হোৱা নাছিল। তেতিয়া তাই আহিছিল আৰু তেওঁক মাত দিছিল কিন্তু তাৰ পৰিৱৰ্তে তাইক ভৎৰ্সনা মূলক শব্দ প্ৰয়োগ কৰিছিল।

গতিকে যদিও এগৰাকী পত্নীৰ আৰু এগৰাকী মাতৃৰ অনুভূতিত আঘাত হনা গল্পসমূহত একে ধৰণৰ সম্পৰ্কৰ মিল আছে তথাপিও আমি গল্পসমূহ আৰোপ কৰিব নোৱাৰো যিটোৱে যীশু (আঃ) আৰু গৌতম বুদ্ধদেৱৰ চৰিত্ৰত ন্যুনতম পৰ্যায়ৰ পৰা বিচ্যুতি প্ৰমাণ কৰে। যদি বুদ্ধদেৱে নিজ পত্নীক ভাল পোৱা নাছিল তেন্তে দুৰ্ভগীয়া নাৰী অথবা তাইৰ ভুক্তভোগী শিশুৰ প্ৰতি অকনো পুতৌ নাছিলনে ? এয়াই গুৰুতৰ চৰিত্ৰহীনতাক বুজায় যে শ শ বছৰ পিছত ইয়াক ভাৱি মৰ্মাহত হৈছো। এই কৰ্ম তেখেত কিয় কৰিছিল তাক বুজিবলৈ মানুহ ব্যৰ্থ হৈছিল। বেয়া মানুহ হ'বলৈ নিজৰ পত্নীৰ প্ৰতি অমনোযোগী হ'বলৈ এইখিনিয়েই যথেষ্ট। সেইজনীৰ কথা বেলেগ যিজনী অণেতিক অবাধ্য অথবা অবিশ্বাসী আৰু নিজৰ পতিৰ প্ৰতি বৈৰী। সেয়েহে এনে এক দোষণীয়া ব্যৱহাৰ বুদ্ধদেৱৰ প্ৰতি আৰোপ আমি কৰিব নোৱাৰো যিটো আনকি তেখেতৰ নিজা শিকনিৰ বিৰুদ্ধে গৈছে। এইবোৰ পৰিস্থিতিয়ে এয়া প্ৰমাণ কৰে যে গল্পটো ভুল। Rulullah ৰুহুল্লাহ। হিব্ৰু শব্দৰ সৈতে Rahula একেই আৰু Rahula অৰ্থাৎ Rulullah ক বুদ্ধদেৱৰ শিষ্য কোৱা হৈছে কাৰণ মই ইতিপূৰ্বে উল্লেখ কৰিছোঁ যে যীশু (আঃ)য়ে তেখেতৰ পিছত অহা বুদ্ধদেৱৰ শিক্ষাৰ সৈতে একে শিক্ষা লৈ অহা বিষয়ে আৰু বৌদ্ধিয় অনুসাৰী সকলে ঘোষণা কৰা বাবে যে সেই শিক্ষাৰ উৎস আছিল বুদ্ধদেৱ আৰু যীশু (আঃ) তেখেতৰ শিষ্য সকলৰ এজন আছিল। এয়া

আচৰিত নহ'ব যদি বুদ্ধদেৱৰ ঈশ্বৰৰ ওহীৰ ভিত্তিত যীশু (আঃ)ক পুত্ৰ বুলি ঘোষণা কৰিছিল। পৰিস্থিতি সম্পৰ্কীয় অন্য এক সাক্ষী এই যে একেখন গ্ৰন্থতে ইয়াকো লিপিবদ্ধ কৰা আছে যে যেতিয়া ৰাহুলাক মাকৰ পৰা পৃথক কৰা হৈছিল এজন মহিলা যিজনী বুদ্ধদেৱৰ অনুসাৰী আছিল। আৰু যাৰ নাম ম্যাগ দালিয়ানা আছিল। তেওঁ দূত হিচাপে কাম কৰিছিল। লক্ষ্য কৰিবলগীয়া যে ম্যাগ দালিয়ানা নামটো প্ৰকৃততে ম্যাগ ডালেনাৰ অপভ্ৰংশ যিজনী গোছপেলত উল্লেখিত যীশু (আঃ)ৰ এগৰাকী মহিলা অনুসাৰী আছিল।

ইয়াত সংক্ষেপে উপস্থাপিত সমূহ প্ৰমাণে নিৰপেক্ষ মানুহক সিদ্ধান্তত উপনীত কৰায় যে যীশু (আঃ)ৰ এই দেশলৈ আহিবলগীয়া হৈছিল আৰু এই সমূহ স্পষ্ট প্ৰমাণৰ দৃষ্টিকোণেৰে কোনো প্ৰজ্ঞাশীল মানুহে বিশেষকৈ তিববতত পোৱা বৌদ্ধিয় আৰু খ্ৰীষ্টান শিক্ষা আৰু সংস্কৃতিৰ মাজত মিল বিলাক অস্বীকাৰ নকৰিব। নহয় বৰং সিহঁতৰ মাজত তেনে ধৰণৰ লক্ষণীয় মিল আছে যি অধিকাংশ খ্ৰীষ্টান চিন্তাবিদ সকলে বিশ্বাস কৰে যে বৌদ্ধিয় মতবাদটো পূৰ্বৰ খ্ৰীষ্টান মতবাদ আৰু খ্ৰীষ্টান মতবাদটো পশ্চিমৰ বৌদ্ধিয় মতবাদ। এয়া আচলতে আচৰিত যিটো যীশু (আঃ)য়ে যিদৰে কয় মইয়ে পোহৰ আৰু পথ। একেই কথা বুদ্ধদেৱৰ দ্বাৰা কোৱা হৈছিল। যিদৰে গোছপেলত যীশু (আঃ)ৰ ৰক্ষাকাৰী বুলি কৈছে বুদ্ধদেৱেও নিজকে ৰক্ষাকাৰী বুলি কৈছে (Sattawasattara চাওঁক)। গোছপেলত উল্লেখ আছে যে যীশু (আঃ)ৰ পিতৃ নাছিল আৰু বুদ্ধদেৱৰ ক্ষেত্ৰতো ইয়াক উল্লেখ কৰা হৈছে যে আচলতে তেখেত পিতৃ নোহোৱাকৈ জন্মলাভ কৰিছিল। যদিও স্পষ্টকৈ যীশু (আঃ)ৰ পতৃ যোচেফ আছিল তেনেকৈ বুদ্ধদেৱৰো তেনেকৈ এজন পিতৃ আছিল। ইয়াকো উল্লেখ কৰা হৈছে যে বুদ্ধদেৱৰ জন্মৰ সময়ত এটা তৰা ওলাইছিল। তদুপৰি এক গল্প আছে চোলোমনে শিশুটো দুখণ্ডকৈ কাটিবলৈ আদেশ দিয়াৰ আৰু সেই খণ্ডবোৰৰ এক খণ্ডকৈ দুজনী তিৰোতা প্ৰতিজনীক দিয়া,যিটো গল্প বুদ্ধদেৱ জাতকত পোৱা যায়। যীশু (আঃ)য়ে এই দেশলৈ অহা দৃষ্টিকোণৰ পৰা এইটো আৰু দেখুৱায় যে সেই দেশৰ ইহুদী সকল যিসকলে এই

দেশলৈ আহিছিল বৌদ্ধিয় মতবাদৰ সৈতে সম্পৰ্ক উন্নত কৰিছিল।

বৌদ্ধিয় বিশ্বাসৰ গ্ৰন্থসমূহত উল্লেখ কৰা ধৰণে জেনেছিচক গল্পটোৰ সৈতে তুৰাহঁত উল্লেখিত গল্পৰ এক বিৰাট মিল আছে। যিদৰে তুৰাহ অনুসৰি পুৰুষক নাৰীতকৈ আগস্থানৰ বুলি বিবেচিত হৈছে সেইদৰে বুদ্ধদেৱৰ ধৰ্নটোতে এনে এজন ভিক্ষুকক (সন্নাসী)ভিক্ষুকিনীতকৈ (সন্নাসিনী) আগস্থান দিয়া হৈছে। যি কি নহওঁক লক্ষ্য কৰিব পাৰি যে বুদ্ধদেৱে আত্মাৰ পুনৰ জন্ম বিশ্বাস কৰিছিল। কিন্তু তেখেতৰ পুনৰ জন্ম গোছপেলৰ শিক্ষাৰ বিপৰীত নহয়। বুদ্ধদেৱৰ মতে তিনি প্ৰকাৰ আত্মাৰ পুনৰ জন্ম হয়। (১) মৃত ব্যক্তিৰ কাৰ্য্য আৰু পুৰুষাৰ্থই অন্য দেহত সংস্থাপিত হোৱাৰ আৱশ্যকতা নিৰ্দেশ দিয়ে। (২) পুনৰ জন্ম যি প্ৰকাৰ তিববতী সকলে বিশ্বাস কৰে লামা সকলৰ মাজত প্ৰয়োগযোগ্য অৰ্থাৎ একাংশ বৌদ্ধৰ একাংশ আত্মা বা বুদ্ধদেৱ সত্বা কোনো সময়ত লামা সকলে পুনৰ জন্ম পায়। যিটো বুজায় যে তেখেতৰ মেজাজ আৰু আত্মিক গুণাগুণ তেনে কিছুমান লামাকৈ পুনৰ জন্ম হয় আৰু এয়া যে তেখেতৰ আত্মা পিছৰ জনক পুনৰ জীৱিত কৰিবলৈ আৰম্ভ কৰে। (৩) এই গৃহ জীৱনতে মানুহে অন্য সৃষ্টিকৈ যায় এনে এক সময় আহে যেতিয়া তেখেত যেনিবা (আছিল) এক বলধ গৰু, যেতিয়া তেওঁ লোভ আৰু বেয়াটো বুদ্ধি কৰে তেওঁ তেতিয়া কুকুৰ হয়, মৃতকৰ প্ৰথম জীৱনৰ অস্তিত্ব তেওঁৰ কৰ্মৰ গুণানুপাতে হয়। এই সকলোবোৰ পৰিৱৰ্তন হৈ। অৰ্থাৎ এই জীৱনত স্থান পায়। এই মতবাদ গোছপেলৰ শিক্ষাৰ বিপৰীত নহয়।

মই ইতিপূৰ্বে উল্লেখ কৰিছোঁ ডেভিলৰ অস্তিত্ব বিশ্বাস কৰিছিল। গতিকে তেওঁ নৰক,স্বৰ্গ, ফিৰিস্তাসকল আৰু মহা বিচাৰৰ দিনৰ ওপৰতো বিশ্বাস কৰিছিল। বুদ্ধদেৱ যে ঈশ্বৰত বিশ্বাস নকৰিছিল,এই অভিযোগ সম্পূৰ্ণ বিভ্ৰান্তিকৰ। বুদ্ধদেৱে বেদান্ত আৰু হিন্দু সকলৰ শাৰীৰিক ঈশ্বৰক বিশ্বাস কৰা নাছিল। তেখেত বেদসমূহক বহু সমালোচনা কৰে। তেখেত বেদৰ

অস্তিত্বক বিশ্বাস নকৰে। তেখেত সেইবোৰৰ দুৰভিসন্ধি আৰু অতিৰঞ্জিত বুলি ভাৱে। যি সময়ত তেখেত এজন হিন্দু আৰু বেদৰ অনুসাৰী আছিল সেই সময়কে তেখেত অশুভ জন্মৰ সময় বুলি ভাৱে। উদাহৰণ স্বৰূপে তেওঁ ইঙ্গিত কৰে যে এসময়ৰ বাবে তেওঁ এটা বান্দৰ আছিল। আকৌ এসময়ৰ বাবে এটা হাতী, তাৰ পিছত এটা হৰিণ আৰু এটা কুকুৰ, চাৰিবাৰ এটা সাপ আৰু তাৰ পিছত এটা ঘণচিৰিকা,তাৰ পিছত এক ভেকুলী, দুবাৰ এক মাছ,দহবাৰ এক বাঘ, চাৰিবাৰ এক চৰাই কুকুৰা, দুবাৰ গাহৰি আৰু এবাৰ শহাপহু আৰু যিসময়ত তেওঁ এক গাধ আছিল তেওঁ বান্দৰবোৰক শিয়ালবোৰক পানী কুকুৰক শিকাইছিল, আকৌ তেওঁ কয় যে,তেওঁ এক প্ৰেতাত্মা আছিল,এবাৰ এজনী তিৰোতা এক নাচনী ডেভিল আছিল। এই সকলোবোৰ ইঙ্গিত জীৱনৰ বিভাগৰ বিষয়ে তালিকা কৰিছে যিবোৰ কাপুৰুষতাৰে নাৰীসুলভ ব্যৱহাৰ, অপৱিত্ৰতা আৰু অসভ্যতা,অমিতব্যয়ী, ভোগপ্ৰৱণ আৰু ভণ্ডামিৰে পূৰ্ণ। এনে অনুমান হয় যেন এই ধৰণে তেওঁ সেই সময়ক আঙুলিয়াইছে যেতিয়া তেওঁ বেদৰ অনুসাৰী আছিল। কাৰণ সেই বিশ্বাস পৰিত্যাগ কৰাৰ পিছত তেওঁ এনে অসৎ জীৱনৰ ইঙ্গিত দিয়া নাই তেখেত জীৱিত থকালৈকে। অন্যহাতে তেখেত তেতিয়া এক ডাঙৰ দাবী কৰিছিল তেখেত কৈছিল যে তেখেত দেৱতা প্ৰকাশ হৈ পৰিছে আৰু নিৰ্বান (Nirwaba) লাভ কৰিছে। বুদ্ধদেৱ আৰু অভিমত কৰে যে যিজন মানুহ এই পৃথিৱীৰ পৰা, নৰকীয় কাৰ্য্যকলাপৰ পৰা যায় তেওঁ নিক্ষেপিত হয়। নৰকৰ প্ৰহৰীবোৰে নৰক বজাৰ কাষলৈ চোচোৰাই নিয়ে। ইয়ামাহ (Yamah) বুলি মতা হয় আৰু গৰ্হিত এজনক তেতিয়া সোধা হয় যে তেওঁ পঞ্চভূত দেখা নাছিলনে যিবোৰক তেওঁ সাৱধান কৰিবলৈ পঠাইছিল শৈশৱ,বাৰ্ধক্য ৰোগ এই জীৱনত ভুলৰ বাবে প্ৰদত্ত শাস্তিয়ে পৰজীৱনৰ শাস্তিৰ প্ৰমাণ। মৃতদেহবোৰ যিবোৰ এই বিশ্বৰ ধ্বংসক আঙুলিয়াই। গৰ্হিত জনে উত্তৰ দিয়ে যে তেওঁ এজন বুৰ্বক আছিল। তেওঁ এইবোৰৰ ওপৰত কোনো চিন্তা কৰা নাছিল। নৰকৰ অভিভাৱক সকল তেতিয়া তেওঁক ধিক্কাৰ দিয়া স্থানলৈ চোচোৰাই লৈ যায় আৰু জুইৰ দৰে ৰঙা তপত লৌহ শিকলিৰে

তেওঁক বান্ধে। বুদ্ধদেৱে তাৰোপৰি কয় যে নৰকৰ কেবাটাও অঞ্চল আছে নানা শ্ৰেণীৰ পাপীবোৰক নিক্ষেপ কৰা হ'ব। থোৰতে এই সকলোবোৰ শিক্ষাই সজোৰে চিঞৰে যে বৌদ্ধিয় ধৰ্ম যীশু (আঃ)ৰ ব্যক্তিগত অৰিহণাক ধৰুৱা হৈছে।

যি কি নহওঁক মোৰ কোনো উদ্দেশ্য নাই এই আলোচনাৰে আগবাঢ়ি গৈ থাকিবলৈ। মই এই শাখা এইখিনিতেই সামৰিলোঁ কাৰণ যেতিয়া স্পষ্ট ভৱিষ্যতবাণী আছে, এই দেশলৈ যীশু (আঃ)ৰ আগমনৰ বিষয়ে বৌদ্ধিয় গ্ৰন্থসমূহত উল্লেখ আছে যিটো ভৱিষ্যতবাণীক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। যেতিয়া গোছ্পেলবোৰৰ নীতি গল্প আৰু নীতি শিক্ষাবোৰ যীশু (আঃ)ৰ সময়ত ৰচিত বৌদ্ধিয় গ্ৰন্থসমূহত পোৱা যাব। এই উভয় সংযোজিত বিবেচনা এই দেশলৈ যীশু (আঃ)ৰ আগমনৰ বিষয়ে কোনো সন্দেহ ত্যাগ নকৰে। সেয়ে যাৰ বাবে আমি প্ৰমাণ সন্নিবিষ্ট কৰিছোঁ সম্পূৰ্ণৰূপে উদ্ধাৰকৃত বৌদ্ধিয় লিপিসমূহৰ জৰিয়তে এক সন্ধান মহাপৰাক্ৰমী ঈশ্বৰ ধন্যবাদ।

## শাখা-৩

সেইবোৰ ঐতিহাসিক গ্ৰন্থসমূহৰ পৰা প্ৰমাণ যিবোৰ পঞ্জাৱ আৰু চুবুৰীয়া প্ৰদেশসমূহলৈ যীশু (আঃ)ৰ আগমন নিশ্চিত বুলি দেখুৱায়।

সাধাৰণতে এটা প্ৰশ্নৰ উদয় হয়,ক্ৰুছৰ পৰা পলাই সাৰি যীশু (আঃ)য়ে কিয় এইখন দেশলৈ আহিছিল। কিটোৱে তেওঁক এনে এক দীৰ্ঘ ভ্ৰমণ কৰিবলৈ আগ্ৰহান্বিত কৰিছিল ? এই প্ৰশ্নটোৰ বিস্তাৰিত উত্তৰ দিয়াটো অতি দৰকাৰ হৈ পৰিছে। মই ইতিপূৰ্বে এই সন্দৰ্ভত কিছু কথা কৈ আহিছোঁ। তথাপিও এই গ্ৰন্থখনৰ এই বিষয় বস্তুৰ ওপৰত পূৰ্ণ আলোচনা উপস্থাপন কৰিলে ভাল হ'ব বুলি মই ভাৱো।

সেয়ে উল্লেখ কৰা যাওঁক এজন স্বৰ্গীয় দূত হিচাপে তেওঁৰ কাৰ্যাৱলীৰ

কিছুমান কাৰণৰ বাবে এয়া অত্যাৱশ্যক আছিল যীশু (আঃ)ৰ বাবে পঞ্জাৱ তথা ইয়াৰ চুবুৰীয়া প্ৰদেশ অভিমুখে ভ্ৰমণ কৰিবলৈ ইজৰাইলৰ দহটা গোত্ৰৰ বাবে গোছপেলত যিবোৰক ইজৰাইলৰ হেৰাই যোৱা ভেৰা বোলা হৈছে সিহঁত এইখন দেশলৈ প্ৰব্ৰজিত হৈছিল যিটো বাস্তৱ সত্যক কোনো এজন ঐতিহাসিক  অস্বীকাৰ কৰিব নোৱাৰিব। এয়া সেয়ে দৰকাৰ যে যীশু (আঃ)এইখন দেশলৈ ভ্ৰমণ কৰিবলগীয়া হৈছিল আৰু নিৰুদ্দেশ হোৱা ভেৰাবোৰক পোৱাৰ পিছত সিহঁতৰ আগত তেখেত স্বৰ্গীয় বতৰা সদৰি কৰিবলগীয়া হৈছিল যদি তেখেত তাকে নকৰিলেহেঁতেন তেখেতৰ উদ্দেশ্য অসম্পূৰ্ণ হৈ ৰ'লহেঁতেন,কাৰণ ইজৰাইলৰ নিৰুদ্দেশিত ভেৰাৰ আগত প্ৰচাৰ কৰাই আছিল তেখেতৰ উদ্দেশ্য। এইবোৰ নিৰুদ্দেশিত ভেৰাক বিচাৰি নুলিওৱাকৈ এই পৃথিৱীৰ পৰা তেখেত বিদায় লোৱাটো আৰু সিহঁতক পোৱাৰ পিছত সিহঁতক মুক্তিৰ পথ শিক্ষা দিয়াৰ পিছত সেই মানুহজনৰ কাৰ্য্যৰ লেখীয়া হ'লহেঁতেন যাক ৰজাৰ দ্বাৰা দায়িত্ব দিয়া হৈছিল এক বন্য পৰিৱৰ্তে অন্য স্থানলৈ গৈছিল। তাত তিনি চাৰি বছৰ কটাইছিল আৰু গোত্ৰটোক বিচাৰি উলিয়াবলৈ চেষ্টা চলোৱা নাছিল। এনে এজন মানুহে ৰজাৰ আদেশ পালন কৰে নে ? নহয় ন্যুনতম নকৰে মানুহজনে গোত্ৰটোৰ বাবে যত্ন লোৱা নাই, তেখেত অকল নিজা সন্তুষ্টিকহে চাইছিল।

যি কি নহওঁক যদি সোধা হয়, কেনেকৈ আৰু কিয় ইয়াক ধৰি ল'ব লাগিব যে ইজৰাইলৰ দহটা গোত্ৰ এইখন দেশলৈ আহিছিল। উত্তৰটো এয়া হ'ব যে সেই কৰ্মৰ সপক্ষে পৰিষ্কাৰ প্ৰমাণ আছে যাৰ বিষয়ে এক কম মস্তিষ্কৰ মানুহৰো আনকি সন্দেহ নাথাকিব। কাৰণ এয়া ভালদৰে জনাজাত যে আফগান সকলৰ দৰে আৰু কাশ্মীৰ প্ৰকৃত বাসিন্দা সকল ইজৰাইলী মূলৰ। উদাহৰণ স্বৰূপে আল্লাহৰ বৃহৎ পাহাৰ অঞ্চলৰ মানুহবিলাক যিখন ঠাই হাজাৰা জিলাৰ পৰা দুই বা তিনি দিনৰ ভ্ৰমণৰ ৰাস্তা দূৰত অৱস্থিত। অস্মৰণীয় কালৰ পৰা সিহঁত নিজকে বনি ইস্ৰাইলী বুলি পৰিচয় দিয়ে। সেইদৰে এই অঞ্চলৰ অন্য এক পাহাৰুৱা ভুখণ্ড কালা ডাকাহৰ বাসিন্দা

সকলো ইজৰাইলী মূলক বুলি গৌৰৱ কৰে। তাৰ পিছত হাজাৰা জিলাত এক জনগোষ্ঠী আছে যিসকলে নিজকে প্ৰকৃততে ইজৰাইলৰ বুলি কয়। সেইদৰে চালাচ আৰু কাবুলৰ মাজৰ পাহাৰুৱা অঞ্চলৰ মানুহবিলাক নিজকে ইজৰাইলী বুলি কয়। কাশ্মীৰৰ মানুহবিলাকৰ বিষয়ে ইংৰাজ পণ্ডিত সকলৰ লিখাৰ ওপৰত Travels in the Mughul Empire গ্ৰন্থৰ দ্বিতীয় খন্ডত ড° বাৰ্ণিয়াৰৰ দ্বাৰা অভিমত ব্যক্ত থকা ভালদৰে পোৱা গৈছে। অভিমতটো স্পষ্টত হ'ল যে কাশ্মীৰী মানুহবোৰ ইজৰাইলৰ বংশধৰ, সিহঁতৰ পোছাক, চেহেৰা, কিছুমান ৰীতি পৰম্পৰাই এই সিদ্ধান্তত উপনীত কৰে যে সিহঁত ইজাৰাইলী মূলৰহে। জৰ্জ ফোষ্টাৰ নামে ইংৰাজ ব্যক্তি এগৰাকী তেখেতৰ গ্ৰন্থ এখনত উল্লেখ কৰিছে যে তেখেত কাশ্মীৰত থকা কালত নিজকে ইহুদী জনগোষ্ঠীৰ মাজত থকা যেন ভাৰিছিল। এইচ, ডব্লিউ বিল্লেওচ, চি এই, আই (Thaker spink and Co.Calcutta) ৰ দ্বাৰা ৰচিত The Races of Afganistan বোলা গ্ৰন্থখনত ইয়াক উল্লেখ কৰা হৈছে যে আফগান সকল ছিৰিয়াৰ পৰা আহিছিল। নেবুছেদ নেজাৰে সিহঁতক বন্দী কৰি ৰাখিছিল আৰু পাৰ্চিয়া আৰু মেডিয়াত সংস্থাপিত কৰিছিল যাৰ পৰা পৰৱৰ্তী কোনো এক সময়ত পূবলৈ আহিছিল আৰু ঘোৰ হিল্‌চত বসতি স্থাপন কৰিছিল য'ত সিহঁতে বনি ইস্ৰাইলী নামে জনাজাত হৈছিল। ইয়াক প্ৰমাণ স্বৰূপে ইদ্ৰীছ্ নবীৰ (Enoch ) ভৱিষ্যত বাণীটোত এনে আছে যে কথিত আছে যে ইজৰাইলৰ দহটা গোত্ৰ যিসকল বন্দী বনাই অনা হৈছিল বন্দীত্বৰ পৰা মুকলি হৈছিল আৰু আৰছাটাট (Arsartat ) বোলা ভূখণ্ডত আশ্ৰয় লৈছিল যিটো আজি হাজাৰ নামে স্থানৰ এক খণ্ড হয়, যিটো ঘোৰ (Ghour ) বোলা অঞ্চলৰ বিশেষ। তাবাকাত ই নাছিৰি য'ত চেংগীজখানৰ দ্বাৰা আফগানিস্থান সাম্ৰাজ্যৰ বিষয়ে পোৱা যায়, এয়া উল্লেখিত আছিল যে ছাবনিজি ( Shabnisi Dynasty ) ৰ সময়ত বনি ইস্ৰাইল নামে এক জনগোষ্ঠী বাস কৰিছিল যিসকলৰ একাংশ ভাল বনিক আছিল। প্ৰায় ৬২২ এ. ঔ আমাৰ পৱিত্ৰ নবী (ছাঃ)ৰ আহ্বান ঘোষণা কৰাৰ সময়ত এইসকল মানুহ হিৰাতৰ পূৰ্বে এই ভূখণ্ডলৈ সংস্থাপিত হৈছিল। খালিদ বিন ৱালিদ নামে এজন

কোৰাইশ্ব প্ৰধানে স্বৰ্গীয় ৰছুলুল্লাহ (ছাঃ)ৰ বেনাৰৰ অধীনত আনিবৰ উদ্দেশ্যে সিহঁতক নবী গৰাকীৰ জ্ঞাতিত অন্তৰ্ভুক্তৰ বাবে আনিছিল। পাঁচজন বা ছয়জন প্ৰধানে তেখেতৰ সৈতে সহযোগ কৰিছিল যিসকলৰ মাজত কাইচ আগশাৰীত আছিল যাৰ অন্য এক নাম কীশ্ব আছিল। ইছলাম গ্ৰহণ কৰাৰ পাছত এইসকল মানুহে ইছলামৰ কাৰণে বীৰত্বৰে যুঁজিছিল আৰু পৱিত্ৰ নবী (ছাঃ)ৰ বহুতো বিজয় আনিছিল,সিহঁতক তাৰ প্ৰতিদান স্বৰূপে বহুতো আশীৰ্বাদ দি আৰু ভৱিষ্যত বাণী কৰিছিল যে এইসকল মানুহ বহু উচ্চতা লাভ কৰিব। পৱিত্ৰ নবী (ছাঃ)য়ে কৈছিল যে এই জনগোষ্ঠীৰ প্ৰধান সকল সদায় মালিক নামেৰে আখ্যায়িত হ'ব। কাইচক তেওঁ আব্দুল ৰছিদ নাম দিছিল আৰু তেওঁক পাঠান উপাধি দিছিল। আফগান লিখক সকলে কয় যে এয়া ছিৰিয়াৰ শব্দ যিটোৰ অৰ্থ এজন নাবিক। নৱ দীক্ষিত কাইচক তেওঁৰ জনগোষ্ঠীক পৰিচালিত কৰিবলৈ দিয়া হৈছিল জাহাজৰ নাবিকৰ দৰে তেওঁক পাঠান উপাধিৰে অলংকৃত কৰা হৈছিল।

কোন সময়ত ঘোৰৰ আফগান সকল অগ্ৰসৰ হৈছিল আৰু আহিছিল। কান্দাহৰৰ চৌদিশে বসতি স্থাপন কৰিবলৈ যাক আজি সিহঁতৰ ঘৰ বোলা হয়। এইটো হৈছিল যথাসম্ভৱ ইছলামিক পঞ্জিকাৰ প্ৰথম শতিকাতে। আফগান সকলে কয় যে কাইছে খালিদ বিন অলিদৰ কন্যাক বিবাহ কৰাইছিল। যাৰ দ্বাৰা তেওঁৰ তিনিজন পুত্ৰ হৈছিল যিসকলৰ নাম ছাৰাবান, পাঠান আৰু গুৰগাষ্ট আছিল। ছাৰাবানৰ দুজন চাৰ্চাজি য়ুন (Sacharj yun) কাৰ্ছ য়ুন (Karch yun) নামে পুত্ৰ আছিল। যাৰ বংশধৰ সকক হৈছে আফগান সকল অৰ্থাৎ বনি ইস্ৰাইল। এচিয়া মাইনৰৰ মানুহ সকল আৰু পশ্চিমৰ মুছলমান ঐতিহাসিক সকলক চুলেইমান কয়। E.Balfour ৰ The cyclopedia of india ,Eastern & Southern Asia তৃতীয় খণ্ডত এইদৰে কোৱা আছে যে ইহুদী লোকসকল এচিয়াৰ কেন্দ্ৰীয়,দক্ষিনাংশ,পূৰ্বাংশৰ অঞ্চলত সিচৰিত হৈ আছে। পূৰ্বে এই লোকসকল চীনত বহু পৰিমাণে বসতি কৰিছিল। শ্যু জিলাৰ প্ৰধান কেন্দ্ৰ ইচ্যুত সিহঁতৰ এখন মন্দিৰ আছিল। Dr Wolf

গৰাকী ব্যক্তিয়ে বনি ইস্ৰাইলৰ হেৰাই যোৱা দহটা গোত্ৰৰ সন্ধানত সুদীৰ্ঘ সময় ধৰি ঘূৰি ফুৰিছিল, তেওঁ অভিমত কৰিছে যে যদি আফগান সকল যেকবৰ উত্তৰ পুৰুষ হয় সিহঁত ইয়াহুদা আৰু বিন ইয়ামিনৰ গোত্ৰৰ পৰা আহে। অন্য এক তথ্য মতে ইহুদী সকলক টাৰ্টাৰিলৈ নিৰ্বাসন দিয়া হৈছিল। সিহঁতক বৃহৎ সংখ্যক ভাৱে বুখাৰা মাৰ্ভ আৰু খিবাৰ আসে পাসে পোৱা গৈছিল। কনষ্টানটিনপোলৰ এমপেৰোৰ Pester John এ তেওঁৰ সাম্ৰাজ্যৰ বিষয়ে লিখিবলৈ গৈ কয় যে এই নদীৰ (Amu ) বাহিৰেও ইজৰাইলৰ দহটা গোত্ৰ আছে যিসকল প্ৰকৃততে তেওঁৰ নাগৰিক আৰু ৰায়তহে, যদিও সিহঁত সিহঁতৰ নিজৰ ৰাজাধীন বুলি দাবী কৰে। Dr. Moore ৰ গৱেষণাই দেখুৱায় যে টাৰ্টাৰ গোত্ৰবোৰ চোছান নামে জনাজাত মূলতে ইহুদীহে আৰু সিহঁতৰ মাজত প্ৰাচীন ইহুদী বিশ্বাসৰ চিন বিদ্যমান, উদাহৰণস্বৰূপে সিহঁত খাতনা (লিংগচ্ছেদন) ৰীতিটো পালন কৰে। আফগানসকলৰ এক জনবিশ্বাস আছে যে সিহঁত ইজৰাইলৰ দহটা হেৰোৱা গোত্ৰ। জেৰুজালেমৰ পতনৰ পিছত ৰজা নেবুছেদ নেজাৰে সিহঁতক বন্দী বনাই লৈছিল আৰু বামিয়াৰৰ ওচৰত ঘোৰ দেশত সিহঁতক বসতি কৰাইছিল। খালিদ বিন ৱালিদ অহাৰ আগত সিহঁত ইহুদী বিশ্বাস ধৰি ৰাখিছিল।

সকলো দিশতে আফগানসকল দেখাত ইহুদীসকলৰ দৰেই। সিহঁতৰ দৰেই কনিষ্ঠ ভায়েকে ককায়েকৰ বিধৱা পত্নীক বিবাহ কৰায়। L.P. Ferrier নামে এগৰাকী ফৰাছী ভ্ৰমণকাৰী যিগৰাকীয়ে হিৰাতৰ মাজেৰে পাৰ হৈছিল, তেওঁ মন্তব্য কৰিছে যে এই ভুখণ্ডত বহুতো ইজৰাইলী বংশধৰ আছে যিসকলৰ সিহঁতৰ বিশ্বাসৰ পৰম্পৰা ৰক্ষা কৰাত সম্পূৰ্ণ স্বাধীনতা আছে। টোলেডোৰ (Spain) ৰাবি বিন ইমামিনৰ হেৰোৱা গোত্ৰৰ সন্ধানত খ্ৰীষ্টীয় দ্বাদশ শতিকাত ভ্ৰমি ফুৰিছিল। তেওঁ মন্তব্য কৰিছে এইসকল ইহুদীয়ে চীন ইৰাণ আৰু তিববতত বসতি কৰি আছে। যোচেফাচ ৯৩ খ্ৰীষ্টাব্দত ইহুদীসকলৰ প্ৰাচীন ইতিহাস লিখিছিল। তেওঁ এঘাৰতম গ্ৰন্থত ইহুদীসকলৰ সেই ঘটনাৰাজি সম্পৰ্কে লিখিছিল যিসকলে প্ৰফেট ইজৰা (Ezra) ৰ সৈতে বন্দীত্বৰ পৰা

পলাই সাৰিছিল, তেওঁ মত প্ৰকাশ কৰিছে যে দহটা গোত্ৰই সেই সময়তে ইউফ্ৰেটিচৰ বাহিৰত বসতি কৰিছিল আৰু সিহঁতৰ সংখ্যা নিৰূপণ কৰিব পৰা হোৱা নাছিল। ইউফ্ৰেটিচৰ বাহিৰত মানে পাৰ্চিয়া আৰু পূৰ্বাঞ্চলৰ ভুখণ্ডক বুজোৱা হৈছে। St. Jarome খ্ৰীষ্টীয় পঞ্চম শতিকাত বাস কৰিছিল Prophet Hose ৰ বিষয়ে লিখিবলৈ গৈ এই বিষয়ে সংশ্লিষ্টসকলৰ সম্পৰ্কে অভিমতৰ চাৰিসীমা কৰিছিল যে সিদিনাৰ পৰা দহটা গোত্ৰই (ইজৰাইলৰ বংশোদ্ভৱ) পাৰ্থ্যা ৰজাৰ অৰ্থাৎ পাৰচ্যৰ অধীনলৈ আহে আৰু বন্দীত্বৰ মুক্তি নাপালে। একেখন গ্ৰন্থৰে প্ৰথম খণ্ডত মত প্ৰকাশ কৰা আছে যে Count Juan Stream এ তেওঁৰ গ্ৰন্থৰ ২৩৩-৩৪ পৃষ্ঠাত লিখিছে যে আফগানসকলে স্বীকাৰ কৰে যে জেৰুজালেমৰ মন্দিৰ ধ্বংস কৰাৰ পাছত নেবুছেদ নেজাৰে তেওঁলোকক বামিয়াত (আফগানিস্থানৰ ঘোৰৰ সৈতে সংলগ্ন স্থান) ভুখণ্ডলৈ নিৰ্বাসিত কৰিছিল। G.T. Vigne, F.G.S. (১৮৪০)ৰ পিছত A Narrative of a Visit to Ghazni, Kabul and Afganistan গ্ৰন্থখনৰ ১৬৬ পিঠিত ইয়াৰ উল্লেখ আছে যে এজন মুল্লাহ খুদা দাদ Majma-Ul-Ansab বোলা গ্ৰন্থখনৰ পৰা আবৃত্তি কৰিছিল যে যেকবৰ জ্যেষ্ঠতম পুত্ৰ আছিল ইয়াহুদা যাৰ পুত্ৰ আছিল উচৰাক, উচৰাকৰ পুত্ৰ আকনুৰ, আকনুৰৰ পুত্ৰ আছিল মালিব, মালিবৰ-কা-ফাৰলাই, ফাৰলাইৰ ক্বাইচ, ক্বাইচৰ তালুত, তালুতৰ আৰমিয়া আৰু আৰমিয়াৰ পুত্ৰ আছিল আফগান, যাৰ উত্তৰ পুৰুষ সকল হৈছে আফগান জনগন আৰু যাৰ নামেৰে পিছৰ সকলৰ নামাকৰণ কৰা হৈছিল। আফগান নেবুছেদনেজাৰৰ সমসাময়িক আছিল, তেওঁক ইজৰাইলৰ বংশোদ্ভুত বোলা হৈছিল আৰু যাৰ চল্লিশজন পুত্ৰ আছিল। ২০০০ বছৰ পিছত ৩৪ তম অৱস্থান ক্বাইচৰ জন্ম হৈছিল যিজন মোহাম্মদ পৱিত্ৰ নবী (ছাঃ)ৰ সময়ত বাস কৰিছিল। তেওঁৰ উত্তম পুৰুষসকল ৬৪ জন সাধাৰণলৈ পূৰ্ণ হৈছিল। চালম বোলা আফগানৰ জ্যেষ্ঠতম পুত্ৰ তেওঁ ছিৰিয়াৰ ঘৰৰ পৰা প্ৰব্ৰজিত হৈছিল আৰু হিৰাতৰ ওচৰৰ ঘোৰ মাস্কুহত বসতি স্থাপন কৰিছিল। তেওঁৰ উত্তম পুৰুষ সকল আফগানিস্থানত সিচঁৰিত হয়।

জেমচ বীচৰ দ্বাৰা ৰচিত Encyclopaedia of Geography F.G.S. (London. 1856) ১১ পৃষ্ঠাত উল্লেখ আছে যে আফগানসকল ইজৰাইলী বংশোদ্ভুৱ ৰজা চোলৰ বংশৰ ইতিহাস পাইছে আৰু সিহঁত নিজকে ইজৰাইলী বংশোদ্ভুত বুলি কৈছে। আলেকজেণ্ডাৰ বাৰ্ণছে কয় যে আফগানসকলে মত প্ৰকাশ কৰে যে সিহঁত ইহুদীমূলৰ ৰজা বাবুল সিহঁতক বন্দী কৰিছিল আৰু ঘোৰৰ ভূখণ্ডত সিহঁতক সংস্থাপিত কৰিছিল যিটো অঞ্চল কাবুলৰ উত্তৰ পশ্চিমত অৱস্থিত, যে ৬২২ খ্ৰীষ্টাব্দলৈকে সিহঁত স্বৰ্গীয় ইহুদী বিশ্বাস অব্যাহত ৰাখিছিল কিন্তু খালিদ বিন আব্দুল্লা (ভুলক্ৰমে ৱালিদৰ পৰিৱৰ্তে) এই গোত্ৰৰ মুখ্যজনৰ জীয়াৰীক বিয়া কৰাইছিল আৰু সেই বছৰতে সিহঁতক ইছলাম গ্ৰহণ কৰাইছিল।

লণ্ডত প্ৰকাশিত (১৮৭৮) Col. G. B. Malleson ৰ দ্বাৰা ৰচিত History of Afganistan গ্ৰন্থৰ ৩৯ পৃষ্ঠাত ইয়াক উল্লেখ কৰা হৈছে যে হিৰাত আব্দুল্লাহ খান, ফৰাছী ভ্ৰমণকাৰী ফ্ৰিয়াৰ জোহন আৰু চাৰ উইলিয়াম জোনচ (যিগৰাকী এজন দক্ষিণ পূব এচিয়া দেশসমূহৰ ভাষা সংস্কৃতিৰ মহাসাধক আছিল) তেওঁ একমত হৈছে যে আফগানসকল বনি ইস্ৰাইলৰ বংশোদ্ভুত সকলৰ পৰা আহিছে। সিহঁত দহটা হেৰোৱা গোত্ৰৰ বংশোদ্ভুতৰ L.P.Ferrier ৰ দ্বাৰা ৰচিত আৰু Capt. W.M.Jase ৰ দ্বাৰা অনুদিত আৰু লণ্ডনত প্ৰকাশিত (১৮৫৮) History of Afgan গ্ৰন্থখনত ১ পৃষ্ঠাৰ লিপি এই যে দক্ষিণ পূৱ এচিয়া দেশসমূহৰ অধিকাংশ ঐতিহাসিক এই অভিমতত একমত যে আফগান লোকসকল ইজৰাইলৰ হেৰোৱা দহটা গোত্ৰৰ বংশোদ্ভুত আৰু আফগানসকলৰ নিজা অভিমতো একেই। একে গৰাকী ঐতিহাসিকে এইখন গ্ৰন্থৰ ৪ পৃষ্ঠাত কৈছে যে আফগান সকল দখল কৰিছে এই সাক্ষী যে ভাৰত আক্ৰমণৰ সময়ত পেচোৱাৰত নাদিৰ ছাহ ইউছুফ জাই গোত্ৰৰ মুখ্যজনৰ দ্বাৰা হিব্ৰু ভাষাত লিখিত বাইবেল এখন আৰু কেবাটাও অন্যান্য সামগ্ৰীৰে পুৰস্কৃত হৈছিল। সিহঁতৰ পৰিয়ালৰ দ্বাৰা পৰিচালিত সিহঁতৰ পুৰণা বিশ্বাসৰ ধৰ্মীয় উৎসৱ পালনাৰ্থে। নাদিৰ ছাহৰ কেম্পত কিছুমান

ইহুদীয়ও আছিল। সামগ্ৰীসমূহ চায়েই সিহঁত প্ৰস্তুতভাৱে চিনি পাইছিল। আকৌ একেগৰাকী ঐতিহাসিকে তেওঁৰ গ্ৰন্থৰ ৪পৃষ্ঠাত উল্লেখ কৰিছে যে তেওঁৰ মতে হিৰাতৰ আব্দুল্লা খানৰ ধাৰণা বিশ্বাসযোগ্য। সংক্ষেপে ধাৰণাটো এই মালি তালুত ঃ (চোল) দুই পুত্ৰ আছিল আফগান আৰু জালুত। আফগানৰ এইসকল মানুহৰ পিতৃপুৰুষ আছিল। ডেভিদ আৰু চোলোমনৰ শাসনৰ পিছত ইজৰাইলী গোত্ৰৰ মাজত পৰস্পৰৰ দ্বন্দ্ব লাগিছিল যাৰ ফলস্বৰূপে প্ৰতিটো গোত্ৰ আনবোৰৰ পৰা বিচ্ছিন্ন হৈ পৰিছিল আৰু এই অৱস্থা নেবুছেদ নেজাৰৰ সময়লৈকে চলিত হৈ আছিল। নেবুছেদ নেজাৰে অৱৰোধ চলাইছিল আৰু ৭০,০০০ ইহুদীক হত্যা কৰিছিল। তেওঁ নগৰখন ধ্বংস কৰিছিল অৱশিষ্ট ইহুদীসকলক বাবেললৈ বন্দী বনাই লৈছিল। এই সন্ধিক্ষণৰ পিছত আফগানৰ শিশুসকল জুডিয়াৰ পৰা ভয়তে পলাইছিল আৰবলৈ আৰু তাত সুদীৰ্ঘকাল বাস কৰিছিল। কিন্তু পানী আৰু ভূমিৰ অভাৱ হোৱা বাবে সিহঁত ভাৰতলৈ প্ৰব্ৰজন কৰিবলৈ সিদ্ধান্ত লৈছিল। আবদালিৰ এদল আৰৱতে ৰৈ গৈছিল আৰু হজৰত আবু বক্কৰৰ খিলাফত চলা কালত সিহঁতৰ মুখ্য এজনে সিহঁত আৰু খালিদ বিন ৱালিদৰ মাজত বিবাহৰ দ্বাৰা সম্পৰ্ক স্থাপন কৰিছিল। যেতিয়া ইৰাণ আৰৱত পৰিছিল এই মানুহসকল আৰৱৰ পৰা প্ৰব্ৰজন কৰিছিল আৰু সিহঁত নিজকে ইৰাণৰ প্ৰদেশ ফাৰাছ আৰু কিৰমানত সংস্থাপিত কৰিছিল। চেংগীজখানৰ আক্ৰমণলৈ সিহঁতে তাতে থাকিছিল। চেংগীজখানৰ অত্যাচাৰৰ বিৰুদ্ধে আবদালিসকল অসহায় হৈ পৰিছিল। সিহঁত ভাৰতলৈ আহিছিল মাকৰান সিন্ধু আৰু মুলতানৰ সোঁমাজেৰে অতিক্ৰম কৰি।কিন্তু ইয়াত সিহঁত শান্তিত নাছিল। অৱশেষত সিহঁত কোহ ছোলেমানলৈ গুচি গৈছিল আৰু তাতে বসতি পাতিছিল।আবদালিৰ গোত্ৰৰ অন্য সদস্যবোৰে তাত সিহঁতৰ লগ লাগিছিল। সিহঁত ২৪ টা গোত্ৰবিশিষ্ট আছিল। আফগানৰ বংশধৰ সকল– যাৰ তিনিটা সন্তান আছিল, নাম আছিল ছাৰাবন্দ (চাৰবন), আৰকা (গাৰগাষ্ট) কাৰলান (বাত)। সিহঁত প্ৰত্যেকৰে আঠজনকৈ পুত্ৰ আছিল যিসকলৰ পূৰণফলে ২৪ টা গোত্ৰ গঢ়িছিল, প্ৰতিটো গোত্ৰৰ নাম প্ৰতিজন পুত্ৰৰ নামেৰে দিয়া হৈছিল। সিহঁতৰ নামবিলাক সিহঁতৰ

গোত্ৰৰ সৈতে তলত উল্লেখ কৰা হ'লঃ ছাৰাবন্দৰ পুত্ৰসকল আবদাল (আবদালি) বাবুৰ (বাবুৰি) ৰাজিৰ (ৰাজিৰী) লোহান (লোহানী) বাৰ্চ (বাৰ্চি), খুগীয়ান (খুগীয়ানী) ছৰণ (ছৰণী) আদি। গাৰগাষ্টৰ (আৰকাছ) পুত্ৰসকল খিলজ (খিলিজী),কাকৰ (কাকৰী),জামুৰীন (জামুৰিনী) চতুৰীয়ান (চতুৰীয়ানী), পীন (পীনী),কাছ (কাছী), তাকন (তাকনী), নাছাৰ (নাছৰী) আদি।

কাৰলানৰ পুত্ৰসকল খাতক (খাতকী) আফ্ৰিদ (আফ্ৰিদী) তুৰ (তুৰী) জাজ (জাজী) বাব (বাবী) বাংগানেছ (বাংগানেছী),লণ্ডীপুৰ (লণ্ডীপুৰী) আদি।

হিৰাতৰ খাজা নিয়ামাতুল্লাহৰ দ্বাৰা ৰচিত মাখজান ই আফগানী গ্ৰন্থখন সম্ৰাট জাহাংগীৰৰ সময়ত ১০১৮ হিজৰীত খাৰকী ইউনিৰ্ভাছিটি (London. 1836 ৰ Prof.Bernard Doran ৰ দ্বাৰা ভাষান্তৰ প্ৰকাশিত গ্ৰন্থখনত নিম্ন উল্লেখিত মন্তব্যৰ অধ্যায় আছে।

প্ৰথম অধ্যায়ত ইজৰাইলৰ ইতিহাসত যেকব আছে যাৰ সৈতে এই মানুহ সকলৰ (আফগান) বংশাৱলী আৰম্ভ হৈছে।

দ্বিতীয় অধ্যায়ত ৰজা তালুতৰ ইতিহাস আছে অৰ্থাৎ আফগান সকলৰ বংশাৱলী তালুতলৈ মূলসূত্ৰ পোৱা যায়।

২২ আৰু ২৩ পৃষ্ঠাত উল্লেখ আছেঃ তালুতৰ দুজন পুত্ৰ আছিল বাৰখীয়া আৰু আৰমীয়াহ। বাৰখীয়াৰ এক পুত্ৰ আছিল আৰু ইজৰাইলী সকলৰ কোনো এজনকে আফগান সকলৰ সতি সন্ততিৰ সৈতে তুলনা নহয়। ৬৫ পৃষ্ঠাত উল্লেখ আছে যে নেবুছেদ নেজাৰে গোটেই সাম (ছিৰিয়া ইত্যাদি) দেশ দখল কৰিছিল, ইজৰাইলী গোত্ৰক নিৰ্বাসিন দিছিল আৰু সিহঁতক ঘোৰ, গজনী, কাবুল, কান্দাহাৰ আৰু কোহ ফিৰোজত সংস্থাপিত কৰিবলৈ পঠাইছিল, য'ত বিশেষকৈ আচাফ আৰু আফগানৰ সতি সন্ততিসকলক অস্থায়ী বসতি লৈছিল।

এইখন গ্ৰন্থৰ ৩৭ আৰু ৩৮ পৃষ্ঠাত মাজমা-উল-আনছাৰৰ স্বত্বত (লিখক পৰিচিত আৰু তাৰিখ বাজিদাহৰ লিখক মাছতাউফিৰ স্বত্বত উল্লেখিত আছে যে পৱিত্ৰ নবী (ছাঃ)ৰ জীৱনকালত খালিদ বিন ৱালিদে আফগান

সকলক ইছলামলৈ আহ্বান কৰিছিল, যিসকলে নেবুছেদ নেজাৰৰ ৰাজত্বৰ ঘটনাৰ পিছত ঘোৰ ভূখণ্ডত থাকিবলৈ লৈছিল। ক্বাইচৰৰ নেতৃত্বত আফগান মুখ্য সকলে পৱিত্ৰ নবী (ছাঃ)ৰ ওচৰলৈ আহিছিল, যিজন তালুতৰ ৩৭ তম অনুক্ৰম বংশোদ্ভুত আছিল। (ইয়াত আব্দুল ৰছিত ক্বাইছৰ বংশাৱলী তালুত ছোললৈকে দিয়া আছে)। পৱিত্ৰ নবী (ছাঃ)য়ে পাঠান উপাধিৰে মুখ্যসকলক ভূষিত কৰিছিল যাৰ অৰ্থ হৈছে জাহাজৰ পৰিচালক। কিছু সময় পিছত মুখ্যসকলে সিহঁতৰ ভূমিলৈ প্ৰত্যাৱৰ্তন কৰিছিল আৰু ইছলাম প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিছিল।

একেখন গ্ৰন্থ মাখজান-ই-আফগানৰ ৬৩ পৃষ্ঠাত লিপিবদ্ধ আছে যে ফৰিদুদ্দিন আহমেদে তেওঁৰ গ্ৰন্থ ৰাছালাহ আনছাৰ -ই -আফগানিয়াহত বেণী আফগানাহ বা বেণী আফগানসকলৰ উপাধি সম্পৰ্কে নিম্নোক্ত অভিমত কৰিছে ঃ নেবুছেদ নেজাৰে ইজৰাইল আৰু সামভূমি জয় কৰাৰ পিছত যেতিয়া তেওঁ জেৰুজালেম ধ্বংস কৰিছিল তেওঁ ইজৰাইলী সকলক বন্দী কৰি লৈছিল আৰু দাস হিচাবে নিৰ্বাসিন দিছিল। তেওঁ সিহঁতৰ কেবাটাও গোত্ৰক লগত লৈ গৈছিল যিসকল মুছাৰ শ্বৰীয়ত পালন কৰিছিল আৰু সিহঁতক পৈত্ৰিক বিশ্বাস ত্যাগ কৰিবলৈ আৰু ঈশ্বৰৰ পৰিৱৰ্তে তেওঁক পূজা কৰিবলৈ আদেশ দিছিল যাক সিহঁতে পালন কৰিবলৈ অস্বীকাৰ কৰিছিল। ফলত নেবুছেদ নেজাৰে সিহঁতৰ মাজৰ পৰা দুহেজাৰ বুদ্ধিমান আৰু জ্ঞানী মানুহক হত্যা কৰিছিল আৰু বাকী সকলক আদেশ দিছিল যে সিহঁতে তেওঁৰ দেশৰ পৰা বা সামভূমিৰ পৰা গুচি যাব লাগে। সিহঁতৰ কিছুসংখ্যক নেবুছেদ নেজাৰৰ ভূখণ্ড এজন মুখ্যৰ অধীনত এৰিছিল আৰু ঘোৰ পৰ্বতলৈ গুচি গৈছিল। সিহঁতৰ উত্তৰ পুৰুষ সকল এইখন স্থানতে বসতি লৈছিল, সংখ্যাত বৃদ্ধি হৈছিল আৰু মানুহসকলে সিহঁতক বনি ইস্ৰাইল,বনি আছফ আৰু বনি আফগান বুলিবলৈ আৰম্ভ কৰিছিল।

৬৪ পৃষ্ঠাত উল্লেখিত লেখকে অভিমত কৰিছে যে তাৰিখ ই আফগান

তাৰিখে ই-ঘোৰী আদিৰ দৰে বিশ্বাসযোগ্য লিপি সমূহত নিশ্চয়তা আছে যে আফগান সকল বহুলাংশে বনি ইস্ৰাইল আৰু সিহঁতৰ কিয়দাংশহে মূলৰ। তদুপৰি আবুল ফজলে উল্লেখ কৰে যে কিছু আফগান নিজকে ইজিপ্ত মূলৰ বুলি ভাৱে, সিহঁতৰ তেনেকৈ কোৱাৰ যুক্তি এয়ে যে যেতিয়া বনি ইস্ৰাইল সকল ইজিপ্তলৈ জেৰুজালেমৰ পৰা প্ৰত্যাৱৰ্তন কৰিছিল এই গোত্ৰটো (অৰ্থাৎ আফগানসকল) ভাৰতলৈ প্ৰব্ৰজন কৰিছিল। ৬৪ পৃষ্ঠাত আফগান উপাধি সম্পৰ্কে ফৰিদুদ্দিন আহমেদে কয়, আফগান উপাধি সন্দৰ্ভত কিছুমান লিখিছে যে নিৰ্বাসনৰ (ছিৰিয়াৰ পৰা) পিছত সিহঁত সদায় ঘৰৰ স্মৰণত দুঃখ প্ৰকাশ কৰিছিল আৰু কান্দিছিল। সেয়ে সিহঁতক আফগান বুলি নামাকৰণ কৰা হৈছিল। Sir John Malcolm ও একে অভিমত দিয়ে। (History of persia, Vol-1 Page 101)

৬৩ পৃষ্ঠাত মোহাববত খানৰ অভিমত ব্যক্ত হৈছে, সিহঁত ছুলেইমান (আঃ)ৰ অনুসাৰী আৰু সম্পৰ্কীয় হোৱা হিচাপে সেয়ে সিহঁত আৰবসকলৰ দ্বাৰা ছুলেইমানী ঢঙৰ।

৬৫ পৃষ্ঠাত লিখা আছে যে প্ৰায় সকলো দক্ষিণ এছিয়া ঐতিহাসিকৰ গৱেষণাই দেখুৱায় যে আফগান সকলৰ নিজৰ অভিমত এয়ে যে সিহঁত ইহুদী মূলৰ। আজিৰ একাংশ ঐতিহাসিকেও একে অভিমত গ্ৰহণ কৰিছে। যিমান দূৰ সম্ভৱ ইয়াক সত্য বুলি বিবেচনা কৰে।

আফগান সকলৰ দ্বাৰা নামবোৰ গ্ৰহণ কৰা হিচাপে সিহঁত ইতিপূৰ্বে ইছলাম গ্ৰহণ কৰাৰ বাবে অনুবাদক Bernard Doran ৰ অভিমত সমৰ্থনৰ প্ৰশ্ন নাথাকে। উত্তৰ আৰু পশ্চিম পাঞ্জাৱত হিন্দু মূলৰ গোত্ৰবোৰ আছে যিসকল মুছলিম হৈছিল কিন্তু যিসকলৰ নামবোৰ ইহুদী জনগনৰ নামৰ পৰা অহা নাছিল, যিটো স্পষ্টৰূপে প্ৰমাণ কৰে যে মুছলিম হৈ উঠি মানুহসকলে ইহুদী নাম ল'বলৈ আৱশ্যকবোধ নকৰে।

লক্ষণীয় যে ইহুদী সকলৰ সৈতে আফগান সকলৰ চিনিব পৰাকৈ মিল আছে, আচলতে যিটো আনকি সেইসকল পণ্ডিতৰ দ্বাৰা স্বীকৃত হৈছে যিসকল এই অভিমত পোষণ নকৰে যে আফগান সকল ইহুদী মূলৰ। এইটোৱেই হ'ব পাৰে সিহঁতৰ ইহুদী মূলৰ বংশোদ্ভৱ হোৱাৰ একমাত্ৰ যথেষ্ট কাৰণ। এই সন্দৰ্ভত Sir John Malcolm ৰ ভাষ্য হ'লঃ আফগান গোত্ৰবোৰ মূল যিসকল খোৰাচান আৰু সিন্ধুৰ মাজৰ পাৰ্বত্য এলেকাৰ বাসিন্দা বিভিন্ন ঐতিহাসিকৰ দ্বাৰা নানা ধৰণে মত প্ৰকাশিত হৈছে। কিছুমান দঢ়াই কয় যে সিহঁত পোনে পোনে ইহুদী গোত্ৰবোৰৰ সতি সন্ততি। নেবুছেদ নেজাৰৰ দ্বাৰা বন্দী হৈছিল আৰু প্ৰধান মূখ্যসকলক কোৱা হৈছিল ডেভিদ আৰু চোললৈ সিহঁতৰ পৰিয়ালবোৰ সন্ধান কৰি উলিয়াবলৈ। যদিও শুদ্ধ গীৰৱময় বংশ বৰ সন্দেহপূৰ্ণ সিহঁতৰ ব্যক্তিগত চেহেৰাৰ পৰা আৰু সিহঁতৰ বহুতো ব্যৱহাৰৰ পৰা এয়া স্পষ্ট যে সিহঁত সুস্পষ্টকৈ পাৰ্চীয়ান জাতিৰ টাটাৰচ আৰু ভাৰতীয় আৰু অকল এইটো অনুমান হয় এক মন্তব্যত বিশ্বাস স্থাপন কৰিবলৈ যিটো বলিষ্ঠ ঘটনাৰ সৈতে বিতৰ্কিত হয় যিবোৰৰ কোনো পোন প্ৰমাণ দিয়া হোৱা নাই।

যদি এদল মানুহ আৰু অন্য দলৰ মাজৰ লক্ষণীয় মিলবোৰৰ ফল নিৰূপিত কৰিব পৰা গ'লহেঁতেন ইহুদী মূলৰ হোৱা বুলি। কথাটো অকল বাৰ্ণিয়াৰ দ্বাৰা উল্লেখিত হোৱা নাই কিন্তু ফৰষ্টাৰৰ দ্বাৰাও আৰু অন্যান্য পণ্ডিত সকলৰ দ্বাৰও কোৱা হৈছে।

যদিও ফৰষ্টাৰ য়ে মানি লোৱা নাই বাৰ্ণিয়াৰৰ অভিমত তেওঁ স্বীকাৰ কৰে যে যেতিয়া তেওঁ কাশ্মীৰ সকলৰ মাজত আছিল তেওঁ ভাৱিছিল যে তেওঁ যেন ইহুদী লোক সকলৰ মাজত হে আছিল।

কাশ্মিৰী শব্দটো সম্পৰ্কে A.K.Johnston ৰ Dictionary of Geography ৰ ২৫০ পৃষ্ঠাত থকা নিম্নোক্ত কথাবোৰ মনত পৰে,২৫০ পৃষ্ঠাত

Kashmiri শিৰোনামা সম্পৰ্কে আছে; নাগৰিক সকলৰ ওখ পাখ দেহৰ কাঠামো স্বাস্থ্যবান আৰু বলিষ্ঠ,সুমানৱিক অৱয়ব, তিৰোতাসকল পুৰ্নগঠনৰ আৰু সুন্দৰী সুগঠিত নাসিকা আৰু আকৃতিত ইহুদীসকলৰ সৈতে একে। Civil Military Gazette 23 November 1898 page 4, Sawati and Afridi শীৰ্ষৰে এক মূল্যবান আৰু চিত্তাকৰ্ষক কাকতৰ সৃষ্টি হৈছে বৃটিছ সংস্থাটোৰ সমাজ তাত্বিক লৈ বটা দিয়া হৈছিল অলপতে ইয়াৰ এক সন্মিলনত, যাক সমাজ তাত্বিক গৱেষণাৰ ওপৰত শীতকালীন অধিবেশন পাঠ কৰা হৈছিল। কাকতখন তলত উপস্থাপন কৰা হ'ল।

আমি নিম্নত উচ্চমান মূল্যৰ আৰু চিত্তাকৰ্ষক কাকতৰ সম্পূৰ্ণ পাঠক্ৰম দিবলৈ সমৰ্থবান হৈছে যিটো সদ্যহতে অনুষ্ঠিত বৃটিছ সংস্থাৰ সমাজ তাত্বিক শাখাৰ এক সন্মিলনত প্ৰদান কৰা হৈছিল যাক সমাজ তাত্বিক প্ৰতিষ্ঠানটোৰ শীকালীন অধিবেশনত এতিয়া পাঠ কৰিবলগীয়া হৈ আছে।

ভাৰতত এইবোৰ পশ্চিম দুৱাৰৰ মূল পাকতান বা পাঠান বাসিন্দা সকল অতি পূৰ্বৰ ইতিহাসত চিনাক্ত হয় অধিকাংশ গোত্ৰবোৰৰ উল্লেখ হিৰোদাছ আৰু আলেকজেণ্ডাৰৰ ঐতিহাসিক সকলৰ দ্বাৰা কৰা হৈছে। মধ্যযুগত অসমান অব্যৱহৃত পাহাৰুৱা বনাঞ্চল যিবোৰ সিহঁত ধৰিছিল তাক ৰোহ আৰু ইয়াৰ বাসিন্দা সকলক ৰোহিলা বোলা হৈছিল আৰু সন্দেহ প্ৰায় নাথাকেই যে অধিকাংশ এই পূৰ্বৰ ৰোহিলা বা পাঠান গোত্ৰবোৰ ভাৰি অহা তেনে আফগান সকলৰ পূৰ্বেই সিহঁতৰ স্থানবোৰত আছিল। সকলোবোৰ আফগান যিসকলক এতিয়া পাঠানৰ শাৰীত ধৰা হয় কাৰণ সিহঁত পাঠান ভাষাত আৰু পুষ্ট ভাষাত কথা পাতে, সিহঁত প্ৰত্যক্ষ সম্পৰ্ক স্বীকাৰ নকৰে, সিহঁতে নিজকে বনি ইস্ৰাইল হিচাপে দাবী কৰে। এই গোত্ৰ সমূহৰ সতি-সন্ততি সকলক নেবুছেদ নেজাৰৰ দ্বাৰা বন্দী বনাই লৈ যোৱা হৈছিল। যি কি নহওঁক সিহঁতৰ সকলোৱে পুষ্ট ভাষা গ্ৰহণ কৰিছিল, আৰু সকলোৱে একেই পাঠান, সাধাৰণ অসামৰিক দৃষ্টি নিক্ষেপে পাটকানৱালি বুলি চিনি পায়,যিটো

বহু সুবিধাৰ ৰহস্যজনক ভাৱে পৰামৰ্শ দায়ক উভয় মোছাৰ বিশেষানুমোদন আৰু প্ৰাচীন ৰাজপুত জাতিৰ বিশেষ ধৰ্মীয় নিয়মৰ ৰহস্যজনক ভাৱে স্মৰণীয়।

# ইজৰাইলী চিনসমূহ

এইদৰে পাঠান সকল যিসকলৰ সৈতে আমি পলমকৈ তেনেই বহল ভাৱে পৰিচিত হলো তেওঁলোক দুটা সম্প্ৰদায় অৰ্থাৎ গোত্ৰ আৰু বংশসমূহ যথা ৱাজিৰী,আফ্ৰিদী ওৰাকজাইচ ইত্যাদিত ভাগ কৰিব পাৰি, যিসকল মূলতে ভাৰতীয় আনহাতে সেই সকল যিসকল আফগান,যিসকল চেমিটিক বুলি দাবী কৰে আৰু যিসকল আমাৰ দক্ষিণ এচিয়াত অধিপত্যশীল হিচাপে দেখুৱায় সেয়া অন্ততঃ সম্ভৱ হ'বলৈ এনে লাগে যে পাটকানৱালি সকল যিটো এক অলিখিত চিহ্ন আৰু যিটো সিহঁতৰ সকলোৰে দ্বাৰা একে ধৰণে স্বীকৃত হৈছে,সেয়া আচলতে বৰ মিশ্ৰিত ধৰণৰ হ'ব পাৰে। আমি এইটোত পাব পাৰো মুছাৰ বিশেষ আইনসমূহ ৰাজপুত নীতিৰ সৈতে মিলোৱা আৰু মুছলিম ৰীতি নীতিৰ দ্বাৰা নৱৰূপ লোৱা। আফগান সকল যিসকল নিজকে ডুৰানী বোলে আৰু যিসকলে ডেৰ শতিকা পূৰ্বে ডুৰানী ৰাজৰ স্থাপনলৈকে তেনে কৰিছিল, সিহঁতে কয় যে সিহঁত কিছ নামৰ এজন পূৰ্বপুৰুষৰ জৰিয়তে ইজৰাইলী গোত্ৰৰ পৰা মূল বিচাৰি পায়, যাক মহম্মদ নবীয়ে পাঠান নাম দিছিল (ছিৰিয়াৰ ভাষাত যাক পৰিচালক কোৱা হয়) কাৰণ তেওঁ তেওঁৰ মানুহ সকলক প্ৰচলিত ইছলামত ঘূৰাই আনিবলগীয়া হৈছিল। যি কি নহওঁক আমি ইতিপূৰ্বে উল্লেখ কৰিছোঁ যে পাটকান বা পাঠান জাতিয়তাটো ইছলামতকৈ অধিক পুৰণি। আপগান সকলৰ মাজত ইজৰাইলী নামবোৰৰ চিৰসহাৰস্থানৰ হিচাপ নিৰূপণ কৰাটো টান। ইজৰাইলী জাতিৰ সৈতে কিছুমান পূৰ্বৰ সম্পৰ্ক স্বীকাৰ নকৰাকৈ। তাতোকৈ অধিকতৰ জটিল হৈছে কিছুমান বিশেষ নীতি নিয়ম নিৰূপণ কৰা। উদাহৰণ স্বৰূপ যেনেকুৱা পেৰাভাৰৰ ভোজ ৰখা (যিটো আফগান গোষ্ঠীৰ দ্বাৰা অন্ততঃ অধিকতম ৰহস্যজনক ভাৱে অনুসৰণ কৰা হয়) অথবা তাক অব্যাহত ৰখাৰ বাবে

যাৰ সৈতে কম শিক্ষিত আফগান সকল এই পৰম্পৰা পালন কৰে, ইয়াৰ বাবে সত্যতাৰ কিছুমান মূল ভিত্তি নোহোৱাকৈ। Bellew এ ভাৱে যে এই ইস্ৰাইলী সম্পৰ্ক সত্য হ'ব পাৰে কিন্তু তেওঁ যুক্তি দৰ্শাইছে যে আফগান পৰিয়াল তিনিটা বৃহৎ শাখাৰ অন্ততঃ এটা পৰম্পৰাগত ভাৱে কিছৰ পৰা উদ্ভৱ হৈছিল, তাক ছাৰাবৰ (Sarabaur) বোলা হয় যিটোৱে কিন্তু পুষ্টু ৰাজপুতৰ সৌৰ জাতিৰ বাবে প্ৰাচীন কালৰ পৰা প্ৰয়োগ হৈছিল, যাৰ কলীনবোৰ চন্দ্ৰবাণৰ দ্বাৰা সিহঁতৰ পতনৰ পিছত আফগানিস্থানলৈ প্ৰব্ৰজিত হৈছিল বুলি জনা যায়- (চন্দ্ৰবান) ভাৰতীয় পৌৰাণিক লিপি মহাভাৰতৰ যুদ্ধৰ চান্দ্ৰ জাতিটো। এইদৰে আফগানসকল প্ৰাচীন ৰাজপুত গোত্ৰবোৰৰ সৈতে অংশী হোৱা এক ইজৰাইলী জাতি হোৱাটো সম্ভৱ আৰু এয়াই মোৰ আগত সদায় থিয় দিয়ে তেওঁৰ মূলৰ সমস্যাৰ অধিক সম্ভাব্য সমাধান হিচাপে। যিকোনো প্ৰকাৰে আধুনিক আফগান এজনে পৰম্পৰাৰ ভিত্তিৰ ওপৰত স্থিতি গ্ৰহণ কৰে নিৰ্বাচিত প্ৰজাতিবোৰ এক হিচাপে, আব্ৰাহামৰ বংশধৰ হিচাপে আৰু তেওঁ অকল অন্য পাঠানবোৰৰ সৈতে নিবিড় সম্পৰ্ক চিনাক্ত কৰে উমৈহতীয়া ভাষা মাধ্যমৰ আৰু উমৈহতীয়া জনজাতীয় পৰম্পৰাৰ জৰিয়তে।

এই সকলোবোৰ খ্যাতনামা লেখকসকলৰ গ্ৰন্থসমূহৰ পৰা লোৱা উদ্ধৃতিসমূহ একেলগে বিবেচনা কৰিলে এজন সুবিচাৰক ব্যক্তিক পতিয়ন নিয়া যে আফগানসকল আৰু কাশ্মীৰীসকল যিসকল ভাৰতত, দক্ষিণ এচিয়াত আৰু ইয়াৰ আশে পাশে পোৱা যায় তেওঁলোকে প্ৰকৃততে বনি ইস্ৰাইলী। এইখন গ্ৰন্থৰ দ্বিতীয় অংশত ঈশ্বৰে বিচাৰিলে মই অধিক বিস্তাৰিত ভাৱে প্ৰমাণ কৰিম যে যীশু (আঃ)ৰে কৰা ভাৰত ভ্ৰমণ আছিল সুদীৰ্ঘ। সৰ্বশেষ আছিল এয়া যে সকলোবোৰ ইস্ৰাইলৰ গোত্ৰৰ ধৰ্ম প্ৰচাৰ কৰাৰ দায়িত্ব পালন কৰা যাৰ পৰোক্ষ উল্লেখ তেওঁ গোছপেল সমূহত কৰিছিল। সেয়ে এয়া আচৰিত কথা নহয় যে তেওঁ ভাৰত আৰু কাশ্মীৰলৈ আহিছিল। আনহাতে এয়া আচলতে আচৰিত কথা হ'লহেঁতেন যদি তেওঁ কৰ্তব্যৰ দায়িত্ব নেৰাকৈ স্বৰ্গলৈ আৰোহণ কৰিলেহেঁতেন। এইখিনিতে মই বৰ্তমান আলোচনা

সামৰিলোঁ।

তেওঁলোকলৈ শান্তি হওঁক যিসকল সৎপথত চলিছে।

**লিখক**

**মিৰ্জা গোলাম আহমদ, মছীহ মাওউদ**

**কাদিয়ান, জিলা-গুৰদাছপুৰ,**